● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন



নিজৰ ওপৰত বিশ্বাস ৰাখক। নিজৰ সক্ষমতাক বিশ্বাস কৰক। নিজৰ শক্তিক লৈ এক নমনীয় আৰু যুক্তিপূৰ্ণ বিশ্বাস নাথাকিলে আপুনি কেতিয়াও সফল হ'ব নোৱাৰিব।

নৰ্মেন ভিনচেণ্ট পিয়েল
*আমেৰিকাৰ লেখক-ৰাজনীতিক*

www.dainikagradoot.in

৭ ব্ৰিটেইনত অ'মিক্ৰনত মৃত্যু ১২ জনলৈ বৃদ্ধি
১৫ এছিয়ান হকীৰ ছেমিত পৰাস্ত ভাৰত
৪ সংবাদ মাধ্যম
মুখ্য ন্যায়াধীশৰ আক্ষেপ কিয়?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৭৬তম সংখ্যা ● গুৱাহাটী ● বুধবাৰ ৬ পুহ ১৪২৮ ভাস্কৰাব্দ ২২ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Wednesday 22 December 2021 মূল্য ঃ ৯.০০ টকা

■ ৮২,৭৪১.০৭ কোটি টকাৰ ঋণৰ বোজাত অসম ■ বিশেষ ৰাজ্যৰ মৰ্যাদা ঘূৰাই অনাৰ প্ৰস্তাৱ গ্ৰহণৰ প্ৰয়োজন নাই ঃ বিত্তমন্ত্ৰী ■ নিয়মৰ মাজত থাকিহে ঋণ গ্ৰহণ কৰা হৈছে ঃ মুখ্যমন্ত্ৰী

# ছবছৰত ২২,২৭০ কোটি সুত দিলে অসমে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** ৮২,৭৪১.০৭ কোটি টকা ঋণৰ বোজাত কক্‌বকাই থাকিবলগীয়া হৈছে অসমে। ইয়াৰ পৰিপ্ৰেক্ষিতত আৰ্থিক জটিলতা থাকিলেও ৰাজ্যখনে চলিত বিত্তীয় বৰ্ষত ৫,১৯৯.১৮ কোটি টকা সুত সংশ্লিষ্ট সংস্থাবোৰক পৰিশোধ কৰিবলগীয়া হৈছে। ঋণৰ বোজাৰ এই ছবিখন আজি অসম বিধানসভাত বিত্ত বিভাগে দাখিল কৰাৰ তথ্যত প্ৰকাশ পায়। বিধানসভাত একাধিক মৌখিক প্ৰশ্ন আৰু বিতৰ্কৰ সময়ত উন্মোচিত হোৱা এই তথ্যত লগতে স্পষ্ট হয় যে যোৱা ছবছৰত অৰ্থাৎ ২০১৫-১৬ৰ পৰা ২০২০-২১লৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা গ্ৰহণ কৰা মুঠ ঋণৰ পৰিমাণ হ'ল ৯৩৬.৭৩ কোটি টকা। ঋণৰ পৰিমাণ বৃদ্ধিৰ সমান্তৰালকৈ পৰিশোধ কৰা সুতৰ পৰিমাণো বাঢ়ি গৈছে। ২০১৫-১৬ত ঋণৰ বিপৰীতে সুত পৰিশোধ কৰা হৈছিল ২,৬১৮.৪৪ কোটি টকা। ২০১৬-১৭ত সেই পৰিমাণ আছিল ২,৯৬৩.৭৫ কোটি টকা। তেনেদৰে ২০১৭-১৮ত ৩,২০৫.৩৩, ২০১৮-১৯ত ৩,৮৪৪.৩৬ আৰু ২০১৯-২০ত ৪,৪৩৮.৮৮ কোটি টকা পৰিশোধ কৰা হয়। এনেদৰে ছবছৰত পৰিশোধ কৰা ঋণৰ পৰিমাণ (প্ৰাক্‌প্ৰকৃত) পৰিমাণ হ'ল ২২,২৬৯.৯৪ কোটি টকা। ইপিনে, অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা ১০ পৃষ্ঠাত চাওক



*হালধীয়া ফুলেৰে চৌদিশ উজ্জ্বলাই তোলা সৰিয়হ খেতিত ব্যস্ত কৃষক, তেজপুৰত মঙলবাৰে।*

■ ৱাকফ সম্পত্তিৰ বেদখল-দুৰ্নীতি-ভুল পৰিচালনাৰ অভিযোগেৰে সৰৱ শাসক-বিৰোধী ■ ৰাজ্যৰ ৱাকফ সম্পত্তি লুটিপুতি খাইছে একাংশ জনপ্ৰতিনিধিয়ে ■ বিধানসভাত ফাদিল হ'ল উদ্বেগজনক ছবি ■ সদন কমিটী গঠনত সহমত মন্ত্ৰীৰ ■ শেষবাৰলৈ জাননী প্ৰেৰণ কৰা হ'ব

## উচ্ছেদ চলিব বেদখলী ৱাকফ সম্পত্তিত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** জনপ্ৰতিনিধিয়ে লুটিপুতি খাইছে ৰাজ্যৰ ৱাকফ সম্পত্তি। আজি অসম বিধানসভাৰ চলিত অধিবেশনত ৰাজ্যৰ ৱাকফ সম্পত্তিৰ অব্যৱস্থাপনা সম্পৰ্কীয় এক আলোচনাৰ উত্তৰত সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ ভাষ্যতে এই ছবি স্পষ্ট হয়। মন্ত্ৰী পাটোৱাৰীয়ে দোহাৰে যে ৱাকফ সম্পত্তিৰ বিনিময়ত চৰকাৰক ৰাজহ আদায় দিয়া নাই বৰ্তমানৰ অথবা প্ৰাক্তন বিধায়কে'বাজনেও। তেওঁ অৱশ্যে কাৰো নাম উল্লেখ কৰাৰ পৰা বিৰত থাকে। স্বাভাৱিকতে প্ৰশ্ন উত্থাপন হৈছে যে ৰাজ্যৰ বহুমূলীয়া ৱাকফ সম্পত্তি ভোগ কৰি থকা কোন এইসকল জনপ্ৰতিনিধি। আজিৰ মন্ত্ৰীৰ উত্তৰত এই কথাও স্পষ্ট হৈ পৰে যে বেদখলীকৃত ৱাকফ সম্পত্তি মুক্ত কৰিবলৈ অনতিপলমে চৰকাৰে উচ্ছেদ অভিযান চলাব। অতি সোনকালে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। বিগত বিধানসভাত বিধায়ক শ্বেৰমান আলী আৰু জাকিৰ হুছেইন শিকদাৰে উত্থাপন কৰা ব্যক্তিগত সদস্যৰ সংকল্প প্ৰস্তাৱৰ অসমাপ্ত আলোচনা চলিত বিধানসভাত হোৱা পুনৰ আলোচনাকালত আজি ৰাজ্যত ৱাকফ সম্পত্তিৰ অনিয়ম-দুৰ্নীতিৰ ছবিখন স্পষ্ট হৈ পৰে। এআইইউডিএফৰ বিধায়ক ৰফিকুল ইছলামে কয় যে শিলচৰ টাউনতে চাৰি হেজাৰ পাঁচ বিঘা ৱাকফ সম্পত্তি বেদখলৰ কৱলত আছে। তেওঁ কয় যে দানবীৰসকলে আল্লাৰ নামত তথা সমাজৰ উন্নয়নৰ বাবে দান কৰি যোৱা ৱাকফ সম্পত্তিৰ সদ্ব্যৱহাৰ হ'ব লাগে। ৰাজ্যত আঠ পৃষ্ঠাত চাওক

এপিএছচি কেলেংকাৰি ঃ ১২ নম্বৰ পৰিপূৰক অভিযোগনামা দাখিল

## ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা ৬০ জনৰ তদন্ত শেষ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** বক্ৰপথেৰে ২০১৩ত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ বহু ৰাজপত্ৰিত বিষয়া এপিএছচি পৰীক্ষা কেলেংকাৰিৰ তদন্ত আওতালৈ ১০ পৃষ্ঠাত চাওক

অসমৰ লগতে নগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিলে নাজনিন ইয়াছমিনে

## উত্তৰ-পূবৰ একমাত্ৰ মহিলা হিচাপে স্থান লাভ ইছ'ৰত



**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ ডিচেম্বৰ ঃ** বছৰটোৰ অন্তিমটো আঠ পৃষ্ঠাত চাওক

হাউলীত নিশা দুশজনীয়া দলৰ পৰা ৰক্ষা পাবলৈ গুলিবৰ্ষণ

## অভিযুক্তৰ সন্ধানত যোৱা আৰক্ষীৰ দলক আক্ৰমণ

**অগ্ৰদূত বাৰ্তা**
**বৰপেটাৰোড, ২১ ডিচেম্বৰ ঃ** হাউলীৰ হেলনাৰ পামত যোৱানিশা দুই শতাধিক লোকৰ দলবদ্ধ আক্ৰমণৰ সন্মুখীন হয় এটা আৰক্ষীৰ দল। আক্ৰমণকাৰীৰ কবলৰ পৰা আঠ পৃষ্ঠাত চাওক

আঠখন বাহন জব্দ, চোৰাং সৰবৰাহৰ সন্দেহত ধৃত ১৭জন

## ওদালগুৰিত ১২৬টা, কলিয়াবৰত ৪২টা গৰু জব্দ

**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**ওদালগুৰি/দলগাঁও/কলিয়াবৰ, ২১ ডিচেম্বৰ ঃ** অবৈধভাৱে গৰু সৰবৰাহ ৰোধৰ স্বাৰ্থত অসম চৰকাৰে গো সুৰক্ষা আইন প্ৰৱৰ্তন কৰা সত্ত্বেও ৰাজ্যৰ ভিন্ন প্ৰান্তত অব্যাহত আছে গৰুৰ চোৰাং সৰবৰাহ। আঠ পৃষ্ঠাত চাওক

■ আৰক্ষীৰ গুলি নালাগিল দুৰ্ধৰ্ষ অপৰাধীৰ ভৰিত ■ ঘটনাক গাপ দিয়াৰ অপচেষ্টা ■ আৰক্ষীৰ ভূমিকাক লৈ তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি

## যোৰহাটত আৰক্ষীৰ জিম্মাৰ পৰাই পলাল কুখ্যাত ড্ৰাগছ মাফিয়া 'পচা'

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২১ ডিচেম্বৰ ঃ** আৰক্ষীৰ জিম্মাৰ পৰাই পলাল ড্ৰাগছ মাফিয়া দুৰ্ধৰ্ষ অপৰাধী 'পচা'। আজি এই অভিযোগে উত্তাল কৰি ৰাখিছে সমগ্ৰ যোৰহাট। কালি সন্ধিয়া নগৰৰ পৰা হৰিজন কল'নীৰ পৰা একাধিক সতীৰ্থসহ আৰক্ষীয়ে আটক কৰিছিল ড্ৰাগ্‌ছ মাফিয়া ৰমেশ বাছফৰ ওৰফে পচাক। অথচ দুৰ্ধৰ্ষ অপৰাধীজন আজি নাই আৰক্ষীৰ জিম্মাত। আৰক্ষীৰ জিম্মাৰ পৰাই পচাই পলায়ন কৰা বুলি আৰক্ষীৰ এক সূত্ৰই জনাইছে। কালি একেলগে আটক কৰি অনা চাৰিজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰায়। আদালতে তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে যদিও তাৰ মাজত নাছিল পচা। আনকি যোৰহাট আৰক্ষী সদৰ থানাতো পচা নথকাটো নিশ্চিত হোৱাত বিষয়টো ৰহস্যৰ আৱৰ্তত সোমাই পৰে। ১০ পৃষ্ঠাত চাওক

নিকৃষ্ট ৰাজনীতিৰ বাবে গৃহীত হয় সিদ্ধান্ত

## নিৰ্বাচনৰ পূৰ্বে চৰকাৰে ঘোষণা কৰা ২৪টা মহকুমা আজিলৈ কাৰ্যক্ষম নহ'ল

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** নিকৃষ্ট ৰাজনীতিৰে কেৱল ভোটৰ অংকত অসমত গৃহীত হয় বহু সিদ্ধান্ত। প্ৰতিখন চৰকাৰ এনে কাৰ্যত লিপ্ত হৈ আহিছে। বিশেষকৈ নিৰ্বাচনৰ আগমুহূৰ্তত ভোটাৰক আকৰ্ষণৰ উদ্দেশ্যেই যে কেতবোৰ সিদ্ধান্ত লোৱা হয় সেয়া বাৰে বাৰে প্ৰমাণিত হৈছে। কেৱল ৰাজনীতিৰ বাবেই পূৰ্বৰ চৰকাৰে গ্ৰহণ কৰা বহু সিদ্ধান্ত পৰৱৰ্তী চৰকাৰখনে বাতিল অথবা কৌশলগতভাৱে ৰঙা ফিটাৰ মেৰপেচত সুমুৱাই থয়। মহকুমা গঠনক লৈয়ো এনে ঘটনাই সংঘটিত হৈছে। ২০১৬ৰ বিধানসভা নিৰ্বাচনৰ আগমুহূৰ্তত তদানীন্তন কংগ্ৰেছ ১০ পৃষ্ঠাত চাওক

'অনিমেষ-হত্যাৰ তদন্তৰ সঠিক দিশত আগবাঢ়িছে'

## যোৰহাট সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক বদলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২১ ডিচেম্বৰ ঃ** 'ৰাজ্য কঁপাই যোৱা অনিমেষ-হত্যাৰ তদন্ত প্ৰক্ৰিয়া সঠিক দিশত আগবাঢ়িছে আৰু জানুৱাৰীৰ প্ৰথম সপ্তাহৰ শেষৰফালে গোচৰৰ অভিযোগনামা দাখিল কৰিব পৰা ১০ পৃষ্ঠাত চাওক

## পাৰ্শ্বজ্যোতি

### ব্যৰ্থ প্ৰশান্ত

**বিশেষ** ৰাজ্যৰ মৰ্যাদা কৰ্তনৰ বাবে অসমে পূৰ্বতকৈ কেন্দ্ৰৰ পৰা কম পৰিমাণে পুঁজি লাভ কৰা বুলি আজি অখিল গগৈয়ে বিধানসভাত মন্তব্য কৰে। সেই সন্দৰ্ভত বিত্তমন্ত্ৰী অজন্তা নেওগে কয় যে গগৈয়ে অপপ্ৰচাৰ চলাই আহিছে। গগৈৰ মন্তব্য আৰু মন্ত্ৰী নেওগৰ উত্তৰক লৈ প্ৰশ্নোত্তৰ কাৰ্যসূচীৰ সময়ত তীব্ৰ হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। তেনেতে হঠাৎ উগ্ৰৰূপ ধাৰণেৰে গগৈক উভতি ধৰে ৰূপজ্যোতি কুৰ্মীয়ে। কুৰ্মীয়ে এনে উচ্চস্বৰে ক'বলৈ ধৰে যে তেওঁৰ মাতৰ শব্দত অন্যান্যসকলৰ মাত নিস্তেজ হয়। কুৰ্মীক সেই সময়ত গাত ধৰি, পিঠিত পিহি নিয়ন্ত্ৰণৰ চেষ্টা চলায় কাষত বহা প্ৰশান্ত ফুকনে; কিন্তু ফুকনে যিমানে নিয়ন্ত্ৰণৰ চেষ্টা চলায় সিমানে কুৰ্মীৰ যেন উৎসাহ বাঢ়ি যায়। প্ৰথমতে বহি আৰু পাছত থিয় হৈ চলোৱা এই চেষ্টা ব্যৰ্থ হোৱাত শেষত ফুকন অসহায় হৈ সতীৰ্থ বিধায়কজনৰ আচৰণ চাই থাকিবলৈ বাধ্য হয়।

### নুবুজিলে?

**কেন্দ্ৰীয়** চৰকাৰে অসমে লাভ কৰা পুঁজিৰ পৰিমাণ পূৰ্বতকৈ কৰ্তন কৰিছে আঠ পৃষ্ঠাত চাওক

## মুখ্যমন্ত্ৰী মমতাৰ কামাখ্যা দৰ্শন ঃ দিদিক চাবলৈ ভিৰ

বাতিল কৰিলে মেঘালয় যাত্ৰাৰ কাৰ্যসূচী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** চুবুৰীয়া পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী, 'দিদি' খ্যাত মমতা বেনাৰ্জীয়ে আজি মহানগৰীৰ নীলাচল পাহাৰস্থিত মা কামাখ্যা ধামলৈ আহি পূজা-অৰ্চনা কৰি পুনৰ কলকাতালৈ ঘূৰি যায়। আজি আবেলি প্ৰায় ২-৩০ বজাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত আজি পদাৰ্পণ কৰা বেনাৰ্জী পোনে পোনে কামাখ্যালৈ আহে। তিনি বজাত মন্দিৰ প্ৰাংগণত ১০ পৃষ্ঠাত চাওক



সীমা সমস্যা ■ অৰুণাচল-মেঘালয়ক লৈ যথেষ্ট আশাবাদী ঃ শৰ্মা

## দিল্লীত গৃহমন্ত্ৰীৰ উপস্থিতিত অসম-অৰুণাচলৰ মুখ্যমন্ত্ৰীদ্বয়ৰ আলোচনা

**অগ্ৰদূত প্ৰতিবেদক**
**নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** অৰুণাচল আৰু মেঘালয়ৰ লগত থকা অসমৰ সীমা সমস্যাৰ সোনকালে সমাধান হ'ব বুলি আশাবাদী মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। অৱশ্যে মিজোৰাম আৰু নগালেণ্ডৰ মাজত থকা সমস্যাৰ সমাধান যে তাৰ তুলনাত সহজ নহয় সেয়াও মুখ্যমন্ত্ৰীয়ে পৰোক্ষভাৱে প্ৰকাশ কৰে। আজি নতুন দিল্লীত সীমা সমস্যাক লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত শৰ্মা আৰু অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু এক আলোচনাত মিলিত হয়। এই আলোচনাৰ আজি ইতিবাচকভাৱে সামৰণি পৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয়, 'আলোচনাত মই অসমক লৈ বক্তব্য দাঙি ধৰো। খাণ্ডুৱে তেওঁৰ ৰাজ্যৰ সন্দৰ্ভত মন্তব্য দাঙি ধৰে। অহা জানুৱাৰীত আমি আকৌ লগ পাম। সীমা সমস্যা সমাধানৰ সূত্ৰ উলিয়াবলৈ আমি চেষ্টা কৰিছো। মেঘালয়ৰ লগত ১০ পৃষ্ঠাত চাওক

■ সীমা সমস্যা সমাধানৰ বাবে যোৱা যুটীয়া নিৰীক্ষণ সমিতিয়ে আশা নকৰা পৰিস্থিতি প্ৰত্যক্ষ কৰা বুলি বিধানসভাত মন্ত্ৰীৰ তথ্য ■ মেঘালয় আৰক্ষী-দুষ্টচক্ৰৰ বিৰুদ্ধে সৰৱ বৰা


## অসমৰ বাসিন্দাক মেঘালয়ত চামিলৰ ষড়যন্ত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** মেঘালয়ৰ লগত থকা সীমা বিবাদ মীমাংসা কৰিবলৈ অসম চৰকাৰে উদ্যোগ গ্ৰহণৰ পাছত চুবুৰীয়া ৰাজ্যখনে বিবদমান অঞ্চলত সৃষ্টি কৰা পৰিস্থিতিয়ে উদ্বেগ বৃদ্ধি কৰিছে। অসমৰ লগত থাকিব বিচৰা সীমান্তৰ ৰাইজক মেঘালয়ে বলপূৰ্বকভাৱে নিজৰ ৰাজ্যত চামিল কৰিব বিচৰা বিষয়টো এই ক্ষেত্ৰত অধিক স্পৰ্শকাতৰ হৈছে। সীমান্তৰ এই পৰিস্থিতিক লৈ আজি বিধানসভাত ১০ পৃষ্ঠাত চাওক

## কৃষকক সমাজৰ প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গঢ় দিব লাগিব ঃ কৃষিমন্ত্ৰী বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ পশুপালন আৰু কৃষিমন্ত্ৰী তথা অসম গণ পৰিষদৰ সভাপতি অতুল বৰাই আজি কয় যে অসমৰ গ্ৰাম্য অৰ্থনীতি মজবুত কৰাৰ লগতে খেতিয়ক সমাজৰ মনোবল বৃদ্ধি কৰাৰ স্বাৰ্থত খেতিয়কসকলক প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব। আজি মহানগৰীৰ আমবাৰীস্থিত ১০ পৃষ্ঠাত চাওক





| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৬° | ১৩° |
| ডিব্ৰুগড় | ২৫° | ১১° |
| দিল্লী | ২০° | ০৭° |
| কলকাতা | ২৪° | ১৩° |
| মুম্বাই | ৩১° | ২১° |
| চেন্নাই | ৩০° | ২১° |
| বাংগালুৰু | ২৬° | ১৩° |
| শ্বিলং | ১৮° | ০৭° |

*২১ ডিচেম্বৰ, ২০২১*

বিধায়কক কাজিয়া কৰিবলৈ অধ্যক্ষ দৈমাৰীয়ে এৰি দিলে বিধানসভা

## ১০ মিনিট অভিভাৱকহীন সদন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** অধ্যক্ষৰ উপস্থিতিতে আজি ১০ মিনিটৰ বাবে অভিভাৱকহীন অসম বিধানসভা। স্বয়ং অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই ঘোষণা কৰে। বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ নিৰ্মাণ সম্পৰ্কীয় প্ৰথমটো প্ৰশ্নতে বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দিয়া উত্তৰক লৈ বিৰোধীপক্ষই যথেষ্ট অসন্তুষ্টি ব্যক্ত কৰে। তাকে লৈ শাসক পক্ষৰ একাংশ বিধায়কৰ লগত বিৰোধীৰ অধিকাংশ বিধায়কৰ তৰ্কযুদ্ধ লাগে। ফলত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। অধ্যক্ষ দৈমাৰীয়ে পৰিস্থিতি ১০ পৃষ্ঠাত চাওক

## চেঙা তেল



*গ্ৰন্থমেলা আহিল মানে এওঁলোকৰ চাহৰ আড্ডা জমাবলৈ হৈ গ'ল! মাজতে ফচিলো মই!*

■ প্ৰাপ্যৰ পৰা বঞ্চিত হোৱাৰ ক্ষোভ ■ অধিৱেশনৰ দ্বিতীয় দিনাও পাঁচটাকৈ সংগঠনৰ প্ৰতিবাদত উত্তাল ধৰ্ণাস্থলী

## 'কেৰে খাব কেৰে চাব' নীতি বন্ধৰ দাবী বঞ্চিত শিক্ষকৰ

■ মধ্যাহ্ন ভোজন আঁচনিৰ পৰা এনজিঅ'ক প্ৰত্যাহাৰৰ দাবী ■ সংযোগী শিক্ষাকৰ্মীৰ বাবে 'বিশেষ টেট'ৰ দাবী ■ উচ্ছেদ বন্ধৰ দাবী মুছলিম ছাত্ৰৰ





**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** বিদ্যালয় প্ৰাদেশিকীকৰণ, পদ নিয়মীয়াকৰণ, বিশেষ টেট'ৰ আয়োজন, মধ্যাহ্ন ভোজন আঁচনিৰ পৰা এনজিঅ'ক প্ৰত্যাহাৰ আৰু বিভিন্ন স্থানত উচ্ছেদ অভিযান বন্ধৰ দাবীত আজি অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ দ্বিতীয় দিনাও পাঁচটাকৈ সংগঠনে ধৰ্ণাস্থলী চচলত প্ৰতিবাদ সাব্যস্ত কৰে। ২০০৫ত স্বীকৃতিপ্ৰাপ্ত আৰু সদ্য পদ প্ৰাদেশিকীকৰণত বাদ পৰি ৰোৱা উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষকসকলৰ পদসমূহ আইন সংশোধনৰ জৰিয়তে নিয়মীয়াকৰণৰ দাবীত সদৌ অসম উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক কল্যাণ সমিতিৰ উদ্যোগত সাব্যস্ত কৰা প্ৰতিবাদত 'শিক্ষামন্ত্ৰীৰ কাম নাই, আমাক ভাত লাগে ভাত দিয়ক, কেৰে খাব কেৰে চাব এই নীতি নচলিব, হয় আমাক নিযুক্তি দিয়ক নহয় আমাক গুলীয়াই মাৰক' আদি শ্ল'গানেৰে ১০ পৃষ্ঠাত চাওক



২৬ ডিচেম্বৰত নন্দেশ্বৰ তালুকদাৰৰ জন্ম শতবাৰ্ষিকীৰ সামৰণি অনুষ্ঠান

## পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ হ'লে সাম্প্ৰদায়িক ৰাজনীতিৰ বিকল্প নাই ঃ দাস

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে চিপিআই (এম)ৰ সম-পৰ্যায়ত ভাৰতৰ কোনো ৰাজনৈতিক দলেই আপোচবিহীন সংগ্ৰাম গঢ়ি তুলিব নোৱাৰে। ১৯৪২ৰ পৰাই চিপিআই (এম) দলে সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে অহৰহ যুঁজ কৰি আহিছে। দুৰ্ভাগ্যজনকভাৱে ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ ডিচেম্বৰ, ২০২১ বুধবাৰ পৃষ্ঠা তিনি

# বড়োলেণ্ড বিশ্ববিদ্যালয়ত তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ হাহাকাৰ


## ■ ১০ বছৰে হোৱা নাই পদ নিয়মীয়াকৰণ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২১ ডিচেম্বৰ ঃ** বড়োলেণ্ড বিশ্ব বিদ্যালয়ৰ বিভিন্ন বিভাগত ফিক্সড পে তথা ঠিকাভিত্তিক নন টিচিং কৰ্মচাৰীসকল বছৰ বছৰ ধৰি বঞ্চনাৰ বলি হোৱাৰ অভিযোগ উত্থাপিত হৈছে। আজি এক বিবৃতিত বড়োলেণ্ড বিশ্ববিদ্যালয় ফিক্সড পে কৰ্মচাৰী সন্থাৰ সভাপতি পৰমেশ্বৰ বসুমতাৰী আৰু সাধাৰণ সম্পাদক দৈহুং ব্ৰহ্মৰে সদৰী কৰা মতে, বিশ্ববিদ্যালয়খনত ‘নন টিচিং ষ্টাফ’ ৰূপে কৰ্মৰত ৫১গৰাকী কৰ্মচাৰীয়ে বঞ্চনাৰ বলি হৈ আহিছে। তেওঁলোকৰ বাবে পদ আৱণ্টিত কৰি পদসমূহ নিয়মীয়াকৰণৰ কৰিবলৈ বিশ্ববিদ্যালয় কৰ্তৃপক্ষ, অসম চৰকাৰ আৰু বিটিআৰ চৰকাৰ লৈ বাৰম্বাৰ দাবী জনাই আহিছে যদিও কোনো এটা পক্ষই বিষয়টো সন্দৰ্ভত কাৰ্যকাৰী ব্যৱস্থা হাতত লোৱা নাই। কৰ্মচাৰীসকলৰ একাংশই বিগত ১০-১১ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে আৰু বৰ্তমানলৈকে এটাও পদ নিয়মীয়াকৰণ নোহোৱাত বাস্তৱিকতে তেওঁলোক শংকাত ভুগিছে বুলি উল্লেখ কৰি সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে অতি শীঘ্ৰে পদসমূহ নিয়মীয়াকৰণৰ দাবী উত্থাপন কৰিছে। উল্লেখ্য যে বৰ্তমান বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনত ৪৮খন অনুমোদিত মহাবিদ্যালয় আৰু সাতখন ছয় পৃষ্ঠাত চাওক

# বন্ধ কোঠাৰ ট্ৰেইনিং

বিলাসনন্দন চ’ৰা



**আমাৰ** পাপ্পুৰ পাৰ্টিয়ে অলপতে ট্ৰেইনিং দিছে। কিহৰ ট্ৰেইনিং দিছে, কি ট্ৰেইনিং দিছে, সেইবোৰ পাছৰ কথা। কিন্তু সদায় গপত ওফন্দি থকা গপেন বৰাই আটাইকে কৈছে যে ট্ৰেইনিং ল’বই লাগিব। যদি ট্ৰেইনিং ল’বলৈ কোনোবা নাহে, তেন্তে তেওঁক বহিষ্কাৰ কৰা হ’ব। বহুতে হেনো গপেন বৰাক তেনে নকৰিবলৈ ক’লে। এনেয়ে বহুতে পাৰ্টি এৰো এৰোকৈ আছে। বহিষ্কাৰ কৰি দিলে সিহঁতে ভালহে পাব। সেই কাৰণে পাছত বহিষ্কাৰৰ সলনি তিৰস্কাৰ কৰা হ’ব বুলি কোৱা হ’ল। সঁচাকৈয়ে পাৰ্টিটোত থকাসকলৰনো কি বেমাৰ হৈছে, সেয়া আৱিষ্কাৰ কৰিবলৈকে আটাইৰে লগত বহি কথাবোৰ পৰিষ্কাৰ কৰাটো বৰ দৰকাৰ হৈছে। সেই কাৰণে আটাইকে ট্ৰেইনিং দিবলৈ থিৰাং কৰা হ’ল।

পাপ্পুৰেও ট্ৰেইনিঙলৈ আহিম বুলি কৈছিল। তেৰোঁ মনে মনে ফিলিং কৰিছে যে কথাবোৰ বৰ ভাল হোৱা নাই। সবেই যদি এনেকৈ পাৰ্টি এৰি এৰি গুচি যায়, তেতিয়া দেখোন এদিন সঁচাকৈয়ে ‘কংগ্ৰেছমুক্ত’ হৈ যাব। কংগ্ৰেছী বুলি একোৱে নাথাকিব যেতিয়া মুক্ততো হ’বই। মানুহখিনিক পাৰ্টিত ৰাখিবলৈকে এটা ট্ৰেইনিঙৰ বৰ দৰকাৰ হৈছে। মানুহখিনিক বুজাব লাগিব এই পাৰ্টিটো আচলতে কিমান ডাঙৰ পাৰ্টি। বাকী একো নাথাকিলেও এই পাৰ্টিটোৰ এখন বুৰঞ্জী আছে। এইটো বেলেগ কথা যে পাৰ্টিটোৰ বুৰঞ্জীখন বেলেগ একো নহয়, এখন ফেমিলী-হিষ্ট্ৰীহে! এটা ফেমিলীৰ হিষ্ট্ৰী মানেই পাৰ্টিটোৰ হিষ্ট্ৰী। আৰু এই হিষ্ট্ৰীৰ ডাঙৰ মিষ্ট্ৰীটো এয়াই যে পাপ্পু হঠাতে অদৃশ্য হৈ যায়। ক’লৈ যায় কোনেও নাজানে। এইবাৰো ট্ৰেইনিঙলৈ আহিব বুলি কৈ হঠাতে অদৃশ্য হৈ গ’ল। আটায়ে বিচাৰ-খোচাৰ কৰিলে, কিন্তু ক’তোৰেই তেওঁৰ সন্ধান পোৱা নগ’ল। এনেকৈ পাপ্পুৱে একো একোটা মিষ্ট্ৰী ক্ৰিয়েট কৰি ইমানকৈ অদৃশ্য হৈ যায় যে এটা সময়ত কিজানি সেই মিষ্ট্ৰীৰে এখন হিষ্ট্ৰী বনিব আৰু সেইখন হিষ্ট্ৰীয়ে হ’ব পাৰ্টিৰ নতুন হিষ্ট্ৰী।



পাপ্পু নাহিল নাই, যথা সময়ত ট্ৰেইনিং আৰম্ভ হ’ল। দিল্লীৰ পৰাও দুটামান আহিল ট্ৰেইনিং দিবলৈ। ষ্টাৰ্টিঙত পাৰ্টিৰ হিষ্ট্ৰী পাই ট্ৰেইনিং আৰম্ভ কৰা হ’ব বুলি কোৱা হ’ল। পাৰ্টিৰ হিষ্ট্ৰীৰ নামত পাপ্পুৰ মিষ্ট্ৰীখিনিক ঢাকি ৰাখি তেওঁৰ ফেমিলী হিষ্ট্ৰী গাই শুনোৱা হ’ল। লগতে কোৱা হ’ল যে ইমান পুৰণা হিষ্ট্ৰী থকা পাৰ্টি এটাক এনেকৈ পেষ্ট্ৰী কৰি লোকক খাবলৈ দিব নোৱাৰি। পাৰ্টিটোক আগৰ জাগাত ৰাখিবই লাগিব আৰু তাৰ বাবে পাপ্পুৰ ফেমিলী হিষ্ট্ৰীৰ লগত আটাইৰে কেমেষ্ট্ৰী মজবুত কৰিবই লাগিব। এক কথাত ট্ৰেইনিং ল’বই লাগিব।

প্ৰথমটো ট্ৰেইনিঙত কোৱা হ’ল যে পাৰ্টিৰ মানুহবোৰে পুৱাতে উঠি এটাকৈ মন্ত্ৰ জপ কৰিব লাগিব। ব্ৰেকফাষ্ট খাই খাই আটায়ে জপ কৰা মন্ত্ৰবোৰ এনে ধৰণৰ— ‘ক্ষিৰ মে হে কাজু বাদাম/ সৱচে বেষ্ট হে হামাৰা মেডাম!’ নাইবা ‘এক কাপ চায়ে অউৰ এক লাড্ডু/ সৱচে বেষ্ট হে হামাৰা পাপ্পু!’ এনেহেন মন্ত্ৰ জপ কৰি থাকিলে ভক্তিভাৱ বাঢ়িব আৰু পটককৈ পাৰ্টি এৰাৰ চিন্তা মনলৈ নাহিব। আৰু এটা ট্ৰেইনিং দিয়া হ’ল সৱকে। আটাইকে কোৱা হ’ল ‘ফেমিলীমেন’ হ’বলৈ। পৰিয়ালটোৰ প্ৰতি আনুগত্য থাকিলেহে, মৰম থাকিলেহে পাৰ্টিৰ প্ৰতি মৰম বা আনুগত্য থাকিব। ফেমিলীমেন হ’ব লাগিব আটায়ে। তাৰ মানেটো হ’ল নিজৰ ফেমিলীত যিয়ে নহওক কিয়, পাপ্পুৰ ফেমিলীটোৰ এজন মেম্বাৰ বুলি নিজকে ভাবিব লাগিব। তাৰ বাবে পাৰ্টিৰ আটাইকে কোৱা হ’ল যে ছুপাৰমেন হৈ এটা পাৰ্টিৰ পৰা আন এটা পাৰ্টিলৈ উৰি উৰি যোৱাৰ আগেয়ে নিজকে একো একোজন ‘ফেমিলীমেন’ৰূপে গঢ়ি তোলক। আটাইকে কোৰাছ গাবলৈ কোৱা হ’ল— ‘উই আৰ নট ছুপাৰমেন/উই আৰ অনলি ফেমিলীমেন।’

আৰু এটা ট্ৰেইনিং দিয়া হ’ল বেলেগলৈ যাবলৈ মন গ’লে কেনেকৈ নিজৰ মনটোক বান্ধি পেলাব লাগিব। এই সময়ত আটাইতকৈ বেছি জৰুৰী হৈছে এই কথাটো। কাকো ধৰি-বান্ধি ৰাখিব নোৱৰা অৱস্থা হৈছে। আটায়ে কেৱল যাওঁ যাওঁ কৰি আছে। গতিকে ট্ৰেইনিঙত কোৱা হ’ল যে বেলেগলৈ যাবলৈ মন গ’লে কি কৰিব লাগিব, সেয়া এতিয়া শিকোৱা হ’ব। পাৰ্টিৰ আটাইকে এটা আছুতীয়া কোঠালৈ লৈ যোৱা হ’ল আৰু কোৱা হ’ল যে বেলেগলৈ উৰিবলৈ মন গ’লেই নিজকে এটা বন্ধ ৰূমতে বন্দী কৰি ৰাখিলে হ’ল। প্ৰেক্টিকেল ট্ৰেইনিং! পাৰ্টিৰ আটাইকে বন্ধ ৰূম এটাত সোমাবলৈ দিয়া হ’ল। আটায়ে সোমাই গ’ল। দুৱাৰখন বাহিৰৰ পৰা বন্ধ কৰি দিয়া হ’ল আৰু সোধা হ’ল—দেখিছে ‘এতিয়া আৰু বেলেগ পাৰ্টিলৈ উৰা মাৰিব নোৱাৰে! এনেকৈ নিজকে কন্ট্ৰ’ল কৰিব লাগিব বুজিছে!’ বহুবাৰ সোধা হ’ল। ভিতৰৰ পৰা পাৰ্টিৰ কোনেও একো মাত নিদিলে। দুৱাৰ খুলি চাই দেখো ৰূমটোত এজনো নাই। খিৰিকীখন খোলা আছে।

*(বিলাসনন্দন চ’ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## সোঁতৰ বিপৰীতে



# শোণিতপুৰ-বিশ্বনাথৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ মৃত্যু

## ■ উপায়ুক্তৰ কাৰ্যালয়ত চলি থকা শৈক্ষিক যাত্ৰাৰ কাৰ্যসূচীৰ মাজতে পৰিছিল ঢলি

অগ্ৰদূত বাৰ্তা



**তেজপুৰ, ২১ ডিচেম্বৰ ঃ** শোণিতপুৰ জিলা সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তৰুণ চন্দ্ৰ বৰাৰ আজি পুৱতি নিশা গুৱাহাটী মহানগৰীৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। দক্ষ শিক্ষা বিষয়াৰূপে বিগত এটা বছৰে জিলাখনত কাৰ্যনিৰ্বাহ কৰা বৰাই কালি শোণিতপুৰ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মিলন কক্ষত অনুষ্ঠিত এখন সভাত ভাগ লৈ থকাৰ সময়তে আকস্মিকভাৱে ঢলি পৰিছিল। লগে লগে তেওঁক চিকিৎসালয়লৈ নিয়া হয় যদিও স্বাস্থ্যৰ অধিক অৱনতি ঘটাত তেজপুৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। কিন্তু স্বাস্থ্যৰ অৱনতিৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকে গুৱাহাটী জিএনআৰচি হাস্পতাললৈ প্ৰেৰণ কৰে যদিও আজি পুৱতি নিশা তাতে তেওঁৰ মৃত্যু হয়। বৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোণিতপুৰ আৰু বিশ্বনাথ জিলা শিক্ষকসকলৰ মাজত গভীৰ শোকৰ ছাঁ পৰিছে। ইফালে, দক্ষ শিক্ষা বিষয়াজনৰ অত্যধিক কামৰ বোজাৰ বাবে এইদৰে মৃত্যুক আঁকোৱালি লোৱা বুলি একাংশ ছয় পৃষ্ঠাত চাওক

# জনজাতিকৰণৰ দাবীত নগাঁৱত তাই আহোম ছাত্ৰ সন্থাৰ অৱস্থান ধৰ্মঘট

বিশেষ সংবাদদাতা

**নগাঁও, ২১ ডিচেম্বৰ ঃ** তাই আহোম জনগোষ্ঠীক শীঘ্ৰে জনজাতিকৰণৰ দাবীত আজি নগাঁও জিলা তাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। প্ৰতিবাদকাৰীসকলে ‘কেন্দ্ৰীয় চৰকাৰ হায় হায়, বিজেপি চৰকাৰ হায় হায়, অসম চৰকাৰ হায় হায়, তাই আহোমক জনজাতিকৰণ লাগিবই’ আদি। বিভিন্ন ধ্বনি দি পৰিৱেশ উত্তাল ছয় পৃষ্ঠাত চাওক

# শ্ৰীৰামপুৰৰ বিছমুৰীত গুলিবিদ্ধ গাঞ্জা সৰবৰাহকাৰী ট্ৰাকচালক

## ■ নিশা আৰক্ষী চকীৰ সমুখতে ৰহস্যজনকভাৱে জ্বলি ভস্মীভূত হ’ল গাঞ্জা সৰবৰাহকাৰী ট্ৰাক

অগ্ৰদূত বাৰ্তা



**কোকৰাঝাৰ/শ্ৰীৰামপুৰ, ২১ ডিচেম্বৰ ঃ** অসম-বংগ সীমান্তৱৰ্তী কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত ৩১ নম্বৰ (গ) ঘাইপথৰ শ্ৰীৰামপুৰত যোৱা নিশা অসম আৰক্ষীয়ে জব্দ কৰা গাঞ্জা সৰবৰাহকাৰী এখন ছয়চকীয়া ট্ৰাক আৰক্ষীৰ জিম্মাতে ৰহস্যজনকভাৱে জ্বলি ভস্মীভূত হোৱাৰ বিপৰীতে এজন সৰবৰাহকাৰী আৰক্ষীৰ হাতত গুলিবিদ্ধ হোৱাৰ ঘটনা সংঘটিত হৈছে। আৰক্ষীৰ গুলিত গুলিবিদ্ধ হোৱা যুৱকজন উত্তৰ প্ৰদেশৰ হৰেন্দৰ যাদৱ (২৮)। কোকৰাঝাৰ জিলা আৰক্ষীৰ শীৰ্ষ সূত্ৰই সদৰী কৰা মতে, গুৱাহাটীৰ পৰা পশ্চিমবংগ অভিমুখী ডব্লিউবি-১১-চিচি-৩২১৯ নম্বৰৰ ছয়চকীয়া ট্ৰাকখনত কালি সন্ধিয়া এক বিশেষ সূত্ৰৰ খবৰৰ ভিত্তিত তালাচী চলায়। ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাত অঘটন


# বন্যহস্তী খেদিবলৈ অনা ঘৰচীয়া হাতীৰ আক্ৰমণত আহত বৃদ্ধ

অগ্ৰদূত বাৰ্তা

**বাগানপাৰা, ২১ ডিচেম্বৰ ঃ** বন ভূমি সংকোচনৰ ফলত ৰাজ্যজুৰি হস্তী-মানৱৰ সংঘাতে জটিল ৰূপ ধাৰণ কৰি অহাৰ সময়তে এইবাৰ বন্যহস্তী নহয়, ঘৰচীয়া হাতীৰ আক্ৰমণত আহত হ’ল এজন বৃদ্ধ। বাগ্‌সা জিলাৰ পাখামাৰাত বন বিভাগে বন্যহস্তী খেদিবলৈ অনা ঘৰচীয়া হাতীয়ে এইদৰে আক্ৰমণ কৰাত ৭০ বছৰীয়া বৃদ্ধজন গুৰুতৰভাৱে আহত হয়। প্ৰাপ্ত তথ্য মতে, বাগ্‌সা জিলা বন বিভাগে বন্যহস্তী খেদিবলৈ পাখামাৰাৰ বৰুৱা চুবুৰিত ছয় পৃষ্ঠাত চাওক

# উৰণীয়া পথেৰে আকৌ পালেহি নানাৰঙী আলহী

# কলিয়াবৰৰ জয়সাগৰ দলনিত অচিন আলহীৰ কলৰৱ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২১ ডিচেম্বৰ ঃ** কোমল শীতৰ আগমন ঘটিছে। পকাধান সামৰাৰ পাছতে লাহে লাহে পথাৰৰ বাটে যেন পোৱালি মেলিছে। তৰাং হৈ পৰিছে ৰাজ্যৰ জলাশয়, বিল, পিটনী। এনে সময়তে উৰণীয়া পথেৰে আকৌ অসম মুলুকত পাখি মেলিছেহি নানাৰঙী আলহীজাকে। প্ৰচণ্ড শীতৰ পৰা ৰক্ষাৰ লগতে বংশবৃদ্ধিৰ তাড়নাতে এতিয়া সুদূৰ ছাইবেৰিয়া, মধ্য হিমালয়ৰ বিভিন্ন স্থানৰ পৰা অসম পাইছেহি বহু প্ৰজাতিৰ ৰংবিৰঙী আলহী পক্ষীৰ জাক। ছাইবেৰিয়ান ক্ৰেন, পেলিকান, ৰ’লাৰ, ইউজীন আদি দুষ্প্ৰাপ্য পক্ষীকুলে পাখি মেলিছেহি অসমৰ জলাশয়ৰ কোমল ৰ’দত। উল্লেখ্য যে আগষ্টৰ পৰা মাৰ্চ-এপ্ৰিল পৰ্যন্ত মধ্য হিমালয় আদি স্থানত পানী পৰ্যন্ত গোট মাৰি বৰফ হোৱাৰ বাবেই জানিব পৰা মতে ছাইবেৰিয়া সীমান্তৰ পৰাই অসমলৈ এই পক্ষীকুলে অতিক্ৰমে ৫১৬৯.২৫ মাইল আকাশী পথ। গড় হিচাপত ঘন্টাত ৪০-৫০ মাইল উৰি অহা পক্ষীবোৰে অসমত প্ৰৱেশৰ বাবে সময় লয় আঢ়ৈ পৰা ছয় পৃষ্ঠাত চাওক

## ২৫ লক্ষাধিক টকাৰ ঠিকা লাভ কৰা কোম্পানীৰ মইমতালি

# তেজপুৰত তিনি মাহতে বিকল বহুসংখ্যক সৌৰশক্তি চালিত আলোকবাতি

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে শোণিতপুৰতো সৌৰশক্তিচালিত লাইটৰ ব্যৱস্থা কৰাৰ নামত বৃহৎ পৰিমাণৰ ধন আদায় কৰা বহিঃৰাজ্যৰ মেচাৰ্ছ ব্ৰীজ এণ্ড ৰুফ কোম্পানী প্ৰাইভেট লিমিটেড নামৰ কোম্পানীটোৱে তেওঁলোকৰ কামৰ ক্ষেত্ৰত কৰা হেমাহিৰ বাবে ক্ষুণ্ণ হৈ পৰিছে সৰ্বসাধাৰণ। যোৱা ছেপ্টেম্বৰত আক্ষৰিক অৰ্থত সম্পূৰ্ণ হোৱা ছ’লাৰ লাইটৰ আঁচনিখনৰ বহুসংখ্যক লাইট আৰম্ভণিৰ পৰাই নজ্বলাকৈ থকাৰ লগতে সম্প্ৰতি তেজপুৰৰ গুৰুত্বপূৰ্ণ বহু অঞ্চলৰ ছয় পৃষ্ঠাত চাওক

DISTRICT-WISE JOB FAIR/ JOB MELA
Under Skill, Employment & Entrepreneurship Department , Govt. of Assam

Candidates/ Jobseekers are requested to visit their respective District Employment Exchange as per venue given below for Walk- in interview on the specific dates and time.

| Date: 23rd December, 2021. Timing: 10 A.M. to 3 P.M. | |
|---|---|
| District Employment Exchange | Venue |
| Guwahati, Kamrup (M) | District Employment Exchange, Rehabari, Guwahati- 08 |
| Bongaigaon | Industrial Training Institute , Bongaigaon |
| Morigaon | Industrial Training Institute , Morigaon, Dandua |
| South Salmara, (Mankachar) | Janata H.S. School play ground, Kharuabandha, |
| Dhubri | Bholanath College field, Dhubri |
| Goalpara | Gandhi Bhawan , near BOC, Goalpara. |
| North Lakhimpur | Woman ITI, Sebati, North Lakhimpur |
| Mangaldoi | District Employment Exchange, Mangaldoi |
| Tezpur | District Employment Exchange campus, Tezpur. |
| Biswanath Chariali | Ghahigaon Stadium field , Biswanath Chariali |
| Hojai | District Employment Exchange campus, Hojai |
| Golaghat | Golaghat Govt. Higher Secondary School |

| Date: 23rd December, 2021. Timing: 10 A.M. to 3 P.M. | |
|---|---|
| District Employment Exchange | Venue |
| Sivsagar | Gargaon ITI campus, Simoluguri |
| Sonari | BPBM HS School Field, Sonari |
| Dibrugarh | Govt ITI , Barbaruah , Dibrugarh |
| Tinsukia | ITI Campus, Tinsukia |
| Nalbari | Govt ITI Nalbari, Sarialtal, Nalbari |
| Nagaon | District Employment Exchange, Nagaon |
| Barpeta | ITI Girls Hostel campus, Barpeta |
| Jorhat | ITI Complex , Rajabari, Jorhat |

| District Employment Exchange | Venue | Date |
|---|---|---|
| Udalguri | Udalguri Higher Secondary School Playground, Udalguri | 22nd Dec, 2021 |
| Dhemaji | ITI Campus, Dhemaji | 24th Dec, 2021 |
| Karimganj | Nagendranath Tilakchand M.V. School, Main Road , Karimganj | 27th Dec, 2021 |
| Kokrajhar | Kokrajhar Raas Mela Field | 27th Dec, 2021 |
| Hailakandi | District Library campus, Hailakandi | 28th Dec, 2021 |

A Govt. of India initiative under National Career Service Project. (Model Career Centre and Interlinking of Employment Exchanges)

Candidates are requested to bring two copies of CV/ Biodata.

N.B.: Maintaining of Covid protocol and wearing of masks is mandatory to attend Job Mela.

National Career Service

Janasanyog/D/11652/21

দৈনিক অগ্ৰদূত
যোৰহাট বুধবাৰ ৬ পুহ ১৪২৮ ভাস্কৰাব্দ ২২ ডিচেম্বৰ ২০২১



## ডাটা সংৰক্ষণ

২০১৩ৰ ১৬ মে'ত উচ্চতম ন্যায়ালয়ে কোনো ব্যক্তিয়ে যদি ছ'চিয়েল নেটৱৰ্কত আপত্তিজনক কোনো বিষয় প্ৰকাশ কৰে তেন্তে পুলিচ মহাপৰিদৰ্শক অথবা তেনে পৰ্যায়ৰ উচ্চ বিষয়াৰ অনুমতি অবিহনে তেনে ব্যক্তিক গ্ৰেপ্তাৰ কৰিব নোৱাৰিব বুলি নিৰ্দেশ দিছিল। উচ্চতম ন্যায়ালয়ৰ এই নিৰ্দেশৰ পাছৰে পৰা ইনফ'ৰমেছন টেক্‌ন'লজী বা সংক্ষেপে আই টি এক্টৰ ওপৰত নানা ধৰণৰ আলোচনা-বিলোচনা চলি আহিছে। এই ক্ষেত্ৰত বৃহৎ আই টি কোম্পানীৰ দায়বদ্ধতাৰ বিষয়টোও আলোচিত হৈ আহিছে।


মহাৰাষ্ট্ৰৰ দুগৰাকী যুৱতী শ্বাহিন ধাদা আৰু ৰীণু শ্ৰীনিবাসনক থানে জিলাৰ পালঘৰত গ্ৰেপ্তাৰ কৰা হৈছিল আই টি এক্টৰ ৬৬ (ক) অনুচ্ছেদৰ অধীনত। যুৱতী দুগৰাকীৰ অপৰাধ আছিল শিৱসেনাৰ নেতা বাল থাক্‌ৰেৰ মৃত্যুৰ পাছত মুম্বাই বন্ধ দিয়া কাৰ্যৰ সমালোচনা কৰিছিল এগৰাকী যুৱতীয়ে আৰু আনগৰাকীয়ে এই পোষ্ট লাইক কৰিছিল। এই গ্ৰেপ্তাৰ কাৰ্যৰ বিৰুদ্ধে ২০১২ত শ্ৰেয়া সিংঘাল নামৰ আইনৰ ছাত্ৰী এগৰাকীয়ে আই টি আইনৰ সংশোধন বিচাৰি আদালতত গোচৰ তৰিছিল। এই গোচৰৰ পৰিপ্ৰেক্ষিততেই উচ্চতম ন্যায়ালয়ে আই টি আইনৰ ৬৬ (ক) অনুচ্ছেদ বাতিল কৰি এক ৰায় প্ৰদান কৰিছিল। উচ্চতম ন্যায়ালয়ৰ বক্তব্য এয়ে যে গোপনীয়তাৰ অধিকাৰ মানুহৰ মৌলিক অধিকাৰ। এই সংক্ৰান্তত গঠন কৰা যৌথ সংসদীয় সমিতি এখনে অলপতে এক প্ৰতিবেদন দাখিল কৰিছে। এই সমিতিয়ে আগবঢ়োৱা পৰামৰ্শৱলী নতুনকৈ প্ৰণয়ন কৰিব বিচৰা ডাটা প্ৰটেক্‌ছন আইনত সন্নিবিষ্ট কৰাৰ কথা।

যোৱা ২০২০ত আই টি আইন উলংঘাৰ বাবে মুঠতে দেশখনৰ ১২১২ গৰাকী নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰে ১১৯৪ গৰাকী পুৰুষ আৰু মাত্ৰ ১৮ গৰাকী মহিলা। আৰু পুৰুষসকলৰ ভিতৰৰ ১০ গৰাকী ১৮ বছৰৰ তলৰ কিশোৰ। আনহাতে লক্ষ্যণীয় বিষয় এয়ে যে ১৮ বছৰৰ ওপৰৰ কিন্তু ৩০ বছৰ বয়সৰ তলৰ এই আইনৰ অধীনত গ্ৰেপ্তাৰ হোৱা পুৰুষৰ সংখ্যা ৮০৫ আৰু মহিলাৰ সংখ্যা আঠগৰাকী। ইফালে ৩০-৪৫ বছৰ বয়সৰ ৩৪৪ গৰাকী লোকক মুঠতে গ্ৰেপ্তাৰ কৰা হৈছিল। ইয়াৰ ৩৩৪ গৰাকী পুৰুষ, ১০ গৰাকী মহিলা। ৪৫-৬০ বছৰ বয়সৰ মাত্ৰ ৪৩ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছিল আৰু ইয়াত কোনো মহিলা নাছিল। আকৌ ৬০ বছৰ বয়সৰ উৰ্ধ্বৰ মাত্ৰ দুগৰাকী লোককহে গ্ৰেপ্তাৰ কৰা হৈছিল এই আইন উলংঘনৰ দায়ত। এই বয়সৰ গ্ৰেপ্তাৰ হোৱা দুয়োগৰাকী লোকেই পুৰুষ। এই পৰিসংখ্যা আগবঢ়াইছে নেছনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ ২০২০ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে। অৱশ্যে এই ব্যুৰ'ৱে আই টি আইনৰ কি কি অনুচ্ছেদ বা ধাৰাত এইসকল ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে, তাক জনোৱা নাই। এই আটাইবোৰ গ্ৰেপ্তাৰ কৰা লোক নগৰাঞ্চলৰ।

নেছনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰ'ৰ এই পৰিসংখ্যাৰ পৰা ওলাই পৰিছে যে আই টি আইন উলংঘনৰ ক্ষেত্ৰত মহিলাৰ সংখ্যা অতি নগণ্য। আনহাতে, এই আইন উলংঘনৰ ক্ষেত্ৰত ১৮-৩০ বছৰ বয়সৰ যুৱক-যুৱতীসকলহে সবাতোকৈ অধিক জড়িত। অৰ্থাৎ আই টি আইনৰ বিভিন্ন ধাৰা বা অনুচ্ছেদ উলংঘা কৰে যুৱকসকলেহে যাৰ বয়স ১৮ৰ পৰা ৩০ বয়সৰ ভিতৰত। সম্প্ৰতি উচ্চতম ন্যায়ালয়ে কৈছে যে ব্যক্তিৰ গোপনীয়তাৰ অধিকাৰ এক মৌলিক অধিকাৰ। সেয়েহে চৰকাৰে প্ৰণয়ন কৰিব খোজা ডাটা সংৰক্ষণ আইন আৰু আই টি আইনৰ মাজত এক সামঞ্জস্য অনা প্ৰয়োজন। উল্লেখ্য যে ২০১৩তেই উচ্চতম ন্যায়ালয়ে আই টি আইনৰ ৬৬ (ক) ধাৰা বাতিল কৰাৰ পাছতো দেশৰ বিভিন্ন প্ৰান্তত বাতিল হোৱা ধাৰাটো প্ৰয়োগ কৰি বহুতকে পুলিচে গ্ৰেপ্তাৰ কৰিছিল। সেয়েহে মানুহৰ ডাটা সংৰক্ষণক চৰকাৰে অধিক গুৰুত্ব দি আই টি আইন সংশোধন কৰা উচিত।

## সংবাদ মাধ্যমৰ ওপৰত চৰকাৰী হেঁচা

# সংবাদ মাধ্যম ঃ মুখ্য ন্যায়াধীশৰ আক্ষেপ কিয় ?





নিউজ স্কেন
গীতাৰ্থ পাঠক

ভাৰতৰ মুখ্য ন্যায়াধীশ এন ভি ৰামানাই যোৱা ১৫ ডিচেম্বৰৰ দিনা গ্ৰন্থ এখন উন্মোচন কৰি দিয়া ভাষণত আক্ষেপ কৰিছে যে আমাৰ দেশৰ সংবাদ মাধ্যমত তদন্তমূলক সাংবাদিকতা নোহোৱা হৈ পৰিছে। সাংবাদিকতাই এতিয়া বাগিচাখনৰ সকলো বয়বস্তু ফুলাম দেখিবলৈ লৈছে বুলি বৰ্তমানৰ দেশখনৰ মুখ্য ন্যায়াধীশ তথা একালৰ সাংবাদিক ৰামানাই বক্ৰোক্তি কৰিছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ৰামানাই তেওঁৰ কাৰ্যকালত এক আপোচহীন স্বভাৱেৰে দেশখনৰ ন্যায় ব্যৱস্থাটোক উজ্জীৱিত কৰি তুলিছে। যি সময়ত নিৰ্বাচন আয়োগৰ পৰা আৰম্ভ কৰি ৰিজাৰ্ভ বেংক, চি বি আই, অৰ্থনৈতিক অপৰাধ আদি প্ৰায়বোৰ গণতান্ত্ৰিক প্ৰতিষ্ঠান পক্ষপাতদুষ্ট হৈ পৰিবলৈ ধৰিছে, সেই সময়ত উচ্চতম ন্যায়ালয়ৰ নিৰ্মোহ ন্যায় প্ৰদানৰ উদাহৰণে জনমানসত নতুনকৈ আশাৰ সঞ্চাৰ কৰিছে।

আমাৰ দেশৰ গণতন্ত্ৰৰ লাইখুঁটাবোৰ হ'ল সাংবিধানিকভাৱে গঠিত গণতান্ত্ৰিক প্ৰতিষ্ঠানবোৰ। ন্যায়পালিকা, কাৰ্যপালিকা আৰু বিধানপালিকাৰ উপৰি সংবাদ মাধ্যমকো গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বুলি কোৱা হয় যদিও বৰ্তমান আন আন গণতান্ত্ৰিক প্ৰতিষ্ঠানবোৰৰ দৰে সংবাদ মাধ্যমো পক্ষপাতমূলক হৈ পৰিছে বুলি সঘনে অভিযোগ উত্থাপিত হ'ব ধৰিছে বুলি মুখ্য ন্যায়াধীশ ৰামানাই এই অভিযোগকেই ন্যায্যতা প্ৰদান কৰি কৈছে যে যি প্ৰতিষ্ঠান বা ব্যক্তিক ৰক্ষণাবেক্ষণৰ দায়িত্ব দিয়া হৈছে, সেইসকলৰ সমূহীয়া ব্যৰ্থতা সংবাদ মাধ্যমে দাঙি ধৰিব লাগে। এনে ব্যৱস্থাত থকা আঁসোৱাহবোৰ সম্পৰ্কে জনসাধাৰণক সচেতন কৰা দৰকাৰ। এই কাম সংবাদ মাধ্যমেহে কৰিব পাৰে। পিছে ৰামানাৰ মতে অন্ততঃ ভাৰতবৰ্ষৰ সংবাদ মাধ্যমে সাম্প্ৰতিক কালত এনে ধৰণৰ ভূমিকা লোৱাত ব্যৰ্থ হৈছে।

সংবাদপত্ৰই একালত দপ্‌দপাই থকা সংবাদ মাধ্যমৰ সম্প্ৰসাৰণ ঘটিছে— ছপা মাধ্যমৰ পৰা ইলেক্ট্ৰনিক আৰু এতিয়া ডিজিটেল মাধ্যমলৈ। এতিয়া ডিজিটেল মাধ্যমে তীব্ৰগতিত সংবাদ মাধ্যমৰ ভিতৰ চ'ৰা দখল কৰিবলৈ ল'লেও আমাৰ দেশত মূলসুঁতিৰ সংবাদ মাধ্যম বুলিলে সংবাদপত্ৰ আৰু টিভি চেনেলবোৰেই ঘাইকৈ মাধ্যমটো দখল কৰি আহিছে। যিমানেই সংবাদ মাধ্যম ব্যয়বহুল হৈ পৰিছে সিমানেই সংবাদ সেৱা একচেটিয়া ব্যৱসায়ৰ কুক্ষিগত হ'বলৈ ধৰিছে। আগেয়ে সৰু ছপাশাল এটি ক্ৰয় কৰিলেই সংবাদপত্ৰ এখন ছপাব বা প্ৰকাশ কৰিব পৰা অৱস্থা আছিল। এতিয়া সংবাদ মাধ্যমৰ বাবে বৃহৎ পুঁজিৰ প্ৰয়োজন। বাতৰি কাকত এখন ভালদৰে প্ৰকাশ কৰিবলৈ হ'লেও কোটি টকাৰ প্ৰয়োজন। টিভি চেনেল খুলিবলৈ হ'লেতো কথাই নাই। প্ৰযুক্তি যিমানেই আগবাঢ়িছে, সংবাদ মাধ্যম পৰিচালনাৰ ব্যয়ো সিমানেই বৃদ্ধি পাইছে। গতিকে স্বাভাৱিকভাৱে আমাৰ দেশৰ বৃহৎ সংবাদ মাধ্যমসমূহৰ মালিকানা এমুঠি পুঁজিপতি তথা বৃহৎ ব্যৱসায়ীৰ হাতলৈ যাবলৈ ধৰিছে। এইসকল বৃহৎ ব্যৱসায়ীয়েই শাসক দলক নিৰ্বাচনৰ সময়ত কোটি কোটি টকা বৰঙণি দিয়ে। এইসকল বৃহৎ ব্যৱসায়ীৰ দৈনিক আয় একোখন ৰাজ্যৰ দৈনিক আয়ৰ সমান। স্বাভাৱিকভাৱে এইবোৰ বৃহৎ সংবাদ মাধ্যমে চৰকাৰ তথা প্ৰশাসনত চলা দুৰ্নীতিবোৰ উদঙাব কিয়? এইবোৰ সংবাদ মাধ্যমে ওলোটাকৈ চৰকাৰৰ দুৰ্নীতিবোৰ ঢাকিবলৈ তথা গাপ দিবলৈহে চেষ্টা কৰিব। ক্ষুদ্ৰ আৰু মজলীয়া কাকত তথা সংবাদ মাধ্যমসমূহে কিঞ্চিৎ পৰিমাণে হ'লেও সাংবাদিকতাৰ নিৰপেক্ষ ধাৰাটো ধৰি ৰাখিছে।

যোৱা কেইটামান বছৰত আমাৰ দেশত যিবোৰ জনবিৰোধী তথা ৰাইজৰ বাবে ক্ষতিকৰ ঘটনা ঘটিছে, সেইবোৰৰ নিৰপেক্ষ বাতৰি দেশৰ বৃহৎ সংবাদ মাধ্যমত প্ৰকাশ পোৱা নাই। সদ্য সমাপ্ত কৃষি আইনৰ বিৰুদ্ধে চলা এবছৰৰো অধিক কালৰ আন্দোলনটোক বদনাম কৰাৰ বাবে তথা আন্দোলনটোৰ যথাৰ্থতাক অপ্ৰমাণিত কৰাৰ বাবে আমাৰ বৃহৎ সংবাদ মাধ্যমসমূহে চলোৱা প্ৰচেষ্টাৰ কথা আমি জানো। পাঁচশৰো অধিক লোকে প্ৰাণাহুতি দিয়া এই আন্দোলনটোক খালিস্তানী সন্ত্ৰাসবাদীয়ে পৰিচালনা কৰা আন্দোলন আখ্যা দিয়া হৈছিল। ২৬ জানুৱাৰীত লালকিল্লাত হোৱা ঘটনাত আন্দোলনকাৰীসকলক দোষাৰোপ কৰা হৈছিল বৃহৎ টিভি চেনেলবোৰত। আমাৰ দেশৰ শ্ৰমিকসকলে স্বাধীনতাৰ পাছৰে পৰা শ্ৰমিকৰ কল্যাণৰ বাবে তথা শোষণৰ বিৰুদ্ধে যুঁজি কেতবোৰ আইন প্ৰণয়ন কৰিবলৈ সক্ষম হৈছিল। এই সকলোবোৰ আইন লেবাৰ কোড বিল প্ৰণয়ন কৰি নিমিষতে উৰাই দিয়া হ'ল। ১৯৫৫তেই সংসদত সাংবাদিকসকলৰ সুৰক্ষাৰ বাবে গৃহীত হোৱা ৱৰ্কিং জাৰ্ণেলিষ্ট আইনখন এতিয়া লেবাৰ কোডে নোহোৱা কৰি পেলালে। আমাৰ দেশৰ বৃহৎ সংবাদ মাধ্যমসমূহত এই শ্ৰম আইনক লৈ বিশেষ চৰ্চা নহ'ল। ক'ভিড-১৯ৰ সুবিধা লৈ চৰকাৰে গৃহীত কৰিলে লেবাৰ কোড বিধেয়ক। আমাৰ ট্ৰেড ইউনিয়নসমূহে এই কোড আইনৰ বিৰুদ্ধে মাত মাতিবলৈ তথা আন্দোলন সংগঠিত কৰিবলৈ সুবিধাই নাপালে। এইটোও সত্য যে বৰ্তমান কালত আমাৰ দেশৰ ট্ৰেড ইউনিয়ন আন্দোলনতো ভাটাৰ সৃষ্টি হৈছে। সি যি কি নহওক, এনেদৰেই জনসাধাৰণৰ স্বাৰ্থ বিঘ্নিত কৰা চৰকাৰী ব্যৱস্থাবোৰৰ বিৰুদ্ধে সংবাদ মাধ্যমে জনসাধাৰণৰ মাজত সচেতনতা গঢ়ি তোলাত ব্যৰ্থ হৈছে। বিমুদ্ৰাকৰণৰ সময়ত আমাৰ দেশৰ জনসাধাৰণে যি ধৰণে জীয়াতু ভুগিলে, তাৰ সঠিক খবৰ দিয়াত বৃহৎ সংবাদ মাধ্যমসমূহ ব্যৰ্থ হৈছে। চাৰি ঘন্টা সময় দি দীৰ্ঘকালৰ বাবে তলাবন্ধ ঘোষণা কৰাৰ অবিবেচক কাণ্ডৰ ফলত দেশৰ শ্ৰমিকসকলে ভোগা যাতনাৰ প্ৰকৃত খবৰ মূলসুঁতিৰ সংবাদ মাধ্যমত ভালদৰে প্ৰকাশ নাপালে। বৰঞ্চ চৰকাৰী ভাষ্যকেই চৰ্বিত-চৰ্বণ কৰি ওলোটা ছবি এখনহে এই মাধ্যমসমূহে দাঙি ধৰিলে। ক'ভিড-১৯ৰ দীঘলীয়া তলাবন্ধ কালত কিমান লোক পথৰ ভিকহু হ'ল, কিমান ক্ষুদ্ৰ মজলীয়া ব্যৱসায়ীৰ ৰোজগাৰ নোহোৱা হ'ল, ক্ষুধাৰ জ্বালাত কিমানৰ মৃত্যু হ'ল, সেয়া আমাৰ তথাকথিত মূলসুঁতিৰ বৃহৎ সংবাদ মাধ্যমত প্ৰকাশ নাপালে।

**স্বাভাৱিকভাৱে আমাৰ দেশৰ বৃহৎ সংবাদ মাধ্যমসমূহৰ মালিকানা এমুঠি পুঁজিপতি তথা বৃহৎ ব্যৱসায়ীৰ হাতলৈ যাবলৈ ধৰিছে। এইসকল বৃহৎ ব্যৱসায়ীয়েই শাসক দলক নিৰ্বাচনৰ সময়ত কোটি কোটি টকা বৰঙণি দিয়ে। এইসকল বৃহৎ ব্যৱসায়ীৰ দৈনিক আয় একোখন ৰাজ্যৰ দৈনিক আয়ৰ সমান**


এতিয়া ৰাজ্যসমূহৰ সংবাদ মাধ্যম বিশেষকৈ সংবাদপত্ৰ আৰু কেতবোৰ টিভি চেনেলৰ ওপৰত চলি আছে চৰকাৰী হেঁচা। ব্যৱসায়িক মন্দাৰ বাবে সংবাদ মাধ্যমসমূহে চৰকাৰী বিজ্ঞাপনৰ ওপৰত অধিক নিৰ্ভৰশীল হৈ পৰিছে। চৰকাৰে এই অৱস্থাৰ সুবিধা লৈ কেতবোৰ সংবাদ মাধ্যমক কাবু কৰিবলৈ চেষ্টা চলাইছে। যিবোৰ সংবাদ মাধ্যমে চৰকাৰক সমালোচনা কৰি আহিছে আৰু চৰকাৰী হেঁচাত শিৰনত কৰা নাই, সেইবোৰৰ বিৰুদ্ধে চলাইছে নানা ধৰণৰ আইনী ব্যৱস্থা। দৈনিক জাগৰণ, এন ডি টি ভি আদিৰ বিৰুদ্ধে চৰকাৰে লগাইছে নানা ধৰণৰ গোচৰ। চৰকাৰ অথবা নেতাক সমালোচনা কৰিলেই তেনে সংবাদ মাধ্যমৰ ওপৰত আহে পৰোক্ষ বা প্ৰত্যক্ষ হেঁচা। বৰ্তমান বিজেপিৰ শাসন কালত চৰকাৰক সমালোচনা কৰাৰ দোষতেই গৌৰী লংকেশকে ধৰি কে'বাগৰাকীও সাংবাদিক-লিখকক হত্যা কৰা হৈছে। তদন্তকাৰী সাংবাদিকতা কৰিবলৈ হাথ্ৰাছ গণ ধৰ্ষণৰ বলিৰ পৰিয়ালক সাক্ষাৎ কৰিবলৈ যাওঁতে চিদ্দিক কাপ্পান নামৰ কেৰালাৰ সাংবাদিকগৰাকীৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ অভিযোগ আনি সুদীৰ্ঘকাল গ্ৰেপ্তাৰ কৰি ৰখা হ'ল। স্বাভাৱিকতেই এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত এচাম সংবাদ মাধ্যমে জটিলতা এৰাই চলিবলৈ চৰকাৰৰ সমালোচনামূলক বাতৰি প্ৰকাশ নকৰিবলৈ অথবা প্ৰকাশ কৰিলেও তাক চোক নোহোৱাকৈ প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিছে। ইয়াকে কোৱা হ'ল ছেলফ্ চেন্সৰশ্বিপ বুলি।

আমাৰ মুখ্যমন্ত্ৰীগৰাকীৰ ভূমি কেলেংকাৰিৰ এক বিশদ প্ৰতিবেদন ৰেব প'ৰ্টেল দ্য ৰেৰত প্ৰকাশ পোৱাৰ পাছত চৰকাৰৰ মুখপাত্ৰ এগৰাকীয়ে এই অভিযোগবোৰৰ প্ৰত্যুত্তৰ দিয়াৰ সলনি প'ৰ্টেলটোৰ তথা প্ৰতিবেদন প্ৰকাশ কৰা সাংবাদিকৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিব বুলিহে ধমকি দিলে। ইফালে ছেলফ্ চেন্সৰশ্বিপৰ বাবেই হওক বা আন কাৰণতেই হওক অসমৰ সংবাদ মাধ্যমসমূহত এই কেলেংকাৰিৰ বাতৰি তেনেদৰে প্ৰকাশ নাপালে। ৰাজ্যখনৰ বহু প্ৰকৃত বাতৰি চৰকাৰী চেপাশালত পৰি ঢাক খাই গৈছে। পক্ষপাতিত্বমূলক উচ্ছেদৰ প্ৰকৃত কাহিনী কেতবোৰ বছা বছা তথাকথিত সংবাদ মাধ্যমত প্ৰকাশ নাপালে। খোৱাপানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হোৱা গুৱাহাটী মহানগৰীত বিদেশী বেংকৰ ঋণেৰে কে'বাটাও পানীযোগান বৃহৎ আঁচনি আজিও সম্পূৰ্ণ নহ'ল। লুই বাৰ্জাৰ কেলেংকাৰিৰ কাহিনী আধা কোৱা হৈয়েই থাকিল। গতিকে এনে অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ মুখ্য ন্যায়াধীশ ৰামানাই তদন্তমূলক সাংবাদিকতা নোহোৱা হোৱা বুলি কৰা আক্ষেপ নিতান্তই গুৰুত্বপূৰ্ণ আৰু চিন্তনীয় আক্ষেপ।

*ফোন ঃ ৯৪৩৫০৪৮৪৮৪*

### খোলা মঞ্চ

## অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি ?



মনমোহন চৌধুৰী, কৃতী শিক্ষক

**অসম** বিভিন্ন জাতি-উপজাতিৰ মিলনভূমি। বড়ো, ৰাভা, কাৰ্বি, দেউৰী, কোঁচ, কছাৰী, আহোম আদি বিভিন্ন জাতি-উপজাতিৰ লগতে বিভিন্ন ভাষিক গোষ্ঠীৰ সংমিশ্ৰণেৰে অসম ৰাজ্য গঠন হৈছে। এই বিভিন্ন ভাষা-সম্প্ৰদায়ৰ মূল ভাষা অসমীয়া। গৰিষ্ঠ সংখ্যক লোক অসমীয়া ভাষী। অসমীয়াৰ এটা স্বকীয় বৈশিষ্ট্য আছে; কিন্তু অসমীয়াসকল অতি মৰমিয়াল। অতীতৰ পৰা অসমীয়া সাজপাৰৰ ক্ষেত্ৰতো এক সুকীয়া আদৰ আছে। অসমীয়া মহিলাসকলে তাঁতশালত বোৱা এৰী, মুগা, পাটৰ কাপোৰ সৰ্বজনবিদিত। অতীতত মহিলাসকলে যুদ্ধৰ সময়তো ৰাতিৰ ভিতৰতে কবচ কাপোৰ বুই নিজৰ স্বামীক যুদ্ধলৈ পঠাইছিল। মহামানৱ মহাত্মা গান্ধীয়ে অসমলৈ আহি শুৱালকুছিত মহিলাসকলে তাঁতশালত হাতে বোৱা কাপোৰ দেখি আপ্লুত হৈ কৈছিল, 'অসমীয়া শিপিনীয়ে কাপোৰত সপোন ৰচিব পাৰে।' অসমীয়া শিপিনীয়ে বোৱা মুগাৰ মেখেলা, ৰিহা, এৰী চাদৰ, পাটৰ কাপোৰ অন্যান্য ধৰ্মাৱলম্বী সাজপাৰতকৈ উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে। পুৰুষসকলে ধুতি, পাঞ্জাৰী পিন্ধাৰ উপৰি গাত চেলেং চাদৰ আৰু ডিঙিত গামোচা লয়। আধুনিক সভ্যতাৰ স'তে ফেৰ মাৰিবলৈ গৈ অসমীয়া যুৱতীসকলেও মেখেলা-চাদৰ এৰি লংপেণ্ট-ছাৰ্ট পিন্ধিবলৈ লৈছে, চুলি চুটিকৈ কাটিবলৈ লৈছে আৰু ডেকাসকলেও পশ্চিমীয়া সাজপাৰ পিন্ধিবলৈ লোৱা দেখা গৈছে।

বৰ্তমানৰ যুৱক-যুৱতীসকলে এই সাজপাৰ ধৰি ৰাখিব লাগিব। মনৰ মাজত অসমীয়া চেতনা জাগ্ৰত কৰিব লাগিব। কৃষ্টি-সংস্কৃতি জীয়াই ৰাখিবলৈ সাহসেৰে আগুৱাই আহিব লাগিব। দল, সংগঠনসমূহেও অগ্ৰণী ভূমিকা ল'ব লাগিব। বহিৰাগতৰ আগ্ৰাসন বন্ধ কৰিব লাগিব। প্ৰশাসনৰ লগত সহযোগিতাৰে বিভেদকামী শক্তিসমূহৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হ'ব লাগিব। অসমীয়া শিপিনীসকলে নিজস্ব প্ৰতিভাৰে তাঁত- শালৰ কাপোৰ বোৱাত গুৰুত্ব দিব লাগিব। তেতিয়া নিশ্চিতভাৱে অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই নোযোৱাকৈ ৰাখিবলৈ অসমীয়া জাতিটোৱে সক্ষম হ'ব।

*ফোন ঃ ৭০০২১৩১৫৪৩*

## ড্ৰাগছৰ চোৰাং কাৰবাৰ বন্ধ হ'বনে ?

**ড্ৰাগছৰ** বিৰুদ্ধে চৰকাৰে যি তীব্ৰ অভিযান চলাইছে সি প্ৰশংসনীয়। এই বৰবিষ ইতিমধ্যে বহুলভাৱে নতুন প্ৰজন্মৰ মাজত শিপাই গৈছে। ড্ৰাগছৰ গোপন ব্যৱসায় ভিতৰি-ভিতৰি শক্তিশালী হৈ উঠিছে। চৰকাৰৰ অভিযানত বহু ঘাটি উচ্ছেদ হৈছে হয়, কিন্তু ইয়াৰ যদি সামান্যতমো খুঁত থাকি যায়, তেতিয়া তাৰ পৰাই পুনৰ সম্প্ৰসাৰিত হোৱাত সৰহ সময় নালাগিব। আজিৰ সমাজত অপকাৰী বস্তু বুলি জনাৰ পাছতো বহু বস্তুই ব্যৱহৃত হৈ আছে। এনে মানুহো আছে অপকাৰী বুলি জনা মানুহৰ মাজতো সেই অপকাৰী বস্তুৰ প্ৰচলন অধিক। যি বস্তুৰ ব্যৱসায় লাভজনক তাৰ প্ৰতি ব্যৱসায়ী আকৃষ্ট নহ'ব কিয়? ইয়াৰ উপৰি আমাৰ মাজত অপৰাধীক সহায় কৰা মানুহো আছে। এই সহায় কৰা শ্ৰেণীৰ মানুহ আৰ্থিকভাৱে সবল আৰু ক্ষমতাশালী লোক। এই চক্ৰবোৰকো চিনাক্ত কৰি সিহঁতৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা অতি প্ৰয়োজন। আমাৰ অভিভাৱকৰ ভিতৰতো বহু অভিভাৱক তেওঁলোকৰ সন্তানৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ অপাৰগ। আনহাতে, আমাৰ মাজত এনে মানুহৰ সংখ্যা বৃদ্ধি পাই আহিল, যিসকলে আনৰ ল'ৰা-ছোৱালীৰ গতিবিধি বেয়াৰ ফালে ঢাল খোৱা দেখিলেও মাত নামাতে, যি হয় হওক, আনৰ চলিৰ কাৰণে মূৰ ঘমাই কি লাভ! এনে মন্তব্য কৰাহে দেখা যায়। এনে চিন্তাৰ কাৰণে আজিৰ প্ৰজন্মৰ বহুতে ব'ঠাহীন নাৱৰ যাত্ৰী হোৱাত ইন্ধন যোগাইছে। নিজৰ পিতৃৰ লগত পুত্ৰই বহি মদ খোৱা দৃশ্য দেখাৰ এটা অহিতকৰ পৰিৱেশ গা-কৰি উঠাৰ পাছতো আমি নীৰৱ দৰ্শক হৈ থকাটো আমাৰেই দুৰ্বলতা নহ'ব কিয়? দুৰ্নীতি যিদৰে ওপৰৰ পৰা আৰম্ভ হৈছে, সমাজত প্ৰচলিত বিষতুল্য খাদ্যবোৰৰো প্ৰচলন ওপৰ শ্ৰেণীৰ মানুহৰ মাজৰ পৰাই জন্মলাভ কৰিছে বুলি বিশ্বাস কৰাৰ স্থল আছে। বিষতুল্য বস্তুবোৰ ধ্বংস কৰাতে ক্ষান্ত হ'ব নালাগিব,



আমাৰ দিনবোৰো বিষমুক্ত হোৱা দৰকাৰ। আইনতকৈ নৈতিকতা ঊৰ্ধ্বত। আমি নৈতিকভাৱে দুৰ্বল হৈ গৈ আছো। নৈতিকতাক প্ৰতিষ্ঠিত কৰিব নোৱাৰিলে আইন সফল হ'ব নোৱাৰে। আনন্দৰাম বৰুৱাৰ প্ৰশাসনীয় আৰ্হি, আদৰ্শনীয় হোৱা বাঞ্ছনীয়। অসমৰ এজন কৰ্মৰত পুলিচ বিষয়াই চোৰক সৎপথলৈ অনা প্ৰচেষ্টা কৰ্তব্যনিষ্ঠা আদৰ্শনীয়, প্ৰশংসনীয়। এই পুলিচ বিষয়াজন সাহিত্যিক হিচাপে সুপৰিচিত। তেওঁ গাঁঠিৰ ধন ব্যয় কৰি চোৰক সংস্থাপিত কৰাই নতুন জীৱন দান দিছে।

**কেশৱ শৰ্মা**
ফোন ঃ ৯৪০১৮৭৯৪০৮

# ২০২২ত মহাবিদ্যালয়সমূহে একাদশ শ্ৰেণীত নামভৰ্তি কৰিব নালাগে

**নগাঁৱত** অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ অধিবেশনত আমাৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ঘোষণা কৰা কিছুমান পদক্ষেপ শিক্ষা ক্ষেত্ৰৰ বাবে মাইলৰ খুঁটি স্বৰূপ হ'ব পাৰে। ২০২২ৰ পৰা অসমৰ মহাবিদ্যালয়সমূহত উচ্চতৰ মাধ্যমিক শাখাৰ নামভৰ্তি নাথাকিব। এই সম্পৰ্কে আমি 'দৈনিক অগ্ৰদূত' কাকতত বহুবাৰ লিখিছো। দেশৰ কোনো ৰাজ্যতে এনে ব্যৱস্থা নাই। উচ্চতৰ মাধ্যমিক আৰু স্নাতক মহাবিদ্যালয়ৰ শিক্ষকৰ অৰ্হতা বেলেগ বেলেগ। অসম চৰকাৰে গ্ৰহণ কৰা এনে সিদ্ধান্ত সকলোৰে গ্ৰহণযোগ্য নিশ্চয় হ'ব।

বিজ্ঞান শিক্ষা সম্পৰ্কে মন্ত্ৰীয়ে কৈছে যে বিহাৰত ৪৩ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞান পঢ়ে আৰু অসমত মাত্ৰ ১৪ শতাংশইহে বিজ্ঞান পঢ়ে। এটা সময়ত স্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগ পোৱাৰতো কথাই নাছিল, বহুতো দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়েও বিজ্ঞান পঢ়িছিল। বিষয়টো চিন্তনীয়। সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত অসমকে ধৰি পূৰ্বোত্তৰৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য কম। আনহাতে যিকেইজনে কৰে, সেইসকলৰ অধিকাংশ অসমৰ বাহিৰত পঢ়া। যোৱা দুটা বছৰ কৰ'নাৰ বিশ্বজোৰা সংক্ৰমণৰ ফলত সমগ্ৰ শিক্ষাজগত একেবাৰে বিধ্বস্ত হৈ পৰিছে। পৰীক্ষা নোলোৱাকৈ ৯৭-৯৮ শতাংশ ছাত্ৰ-ছাত্ৰীক মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত বৈতৰণী পাৰ কৰি দিয়া হ'ল, সেইসকলৰ বেছিভাগেই এতিয়া আগলৈ যোৱাৰ পথত অন্ধকাৰাচ্ছন্ন হৈ পৰিছে। অসমৰ মাধ্যমিক শিক্ষা পৰিষদ আৰু উচ্চতৰ মাধ্যমিক শিক্ষা সংসদে বিশেষ পৰীক্ষাৰ আয়োজন কৰি যিধৰণৰ ফলাফল ঘোষণা কৰিলে সেইটোও লক্ষ্যণীয় হৈছে। পৰীক্ষা নপতাকৈ উত্তীৰ্ণ কৰি দিয়াৰ তুলনাত পৰীক্ষা দি উত্তীৰ্ণ হোৱাৰ শতাংশ বহুত কম হৈছে। যিসকলে পৰীক্ষাত উত্তীৰ্ণ হৈ উৎফুল্লিত হৈছে সেইসকলৰ অভিভাৱকেও সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰাৰ প্ৰয়োজন হৈছে।

উচ্চ শিক্ষাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যিকেইটা কথা উল্লেখ কৰিলে সেইখিনিও লক্ষ্যণীয় যেন ধাৰণা হয়। অসমৰ বিশ্ববিদ্যালয় (কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি) কেইখন মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ত পঢ়ি যোৱা ছাত্ৰ-ছাত্ৰীয়ে দেশৰ উচ্চ পৰ্যায়ৰ প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হৈছে সেই সম্পৰ্কতো তেওঁ সংশয়ৰ ভাৱনা ব্যক্ত কৰি উচ্চ শিক্ষানুষ্ঠানসমূহক 'ৰিপৰ্ট কাৰ্ড' প্ৰস্তুত কৰিবলৈ কৰা আহ্বান আমি অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিছো।



এসময়ত অসমৰ উচ্চ শিক্ষাৰ মান আজিৰ দৰে নিম্ন নাছিল। আমাৰ মনত পৰে পৰীক্ষাত প্ৰশ্ন আহিছিল 'অসমত কেইখন বিশ্ববিদ্যালয় আছে' বুলি। বৰ্তমান অসমত কিমান বিশ্ববিদ্যালয় আছে? বুলি সুধিলে উচ্চ শিক্ষিত মানুহেও হয়তো থাউকতে উত্তৰ দিব নোৱাৰিব।

অসমৰ উচ্চ শিক্ষা সম্পৰ্কে মন্ত্ৰী মহোদয়ে উল্লেখ কৰা কথাখিনিও অতিকৈ তাৎপৰ্যপূৰ্ণ। তেওঁ কৈছে যে আমেৰিকাৰ বিশ্ববিদ্যালয়ত ৭০ৰ পৰা ৭৫ হেজাৰ শিক্ষাৰ্থী থাকে আৰু অসমৰ বিশ্ববিদ্যালয়ত পাঁচ হেজাৰতকৈ অধিক ছাত্ৰ-ছাত্ৰী নাই। আগতেই উল্লেখ কৰিছো যে অসমত এতিয়া বিশ্ববিদ্যালয়ৰ সংখ্যা গণিব নোৱাৰা হৈছে আৰু এনে বিশ্ববিদ্যালয়ো আছে যিবোৰত হয়তো তিনি হেজাৰতকৈ কম ছাত্ৰ-ছাত্ৰী আছে। তেওঁ প্ৰতিখন মহাবিদ্যালয়ত কমেও তিনি হেজাৰ ছাত্ৰ-ছাত্ৰী থাকিব লাগে বুলি কৈছে; কিন্তু এটা সময়ত অসমৰ জনগণৰ মাজত এনে এক উৎসাহৰ সৃষ্টি হ'ল যে অসমত কলেজৰ সংখ্যা শাওণত বানপানীৰ দৰে বৃদ্ধি হ'ল, তাৰ ভিতৰত এনে কিছুমান মহাবিদ্যালয় আছে যিবিলাকত তিনিহেজাৰতো দূৰৰ কথা ডেৰ হেজাৰ ছাত্ৰ-ছাত্ৰীও হয়তো নাই।

অভিমত

উচ্চ শিক্ষাৰ মান উন্নত কৰিবৰ বাবেও ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু চৰকাৰৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। মন্ত্ৰী মহোদয়ে কৈছে যে উচ্চ শিক্ষানুষ্ঠানসমূহৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হ'ব। আৰু কিছুমান নিৰ্বাচিত মহাবিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণী খোলাৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত সুদীৰ্ঘকাল শিক্ষকতা কৰি পোৱাৰ অভিজ্ঞতাৰে সংশয় ব্যক্ত কৰিব খুজিছো। শিক্ষানুষ্ঠানৰ সকলো প্ৰকাৰৰ আন্তঃগাঁথনি থকা প্ৰয়োজন। কিন্তু সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰয়োজনটো হৈছে শিক্ষক-শিক্ষয়িত্ৰী। বৰ্তমান অসমৰ কেইখন মহাবিদ্যালয়ত আৱশ্যক অনুসৰি শিক্ষক-শিক্ষয়িত্ৰী আছে? অসমৰ ৯০ শতাংশ মহাবিদ্যালয় চুক্তি ভিত্তিক শিক্ষকেৰে চলি আছে, এই সম্পৰ্কে চৰকাৰে কিমান গুৰুত্ব দিছে? মহাবিদ্যালয় যদি স্নাতকোত্তৰ পৰ্যায়লৈ উন্নীত কৰা হয় তেতিয়া গুৰুপাঠ বিষয়ত কমেও পাঁচজন শিক্ষকৰ প্ৰয়োজন হয় আৰু সকলো অধ্যাপক বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰি দিয়া অৰ্হতা সম্পন্ন অধ্যাপক-অধ্যাপিকা হ'ব লাগিব। বৰ্তমান অসমৰ কে'বাখনো মহাবিদ্যালয়ত কিছুমান বিষয়ত স্নাতকোত্তৰ শ্ৰেণী আছে, কিন্তু সেইবিলাক ছাত্ৰ-ছাত্ৰীৰ পৰা আদায় কৰা মাচুলৰ ধনেৰে চলে, যাৰ বাবে স্নাতকোত্তৰ শ্ৰেণীত পঢ়াবলৈ অৰ্হতাসম্পন্ন শিক্ষক নাপায়, কাৰণ ছয় হেজাৰৰ পৰা ১০ হেজাৰ টকা চুক্তিভিত্তিক শিক্ষকৰ দ্বাৰা পাঠদান কৰিবলগীয়াত পৰা আৰু এনে শ্ৰেণী বহুতো মহাবিদ্যালয়ৰ বাবে ভালুকৰ সাঙীত পৰিণত হৈছে।

অসম চৰকাৰলৈ আমাৰ বিনম্ৰ অনুৰোধ শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰয়োজন নাই, অসমত শিক্ষানুষ্ঠান হৈছে, এতিয়া সকলোবিলাক শিক্ষানুষ্ঠান বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰি দিয়া অৰ্হতাসমূহৰ লগত ৰাজ্য চৰকাৰে ৰাজ্যিক স্বাৰ্থত নীতি গ্ৰহণ কৰি সোনকালে অধ্যাপক-অধ্যাপিকা স্থায়ীভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰক।

**শিক্ষা ব্যৱস্থাৰ উত্থান-পতন**

কিছুবছৰ আগতে শুনিছিলো অধ্যাপক-অধ্যাপিকাসকলে পাঠদান কৰাত অনীহা কৰে। বহু সময়ত পাঠদান কৰিবলৈ ছাত্ৰ-ছাত্ৰীয়ে অধ্যাপক-অধ্যাপিকাক জিৰণি কোঠাৰ পৰা মাতি আনিব লাগে। এই সম্পৰ্কে সংবাদ, নানাধৰণৰ আলোচনা-সমালোচনা হোৱাও দেখা পাইছিলো। এতিয়া আকৌ ঠিক ওলোটা খবৰ পাবলৈ ধৰিছো। এতিয়া অধ্যাপকে পাঠদান কৰিবলৈ শ্ৰেণী কোঠালৈ যায়, কিন্তু পাঠ গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰী নাথাকে। কিয় নাথাকে, তাৰো কাৰণ আছে।

এসময়ত অসমৰ বিশ্ববিদ্যালয়, পৰিষদ আদিত জুখি-মাখি নম্বৰ দিয়াৰ ব্যৱস্থা আছিল আৰু বিদ্যালয়-মহাবিদ্যালয়ত ৭৫ শতাংশ উপস্থিত নহ'লে পৰীক্ষা দিয়াৰ অনুমতি দিয়া নহৈছিল। যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে বাধ্য হৈ নিয়মমতে পাঠ গ্ৰহণ কৰিছিল এতিয়াও দ্বিতীয় নিয়মটো আছে সম্ভৱ; কিন্তু প্ৰথমটো নাই। এতিয়া অসমৰ শিক্ষা সংস্থানবিলাকেও কোনে কিমান বেছি নম্বৰ দিব পাৰে, তাৰেই প্ৰতিযোগিতা চলিছে। নপঢ়াকৈয়ে যদি প্ৰথম শ্ৰেণী পাই তেতিয়া কষ্ট কৰি অধ্যাপকৰ পাঠ শুনি, টকা খৰচ কৰি কিতাপ কিনি কষ্ট কৰি ঘৰত পঢ়াৰ প্ৰয়োজন কি? সেয়ে একাংশ ছাত্ৰ-ছাত্ৰীয়ে পাঠো গ্ৰহণ নকৰে, কিতাপো নিকিনে আৰু ঘৰতো নপঢ়া হৈছে। বহুতো অধ্যাপকে কোৱা শুনিছো যে বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ বক্তৃতা নুশুনে, মাত্ৰ পৰীক্ষা পাছ কৰিবলৈ কেৱল টোকা বা নোট বিচাৰে। নোট নিদিয়া অধ্যাপক তেওঁলোকৰ দৃষ্টিত বেয়া, তেওঁলোকক জ্ঞানৰ প্ৰয়োজন নাই, কেৱল পৰীক্ষা পাছ কৰিব লাগে আৰু নম্বৰ পাব লাগে। যাৰ বাবে মানুহ শিক্ষিত হৈছে, কিন্তু জ্ঞানী হোৱা মানুহৰ সংখ্যা কমি গৈছে, যিদৰে জনসংখ্যা বাঢ়িছে কিন্তু মানুহৰ সংখ্যা কমিছে।

আগতে মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰেই নহয়, প্ৰায় সকলো শ্ৰেণীৰ শিক্ষকে নিজৰ বিষয়টো পঢ়া-শুনা কৰি গৈহে ছাত্ৰ-ছাত্ৰীক পঢ়ুৱাইছিল আৰু এতিয়া কেইজন শিক্ষকৰ হাতত কিতাপ থাকে, কেইজন শিক্ষকে নিয়মিতভাৱে বাতৰি কাকত, পত্ৰিকা আদি খৰচী মাৰি পঢ়ে? আজিকালি এটাই সমস্যা 'টাইম নাই'। ইয়াৰ মাজতো যিসকলে পঢ়া-শুনা কৰি পাঠদান কৰে, সেইসকলক কোটি কোটি প্ৰণাম জনাইছো।

স্বামী বিবেকানন্দই কৈছিল যে মানুহে সকলো প্ৰকাৰৰ গুণ-দোষ লগত লৈ আহে। শিক্ষাৰ মাধ্যমেৰে সেইবোৰ বিকশিত হয়, সেয়ে শিক্ষা গ্ৰহণ তিনি প্ৰকাৰে কৰিব লাগে, শ্ৰৱণ, মনন আৰু নিদিধ্যাসন। সৎ শিক্ষাৰ মাধ্যমেৰে মানুহ সৎ হয়, জ্ঞানী হয়। সমাজ আৰু জাতিৰ সম্পদত পৰিণত হয়। আনহাতে অসৎ সংগত পৰি অসৎ শিক্ষাৰ মাধ্যমেৰে মানুহ অসৎ আৰু অনাচাৰী হৈ পৰিয়াল, সমাজ তথা জাতিৰ আপদত পৰিণত হয়।

মহাত্মা গান্ধীয়ে কৈছিল যে শিক্ষাৰ দ্বাৰা মানুহৰ ভৌতিক বা দৈহিক, মানসিক আৰু আধ্যাত্মিক বিকাশ হ'ব লাগে। যদি তেনে নহয় তেনে শিক্ষাই কাৰো একো উপকাৰ সাধন কৰিব নোৱাৰে, বৰঞ্চ দেশ আৰু জাতিৰ বোজা হয়, সমাধান কৰিব নোৱাৰা সমস্যাৰ সৃষ্টি কৰে। বৰ্তমান আমি স্পষ্টভাৱে দেখা পাইছো যে এচাম তথাকথিত শিক্ষিত মানুহে দেশৰ আৰু সমাজৰ যিমান সৰ্বনাশ কৰিছে অশিক্ষিত মানুহে সিমান কৰা নাই।

ভাৰতীয় শিক্ষাৰ উদ্দেশ্য আছিল মানুহৰ ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ সাধন কৰা, কিন্তু বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থাৰ ধৰ্ম আৰু মোক্ষ সাধনৰ ব্যৱস্থা নাই, কেৱল অৰ্থ আৰু কাম সাধন কৰাই হৈছে শিক্ষাৰ উদ্দেশ্য।


২০২২ত অসম চৰকাৰে শিক্ষাৰ উন্নতিৰ কাৰণে, শিক্ষাৰ মান উন্নত কৰাৰ বাবে যিবিলাক পদক্ষেপ গ্ৰহণ কৰিবলৈ আগবাঢ়িছে সেই কাৰ্যত চৰকাৰে সফল হওক। অসমৰ সকলো স্তৰৰ শিক্ষাৰ মান উন্নত হওক, অসমতে উচ্চ শিক্ষা লাভ কৰি শিক্ষাৰ্থীয়ে নিজৰ দেশৰ লগতে বৈশ্বিকভাৱেও জিলিকি উঠক, তাকেই কামনা কৰিলো।

আচাৰ্য ড° সুদামা

*ফোন ঃ ৯৪৩৫৪০৩৩৩৬*



অসমীয়া সাহিত্যৰ এই কাণ্ডাৰীগৰাকীৰ ভাষা-প্ৰীতি তৰুণ কালৰ পৰাই বৰ গভীৰ আৰু নিষ্ঠাপূৰ্ণ। জন্মস্থান উত্তৰ লক্ষীমপুৰত বাংলা মাধ্যমৰ বিদ্যালয়ত শিক্ষা আৰম্ভ কৰা পদ্মনাথে এদিন যে অসমীয়া সাহিত্যৰ ৰথখন চলাই নিবলৈ বাট-পথ কাটি-কুটি সুচল কৰি দিব, সেই কথা প্ৰথমতে সপোনৰো অগোচৰ আছিল। তাৰ কাৰণ তেওঁৰ বাল্যকালৰ শিক্ষা আৰম্ভ হৈছিল বঙলা ভাষাৰ মাধ্যমত।



# ড° মহেশ্বৰ নেওগৰ দৃষ্টিত ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা

**ৰায়বাহাদুৰ** পদ্মনাথ গোহাঞি বৰুৱা (১৮৭১-১৯৪৬) অসম মাতৃৰ এজন সুযোগ্য সন্তান। তেওঁৰ বহুমুখী প্ৰতিভাই অসমী আইক আজিও ধন্য কৰি থৈছে। তেওঁ একাধাৰে কবি, ঔপন্যাসিক, নাট্যকাৰ, গল্পকাৰ, সমালোচক, পাঠ্য-পুথি প্ৰণেতা, সাংবাদিক আৰু এজন তত্ত্বগধুৰ গ্ৰন্থৰো গ্ৰন্থকাৰ আছিল। অসমীয়া সাহিত্যৰ এই কাণ্ডাৰীগৰাকীৰ ভাষা-প্ৰীতি তৰুণ কালৰ পৰাই বৰ গভীৰ আৰু নিষ্ঠাপূৰ্ণ। জন্মস্থান উত্তৰ লক্ষীমপুৰত বাংলা মাধ্যমৰ বিদ্যালয়ত শিক্ষা আৰম্ভ কৰা পদ্মনাথে এদিন যে অসমীয়া সাহিত্যৰ ৰথখন চলাই নিবলৈ বাট-পথ কাটি-কুটি সুচল কৰি দিব, সেই কথা প্ৰথমতে সপোনৰো অগোচৰ আছিল। তাৰ কাৰণ তেওঁৰ বাল্যকালৰ শিক্ষা আৰম্ভ হৈছিল বঙলা ভাষাৰ মাধ্যমত। ব্ৰিটিছসকলে অসমলৈ শাসন সম্প্ৰসাৰণ কৰাৰ পাছতে, যি কাৰণতেই নহওক কিয়, অসমত অসমীয়াৰ ঠাইত তেতিয়া বাংলা ভাষাৰ প্ৰচলন কৰি নিজৰ কাম সুচল কৰি লৈছিল। ১৮৩৬ৰ পৰা ১৮৭২লৈ এই সময়ছোৱা অসম-অসমীয়াৰ বাবে বৰ দুৰ্যোগপূৰ্ণ যুগ আছিল। সেই দুৰ্দিনৰ কলীয়া ডাৱৰ কেনেকৈ আঁতৰিল, সিয়ো অন্য এক ইতিহাস। আজিলৈ সেই কথা থাকক। অসমে নিজ ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ সংগ্ৰাম কৰিব লগা হৈছিল। পদ্মনাথ গোহাঞি বৰুৱাৰ গুণৰ শলাগ লওঁতে আমি তেওঁৰ প্ৰতিভা অসমীয়া সাহিত্যৰ আগস্থানত প্ৰকাশ হোৱা দেখিবলৈ পাওঁ। এই ধৰক, উপন্যাস সাহিত্যৰ ক্ষেত্ৰত তেৱেঁই 'ভানুমতী' (১৮৯০) লেখি অসমীয়া সাহিত্যৰ প্ৰথমগৰাকী উপন্যাস লেখক হিচাপে পৰিচিত হয়। তেওঁৰ দ্বিতীয়খন উপন্যাস 'লাহৰী'ও (১৮৯২) ইয়াৰ দুবছৰৰ পাছতে প্ৰকাশ পাইছিল। ড° মহেশ্বৰ নেওগৰ ভাষাত গোহাঞি বৰুৱাৰ উপন্যাস সম্পৰ্কে কৰা মন্তব্য আমি এইখিনিতে দাঙি ধৰিব পাৰোঁ। তেওঁ কৈছে, 'জোনাকী' যুগৰ গোহাঞি বৰুৱাই 'বিজুলী' কাকতৰ সম্পাদক থকা কালতে 'ভানুমতী' (পুথিৰূপ ১৮৯২) ১৮১২-১৩ শকৰ (১৮৯০) সেই কাকতত ধাৰাবাহিকভাৱে উলিয়াইছিল। তাৰ প্ৰায় লগে লগে এওঁৰে 'লাহৰী' (১৯৯২) পুথি আকাৰত প্ৰকাশ পায়। দুয়োখনতে মায়ামৰীয়া ৰণ আৰু মানৰ ৰণৰ পটভূমি গ্ৰহণ কৰা হৈছে যদিও বুৰঞ্জীৰ লগত ঐতিহাসিকৰ কাল্পনিক কাহিনীৰ সংমিশ্ৰণ বৰ বেছি ঘনীভূত হৈ উঠা নাই। প্ৰকৃতিৰ আৰু মানুহৰ মনৰ ধুমুহা ঔপন্যাসিকে ঘটনাত তুলিছে যদিও সি জটিল ৰূপ ধাৰণ কৰা নাই। দুয়োখনি উপন্যাসৰে, প্ৰেমৰ ঘটনা আৰু চৰিত্ৰৰ বিকাশত এটি সহজ গতি দেখিবলৈ পোৱা যায়। এসময়ত দুয়োখনি লেখা সৰ্বজনৰ আদৰৰ বস্তু হৈ পৰিছিল। 'ভানুমতী'ত ভানুমতীৰ মুখে সমস্ত কাহিনীটি ওলোৱাও এটি মন কৰিবলগীয়া কথা" (অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৬৪)। গোহাঞি বৰুৱাৰ সহজ-সৰল তথা প্ৰাঞ্জল ভাষাই পাঠকৰ হৃদয় সহজতেই জয় কৰিব পাৰিছিল। অসমখন কালৰ কলীয়া ডাৱৰে ঢাকি ৰাখোঁতে ঘটি থকা ঘটনা-দুৰ্ঘটনাবোৰেই দুয়োখন উপন্যাসৰ মূল বিষয়বস্তু হোৱাত হৃদয়বান মানুহৰ অন্তৰ স্পৰ্শ কৰি গৈছে। মানুহৰ জীৱনলৈ কেনেকৈ সুখ-দুখ অজানিতে আৰু অকালতে নামি আহিব পাৰে, সেই কথাৰো সম্যক জ্ঞান দিছে।

ৰামচন্দ্ৰ চুতীয়া

নাটক ৰচনাৰ ক্ষেত্ৰতো গোহাঞি বৰুৱা এজন নিপুণ নাট্যকাৰ আছিল। তেওঁৰ নাটকসমূহ হ'ল, 'জয়মতী', 'গদাধৰ', 'লাচিত বৰফুকন' আৰু 'সাধনী'।এই আটাইকেইখন নাটকেই বুৰঞ্জীমূলক আৰু ইয়াৰ একোটা গৌৰৱপূৰ্ণ অধ্যায় অসমৰ বায়ু-পানীৰ লগত জড়িত হৈ আছে। সেই কাহিনীবোৰ তেওঁ নাটকৰ জৰিয়তে সমাজত প্ৰতিষ্ঠা দি চিৰকাললৈ অমৰ কৰি থৈ গৈছে। 'বাণৰজা'খন আকৌ 'ঊষা-অনিৰুদ্ধ'ৰ প্ৰেম-গাথাৰ আধাৰত ৰচনা কৰা হৈছে। এই মনোৰম নাটকখনেও পুৰণিক আদৰণি জনাই অসমীয়া সাহিত্যত এখন উচ্চ আসন লাভ কৰিবলৈ সমৰ্থ হৈছে। ই গোহাঞি বৰুৱাৰ নিপুণ হাতৰ পৰশতহে সম্ভৱ হৈছে। বেজবৰুৱাৰ দৰে গোঁহাঞি বৰুৱাই 'গাঁওবুঢ়া' আৰু 'টেটোন তামুলী' ধেমেলীয়া নাটক দুখন লিখি কৌতুকতাৰ মাজেৰে অসমীয়া সমাজৰ হাস্য-মধুৰ ছবি একোখন সাৰ্থকভাৱে প্ৰকট কৰিছে। ড° মহেশ্বৰ নেওগে পদ্মনাথ গোহাঞি বৰুৱাৰ নাটক সম্পৰ্কে এই দৰে কৈছে, 'পদ্মনাথ গোহাঞি বৰুৱাই বেণুধৰ ৰাজখোৱাৰে লগ লাগি 'ডেকা গাভৰু' নামে নাটক ৰচনা কৰিছিল। ইয়াৰ পাছত 'গাঁওবুঢ়া' (১৮৯৭) নামৰ স্বলিখিত গ্ৰাম্য কমেডিখনিত ব্ৰিটিছ বেগাৰ ধৰা প্ৰথাৰ এটি কলাসুলভ সমালোচনা পৰিস্ফুট কৰি তুলিছে। সহানুভূতিৰে অংকিত নায়ক ভোগৰ আশাৰ পিছত ল'ৰা ভোগমনৰ দুৰ্দশাই চৰিত্ৰটিক প্ৰায় সাৰ্থক ট্ৰেজেডিৰ বোলৰে বুলাই তুলিছে। বেজবৰুৱাৰ 'লিটিকাই'ৰ দৰে 'টেটোন তামুলী'ত (১৮০৯) সাধুকথাৰ চৰিত্ৰ এটিৰ নাটকীয় ৰূপ দিয়া হৈছে বৈশিষ্ট্যহীনভাৱে। 'ভূত নে ভ্ৰম' (১৯২৪) নাটকীয় ঘটনা-সূত্ৰ বা চৰিত্ৰৰ সোঁত নৰখাকৈ অশিক্ষিত সমাজৰ নানা অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ সমালোচনা কৰা হৈছে।

গোহাঞিবৰুৱা নিজে বুৰঞ্জীৱিদ আছিল, আৰু তেওঁ কে'বাখনিও বুৰঞ্জীমূলক নাটক ৰচনা কৰিছিল — জয়মতী (১৯০০), গদাধৰ (১৯০৭), সাধনী (১৯১১) আৰু লাচিত বৰফকুন (১০১৫)। ভংগ অমিত্ৰাক্ষৰৰ প্ৰয়োগ নাটক কেঁবাখনিত ঐতিহাসিক পৰিৱেশ সৃষ্টিত বাধাৰ নিচিনাই হৈছে, আনফালে স্বগোক্তি আৰু দীঘলীয়া বৰ্ণনাত্মক অংশবোৰেও অলপ পৰিমাণে নিজৰ মাত্ৰা চেৰাই গৈছে। পাঁচ অংকীয়া 'জয়মতী' নাটকত কাল্পনিক চৰিত্ৰ নগা গাভৰু জিনু আকৰ্ষণীয় হৈছে, কিন্তু নাটকৰ মূল ঘটনাত চৰিত্ৰৰ প্ৰতিক্ৰিয়া মুঠেই নাই। নায়িকা 'জয়মতী'ৰ ট্ৰেজেডি ঘটনাৰ যোগেদি ভালকৈ পৰিস্ফুট হৈ উঠা নাই। ঘটনাৰ ক্ৰমৰ ফালৰ পৰা 'গদাধৰ' নাটক 'জয়মতী'ৰ পৰিপূৰক কিন্তু নাটক হিচাপে ইও 'জয়মতী'ৰ পিছত উন্নতি দেখুৱাব পৰা নাই। 'সাধনী' নাটকত চুতীয়া ৰাজত্বৰ পতনৰ কাহিনী বুৰঞ্জী আৰু কিম্বদন্তি অনুসৰি বৰ্ণোৱা হৈছে, ৰসায়ন বিশেষ একো দিয়া হোৱা নাই; নায়িকাৰ চৰিত্ৰটি কিন্তু আকৰ্ষক আৰু দুই-এটি বৰ্ণনা কবিত্বপূৰ্ণ হৈছে। 'লাচিত বৰফুকন'ত গোহাঞি বৰুৱাই ছন্দ পৰিহাৰ কৰি গদ্যলৈ নামি আহিছে। কিন্তু কাহিনী-বস্তু চৰিত্ৰায়ন আদিত আগৰ অৱস্থাৰ পৰিবৰ্তন নাই। কেউখন নাটতে মাজে মাজে সোমাই পৰা সাধাৰণ লোকৰ কথা-বতৰাৰ দৃশ্যবোৰ কিন্তু জীৱন্ত আৰু একপ্ৰকাৰ 'গাঁওবুঢ়া'ৰ চৰিত্ৰসমূহৰ স্মাৰক-স্বৰূপ ভংগ অমিত্ৰৰ কৃত্ৰিমতা 'বাণৰজা' নাটেও (১৯৩২) সম্বৰণ কৰিব পৰা নাই। পীতাম্বৰ কবি, অনন্ত কন্দলি আৰু পিছৰ নাট্যকাৰসকলৰ দ্বাৰা কবিত্বময়তাৰ উচ্চ স্তৰলৈ উত্তোলিত বিষয়টি কবি গোহাঞি বৰুৱাই মধুৰ কৰি তুলিব পাৰিলেহেঁতেন; জ্যোতিপ্ৰসাদে ইতিমধ্যেই তাক আধুনিক দৃষ্টিৰেও উপাদেয় ৰূপ দিছিল'। (অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৬৪)।

স্বনামধন্য মহেশ্বৰ নেওগৰ মন্তব্যৰ ওপৰত গোহাঞি বৰুৱাৰ নাটকৰ বিষয়ে আমি কিবা নতুনকৈ ক'বলগীয়া একো নাই। তেওঁৰ নিৰপেক্ষ, নিৰ্মোহ তথা সূক্ষ্ম দৃষ্টিৰ বক্তব্যই চমুকৈ তাহানিখনতে অৰ্থাৎ আধুনিক কালৰ আদিতেই যে গোহাঞিবৰুৱাই অশেষ কষ্ট স্বীকাৰ কৰি অসমীয়া সাহিত্যৰ সেই দিশটোৰো অভাৱ পূৰণ কৰি থৈ গৈছে, সেইটোহে আচল কথা। তেতিয়াৰ অসমীয়া সমাজখনৰ ভাব-ভাষা, সাংস্কৃতিক দিশতো যে পদ্মনাথ গোহাঞি বৰুৱাই নাটকসমূহৰ ভাষাৰ যোগেদি চিৰকাললৈ নিখুঁতকৈ লিপিবদ্ধ কৰি গ'ল, সিয়েই তেওঁৰ জাতিটোৰ প্ৰতি অসামান্য বৰঙণি। সাহিত্য যদি সমাজৰ দাপোণ হয়, সেইখন দাপোণত গোহাঞি বৰুৱাই জাতিটোৰ ছৱিখন সুন্দৰকৈ আঁকি থৈ গৈছে। এতিয়াৰ আমাৰ সমাজ আৰু ভাষাটো তেতিয়াৰ দৰে নিশ্চয় নহয়, ডেৰশ বছৰত সেয়া আমাৰ অজানিতে বহুত সলনি হৈ গৈছে। খাদ্য-শয়ন প্ৰণালীৰ পৰা খেতি-বাতি কৰা, আহাৰ মুঠিৰ বাবে মাছ-পুঠি এটা বিচৰা নিয়মবোৰো আজি সলনি হ'ল। যুগে যুগে সমাজত তেনে পৰিবৰ্তন হয়েই, আগলৈও হ'ব। সাহিত্যই বিশেষকৈ নাটকে সেই দিশটো বৰ সুন্দৰভাৱে সুৰক্ষা দান কৰি চিৰস্থায়ী কৰে। গোহাঞিবৰুৱাই সেই কামটো কৰি জাতিটোৰ এটা মহত্বম উপকাৰ কৰি গৈছে। সেই দিশৰ পৰাও অসমীয়া জাতি তেওঁৰ ওচৰত চিৰকাল ঋণী হৈ থাকিব।

দীঘলীয়া সংগ্ৰামৰ অন্তত, অসমত পুনৰ অসমীয়া মাধ্যমৰ ব্যৱস্থা হোৱাৰ পাছত স্কুলীয়া পাঠ্য-পুথিৰ অভাৱ পূৰাবলৈ উত্তৰ লক্ষীমপুৰৰ পানীন্দ্ৰনাথ গগৈৰ লগ লাগি গোহাঞিবৰুৱাই হাতে-কামে পাঠ্যপুথি লিখা কামত লাগি গৈছিল। পানীন্দ্ৰনাথ গগৈৰ অকাল মৃত্যুত তেওঁ অকলেই ভূগোল, বুৰঞ্জীকে ধৰি সকলো ধৰণৰ স্কুলীয়া পাঠ্য-পুথিৰ অভাৱ পূৰাবলৈ সেই কাম অব্যাহত ৰাখিছিল। অসমীয়া সাহিত্য আৰু অসমীয়া-সমাজ-সংস্কৃতিৰ বাবে কৰা সংগ্ৰামৰ কাৰণে জীৱনটো পাত কৰোঁতা গোহাঞি বৰুৱালৈ সেই কামেই পাছলৈ ব্ৰিটিছ চৰকাৰৰ পৰা ৰায়বাহাদুৰ খ্যাতি কঢ়িয়াই আনিছিল। চৰকাৰৰ পৰা এই বিৰল-সন্মান পোৱা তেৱেঁই প্ৰথম অসমীয়া আছিল। অসমীয়া সাহিত্যত প্ৰথম সাহিত্যিক- পেঞ্চনাৰ গোহাঞিবৰুৱা প্ৰথমৰ পৰাই এজন চিন্তাশীল আৰু সমাজ সচেতন ব্যক্তি আছিল। তেওঁৰ সেই ব্যতিক্ৰমী গুণৰ বাবেই অসম সাহিত্য সভাৰো প্ৰথম জন সভাপতিৰূপে সেই সভাৰ আসন শুৱনী কৰিছিল (১৯১৭)। তেওঁৰ কাপৰ পৰা নিগৰি ওলোৱা 'জীৱনী সংগ্ৰহ'খন অসমীয়া সাহিত্যৰ এখনি উচ্চমানৰ গ্ৰন্থ। 'আসাম লেজিছলেটিভ কাউন্সিল'ৰো তেওঁ প্ৰথমজন আহোম সদস্য আছিল। উচ্চ শিক্ষাৰ বাবে তেওঁ কলকাতাত গৈ অধ্যয়ন কৰাৰ কালত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ সান্নিধ্য লাভ কৰি ধন্য হৈছিল। অসমীয়া ভাষাটোৰ সৰ্ব প্ৰকাৰৰ উন্নতি সাধন আৰু সুৰক্ষাৰ স্বাৰ্থতে এই অনুষ্ঠানটো কলিকতাত পঢ়িবলৈ যোৱা কেইজনমান অসমীয়া ছাত্ৰৰ সহযোগত প্ৰাণ পাই উঠা এটা জাতীয় অনুষ্ঠান। সেই সময়তে তেওঁ গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে গুণৱন্তক লগ পাই পৰম উৎসাহিত হৈছিল আৰু তেওঁৰ ভাষাজননীৰ প্ৰতি থকা অগাধ ভক্তি বাঢ়িছিল। সেই আস্থা আৰু নিষ্ঠাই পদ্মনাথ গোহাঞি বৰুৱাক আজীৱন কৰ্মপ্ৰেৰণা দান কৰিছিল। পদ্মনাথৰ সাহিত্য সাধনাই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। তেওঁৰ একান্ত কৰ্মসাধনা নথকা হ'লে, অকলেই তেওঁ ইমানবোৰ কাম কৰি যোৱাটো কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

কলকাতাত তেওঁৰ উচ্চ শিক্ষা লোৱা সম্পূৰ্ণ নহ'ল যদিও তেওঁ কামৰ পৰা অব্যাহতি লোৱা নাছিল। কলকাতাত থাকোতেই পোৱা পশ্চিমীয়া আধুনিক শিক্ষাই তেওঁৰ মন সেই ফালে আকৃষ্ট কৰিছিল আৰু সেই প্ৰেৰণা জীৱনৰ শেষলৈকে কঢ়িয়াই লৈ ফুৰিছিল। তেওঁৰ বিশাল আৰু পাণ্ডিত্যপূৰ্ণ পদক্ষেপে জাতিটোক বহু প্ৰকাৰে উপকৃত কৰি গৈছে। তেওঁ ইতিহাসৰ সহায় লৈ লিখা নাটককেইখনলৈ চালেও তেওঁৰ ঐতিহ্যপ্ৰীতি কিমান গভীৰ তাৰ আভাস পোৱা যায়। সেইবোৰ লেখাই অসমীয়া সমাজক সমন্বয় আৰু সম্প্ৰীতিৰ লগতে দেশপ্ৰেমৰ অমৃতৰ সন্ধান দিবলৈ নিৰন্তৰ প্ৰয়াস কৰিছিল। তেওঁ বেজবৰুৱাৰ দৰে গোহাঞি বৰুৱাদেৰে 'মোৰ সোঁৱৰণী' নামেৰে এখনি আত্মজীৱনীও লেখাৰ কাম কৰিছিল যদিও সি কিবা কাৰণত সম্পূৰ্ণ হৈ নুঠিল। প্ৰথম অৱস্থাত সেইখন আংশিকভাৱে 'আবাহন'ৰ পাতত প্ৰকাশ পাইছিল বুলি মহেশ্বৰ নেওগে তেওঁৰ 'অসমীয়া সাহিত্যৰ ৰূপ ৰেখা'ত (১৯৬৪) উল্লেখ কৰিছে। গোহাঞি বৰুৱাৰ সাহিত্য কৰ্মৰ বিষয়ে ড° মহেশ্বৰ নেওগে সুন্দৰকৈ এইদৰে কৈছে, 'পদ্মনাথ গোহাঞি বৰুৱাই হেমচন্দ্ৰ বৰুৱা আদিৰ আদৰ্শত অসমীয়া ভাষাত বিদেশীৰ ভাঁজ নপৰা এটি গঢ় দিবলৈ প্ৰচেষ্টা কৰিছিল আৰু তেওঁৰ 'নীতিশিক্ষা' আাদি পঢ়াশলীয়া পুথিৰে সেই বিষয়ক আনকো অনুপ্ৰেৰণা যোগাইছিল। এই বিষয়ত তেওঁ পিছৰ ৰচনাবোৰত অতি আত্মসচেতন হৈ পৰিছিল। গতিকে 'ভানুমতী' 'লাহৰী'ৰ সৰল সৌন্দৰ্যৰ ঠাইত পিছৰ লিখাবোৰত এই আত্মসচেতনতা আৰু যত্নকৃত মসৃণতা অনুভৱ কৰিব পাৰি। 'বুৰঞ্জীবোধ'ত তেওঁৰ প্ৰথমৰ সৰল ভাষাৰে তেওঁ কামৰূপ-অসমৰ কাহিনী কৈছে, কিন্তু 'অসমৰ সংক্ষিপ্ত বুৰঞ্জী'ৰ সেই সাৰল্য পাছৰ তাঙৰণত গুচাই তাক গধুৰ গৱেষণাৰ ৰূপ দিয়া হৈছে। সংস্কৃত ভাষাত ব্যুৎপত্তিৰ অভাৱ স্বীকাৰ কৰি লৈও গোহাঞি বৰুৱাই ভাটি বয়সত 'শ্ৰীকৃষ্ণৰ' তিনিখণ্ড (১৯৩০) আৰু 'গীতাসাৰ' (১৯৩৫) ৰচনা কৰে।'শ্ৰীকৃষ্ণ'ত কৃষ্ণক বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ৰ 'কৃষ্ণচৰিত্ৰ'ৰ দৰে ঐতিহাসিক ব্যক্তি-ৰূপে চাবৰ যত্ন কৰা হৈছে। ইয়াৰ ভাষাশৈলী যুক্তিগথিত, পূৰ্ণাঙ্গ আৰু গতিশীল" অসমীয়া সাহিত্যৰ ৰূপৰেখা (১৯৬৪)।

পদ্মনাথ গোহাঞি বৰুৱাৰ কৱিতা সম্পৰ্কে ড° নেওগে চমুকৈ এইদৰে কৈছে, "গোহাঞি বৰুৱাৰ কবিতাৰ পুথি তিনিখনি- 'জুৰণি' (১৯০০), 'লীলা' আৰু 'ফুলৰ চানেকি' '১৯০১) 'লীলা'ক যদিও কাব্য বস্তুনিষ্ঠ দীঘলীয়া কাব্যপ্ৰবন্ধৰূপে উপস্থাপন কৰা হৈছে আৰু দ্বিতীয় সংস্কৰণত সৰ্গ-বিভাগো কৰা হৈছে, ইখনি প্ৰকৃততে আত্মনিষ্ঠ ইলিজি বা শোক-কৱিতাহে-কৰিয়ে প্ৰথমা পত্নী লীলাৱতীৰ বিয়োগ-দুখত দুইৰো সম্পৰ্কৰ কাহিনী বৰ্ণনা কৰিছে। কিন্তু সেই ব্যক্তিগত শোকক মিল্টনৰ lycidas, শ্বেলীৰ Adonais বা টেনিচনৰ In Memoriamৰ দৰে নৈৰ্ব্যক্তিক আৰু বিশ্বজনীন সুৰ দিব নোৱাৰাত কাব্যিক ৰসায়ন সম্ভৱ হোৱা নাই। ইয়াৰ তুলনাত গোহাঞি বৰুৱাৰ আত্মজীৱনীৰ ভিতৰৰ একেবোৰ ঘটনাৰ বৰ্ণনা অধিক উপাদেয় হৈছে। কবিতাটোৰ মাজে মাজে থকা নৈসৰ্গিক বৰ্ণনাবোৰ কিন্তু কবিত্বময় ৰসাল অংশ (purple patch) হৈ গৈছে আৰু কবি এক উচ্চাংগৰ অমিত্ৰাক্ষৰ ছন্দৰ ৰচনাত কৃতকাৰ্য হৈছে। 'সাধনী' নাটক আদিত সন্নিৱিষ্ট প্ৰাকৃতিক শোভা বৰ্ণনা আৰু 'জুৰণি'ৰ খণ্ড কবিতাৰ এক পৰ্যায়ৰ শাৰীবোৰত সৌন্দৰ্য প্ৰতিভাত হৈছে। কিন্তু এওঁৰ সকলোবোৰ লিৰিকৰ গুণ সমস্তৰ নহয়। পুথিখনিৰ প্ৰথম ২২টি কৱিতা চতুৰ্দ্দশপদী, কিন্তু সাধাৰণ পয়াৰ ছন্দৰ, শেষৰ যুগ্মকত ভাব-তীব্ৰতাৰ স্পৰ্শ আছে (দ্ৰষ্টব্য পূৰ্বোক্ত গ্ৰন্থ)।

*ফোন ঃ ৯৪৩৫৪ ৮৬১৯৩*

# পুথি পঢ়ো, পুথি পঢ়ো, পুথি নিলে চোৰে...

## গ্ৰন্থৰ প্ৰতি ধাউতি বঢ়াবৰ বাবে প্ৰেৰণা যোগাব লাগিব বিশেষকৈ অভিভাৱক আৰু শিক্ষক সমাজে।



পদ্ম কান্ত বৰা

**পুথি** শব্দটোৱে সামগ্ৰিকভাৱে 'গ্ৰন্থ' বা কিতাপ শব্দ দুটিকো সামৰি লয় যদিও সৰ্বসাধাৰণে ধৰ্মীয় গ্ৰন্থবোৰক পুথি বা শাস্ত্ৰ বুলি কৈ ভাল পায়; গ্ৰন্থ বা কিতাপ বুলিবলৈ টান পায়। অৱশ্যে কম পৰিমাণে 'গ্ৰন্থভাগ' বুলি কয়; আকৌ তেনেদৰে স্কুল-কলেজৰ গ্ৰন্থসমূহক সাধাৰণতে কিতাপ বুলি কয় যদিও পাঠ্যপুথি শব্দটোও মান্যাৰ্থত ব্যৱহাৰ কৰে।

এই পুথি বা কিতাপ হ'ল জ্ঞানৰ ভাণ্ডাৰ। যুগে যুগে এই কিতাপে মানুহৰ মনত প্ৰভাৱ পেলাই আহিছে; জ্ঞান প্ৰদান আৰু জ্ঞান অন্বেষণৰ মাধ্যমৰূপে ধৰা দি আহিছে।

ভাৰতীয় সভ্যতাত বেদ, পূৰাণ, ঔপনিষদকে ধৰি মহাকাব্যসমূহত লিপিবদ্ধ হোৱা কথাবোৰ, তত্ত্ববোৰ ভগৱানৰ সুখ-নিসৃত বাক্য বুলি জনমানসত প্ৰতীয়মান হৈ আহিছে। সেইদৰে বাইবেল, কোৰান বা অন্যান্য ধৰ্মৰ গ্ৰন্থবোৰৰ ক্ষেত্ৰতো একে কথা। এই গ্ৰন্থবোৰ সাধাৰণতে দেৱ-দেৱীৰ বন্দনা, কাহিনী বা বাণীৰে পৰিপূৰ্ণ।

আধুনিক সভ্যতাৰ আৰম্ভণিৰ পৰা গ্ৰন্থ সৃষ্টি হ'ল মানৱ জীৱনৰ বিশ্লেষণৰ ওপৰত, আধুনিক চিন্তা-চৰ্চাৰ ওপৰত। মুঠতে গ্ৰন্থৰ বুকুত সোমাই পৰিল মানৱ জীৱন। একোখন উপযুক্ত গ্ৰন্থ বা কিতাপ এটা জাতিৰ দাপোণৰূপে প্ৰতিভাত হয়। উদাহৰণ স্বৰূপে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'বুঢ়ী আইৰ সাধু' গ্ৰন্থখনত সৰল অসমীয়া জীৱন চৰ্চা বিচাৰি পাওঁ। গ্ৰন্থৰ যোগেদি সমাজৰ উন্নতি অৱশ্যম্ভাৱী। এই কথা প্ৰতিপন্ন হয় ঈশ্বৰৰ সাধু, বেকনৰ গদ্য, কৌটিল্যৰ অৰ্থশাস্ত্ৰ, বিষ্ণু শৰ্মাৰ আখ্যান আদি গ্ৰন্থত। আনহাতে, গভীৰ জীৱনবোধৰ স্বাক্ষৰ থকা গ্ৰীকড্ৰামা, ছক্ৰেটিছ, প্লেটো, এৰিষ্টটলৰ চিন্তাধাৰা, ৰবীন্দ্ৰ নাথৰ শিক্ষা সম্পৰ্কে অভিনৱ সম্পৰীক্ষা আদিয়েও সামাজিক জীৱনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ সম্পৰ্ক ৰক্ষা কৰাৰ প্ৰমাণ দাঙি ধৰে।

গ্ৰন্থ অধ্যয়নে মানৱ জাতিক শুদ্ধভাৱে পৰিচালিত কৰি আহিছে। সেয়ে ভল্টেয়াৰে কৈছে— 'বৰ্বৰ জাতিৰ বাহিৰে সমগ্ৰ ভূমণ্ডলৰ মানৱ জাতিক পৰিচালনা কৰে কিতাপে।' এই ক্ষেত্ৰত আমি শ্ৰীমন্ত শংকৰদেৱৰ পুথিসমূহক উদাহৰণ স্বৰূপে ল'ব পাৰো। বৰ্ণ-বিদ্বেষ, কু-সংস্কাৰ, ধৰ্মীয় অন্যায় আৰু অন্ধবিশ্বাসৰ কবলৰ পৰা সমাজক ৰক্ষা কৰিছিল তেৰাৰ গ্ৰন্থাৱলীয়ে। উদাহৰণ স্বৰূপে মুখ্যতঃ ধৰ্ম প্ৰচাৰৰ অৰ্থে লিখা পদসমূহত জাতি-উপজাতিৰ বিচাৰ সাৰশূন্য কৰি বৰ্ণ-বৈষম্যৰ নীতিক নাশ কৰিবৰ অৰ্থে 'যিটো মহা ম্লেছজাতি সিয়ো শুদ্ধ হুৱে আতি...'ৰ দৰে দুলড়ী পদত অনুন্নত লোকো যে সজ্জন হ'ব পাৰে তাকে প্ৰমাণ কৰিলে কীৰ্তন শাস্ত্ৰভাগত। সেইদৰে প্ৰাচীন শাস্ত্ৰত উল্লেখ আছে যে নীচকুলীন সূতে ভাগৱত ব্যাখ্যা কৰিবলৈ সক্ষম হৈছিল ভাগৱত শ্ৰৱণ বা অধ্যয়নৰ ফলত।

এজন লোক প্ৰকৃত জ্ঞান, শিক্ষা, মানসিক পৰিপুষ্টি অবিহনে তেওঁৰ জীৱন নিৰৰ্থক— পুথি অধ্যয়নে এই আটাইকেইটা বস্তু যোগান ধৰিব পাৰে। মানুহে মানুহৰ জ্ঞান আৰু মনোৰঞ্জনৰ বাবে গ্ৰন্থ প্ৰণয়ন কৰি আহিছে। সেয়ে গ্ৰন্থৰ উপকাৰিতাৰ বিষয়ে গুণ বখানি অন্ত কৰিব নোৱাৰি। বিখ্যাত পণ্ডিত হেজলীটে কৈছে—'কিতাপ, ছবি আৰু প্ৰকৃতিৰ সুখ— এই তিনিটাই হ'ল জীৱনৰ স্থায়ী আৰু বিশুদ্ধ আনন্দ সুখ' কিতাপ পঢ়ি আনন্দ আৰু জ্ঞান লভা মহাত্মা গান্ধীয়ে গীতাখনক বুকুত লৈ ফুৰা কাৰ্যক যিদৰে উদাহৰণলৈ আনিব পাৰি ঠিক সেইদৰে পিকাছোৱে ছবি আঁকিয়েই স্বৰ্গীয় আনন্দ আৰু স্বীকৃতি পাইছিল। আনহাতে, প্ৰকৃতিৰ বুকুত লালিত-পালিত প্ৰতিজন সংবেদনশীল মানুহেই প্ৰকৃতিৰ শোভাক স্বীকাৰ কৰে। মাও-চে-ডুঙে কৈছে— 'পৃথিৱীৰ আটাইতকৈ সহজ কাম হৈছে কিতাপ পঢ়া'। এই কথাষাৰৰ আওতাত ধৰা দিয়ে যে সাধাৰণতে এলেহুৱা মানুহে বিছনাৰ পৰা নুঠিলেও বিছনাতেই কিতাপ পঢ়ি জগতৰ বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰি মানসিক-ধনীলোক হয়, দেশ-বিদেশৰ বুৰঞ্জী, ঐতিহ্য, সভ্যতা, ৰাজনীতি, ভাষা-সাহিত্য-সংস্কৃতি প্ৰভৃতিসমূহ বিছনাতে উপলব্ধ হয়।

সমাজত এনে মানুহো দেখাৰ আছে যিয়ে কোন কোন প্ৰখ্যাত লেখকৰ কিতাপ পঢ়িলে বা জীৱনত কিমানখন কিতাপ পঢ়িলে তাৰ খতিয়ান লৈ, খতিয়ান দি গৌৰৱবোধ কৰে।

গ্ৰন্থ অধ্যয়ন এক মিঠা নিচা। সেয়ে গ্ৰন্থপ্ৰেমীসকলে নিজৰ বাসগৃহত বিভিন্ন বিষয়ৰ কিতাপ সংগ্ৰহ কৰি নিজা পুথিভঁৰাল প্ৰতিষ্ঠা কৰে আৰু যাৰ তেনে সুবিধা নাই তেওঁলোকে বহা কোঠাতে আলমাৰি, টেবুল আদিত কিতাপ সজাই ৰাখে। এওঁলোকে সুযোগ-সুবিধা মতে গ্ৰন্থ অধ্যয়ন কৰে। অফিচত কাম কৰা কৰ্মচাৰীসকলেও আহৰি পালে কিতাপ পঢ়ে। ঘৰৰ গৃহিণীহঁতে ঘৰৰ কাম-বন চম্ভালি কিতাপৰ একো একোটা অধ্যায় শেষ কৰে। ৰেল ভ্ৰমণত যোৱা যাত্ৰীসকলৰ এটোপোলা কিতাপ লৈ যোৱাৰ অভ্যাসো আছে। কিন্তু বৰ্তমান ম'বাইল ফোনৰ ব্যৱহাৰৰ গ্ৰাসত পৰি গ্ৰন্থ অধ্যয়নক অৱস্থা নিশকটীয়া হৈ পৰিছে। বিভিন্ন এপ'ৰ সংযোজনে সমাজত কিতাপৰ চাহিদা হ্ৰাস কৰিছে। ঘৰে-বাহিৰে সামগ্ৰিকভাৱে মানুহ আজি ম'বাইল ফোনত ব্যস্ত থাকে আৰু কিতাপ অধ্যয়নক অৱহেলা কৰে। সেয়ে দুৰ্ভাৱনা নথকা নহয়। এতিয়া সাধাৰণতে মানুহে নিজৰ বৃত্তি অধ্যয়নৰ বিষয়, গৱেষণা ইত্যাদি সম্পৰ্কত খাপখোৱা তথ্যসমৃদ্ধ গ্ৰন্থ অধ্যয়ন কৰে। কিন্তু সাধাৰণ জ্ঞান আৰু মনোৰঞ্জন প্ৰদানৰ অৰ্থে সমৰ্পিত কিতাপ বা সাহিত্যৰ জগতখন দুৰ্বল হৈছে। ফলত গ্ৰন্থ প্ৰকাশত দুটা শ্ৰেণী তৈয়াৰ হৈছে। বহু লেখকে বিখ্যাত একোটা বিষয়ক উত্থাপন কৰি গ্ৰন্থ লিখে বঁটা-বাহনৰ বাবে আৰু এচামে খৰচৰ ধনৰাশি ঘূৰাই পোৱাৰ আশা দূৰত থৈ মাথোন চখ পূৰণ কৰে। সেইদৰে পাঠকৰ মাজতো কবিয়ে কবিতা পঢ়ে, গল্পকাৰেহে গল্প পঢ়াৰ দৰে পদ্ধতি এটাও তৈয়াৰ হোৱা দেখা গৈছে। এনে ধৰণৰ সমস্যা থাকিলেও গ্ৰন্থ প্ৰণয়ন আৰু অধ্যয়ন বৰ্তমান মন্থৰ গতিত হ'লেও চলি আছে। ইয়াক দ্ৰুতগামী কৰি তোলাৰ বাবে উঠি অহা প্ৰজন্মক ম'বাইলৰ সমান্তৰালভাৱে গ্ৰন্থৰ প্ৰতি ধাউতি বঢ়াবৰ বাবে প্ৰেৰণা যোগাব লাগিব বিশেষকৈ অভিভাৱক আৰু শিক্ষক সমাজে।

*ফোন ঃ ৮৪৭১৮৮৯৭৮০*

# নগ্নতাৰ সংজ্ঞা বিচাৰি সাত সাগৰৰ সিপাৰে

সুমিত্ৰা হাজৰিকা

**নাৰীৰ** শৰীৰৰ নগ্নতা কোনখিনিত? নাৰীৰ নগ্নতাই পুৰুষৰ মন-শৰীৰ আচ্ছন্ন কৰাৰ স্থল ক'ত? আৰু নগ্নতাৰ সংজ্ঞানো কি? এনেবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি সেইদিনা হাবাথুৰি খাইছিলো দক্ষিণ আফ্ৰিকাৰ 'ডাৰ্বান' মহানগৰৰ'দাকিংপাৰ্ক ষ্টেডিয়ামখনৰ পশ্চিম দিশৰ পৰ্যবেক্ষক আসনত বহি।তেতিয়া হিন্দু মহাসাগৰৰ সূৰ্যাস্ত বেলা।

'ডাৰ্বাদ' বন্দৰ নামেৰে পৰিচিত দক্ষিণ আফ্ৰিকাত হিন্দু মহাসাগৰৰ উপকূলত অৱস্থিত পশ্চিমীয়া সভ্যতাৰ আৰ্হিত গঢ় লৈ উঠা এখন আধুনিক মহানগৰ। শীত-তাপ নিয়ন্ত্ৰিত হোটেলৰ খিৰিকীৰ কাঁচৰ মাজেৰে দৃশ্যমান হৈছিল দোকমোকালিৰ সমুদ্ৰৰ নৌকা-বিহাৰ। তেতিয়াৰ পুৱাৰ তাপমান সাত ডিগ্ৰী চেলছিয়াছ। তিমিৰ নামি নৃত্যৰ ঝংকাৰ ধ্বনিত হৈছিল পূব আকাশত। পপ্ মাষ্টৰ মাইকেল জেকছনৰ অনুগামীসকলে কোনোবা পঞ্চতাৰকা হোটেলৰ 'ডিস্ক'বাৰত' অথবা মুক্ত আকাশৰ তলত, সমুদ্ৰৰ উত্তাল জোৱাৰৰ লহৰে লহৰে পৰিৱেশন কৰা নৃত্যৰ উন্মুক্ত উল্লাস। প্ৰেয়সী অথবা বান্ধৱীহঁতৰ স'তে যৌৱনৰ ছন্দোময় আলাপ। হয়তো সেই দিনকেইটাৰ প্ৰতিটো ৰোমাঞ্চকৰ তথা অবিস্মৰণীয় মুহূৰ্ত জীৱন জুৰি জীপাল কৰি ৰখাৰ প্ৰতিশ্ৰুতিবদ্ধ। পাহৰিম কেনেকৈ? সেয়া যে জীৱনগাথাঁ মানুহৰ। তাতে প্ৰাণময় মানুহৰ দেশত আমাৰ দৰে সমস্যাই জৰ্জৰিত, শূন্য দৃষ্টিৰ লাখ লাখ নিবনুৱাৰে ভৰি পৰা দেশ নহয়। সমস্যা আছে, আমাতকৈ বহুগুণে কম সমস্যা আছে দক্ষিণ আফ্ৰিকাত।

'ডাৰ্বান'লৈ গৈছিলো।১৯৯৭ৰ জুলাইত অনুষ্ঠিত হোৱা নৱম বিশ্ব প্ৰবীণ এথ্‌লেটিকছ প্ৰতিযোগিতাৰ ভাৰতীয় দলৰ পৰ্যবেক্ষক হিচাপে। ইতিমধ্যে আমাৰ আন এটা লেখাত উক্ত খেল প্ৰতিযোগিতাৰ বিষয়ে বহলাই লিখা হৈছে। অৱশ্যে, এই লেখাটোত, শিৰোনামৰ আঁত ধৰি কিছু কথা লিখিবলৈ প্ৰয়াস কৰা হৈছে।

'ডাৰ্বান'ত থকা দিনকেইটা যথেষ্ট ঠাণ্ডা আছিল। আমি প্ৰায় সকলোৱে গৰমৰ পোছাক নহ'লেও সম্পূৰ্ণৰূপে 'ট্ৰেক চ্যুট' পৰিধান কৰিছিলো। বেছিভাগেই নিজৰ নিজৰ বতৰৰ স'তে অভ্যস্ত বাবে শ্বাৰ্ট পেণ্ট, শ্বৰ্ট শ্লেক শ্ব' পিন্ধিছিল। আগনিশাৰ পৰা আছিল ধাৰাসাৰ বৰষুণ। মাজনিশা খিৰিকীৰে বাহিৰলৈ চাওতে দেখিছিলো, নিগ্ৰো মহিলা এগৰাকীয়ে এপ্ৰ'ন পিন্ধি ৰাস্তাৰ পানী ঝাৰুৰে চাফা কৰি আছে। পাছদিনা পুৱালৈ বৰষুণ কমা নাছিল। সেইদিনা ১৭ জুলাই। অৰ্থাৎ প্ৰতিযোগিতাৰ উন্মোচনৰ



দিন। উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'ব দক্ষিণ আফ্ৰিকাৰ সময় পুৱা আঠ বজাত। আমি সকলো খেলুৱৈ (বিভিন্ন হোটেলত বাহৰ পাতি থকা) ষ্টেডিয়ামলৈ যাবলৈ সাজু হ'লো। মোৰ লগত আছিল দিল্লীৰ শ্বটপুটৰ নেটনেল চেম্পিয়ন সুনীতা গুপ্তা। আমাৰ হোটেলৰ সন্মুখত অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা যাতায়াতৰ বাবে যোগান ধৰা আটকধুনীয়া গাড়ীবোৰ আহি হাজিৰ। আমাৰ লগতে ওলাই আহি বাছখনত উঠিছিল সেইখন হোটেলত থকা কে'বাখনো দেশৰ প্ৰতিযোগী। 'গুড মৰ্ণিং' বুলি আটায়ে সম্ভাষণ জনাই ষ্টেডিয়ামলৈ বুলি ৰাওনা হ'লো। বাছৰ ভিতৰতে কৰমৰ্দন জনাই যিমান পাৰো পৰিচয় হ'লো।

প্ৰায় ১০ মিনিটৰ বাট। ষ্টেডিয়ামৰ মূল প্ৰৱেশ দুৱাৰত হাতে হাতে প্লে-কাৰ্ড লৈ এদল কণ কণ স্কুলীয়া শিশুৱে শাৰী পাতি প্লে-কাৰ্ড দেখুৱাই আমাক স্বাগতম জনোৱা বিৰল দৃশ্য হয়তো কোনোদিনে পাহৰিব নোৱাৰিম। বহু বিচিত্ৰ অভিজ্ঞতা বৰ্ণনাতীত মাথোন । নিৰ্ধাৰিত সময়ত উদ্বোধনী অনুষ্ঠান আৰম্ভ হ'ল। দক্ষিণ আফ্ৰিকাৰ ক্ৰীড়ামন্ত্ৰীৰ লিখিত আদৰণি ভাষণ পাঠ কৰিলে উদ্যোক্তাসকলৰ মাজৰ এজনে। সেই দেশৰ বিকুল বাজি উঠিছিল। স্বদেশলৈ মনত পেলাই কিছুক্ষণ আৱেগিক হৈ পৰিছিলো। মনতে আওৰাইছিলো— জন-গণ-মন..। ফ্লেগ অফ কৰাৰ পাছতে আৰম্ভ হ'ল প্ৰতিযোগিতা।

গেলাৰীত বহি উপভোগ কৰিছিলো প্ৰতিযোগিতাৰ প্ৰতিটো ৰোমাঞ্চকৰ মুহূৰ্ত। গেলাৰীত বহি বহিয়েই সোৱাদ লৈছিলো দক্ষিণ আফ্ৰিকাৰ চাহ-কফি আৰু বিভিন্ন খাদ্যৰ। তাৰ মাজে মাজে কোনোবা মুহূৰ্তত বেছি উল্লাসিত হৈ পৰিছিলো পূৰ্বৰ মালয়েছিয়াৰ 'অপেন মিট'ত লগ পোৱা বহুকেইখন দেশৰ কে'বাজনো খেলুৱৈ খেলপথাৰত দেখি।


প্ৰথমদিনাৰ প্ৰতিযোগিতা শেষ হৈ আহিছিল। দক্ষিণ-পশ্চিম আকাশত বেলিয়ে ৰামধেনুৰ ৰঙেৰে বিদায় মাগিছিল। মহাসমূদ্ৰৰ আবেলি দেহা পৰশা এছাটি বতাহে কোবাই গৈছিল আমাৰ সৰ্বশৰীৰ। ক্ষন্তেকৰ বাবে পুলকিত হৈছিলো। ঠিক তেনে এক মুহূৰ্তত ষ্টেডিয়ামৰ উত্তৰ দিশে বিকুল বাজি উঠিল পুনৰ। ষ্টেডিয়ামৰ সোঁমাজত জিলিকি উঠিল 'ভিক্টৰি প্লেচ' দিনটোৰ ভিতৰত ফলাফল ঘোষণা হোৱা প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰাসকলক। 'ভিক্টৰি প্লেচ'ত মেডেল পিন্ধোৱা অনুষ্ঠান আৰম্ভ হ'ল, খেলুৱৈ দৰ্শকসকলৰ হৰ্ষোল্লাস, হাত চাপৰিৰ মাজেৰে। ষ্টেডিয়ামৰ ভিতৰত এক মন্ত্ৰমুগ্ধকৰ পৰিৱেশ। এনেতে বিকুলৰ সুৰৰ স:তে খোজত খোজ মিলাই 'ভিক্টৰি প্লেচ'ৰ ফালে আগবাঢ়ি আহিল দুগৰাকী নিগ্ৰো গাভৰু। তেওঁলোকৰ বয়স আনুমানিক ১৪ বা ১৫ বছৰ হ'ব। কিন্তু সেয়া কি দেখিলো...। নিজে চকুহালকে প্ৰথমে বিশ্বাস কৰিব পৰা নাছিলো। পিছে চকুৰে ঠিকেই দেখিছিলো। হয়, আমি দেখিবলৈ পাইছিলো কিচ্‌কিচ্‌কৈ ক'লা সেই গাভৰু দুগৰাকীৰ কঁকালৰ পৰা ওপৰ অংশ কোনো ধৰণৰ আভৰণ নাই। অৰ্থাৎ নিৰাভৰণ নাৰীৰ উন্মুক্ত বক্ষ যুগল। কঁকালৰ পৰা তললৈ একোটা স্কাৰ্ট। ডিঙিত বহলকৈ গঁথা ফুলৰ মালা। মূৰত পৰম্পৰাগত টুপী। ক'লা নিপোটল দুখন খালী ভৰিয়ে ভিআইপিৰ স'তে সোঁৱে-বাওঁয়ে খোজকাঢ়ি ষ্টেডিয়ামৰ 'ভিক্টৰি প্লেচ'লৈ যোৱা দৃশ্যটো আছিল কোনো শিল্পীয়ে আঁকি থোৱা এখন তুলিকাৰ দৰে। মানুহে বস্ত্ৰ পৰিধান কৰিবলৈ শিকাৰ পাছত এনেদৰে অৰ্ধেক অনাবৃত জীৱন্ত নাৰীক দেখিবলৈ পোৱাটো সঁচাকৈয়ে বিৰল অভিজ্ঞতা মাথোন। আমাৰ অনুসন্ধিৎসু চকুহালে পিট্‌পিটাই চাৰিওফালে দৰ্শন কৰিলে। কাৰো যেন ভ্ৰূক্ষেপ নাই। মোৰ ওচৰতে বহি মুক্তমনে খেল উপভোগ কৰি থকা দক্ষিণ আফ্ৰিকাবাসী খেলুৱৈগৰাকীকেই সুধিলো— 'ৰাজহুৱা স্থানত এনেদৰে পোছাক পৰিধান কৰাটো কেনেধৰণৰ পৰম্পৰা?'

মহিলাগৰাকীয়ে মোক বুজাই ক'লে— নাৰীৰ ঊৰ্ধ্বাংশ এইদৰে অনাবৃত কৰি ৰখাক দক্ষিণ আফ্ৰিকাত নগ্নতা বুলি ধৰা নাযায়। যদিও আজিৰ সভ্যতাত তেওঁলোকে এইদৰে ঊৰ্ধ্বাংশ খুলি নাৰাখে, কিন্তু এনে কিছুমান অনুষ্ঠানত প্ৰাচীন পৰম্পৰা ৰক্ষাৰ উদ্দেশ্যে তেওঁলোকে এইদৰে ঊৰ্ধ্বাংশ অনাবৃত কৰি আদৰণি জনায়। মোৰ সন্মুখত বহি থকা বাকী দেশী-বিদেশী খেলুৱৈ দৰ্শকৰ যেন সেইফালে দৃষ্টিপাতেই নাই। তেওঁলোক বিজেতাসকলৰ আনন্দৰ স'তে বিভোৰ। মোৰ একেবাৰে কাষত বহি থকা ভাৰতীয় দলৰ পাঞ্জাবী ডেকা খেলুৱৈজনৰ ফালে চালো। হয়তো তেতিয়া তেওঁ চকুৱে সৰিয়হৰ ফুল দেখিছে, নতুবা ডিঙি শুকাই গৈছে। পাৰে মানে সেপ ঢুকিছে। মই চাৰিওফালৰ পৰিৱেশ পৰ্যবেক্ষণ কৰিছিলো। সুন্দৰ চিনথেটিক খেলপথাৰত অৰ্ধ উন্মুক্ত কিচ্‌কিচীয়া ক'লা দুগৰাকী গাভৰু। তেওঁলোকৰ ওঁঠত নিৰ্মল হাঁহি। গাভৰু দুগৰাকীয়ে 'ভিক্টৰি প্লেচ'ৰ মেডেল বিজয়ীসকলৰ ডিঙিত মেডেল পিন্ধাইছে। কৰমৰ্দন কৰিছে। তাৰ পাছত বিকুলৰ সুৰত এপাক ঘূৰিছে। সেই মুহূৰ্তবোৰত মোৰ স্বদেশৰ এচাম ধুৰন্ধৰ পুৰুষ-মহিলাই কোৱা মন্তব্যবোৰলৈ মনত পৰিছিল—'ছোৱালীৰ ড্ৰেছ-পোছাকৰ কাৰণে হেনো ধৰ্ষণ হয়।' অথচ সেইদিনা ১০ হেজাৰ খেলুৱৈৰ ভিতৰত সাত হেজাৰেই আছিল পুৰুষ। কোনো পুৰুষ উন্মাদ হোৱা নেদেখিলো। কামুক হৈ কোনো সহকৰ্মীক বলাৎকাৰ কৰিবলৈ উদ্যত হোৱা নাই। তেওঁলোকে ক্লীৱ নে সংযমী পুৰুষ? নানা প্ৰশ্নই ভাৰাক্ৰান্ত কৰিছিল। কোনেও ইয়াৰ্কি মৰা নাই।ওঁঠেৰে হুইচেল বজোৱা নাই; চিঞৰা নাই। সকলো যথাস্থানত বহি আছে। হাত চাপৰি বজাই উৎসাহিত কৰিছে বিজয়ী খেলুৱৈক। কোনো উৎকণ্ঠা নাই। শিহৰিত হোৱা নাই। যুৱ খেলুৱৈ। এটা সময়ত গাভৰু দুগৰাকী ধীৰে ধীৰে ষ্টেডিয়ামৰ মাজৰ পৰা হাত জোকাৰি অভিবাদন জনাই পেভেলিয়নলৈ ঘূৰিছিল। সভ্যতা ইমান সুন্দৰ হ'ব পাৰে;নিজকে সুধিছিলো আৰু ভাবিছিলো— আমাৰ দেশৰ পুৰুষসকলেই নেকি কেৱল নাৰীৰ শৰীৰটোৰ দাবীদাৰ।

সেইদিনাৰ নিশালৈ আছিল পূৰ্ণিমাৰ জোনাক। সমুদ্ৰৰ তীৰত বহি মই বহুদূৰ ভটিয়াই আহিছিলো— নাৰীৰ নগ্নতাৰ সংজ্ঞা বিচাৰি। ষ্টেডিয়ামৰ নাতিদূৰৈত ৰক্ মাষ্টৰ মাইকেল জেকছনৰ শ্ব'। উদ্দাম নৃত্য-গীত। দূৰৰ পৰা ৰাজহুৱা স্থানত প্ৰস্তুত কৰা টিভিৰ পৰ্দাত মাইকেল জেকছনে গীত পৰিৱেশন কৰা দৃশ্য কিছুসময় উপভোগ কৰাৰ সৌভাগ্য ঘটিছিল। দূৰণিৰ সাত সাগৰৰ সিপাৰে, অচিন সাগৰৰ পাৰত বহি অদ্ভুত ধৰণে ব্যথিত হৈ পৰিছিলো— চাৰিমহীয়া, সাতমহীয়া শিশুৰ পৰা ৬০ বছৰ বয়সৰ বৃদ্ধলৈ ধৰ্ষিতা হোৱা মোৰ দেশত কথাই কথাই সকলো অথন্তৰৰ মূল নাৰী বুলি দোষাৰোপ কৰা মোৰ মাতৃভূমিলৈ।

*ফোন ঃ ৯৪৩৫০১২৬৭৯*

## টিকাৰ প্ৰমাণপত্ৰত মোদীৰ ফটো থাকিব ঃ ন্যায়ালয়ে ক'লে 'প্ৰধানমন্ত্ৰী দেশৰ নেতা, দলৰ নহয়'



**নিউজ ব্যুৰ', কোচি, ২১ ডিচেম্বৰ ঃ** ক'ভিড-১৯ৰ টিকাকৰণৰ প্ৰমাণপত্ৰত প্ৰধানমন্ত্ৰীৰ ফটো সন্নিবিষ্ট কৰাৰ বিৰুদ্ধে দাখিল কৰা এক গোচৰৰ শুনানিত কেৰালা উচ্চ ন্যায়ালয়ে আজি কয় যে প্ৰধানমন্ত্ৰী কোনো ৰাজনৈতিক দলৰ নেতা নহয়, বৰঞ্চ তেওঁ হৈছে দেশৰ নেতা। উচ্চ ন্যায়ালয়ে লগতে কয় যে নাগৰিকসকলে প্ৰধানমন্ত্ৰীৰ ফটো আৰু মনোবল বৃদ্ধিৰ বাবে দিয়া বাৰ্তা সমৃদ্ধ টিকাকৰণৰ প্ৰমাণপত্ৰ গ্ৰহণ কৰিবলৈ সংকোচ কৰা অনুচিত। কেৰালা উচ্চ ন্যায়ালয়ে টিকাকৰণৰ প্ৰমাণপত্ৰৰ পৰা প্ৰধানমন্ত্ৰীৰ ফটো আঁতৰাবলৈ অস্বীকাৰ কৰি আজি এই সন্দৰ্ভত আদালতত দাখিল কৰা আবেদন প্ৰত্যাখ্যান কৰে। ন্যায়ালয়ে আজি আবেদনকাৰীৰ বিৰুদ্ধে এক লাখ টকাৰ জৰিমনা আদায়ৰ নিৰ্দেশো দিয়ে।

## পানামা নথি গোচৰত পাঁচ ঘণ্টাৰ জেৰাত ঐশ্বৰ্যক কি কি প্ৰশ্ন সুধিলে ই ডিয়ে?




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** পানামা নথি কেলেংকাৰিত কালি বলিউডৰ জনপ্ৰিয় অভিনেত্ৰী ঐশ্বৰ্য ৰায় বচ্চনক নতুন দিল্লীত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ কাৰ্যালয়ত দীৰ্ঘ সময় জেৰা কৰা হৈছিল। প্ৰায় পাঁচ ঘণ্টা ধৰি ই ডিৰ জেৰাৰ পাছত দিল্লীৰ লোকনায়ক ভৱনত থকা কাৰ্যালয়ৰ পৰা ওলাই অহা অভিনেত্ৰীগৰাকীক সাংবাদিকে আগচি ধৰি প্ৰশ্নবানৰে ব্যতিব্যস্ত কৰি তুলিছিল। অৱশ্যে সংবাদ মাধ্যমৰ আগত নিজৰ মুখ নুখুলিলে ঐশ্বৰ্যই। ই ডিৰ এক সূত্ৰই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি, পানামা পেপাৰ্ছ কেলেংকাৰিৰ প্ৰসংগতে ঐশ্বৰ্যক সোধাপোছা কৰা হৈছিল। কৰ ফাকিৰে বিদেশত ধন-সম্পত্তি আহৰণ কৰাৰ অভিযোগত ফৰেইন এক্সচেঞ্জ মেনেজমেণ্ট এক্ট ১৯৯৯ৰ অধীনত ই ডিয়ে অভিনেত্ৰীগৰাকীৰ ভাষ্য গ্ৰহণ কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ঐশ্বৰ্যই নিজৰ বিদেশত থকা সম্পত্তিৰ বিৱৰণ কেন্দ্ৰীয় সংস্থাক জমা দিছিল। পানামা কেলেংকাৰিত আৰম্ভণিৰে পৰা চৰ্চাত আছিল বলিউডৰ বিখ্যাত বচ্চন পৰিয়াল। ঐশ্বৰ্যৰ লগতে অমিতাভ বচ্চন, অভিষেক বচ্চনৰ নামো পানামা নথি কেলেংকাৰিত সাঙোৰ খাইছিল। অচিৰে একেটা গোচৰত ই ডিয়ে অমিতাভলৈও চমন জাৰি কৰাৰ সম্ভাৱনা আছে।

## কে এম চিৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ বিপুল জয়



**নিউজ ব্যুৰ', কলকাতা, ২১ ডিচেম্বৰ ঃ** কলকাতা নগৰ নিগম (কে এম চি)ৰ সদ্যসমাপ্ত নিৰ্বাচনত মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে বৃহৎ জয় সাব্যস্ত কৰিলে। মুঠ ১৪৪ আসনৰ ৫৪ খন তৃণমূল কংগ্ৰেছে দখল কৰাৰ লগতে আন ৭৪ আসনত দলৰ জয় নিশ্চিত হৈছে। উল্লেখ্য যে যোৱা ১৯ ডিচেম্বৰত সম্পন্ন হোৱা কে এম চিৰ নিৰ্বাচনত ৬৪ শতাংশ ভোটদাতাই অংশ লৈছিল। নগৰ নিগমৰ নিৰ্বাচনত সৰ্বাধিক সংখ্যক আসন জয়ৰ জৰিয়তে তৃণমূল কংগ্ৰেছে পুনৰ দলৰ জনপ্ৰিয়তাক প্ৰমাণ কৰিলে। কে এম চিৰ নিৰ্বাচনত তৃণমূল কংগ্ৰেছৰ বিপুল জয়ৰ পাছত মমতাই কয় যে এয়া হৈছে গণতন্ত্ৰৰ জয়।

## পুনৰ নিম্নমুখী দেশৰ দৈনিক ক'ভিড সংক্ৰমণ, মৃত্যুৰ সংখ্যা বৃদ্ধি ৪৫৩ লৈ




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধিৰ সময়তে দেশত কৰ'নাৰ সংক্ৰমণ সোমবাৰে পুনৰ হ্ৰাস পালে। যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৫,৩২৬ জন লোক। ক'ভিডৰ দৈনিক সংক্ৰমণ হ্ৰাস পালেও বিগত এদিনত এই মাৰাত্মক ভাইৰাছত মৃত্যুৰ সংখ্যা পুনৰ উদ্বেগজনকভাৱে বৃদ্ধি পালে। যোৱা ২৪ ঘণ্টাত কৰ'নাত দেশত মৃত্যু হ'ল ৪৫৩ জন লোকৰ। বৰ্তমানলৈকে ভাৰতত চাৰি লাখ ৭৮ হেজাৰ সাতজন লোকে কৰ'নাত প্ৰাণ হেৰুৱালে। সম্প্ৰতি দেশত ৭৯,০৯৭ জন লোক ক'ভিড ৰোগী চিকিৎসাধীন হৈ আছে।

## নেদাৰলেণ্ডছত চতুৰ্থবাৰৰ বাবে তলাবন্ধ ঘোষণা ঃ প্ৰতিৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণৰ পক্ষত জাৰ্মান চৰকাৰো

# ব্ৰিটেইনত অ'মিক্ৰনত মৃত্যু ১২ জনলৈ বৃদ্ধি ঃ ৮৯খন দেশলৈ সংক্ৰমণ

**নিউজ ব্যুৰ' লণ্ডন, ২১ ডিচেম্বৰ ঃ** মাত্ৰ কেইদিনমান পূৰ্বে বিশ্বত অ'মিক্ৰনত প্ৰথমজন ৰোগীৰ মৃত্যু হৈছিল ব্ৰিটেইনত। এই ঘটনাৰ এসপ্তাহ নৌহওঁতেই ব্ৰিটেইনৰ উপ-প্ৰধানমন্ত্ৰী ড'মিনিক ৰাবে আজি প্ৰকাশ কৰা অনুসৰি, ব্ৰিটেইনত ইতিমধ্যে ১২ জন লোকৰ প্ৰাণ কাঢ়িলে ক'ভিডৰ এই নতুন প্ৰজাতিয়ে। অ'মিক্ৰনৰ সংক্ৰমণৰ লগতে কম সময়তে মৃতকৰ সংখ্যা যথেষ্ট বৃদ্ধি পোৱাৰ পাছতো ক'ভিড প্ৰতিৰোধৰ কঠোৰ পদক্ষেপ গ্ৰহণৰ পৰা আঁতৰি আছে ব্ৰিটেইনৰ বৰিছ জনছনৰ চৰকাৰ। ব্ৰিটিছ উপ-প্ৰধানমন্ত্ৰীয়ে জনোৱা অনুসৰি, বৰ্তমানে দেশখনত ১০৪ জন অ'মিক্ৰন আক্ৰান্ত চিকিৎসাধীন হৈ আছে। আগন্তুক বৰদিনৰ সময়ছোৱাত দেশবাসীক ক'ভিড সতৰ্কতা কঠোৰভাৱে অৱলম্বন কৰিবলৈ আহ্বান জনাইছে ব্ৰিটিছ প্ৰধানমন্ত্ৰী জনছনে। ব্ৰিটেইনে এতিয়ালৈকে অ'মিক্ৰন প্ৰতিৰোধৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা নাই যদিও ইউৰোপৰ অন্যান্য কে'বাখনো দেশে ইতিমধ্যে তলাবন্ধসহ কঠোৰ নীতি-নিয়ম পুনৰ বলৱৎ কৰিলে। নেদাৰলেণ্ডছে চতুৰ্থবাৰৰ বাবে দেশখনত তলাবন্ধ ঘোষণা কৰিছে। কঠোৰ পদক্ষেপ গ্ৰহণৰ পক্ষত থিয় দিছে জাৰ্মান চৰকাৰো। আয়াৰলেণ্ডতো শুকুৰবাৰৰ পৰা পানশালা আৰু ৰেস্তোৰাঁ সোনকালে বন্ধ কৰাৰ নিৰ্দেশ দিয়া হৈছে। ইজৰাইল চৰকাৰে ইতিমধ্যে আমেৰিকা আৰু ইউৰোপৰ অ'মিক্ৰন আক্ৰান্ত দেশ ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ ইজৰাইলবাসীক পৰামৰ্শ দিছে। থাইলেণ্ডেও বিদেশী বিমান যাত্ৰীৰ ক্ষেত্ৰত বাধ্যতামূলক নিভৃতবাসৰ নিৰ্দেশ দিছে। উল্লেখ্য যে বিশ্বৰ ৮৯খন দেশত ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ এতিয়ালৈকে ধৰা পৰিছে।




## বি এছ এফে গুৰদাসপুৰত অনুপ্ৰৱেশকাৰী পাকিস্তানীলৈ কৰিলে গুলিবৰ্ষণ



**নিউজ ব্যুৰ' চণ্ডীগড়, ২১ ডিচেম্বৰ ঃ** পঞ্জাৱৰ গুৰদাসপুৰ খণ্ডত ভাৰত-পাকিস্তান সীমান্তত সীমান্ত নিৰাপত্তা বাহিনী (বি এছ এফ)-এ পাকিস্তানী অনুপ্ৰৱেশকাৰীলৈ গুলিবৰ্ষণ কৰিলে। বি এছ এফে আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, মঙলবাৰে পুৱা ৬-৪৫ বজাত কেইজনমান পাকিস্তানী লোকে গুৰদাসপুৰ সীমান্তইদি ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল। ঘটনা প্ৰত্যক্ষ কৰি বি এছ এফে গুলিবৰ্ষণ কৰাত অনুপ্ৰৱেশকাৰীয়ে উভতি যাবলৈ বাধ্য হয়। ঘন কুঁৱলীৰ সুযোগ লৈ সীমান্তইদি পাকিস্তানীয়ে ভাৰতত অনুপ্ৰৱেশৰ অপচেষ্টা চলাইছিল যদিও বি এছ এফৰ সতৰ্কতাত অনুপ্ৰৱেশকাৰী ব্যৰ্থ হয়।

## মহাৰাষ্ট্ৰ, দিল্লীত অ'মিক্ৰনৰ সংক্ৰমণ বৃদ্ধি, দেশত আক্ৰান্তৰ সংখ্যা ২০২ জনলৈ বৃদ্ধি




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** দেশত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত লোকৰ সংখ্যা ২০২ জনলৈ বৃদ্ধি পালে। মহাৰাষ্ট্ৰ আৰু দিল্লীত দেশৰ ভিতৰতে সৰ্বাধিক ৫৪ জনকৈ অ'মিক্ৰন আক্ৰান্তৰ সন্ধান লাভ কৰা হৈছে। তেলেংগানা আৰু কৰ্ণাটকতো ক'ভিডৰ এই নতুন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে। দিল্লীৰ লোকনায়ক হাস্পতালৰ চিকিৎসা সঞ্চালক ডাঃ সুৰেশ কুমাৰে প্ৰকাশ কৰা অনুসৰি বৰ্তমানলৈকে চিকিৎসালয়খনত ২৪ জন অ'মিক্ৰন আক্ৰান্ত চিকিৎসাধীন হৈ আছে। অৱশ্যে মাত্ৰ দুজন লোকৰ শৰীৰতহে ক'ভিডৰ সংক্ৰমণৰ উপসৰ্গই দেখা দিছে। এজন ব্যক্তি পাতল জ্বৰ, ডিঙিৰ খচখচনি, মূৰ আৰু শৰীৰত বিষ অনুভৱ হৈছিল। আনহাতে, আক্ৰান্ত আনজন ব্যক্তিৰ ডিঙিত খচখচনিৰ লগতে ডায়েৰীয়া হৈছিল। ৰাজস্থানত ১৮ জন, গুজৰাটত ১৪ জন, উত্তৰ প্ৰদেশত দুজন, কেৰালাত ১৫ জন, কৰ্ণাটকত ১৯ জন, তেলেংগানাত ২০ জন, অন্ধ্ৰ প্ৰদেশত এজন, চণ্ডীগড়ত এজন, পশ্চিমবংগত এজন আৰু তামিলনাডুত এজন অ'মিক্ৰন আক্ৰান্তক চিনাক্ত কৰা হৈছে।

## আমেৰিকাত অ'মিক্ৰনত প্ৰথম মৃত্যু, দেশবাসীক সকীয়ালে বাইডেনে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ ডিচেম্বৰ ঃ** অ'মিক্ৰন আতংকত কম্পমান হোৱা আমেৰিকাত মৃত্যু হ'ল প্ৰথম অ'মিক্ৰন আক্ৰান্ত ৰোগীৰ। টেক্সাছৰ স্বাস্থ্য বিষয়াই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ৫০ উৰ্ধ্বৰ বয়সৰ এজন অ'মিক্ৰন আক্ৰান্তৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হ'ল। অ'মিক্ৰনত প্ৰাণহানি ঘটা ৰোগীজনে ক'ভিডৰ প্ৰতিষেধক গ্ৰহণ কৰা নাছিল আৰু তেওঁ পূৰ্বৰে পৰা একাধিক ৰোগত আক্ৰান্ত আছিল। এই ঘটনাৰ পাছতে জ' বাইডেন চৰকাৰে দেশবাসীক অ'মিক্ৰন সন্দৰ্ভত পুনৰ সতৰ্ক কৰিলে। টিকাগ্ৰহণৰ লগতে বুষ্টাৰ প্ৰতিষেধক সোনকালে গ্ৰহণ কৰিবলৈকো মাৰ্কিন চৰকাৰে দেশবাসীক পৰামৰ্শ দিছে। আমেৰিকাত প্ৰতিদিনে অ'মিক্ৰনত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। যোৱা ১৮ ডিচেম্বৰলৈকে প্ৰাপ্ত পৰিসংখ্যা অনুসৰি, দেশখনত কৰ'নাত আক্ৰান্ত ৭৩ শতাংশৰ শৰীৰতে অ'মিক্ৰন প্ৰজাতিৰ সংক্ৰমণ ধৰা পৰিছে। আজি ৰাষ্ট্ৰপতি জ' বাইডেনে টুইট কৰি কয়, 'বন্ধুগণ, আমেৰিকাত অ'মিক্ৰন আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। আমাৰ বৰ্তমানৰ পৰিস্থিতি কেনে ধৰণৰ সেই কথা আপোনালোকক জনাব বিচাৰিছো। আমি ক'ভিডৰ পৰীক্ষণ আৰু চিকিৎসালয়ত শয্যাৰ সংখ্যা বৃদ্ধিৰ চেষ্টা অব্যাহত ৰাখিছো। সকলোকে প্ৰতিষেধক আৰু বুষ্টাৰ প্ৰতিষেধক গ্ৰহণ কৰি ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ ব্যৱস্থা ল'বলৈ আহ্বান জনালো।'

## ৰাষ্ট্ৰপতিৰ অদক্ষতাত তুৰস্কৰ অৰ্থনীতিৰ দুৰৱস্থা, ৰাজপথত প্ৰৱল বিক্ষোভ



**নিউজ ব্যুৰ', আংকাৰা, ২১ ডিচেম্বৰ ঃ** গভীৰ বিত্তীয় সংকটৰ সন্মুখীন হৈছে তুৰস্ক। দেশখনৰ এই আৰ্থিক দুৰ্দশাৰ বাবে ৰাইজে জগৰীয়া কৰিলে তুৰস্কৰ ৰাষ্ট্ৰপতি ৰেচেপ তয়িপ এৰ্ড'গানক। ৰাষ্ট্ৰপতিৰ অদক্ষতা আৰু ভুলৰ ফলতে তুৰস্কৰ বিত্তীয় সংকট ক্ৰমে গভীৰ হ'বলৈ ধৰিছে। দেশখনৰ মুদ্ৰা লীৰা দুৰ্বল হ'বলৈ ধৰিছে আৰু সম্প্ৰতি তুৰস্কত মুদ্ৰাস্ফীতি ২১ শতাংশলৈ বৃদ্ধি পাইছে। খাদ্য দ্ৰব্যৰ অত্যধিক মূল্যবৃদ্ধিৰ ফলত চৰকাৰে ৰাজসাহায্যযুক্ত পাওৰুটী বিক্ৰী কৰিবলৈ বাধ্য হৈছে। এনে ৰেহাই মূল্যত বিক্ৰী কৰা পাওৰুটী ক্ৰয় কৰিবলৈ দেশৰ বিভিন্ন অঞ্চলৰ বিপণীসমূহত জনসাধাৰণে দীঘল শাৰী পাতিছে। উল্লেখ্য যে তুৰস্কত পাওৰুটী হৈছে অন্যতম প্ৰচলিত খাদ্য। দেশখনৰ সাম্প্ৰতিক বিত্তীয় দুৰ্দশাৰ প্ৰতি লক্ষ্য ৰাখি অৰ্থনীতিবিদসকলে শংকা প্ৰকাশ কৰা অনুসৰি, আগন্তুক সময়ত তুৰস্কৰ আৰ্থিক অৱস্থা অধিক ভয়াৱহ হ'ব পাৰে। আৰ্থিক দুৰ্দশাৰ বাবে এৰ্ড'গানক জগৰীয়া কৰি দেশবাসীয়ে ৰাজপথত প্ৰৱল বিক্ষোভ অব্যাহত ৰাখিছে।উল্লেখ্য যে ২০১৮ বৰ্ষতো তুৰস্কত বিত্তীয় সংকটে ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। অৱশ্যে সেই সময়ত এই সংকটৰ কাৰণ আছিল আমেৰিকাই তুৰস্কৰ বিৰুদ্ধে আৰোপ কৰা নিষেধাজ্ঞা।

## দিল্লীত বিষাক্ত কফচিৰাপ খাই মৃত্যু তিনি শিশুৰ



**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** বিষাক্ত কফচিৰাপ খোৱাৰ ফলত দিল্লীত প্ৰাণ হেৰুৱালে তিনিটা শিশুৱে। দিল্লীৰ মহল্লা ক্লিনিকৰ তিনিজন চিকিৎসকে কাহ-কফত আক্ৰান্ত শিশুক এই কফচিৰাপ যোগান ধৰিছিল। ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত চিকিৎসককেইজনক নিলম্বন কৰা হৈছে। প্ৰকাশিত বাতৰি অনুসৰি কেন্দ্ৰ পৰিচালিত কলাৱতী শৰণ শিশু হাস্পতালত দৰৱৰ বিষক্ৰিয়াত অসুস্থ হোৱা ১৬টা শিশু যোৱা ২৯ জুনৰ পৰা ২১ নৱেম্বৰৰ সময়ছোৱাত চিকিৎসাধীন হৈছিল। এইসকল শিশুৰ বয়স একৰ পৰা ছবছৰৰ ভিতৰত আছিল। চিকিৎসাধীন শিশুৰ তিনিটাৰ মৃত্যু হৈছিল। চিকিৎসকে অসুস্থ শিশুসকলক ডেক্সট্ৰ'মেথ'ৰ্ফান নামৰ কফচিৰাপ খাবলৈ দিছিল। এই কফচিৰাপ খোৱাৰ ফলতে শিশুকেইটাৰ মৃত্যু হোৱা বুলি অভিযোগ উত্থাপিত হৈছে।

## 'দলবদ্ধ প্ৰহাৰ' আমদানিৰ বাবে মোদীক ধন্যবাদ ৰাহুলৰ, বিজেপিয়ে ক'লে '১৯৮৪ৰ কথা পাহৰিলে নেকি?'



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** '২০১৪ বৰ্ষত ক্ষমতা লাভৰ পাছত আপুনি নতুন এটা শব্দৰ আমদানি কৰিলে, দলবদ্ধ প্ৰহাৰ। ইয়াৰ বাবে আপোনাক ধন্যবাদ।' এই মন্তব্যৰে টুইটাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কটাক্ষ কৰিলে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীয়ে। হিন্দী আৰু ইংৰাজীত টুইট কৰি ৰাহুলে কয় যে ২০১৪ বৰ্ষৰ পূৰ্বে 'দলবদ্ধ প্ৰহাৰ' শব্দটো তেনেকৈ শুনা পোৱা নগৈছিল। পঞ্জাৱৰ স্বৰ্ণ মন্দিৰ চৌহদত দলবদ্ধ প্ৰহাৰত এজন ব্যক্তিৰ মৃত্যুৰ ঘটনাক গৰিহণা দি ৰাহুলে প্ৰসংগক্ৰমে এইদৰে দেশত বৃদ্ধি পোৱা 'দলবদ্ধ আক্ৰমণ'ৰ বাবে প্ৰধানমন্ত্ৰীক কটাক্ষ কৰিছিল। ৰাহুলৰ টুইটৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিজেপিৰ মুখপাত্ৰ টম ভাডাক্কানে আজি কয়, '১৯৮৪ বৰ্ষ আৰু শিখ বিৰোধী সংঘৰ্ষৰ কথাও অলপ মনত ৰখা প্ৰয়োজন।' ভাডাক্কানে লগতে কয় যে ৰাহুলে হয়তো ১৯৮৪ৰ সংঘৰ্ষৰ কথা পাহৰিলে।

## বিজেপিত যোগ দি কংগ্ৰেছ বিধায়কে ক'লে, পঞ্জাৱক মোদীয়েহে ৰক্ষা কৰিব পাৰিব



**নিউজ ব্যুৰ', চণ্ডীগড়, ২১ ডিচেম্বৰ ঃ** পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে পুনৰ এক অঘটনৰ সন্মুখীন হ'ল কংগ্ৰেছ। গুৰু হৰ সহায় সমষ্টিৰ বিধায়ক তথা ৰাজ্যখনৰ প্ৰাক্তন মন্ত্ৰী ৰাণা গুৰমিত সিং চৌঢ়ীয়ে কংগ্ৰেছ ত্যাগ কৰি বিজেপিত যোগদান কৰিলে। কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট আৰু ভূপেন্দ্ৰ যাদৱৰ উপস্থিতিত গুৰমিতে বিজেপিৰ সদস্যপদ গ্ৰহণ কৰে। বিজেপিৰ সদস্য হোৱাৰ পাছত সংবাদ মাধ্যমৰ আগত গুৰমিতে কয়, 'মই পঞ্জাৱৰ ভালৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰিলো। প্ৰধানমন্ত্ৰী মোদী আৰু বিজেপিয়েহে পঞ্জাৱক ৰক্ষা কৰিব পাৰিব। কংগ্ৰেছে ৰাজ্যখনৰ সুৰক্ষা আৰু সাম্প্ৰদায়িক শান্তি ব্যৱস্থাক লৈ খেলা কৰি আহিছে। কংগ্ৰেছৰ ধৰ্ম নিৰপেক্ষ ছবিখন এতিয়া সম্পূৰ্ণৰূপে নষ্ট হ'ল। কংগ্ৰেছৰ আভ্যন্তৰীণ কন্দলে পঞ্জাৱত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে।'

## পাকিস্তানত চৰমপন্থীয়ে ভাঙিলে দুৰ্গাৰ মূৰ্তি, ২২ মাহত হিন্দুৰ মন্দিৰত নৱম আক্ৰমণ

**নিউজ ব্যুৰ' কৰাচী, ২১ ডিচেম্বৰ ঃ** ইমৰান খানৰ শাসন কালত পাকিস্তানত সংখ্যালঘু হিন্দুৰ উপাসনা কেন্দ্ৰত চৰমপন্থীৰ আক্ৰমণ বৃদ্ধি পাইছে। শেহতীয়াভাৱে দেশখনৰ আৰ্থিক ৰাজধানী হিচাপে পৰিচিত কৰাচী চহৰত এটা হিন্দু মন্দিৰ লণ্ডভণ্ড কৰিলে চৰমপন্থীয়ে। আক্ৰমণকাৰীয়ে মন্দিৰত প্ৰৱেশ কৰি দুৰ্গা দেৱীৰ মূৰ্তি এটা ভাঙি পেলায়। উল্লেখ্য যে যোৱা ২২ মাহত পাকিস্তানত নৱমবাৰৰ বাবে হিন্দুৰ মন্দিৰত চৰমপন্থীয়ে এইদৰে আক্ৰমণ সংঘটিত কৰিলে। কৰাচীত যথেষ্টসংখ্যক হিন্দু ধৰ্মাৱলম্বীয়ে বসবাস কৰি আহিছে। প্ৰকাশিত বাতৰি অনুসৰি, কৰাচীৰ নৰিয়ানপুড়া হিন্দু মন্দিৰত দুষ্কৃতিকাৰীয়ে এই আক্ৰমণ সংঘটিত কৰিলে।



## আপোনালোকৰো বেয়া দিন আৰম্ভ হ'ব ঃ অসন্তুষ্ট সাংসদ জয়াৰ অভিশাপ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** পানামা নথি কাণ্ডত ঐশ্বৰ্য ৰাই বচ্চনক প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ জেৰা কৰাৰ পাছত এই সন্দৰ্ভত সংসদত প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে ঐশ্বৰ্যৰ শাহুৱেক সাংসদ জয়া বচ্চনে। কালি সংসদত 'ব্যক্তিগত বিষয়ত মন্তব্য'ৰ বাবে কেন্দ্ৰৰ শাসকীয় দলক অভিশাপ দি সমাজবাদী পাৰ্টিৰ সাংসদ জয়াই কয়, 'আপোনালোকৰো বেয়া দিন আৰম্ভ হ'ব। আমি অভিশাপ দিছো।' সাংসদ জয়াই প্ৰত্যক্ষভাৱে সংসদত ঐশ্বৰ্য প্ৰসংগ উল্লেখ নকৰিলেও ৰাজ্যসভাত মাদক (সংশোধনী) বিধেয়কৰ সন্দৰ্ভত আলোচনাৰ সময়ত ১২ জন বিৰোধী সাংসদক নিলম্বনৰ সন্দৰ্ভত কেন্দ্ৰৰ বিজেপি চৰকাৰক কঠোৰভাৱে সমালোচনা কৰিছিল। সেই সময়তে একাংশ বিজেপিৰ সাংসদে ঐশ্বৰ্যৰ প্ৰসংগ উত্থাপন কৰাত ক্ষুব্ধ জয়াই কয়, 'তেওঁলোকে কিদৰে ব্যক্তিগত বিষয়ত মন্তব্য কৰিব পাৰে? যিসকল বাহিৰত বহি আছে, তেওঁলোকৰ প্ৰতি আপোনালোকৰ কোনো সন্মান নাই? আপোনালোকৰো বেয়া দিন আহিব। মই অভিশাপ দিছো।'

## পাঁচ বছৰ পূৰ্বে উত্তৰ প্ৰদেশত আছিল মাফিয়াৰাজ, যোগীয়ে গুণ্ডাক সঠিক স্থানলৈ প্ৰেৰণ কৰিলে ঃ মোদী



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২১ ডিচেম্বৰ ঃ** সংগমনগৰী প্ৰয়াগৰাজত আজি উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ লক্ষাধিক মহিলাক বিশেষ উপহাৰ দিলে। মোদীয়ে আজি স্বয়ং সহায়তা গোটৰ বেংক একাউণ্টত এহেজাৰ কোটি টকা জমা দিলে। এই পুঁজিৰ জৰিয়তে উত্তৰ প্ৰদেশৰ ১৬ লাখৰো অধিক আত্মসহায়ক গোটৰ স'তে জড়িত মহিলা উপকৃত হ'ব। মোদীয়ে আজি পেৰেড গ্ৰাউণ্ডত আয়োজিত সভাত অংশ লৈ মহিলাসকলক সম্বোধন কৰে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয় যে পাঁচ বছৰ পূৰ্বে উত্তৰ প্ৰদেশত মাফিয়াৰাজ চলিছিল, কিন্তু মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে গুণ্ডাসকলক কাৰাগাৰলৈ প্ৰেৰণ কৰিলে। 'কন্যাসকলে বিচাৰিছিল যে তেওঁলোকে পঢ়া-শুনা কৰি আগুৱাই যাবলৈ সুযোগ লাভ কৰিব। সমান সুবিধা ভোগ কৰিব। সেয়েহে কন্যা সন্তানৰ বিবাহৰ বয়স ২১ বছৰ কৰাৰ প্ৰয়াস লোৱা হ'ল। এসময়ত আপুনি মাত মাতিব পৰা নাছিল, আপোনাক কথা ক'বলৈ দিয়া হোৱা নাছিল। থানালৈ গ'লে অপৰাধী, ধৰ্ষণকাৰীয়ে ফোন কৰি হেঁচা দিছিল। যোগীজীয়ে এই গুণ্ডাসকলক সঠিক ঠাইলৈ প্ৰেৰণ কৰিলে। পাঁচ বছৰ পূৰ্বে উত্তৰ প্ৰদেশৰ ৰাজপথত মাফিয়াৰাজ চলিছিল। উত্তৰ প্ৰদেশৰ চৰকাৰক গুণ্ডাই প্ৰভাৱিত কৰিছিল। ইয়াৰ সবাতোকৈ ভুক্তভোগী আছিল উত্তৰ প্ৰদেশৰ ভগ্নী আৰু কন্যাসকল। তেওঁলোকৰ বাবে ৰাজপথলৈ ওলোৱাটো বিপজ্জনক আছিল। স্কুল-কলেজলৈ যোৱাটোও অসুবিধাজনক হৈছিল। কিন্তু যোগীজীয়ে উত্তৰ প্ৰদেশক মাফিয়া আৰু গুণ্ডাৰ কবলমুক্ত কৰিলে।' ভাষণ প্ৰসংগত মোদীয়ে এইদৰে কয়।

## চৰকাৰী আৱাসত সুৰাপান কৰি বিতৰ্কত ব্ৰিটিছ প্ৰধানমন্ত্ৰী



**নিউজ ব্যুৰ', লণ্ডন, ২১ ডিচেম্বৰ ঃ** ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনৰ এখন ফটো সামাজিক মাধ্যমত ভাইৰেল হৈছে। এই ফটোত জনছনে আন কে'বাজনো লোকৰ স'তে নিজৰ চৰকাৰী আৱাসৰ উদ্যানত বহি সুৰাপান কৰাৰ দৃশ্য আবদ্ধ হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, ফটোখন সাম্প্ৰতিক নহয়; বৰঞ্চ যোৱা বছৰৰ মে'ত তোলা হৈছিল। জনছনৰ বিৰুদ্ধে সেয়েহে ক'ভিড বিধি আৰু তলাবন্ধ উলংঘনৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। এই বিতৰ্কৰ সূত্ৰপাত ঘটাত ফটোত আবদ্ধ হোৱা জনছনৰ আনকেইজন অতিথিয়ে সুৰাপানৰ অভিযোগ অস্বীকাৰ কৰিছে। ব্ৰিটেইনত যোৱা বছৰত ক'ভিডৰ তলাবন্ধৰ সময়ত কঠোৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল আৰু ৰাজহুৱা স্থানত দুজন লোকৰ সমাবেশতো বাধা দিয়া হৈছিল। এনে পৰিস্থিতিত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে কিয় আৰু কেনেকৈ আন লোকৰ স'তে চৰকাৰী আৱাসৰ উদ্যানত সুৰাপান কৰিছিল বুলি সামাজিক মাধ্যমত প্ৰশ্ন উত্থাপিত হৈছে। জনছনে ক'ভিডৰ তলাবন্ধৰ সময়ত চৰকাৰী বাসভৱনত সুৰাৰ পাৰ্টিৰ আয়োজন কৰি ক'ভিড বিধি ভংগ কৰিছিল বুলি অভিযোগ উত্থাপিত হৈছে। ব্ৰিটেইনৰ পৰা প্ৰকাশিত 'গাৰ্জিয়ান' কাকতত যোৱা দেওবাৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ এই বিতৰ্ক সৃষ্টিকাৰী ফটোখন প্ৰকাশ পোৱাৰ পাছৰে পৰা সমগ্ৰ ব্ৰিটেইনত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। ফটোত জনছনে তেওঁৰ পত্নী কেৰী আৰু আন দুজন লোকৰ স'তে সুৰাৰ পাৰ্টিত অংশ লৈছিল। তেওঁলোকৰ মাজত থকা টেবুলত আছিল সুৰাৰ বটল আৰু অন্যান্য খাদ্য।

## টেঙাখাত শেনচোৱাত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নিৰ্মল আঞ্চলিক শাখাৰ অধিবেশন সম্পন্ন


অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২১ ডিচেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ নিৰ্মল আঞ্চলিক শাখাৰ ৪৪ সংখ্যক বাৰ্ষিক অধিবেশন কালি দিনজোৰা কাৰ্যসূচীৰে টেঙাখাত শেনচোৱা গাঁৱৰ শংকৰজ্যোতি প্ৰাথমিক শাখাৰ নামঘৰত অনুষ্ঠিত কৰা হয়। পুৱাৰ ভাগত পৰিৱেশ নিকাকৰণ কাৰ্যসূচীৰে অধিবেশনৰ কাৰ্যসূচী আৰম্ভ কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচী আৰম্ভ কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ডিব্ৰুগড় জিলাৰ সদস্য বলীন গগৈয়ে। নিৰ্মল আঞ্চলিক শাখাৰ সভাপতি উমাকান্ত মহনে ধৰ্ম ধ্বজা উত্তোলন কৰে। পুৱা ন বজাৰ পৰা নাম-প্ৰসংগ অনুষ্ঠিত কৰা হয়। নিৰ্মল আঞ্চলিক শাখাৰ উপ-সভাপতি দুলাল হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সেৱাবাহিনীৰ সাধাৰণ সভাখন উদ্বোধন কৰে নিৰ্মল আঞ্চলিক শাখাৰ সম্পাদক লক্ষীন্দ্ৰ শইকীয়াই। সেৱাবাহিনীৰ সাধাৰণ সভাত শাখাৰ সাংগঠনিক দিশৰ লগতে আগন্তুক ৯১ সংখ্যক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় অধিবেশনৰ প্ৰস্তুতিৰ সম্পৰ্কত আলোচনা কৰা হয়। সংঘৰ সদস্য ধৰ্মেশ্বৰ গোহাঁই, বিৰিঞ্চি বৰুৱা, নিতুল চলিহা, হিৰণ্য কোঁৱৰকে ধৰি কে'বাজনো সংঘৰ সদস্যই অংশগ্ৰহণ কৰে। নিৰ্মল আঞ্চলিক শাখাৰ শিশু আই কল্যাণ সমিতিৰ সভানেত্ৰী লিপিকা বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখন উদ্বোধন কৰে ৰূপা গগৈয়ে। অনুষ্ঠানত সাংবাদিক তিলক ফুকনে অংশগ্ৰহণ কৰি বক্তব্য ৰাখে। নিৰ্মল আঞ্চলিক শাখাৰ সভাপতি উমাকান্ত মহনৰ সভাপত্বিত অনুষ্ঠিত কাৰ্যনিৰ্বাহকত সাংগঠনিক আৰু প্ৰচাৰৰ দিশত আলোচনা কৰি কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

## দেৰগাঁও সাহিত্য সভাৰ উদ্যোগত চৈয়দ আব্দুল মালিক দিৱস পালন

**দেৰগাঁও, ২১ ডিচেম্বৰ ঃ** যোৱা ২০ ডিচেম্বৰত চৈয়দ আব্দুল মালিকৰ ২১ সংখ্যক মৃত্যু দিৱস দেৰগাঁও সাহিত্য সভাৰ ভৱনত সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক অধ্যয়ন আৰু গৱেষণা কেন্দ্ৰত আড়ম্বৰপূৰ্ণভাৱে অনুষ্ঠিত হয়। দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত চন্দ্ৰ মহন্তৰ সভাপতিত্বত অয়োজিত অনুষ্ঠানত চৈয়দ আব্দুল মালিকৰ সাহিত্যৰ ওপৰত পৰ্যালোচনা আগবঢ়াই বিশিষ্ট সাহিত্যিক সুৰেন্দ্ৰ মোহন হাজৰিকাই। অনুষ্ঠানত উপস্থিত থাকে অনন্ত কুমাৰ বৰুৱা, প্ৰতাপ কন্দলী, দেৰগাঁও সাহিত্য সভাৰ সম্পাদক অজিত চন্দ্ৰ দত্তকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তি। কথাশিল্পীগৰাকীৰ নামত ঘোষণা কৰা বঁটা চৰকাৰে পুনৰ প্ৰচলনৰ ব্যৱস্থা কৰিব বুলি ঘোষণা কৰাৰ পাছতেই এতিয়া উৎফুল্লিত হৈ পৰিছে সমগ্ৰ দেৰগাঁৱৰ লগতে চৈয়দ আব্দুল মালিকৰ ওপজা গাঁও নাহৰণিবাসী।

## লখিমপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত 'গাঁওবুঢ়া' মঞ্চস্থ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ ডিচেম্বৰ ঃ** সাহিত্য কাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱাৰ ডেৰশ বছৰীয়া জন্মজয়ন্তীৰ লগত সংগতি ৰাখি দেওবাৰে সন্ধিয়া জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া' নাটখন মঞ্চস্থ কৰা হয়। নাট পৰিচালক কৃষ্ণ ভূঞাৰ পৰিচালনাত মঞ্চস্থ হোৱা নাটখনত ব্ৰিটিছৰ শাসন কালত অসমীয়া সমাজ জীৱনৰ চিত্ৰ নিখুঁত ৰূপত ফুটাই তোলাত পৰিচালক সফল হৈছে বুলি ক'ব পাৰি। ব্ৰিটিছ আমোলৰ কঠোৰ শাসন নীতিৰ কাঠগৰাত খাটি খোৱা সহজ-সৰল অসমীয়া মানুহখিনিৰ দুৰৱস্থা নাট্যকাৰে সুন্দৰ ৰূপত তুলি ধৰিছে। বিশিষ্ট নাট পৰিচালক ৰাজীৱ গগৈয়ে উদ্বোধন কৰা নাটখন স্থানীয় শিল্পীৰ সহযোগত মঞ্চস্থ কৰা হয়। নাটখনত মূল চৰিত্ৰত যদুমণি বৰুৱা (ভোগমন), তৰুণ গগৈ (মিঃ ইয়ং)য়ে শৰৎ দত্ত (মৌজাদাৰ), মুনমুন দত্ত গগৈ (ৰংদৈ)য়ে অভিনয় কৰে। আন অভিনেতা-অভিনেত্ৰীসকল হিৰকজ্যোতি বৰুৱা, পংকজ দত্ত, ধীৰেণ নাথ, সত্যপ্ৰভা দেৱী, মাখন শইকীয়া, ভদ্ৰজিৎ দত্ত, প্ৰতীক্ষা প্ৰিয়ম বায়ন (শিশুশিল্পী) নাটকৰ সংগীত পৰুজ দত্তৰ।

## তিনিচুকীয়া জিলা বিহু সুৰক্ষা সমিতিৰ মধ্যকালীন অধিবেশন সম্পন্ন

**ডিগবৈ, ২১ ডিচেম্বৰ ঃ** বিহু সুৰক্ষা সমিতি অসম তিনিচুকীয়া জিলা সমিতিৰ মধ্যকালীন অধিবেশন কালি অসম-অৰুণাচল সীমান্তৱৰ্তী বৰডুমচা কঠালগুৰি ডিব্ৰুপুৰীয়া ক্ৰীড়া সন্থাৰ সভাগৃহত বুঢ়ীদিহিং আঞ্চলিক সমিতিৰ আতিথ্যত অনুষ্ঠিত হৈ যায়। অধিবেশনখনত বিহু সুৰক্ষা সমিতি অসমৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি যতীন গগৈ আৰু জিলা পৰ্যবেক্ষক হিচাপে উৎপল বৰুৱা উপস্থিত থাকে। কাৰ্যসূচী অনুসৰি তিনিচুকীয়া জিলা বিহু সুৰক্ষা সমিতিৰ সভাপতি লক্ষণ চাৰিঙীয়া ফুকনে পতাকা উত্তোলন কৰি কাৰ্যসূচী আৰম্ভ কৰে। স্মৃতি তৰ্পণ কৰে আদৰণি সমিতিৰ সভাপতি বৈকুণ্ঠ সোণোৱালে। লক্ষণ চাৰিঙীয়া ফুকনৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত আঁত ধৰে বিনন্দ কোঁৱৰে। মুকলি সভাৰ উদ্বোধনী বক্তব্য প্ৰদান কৰে কৃতী শিক্ষক প্ৰদীপ শইকীয়াই। অধিবেশনৰ মুকলি সভাতে বৰডুমচা কঠালগুৰিৰ সত্ৰীয়া সংস্কৃতিৰ সাধক বৰবায়ন তুলেশ্বৰ গোহাঁই আৰু ধুলিবৰ গোহাঁইক একোখনকৈ সম্বৰ্ধনা পত্ৰ, চেলেং চাদৰ, ফুলাম গামোচা আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। অধিবেশৰ মুকলি সভাৰ অন্তত বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে সম্পাদক পুলস্ত গগৈয়ে।

## হাউলীস্থিত ৬৪ বেটেলিয়ন এছএছবিৰ মুখ্য কাৰ্যালয়ত ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**হাউলী, ২১ ডিচেম্বৰ ঃ** দেশ আৰু জনতাৰ নিৰাপত্তাৰ স্বাৰ্থত নিয়োজিত সশস্ত্ৰ সীমা বাহিনীৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তৰ এছএছ বৰ বেটেলিয়নৰ লগতে হাউলীস্থিত ৬৪ বেটেলিয়ন এছএছবিৰ মুখ্য কাৰ্যালয়তো উলহ-মালহেৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপিত কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি জোৱানসকলৰ মাজত ক্ৰিকেট, ভলীবল, বেডমিণ্টনৰ লগতে বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ উপৰি জোৱানসকল আৰু জোৱানৰ পৰিয়ালবৰ্গৰ মাজত প্ৰদৰ্শনীমূলক বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে ১৯৬৩ৰ কালিৰ দিনটোতে দেশত গঠন হোৱা সশস্ত্ৰ সীমা বাহিনী চমুকৈ বিতৰণ কৰে। কালিএছএছবিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কালি অনুষ্ঠিত কৰা সকলো অনুষ্ঠানৰ প্ৰতিযোগীসকলৰ মাজত পুৰস্কাৰ উক্ত অনুষ্ঠানত উপস্থিত থাকে বৰপেটা জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মা, ৬৪ বেটেলিয়ন এছএছবিৰ দ্বিতীয় সেনাধ্যক্ষ ৰজনীশ কুমাৰ মোৱাল, উপ-সেনাধ্যক্ষ সন্দীপ পুনিয়া, বাহিনীৰ জোৱান আৰু বিভিন্ন আমন্ত্ৰিত অতিথিসকলে।

# ■ দলং নিৰ্মাণৰ বাবে ৰাইজৰ প্ৰতিবাদ ■ দুৰ্ঘটনাগ্ৰস্ত হৈ কে'বাজনো আঘাতপ্ৰাপ্ত

# ভেৰভৰীৰ কলহী নদীৰ দলঙৰ জৰাজীৰ্ণ অৱস্থা



**ছয়গাঁও, ২১ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ মাজেৰে বৈ যোৱা কলহী নৈৰ ওপৰত থকা এখন দলঙৰ বাবে কালি ছয়গাঁও অঞ্চলৰ ৰাইজে গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিছে। ছয়গাঁও সমষ্টিৰ ডাকুৱাপাৰা অঞ্চলৰ একাংশ লোকে কোনো মন্ত্ৰী বিধায়ক কিম্বা চৰকাৰৰ বিৰুদ্ধে শ্ল'গান নিদিয়াকৈ কেৱল দলংখন হোৱাৰ বাবে তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰিছে। দীৰ্ঘদিন ধৰি কলহী নৈৰ ওপৰত থকা ডাকুৱাপাৰা-ভেৰভৰী সংযোগী দলংখন বাঁহৰ হৈ থকা বাবে সেই অঞ্চলৰ ৰাইজে যমৰ যাতনা ভুগি আছে। জৰাজীৰ্ণ দলংখনে অঞ্চলটোৰ ৰাইজৰ একমাত্ৰ আশা-ভৰসাৰ থল। এই দলংখনেৰে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ লগতে ৰোগীও আহিবলগীয়া হয়। ইতিমধ্যে দলংখনৰ পৰা পৰি কে'বাজনো লোক আঘাতপ্ৰাপ্ত হোৱাৰ খবৰ পোৱা গৈছে। ৰাইজৰ বৰমূৰীয়াসকলে জনোৱা অনুসৰি দলংখনৰ বাবে তেওঁলোকে বহুবাৰ বিধায়ক তথা বিভাগীয় কৰ্তৃপক্ষক অৱগত কৰিছিল যদিও আজিলৈ কোনো সুফল নোপোৱাত কালি প্ৰতিবাদ সাব্যস্ত কৰে। বাৰিষা হ'লে নাৱেই একমাত্ৰ যাতায়াতৰ আহিলা হৈ পৰা দলংখনেৰে দৈনিক ডাকুৱাপাৰা, আন্ধেৰী, ভেৰভৰী, কাহুৱা, কুলচী, আন্ধেৰী, বৃহৎপুৰ, বৰবাহাৰ আদিকে ধৰি প্ৰায় ২০/২৫ খন গাঁৱৰ লোক যাতায়াত কৰে। ৰাইজৰ আশা ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে এইবাৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক দলংখন নিৰ্মাণ কৰিবলৈ দাবী জনাব।

## কমাৰকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক যুৱ-ছাত্ৰ পৰিষদৰ সম্বৰ্ধনা

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২১ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ কমাৰকুছি আৰক্ষী চকীৰ নৱনিযুক্ত ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মানস বৰাক কালি অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বৰভাগ আঞ্চলিক সমিতিৰ তৰফৰ পৰা আদৰণি সম্ভাষণ জনোৱা হয়। আদৰণি সভাত উপস্থিত থাকে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ নলবাৰী জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক ধীৰাজ কলিতা, বৰভাগ আঞ্চলিক সমিতিৰ সভাপতি চিন্ময় পৰাশৰ, সাধাৰণ সম্পাদক ময়ূৰ ৰহমান, উপ-সভাপতি ৰাতুল আহমেদ, ৰকি ৰাজ আহমেদ।

## দেহাৰকুছি মনসাপীঠ পৰিচালনা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২১ ডিচেম্বৰ ঃ** নলবাৰী সমষ্টিৰ ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত দেহাৰকুছি মনসাপীঠ পৰিচালনা সমিতিখন দেওবাৰে আনুষ্ঠানিকভাৱে গঠন কৰা হয়। ১৯ ডিচেম্বৰত দিনৰ ১১ বজাত গাঁওখনৰ অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেন শৰ্মাৰ সভাপতিত্বত মনসাপীঠ প্ৰাংগণত অনুষ্ঠিত সভাত শৈলেন শৰ্মাক সভাপতি, ভুৱনেশ্বৰ দাসক উপ-সভাপতি, হিতেশ শৰ্মাক সম্পাদক, প্ৰাঞ্জল শৰ্মা আৰু দিগন্ত দাসক সহকাৰী সম্পাদক হিচাপে লৈ এখন ১৩ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়।

## মধুপুৰ মহোৎসৱৰ কাৰ্যসূচী ঘোষণা

অগ্ৰদূত বাৰ্তা

**হাউলী, ২১ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ স্থান পশ্চিমবংগৰ কোচবিহাৰত অৱস্থিত মধুপুৰ সত্ৰত অহা ২৪ আৰু ২৫ ডিচেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে 'মধুপুৰ মহোৎসৱ' উদ্‌যাপন কৰা হ'ব। যোৱা ১৯ ডিচেম্বৰত বৰপেটা ৰোড শাখা সত্ৰত অসম সত্ৰ মহাসভাৰ সভাপতি তথা মধুপুৰ সত্ৰৰ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানিৰ সভাপতিত্বত অনুষ্ঠিত মধুপুৰ সত্ৰ সমিতিৰ কাৰ্যনিৰ্বাহক সভাই মধুপুৰ মহোৎসৱৰ কাৰ্যসূচী চূড়ান্ত কৰে। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক, প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে, ২৪ ডিচেম্বৰৰ আবেলি চাৰি বজাত ভকত আদৰণি আৰু ভাগৱত পাঠেৰে মহোৎসৱৰ পাতনি মেলা হ'ব। ২৫ ডিচেম্বৰত পুৱা প্ৰভাতি অঞ্জলি। ৮-৩০ত নাম-প্ৰসংগ। ১০ বজাত সাংস্কৃতিক শোভাযাত্ৰা। ১০-৩০ত পালনাম। দুপৰীয়া ১২বজাত থিয়নাম সমাৰোহ। আবেলি চাৰি বজাত মুকলি সভা, স্মৃতিগ্ৰন্থ উন্মোচন আৰু সন্ধিয়া পাঁচ বজাত সাংস্কৃতিক সমাৰোহ আৰু ভাৰত চৰকাৰৰ সত্ৰীয়া কেন্দ্ৰৰ দ্বাৰা ভাওনা প্ৰদৰ্শন। মহাপুৰুষীয়া সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে ৰাজ্যৰ বাহিৰৰ মধুপুৰ সত্ৰত এই মধুপুৰ মহোৎৱৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ সকলো কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা মধুপুৰ সত্ৰ সমিতিয়ে কামনা কৰিছে।

## চিৰাঙৰ কাজলগাঁৱত এছ এছ বিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ ডিচেম্বৰ ঃ** দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰি অহা সশস্ত্ৰ সীমা বল চমুকৈ এছ এছ বিয়ে কালি প্ৰতিষ্ঠাৰ ৫৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। চিৰাং জিলাৰ সদৰৰ কাজলগাঁৱত অৱস্থিত সহস্ত্ৰ সীমা বলৰ ১৫ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয় চৌহদত কালি এছএছবিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কে'বাটাও কাৰ্যসূচী ৰূপায়ণ কৰা হয়। চিৰাং জিলাৰ উপৰি বিটিচিৰ সেৱা সুৰক্ষা আৰু বন্ধুত্বৰে কাম কৰি অহা এছএছবিৰ ১৫ নম্বৰ বেটেলিয়নৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপিত কাৰ্যসূচী অনুসৰি বেটেলিয়নৰ বিষয়া জোৱানৰ মাজত বিভিন্ন ধৰণৰ কুচকাৱাজ প্ৰদৰ্শন কৰে। বাহিনীৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বেটেলিয়নৰ আৱাসীসকলৰ ল'ৰা-ছোৱালী, পুৰুষ-মহিলাৰ মাজত বিভিন্ন ধৰণৰ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হয়। ১৫ নম্বৰ বেটেলিয়নৰ মুখ্য কাৰ্যালয়ৰ দ্বিতীয় কমাণ্ডেণ্ট চৰ্দাৰ সিং চৌহানে প্ৰতিষ্ঠা দিৱসৰ দিনটো এছ এছ বিৰ কাৰণে এক মহত্বপূৰ্ণ বুলি অভিহিত কৰে। তেওঁ দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত এছএছবিৰ ১৫ গৰাকী উল্লেখনীয় বুলি উল্লেখ কৰি আজিৰ প্ৰতিষ্ঠা দিৱস পালনে বিষয়া-জোৱানসকলক কাম কৰাৰ মনোবল বঢ়াব বুলি উল্লেখ কৰে।

## হাজোৰ পতনিত ছাগলী চোৰৰ উপদ্ৰৱ বৃদ্ধি

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ নিৰ্বিকাৰ ভূমিকাৰ বাবেই সমগ্ৰ হাজো অঞ্চলত গৰু, ছাগলী চোৰৰ উপদ্ৰৱ দিনক দিনে অভাৱনীয় হাৰত বৃদ্ধি পাইছে। হাজোৰ পতনিত দীৰ্ঘদিন ধৰি ছাগলীচোৰৰ উপদ্ৰৱ বৃদ্ধি হৈছে। বিগত এমাহত দ্ৰুত গতিত বৃদ্ধি পাইছে চোৰৰ টিঘিলঘিলনি। গৰু চোৰৰ পাছত এইবাৰ ছাগলী চোৰৰ উপদ্ৰৱ বৃদ্ধি পাইছে। গোহালিত তলা মাৰি থৈও ৰাখিব নোৱাৰে ছাগলী। উপায়বিহীন হৈ ভুক্তভোগী পৰিয়ালে কালি হাজো আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ভুক্তভোগীৰ ভাষ্য অনুসৰি পতনিত এঘৰ মানুহৰ এটি ছাগলী যোৱা ১৯ ডিচেম্বৰত পথৰ দাঁতিৰ পৰা চুৰি কৰি লৈ যায়। যাৰ বাবে কালি ভুক্তভোগীয়ে হাজো আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। আন এগৰাকী ভুক্তভোগীৰ ভাষ্য অনুসৰি যোৱা বৃহস্পতিবাৰে এটি ছাগলী চুৰি হৈছে। ইতিমধ্যে ঘটনা সন্দৰ্ভত হাজো আৰক্ষী থানাত এজাহাৰ দাখিল কৰা বুলি উল্লেখ কৰে। অৱশ্যে এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনে অনাগত দিনত কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষ্যণীয় হ'ব।

### নিদ্ৰাহৰণ ভুক্তভোগীৰ

## ছহিদ খগেন ভৰালী পঞ্চায়তৰ উন্নয়ন পৰিকল্পনা প্ৰস্তুতকৰণৰ গাঁওসভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**হাজো, ২১ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো উন্নয়ন খণ্ডৰ অধীনস্থ ছহিদ খগেন ভৰালী গাঁও পঞ্চায়তৰ এখন গাঁওসভা কালি পঞ্চায়তখনৰ প্ৰাংগণত অনুষ্ঠিত হৈ যায়। পঞ্চায়তখনত ২০২২-২০২৩ বিত্তীয় বৰ্ষৰ বাবে গাঁও পঞ্চায়ত উন্নয়ন পৰিকল্পনা প্ৰস্তুতিৰ উদ্দেশ্যেৰে বিশেষ গাঁওসভাখন অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে ছহিদ খগেন ভৰালী, গাঁও পঞ্চায়তৰ সভানেত্ৰী দীপাঞ্জলি ভৰালীয়ে। সভাত উপস্থিত থাকি পঞ্চায়তখনৰ সচিব ফজলুল হক, আঞ্চলিক সদস্য জোনালী ডেকা পাঠকে আগন্তুক সময়ত পঞ্চায়তখনত কৰিবলগীয়া আঁচনিসমূহৰ সফল ৰূপায়ণৰ ক্ষেত্ৰত ৰাইজৰ সহযোগিতা কামনা কৰি বক্তব্য আগবঢ়ায়। এই সভাত গাঁও পঞ্চায়তখনৰ বিভিন্ন ৰাজহুৱা সমস্যা সমাধানৰ ওপৰত গঠনমূলক আলোচনা কৰা হয়। তদুপৰি গাঁও পঞ্চায়তখনৰ অঞ্চলত উন্নয়নমূলক ভালেমান আঁচনি ৰূপায়ণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। সভাত ৱাৰ্ড সদস্যবৃন্দ প্ৰমুখ্যে পঞ্চায়তখনৰ অধীনস্থ প্ৰায় শতাধিক স্থানীয় লোকে অংশগ্ৰহণ কৰি পঞ্চায়তখনৰ কাম-কাজৰ ওপৰত বক্তব্য দাঙি ধৰে। অৱশ্যে সময়ত পঞ্চায়তখনৰ উন্নয়নৰ স্বাৰ্থত ৰাইজৰ হকে ন-উদ্যমৰে ন-পৰিকল্পনাৰে পূৰ্ণগতিত কাম কৰি যাব বুলি উল্লেখ কৰে পঞ্চায়তখনৰ সভানেত্ৰী দীপাঞ্জলি ভৰালীয়ে।

## যোৰহাটৰ জ্যেষ্ঠ ব্যক্তিক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা

ষ্টাফ ৰিপ'টাৰ

**যোৰহাট, ২১ ডিচেম্বৰ ঃ** পশ্চিম যোৰহাট অঞ্চলৰ ৬০ বছৰৰ ঊৰ্দ্ধৰ ব্যক্তিসকলৰ বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষা কৰাই আৰাধ্যা হেলথ কেয়াৰ ক'অ'পাৰেটিভ ছ'চাইটি লিমিটেডে। পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক সংস্থাৰ আমন্ত্ৰণত পশ্চিম যোৰহাট ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত আৰাধ্য স্বাস্থ্য শিবিৰত ব্যক্তিসকলৰ ছুগাৰ, প্ৰেছাৰ, অক্সিজেন, ইচিজি পৰীক্ষা কৰে ৰাজশ্ৰী চুতীয়া, জোনমণি বৰা, চুমি বণিয়া, পল্লৱী ৰাজগুৰু, প্ৰাঞ্জল বৰা, ৰাজ কাশ্যপ, পৰীমল বৰা, ভাস্কৰ বৰপূজাৰীয়ে। ব্যক্তিসকলৰ স'তে মতবিনিময় কৰি ব্যৱস্থাপত্ৰ লিখি দিয়ে ডাঃ গুণিন্দ্ৰ বৰদলৈয়ে। অনুষ্ঠানত আৰাধ্যাৰ চেয়াৰমেন পলাশ বৰা, ভাইচ চেয়াৰমেন ইভামণি বৰপূজাৰী, প্ৰশাসনিক বিষয়া বৈদুজ্য বিকাশ বৰপূজাৰী, আইন পৰামৰ্শদাতা জুবলি শৰ্মা, সম্পাদক শুভাশিস শইকীয়া, দীপশিখা বৰা, আশিস খাউণ্ড, অনন্যা বৰা, কল্যাণী বৰা, জিন্টী শইকীয়া আৰু পৰীনিতা গগৈ, আৰণী গগৈ বৰা উপস্থিত থাকে। পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক সংস্থাৰ সাধাৰণ সভা গোলাপ বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত হয়। সম্পাদক অজিত বৰাই উদ্দেশ্য ব্যাখ্যা কৰি বিগত দুবছৰত জ্যেষ্ঠ নাগৰিক সংস্থাই কৰা কাম-কাজৰ প্ৰতিবেদনৰ লগতে আয়-ব্যয়ৰ হিচাপ দাখিল কৰে। পূৰ্বৰ সমিতিখন ভংগ কৰি মহেন্দ্ৰ দত্তক সভাপতি, অজিত বৰাক সম্পাদকৰূপে লৈ গঠন কৰা সমিতিখনক আগন্তুক দুবছৰ পশ্চিম যোৰহাট জ্যেষ্ঠ নাগৰিক সংস্থা পৰিচালনা কৰিবলৈ দায়িত্ব অৰ্পণ কৰে। সংস্থাৰ কাৰ্যালয়ৰ নিৰ্মাণ, মুখপত্ৰ প্ৰকাশৰ সিদ্ধান্ত কৰাৰ লগতে অঞ্চলটোৰ সমস্যাসমূহ সমাধানৰ বাবে জিলা প্ৰশাসন আৰু বিভাগক প্ৰস্তাৱ আকাৰে প্ৰদানৰ সিদ্ধান্ত লয়।

## শিশুৰ মস্তিষ্কৰ অস্ত্ৰোপচাৰৰ বাবে ধনৰ সহায় বিচাৰিছে পিতৃ-মাতৃয়ে

**তালাপ, ২১ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ ১২৬ নম্বৰ শদিয়া বিধানসভা সমষ্টিৰ গাখীৰভেটি গাঁও পঞ্চায়তৰ অন্তৰ্গত ধুলিজান গাঁৱৰ পৱনজ্যোতি (পিলিক) মৰাণ আৰু জোনমণি মৰাণৰ একমাত্ৰ পুত্ৰ বিপ্লৱ মৰাণে ভুগি আছে এক জটিল ৰোগত। ধুলিজানস্থিত শ্ৰীশ্ৰীজ্ঞান মন্দিৰ বিদ্যালয়ত প্ৰথম শ্ৰেণীত অধ্যয়নৰত কণমানি শিশুটোৱে ঘৰত খেলি থকাৰ সময়তে মাটিত পৰি যোৱাত মূৰত আঘাত পায়। বিপ্লৱক তিনিচুকীয়াৰ অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হৈছিল যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। যোৱা ৩০ নৱেম্বৰত ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ত শিশুটিক ভৰ্তি কৰাৰ পাছত চিকিৎসকে পৰীক্ষা কৰি শিশুটোৰ মগজুত আঘাত পোৱাৰ ফলত মগজুত তেজ জমা হৈ আছে বুলি অভিভাৱকক জানিবলৈ দিয়ে। মগজুত গুৰুতৰভাৱে আঘাত পোৱা শিশুটোক ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকেও অস্ত্ৰোপচাৰ কৰিবলৈ সাহস কৰিব পৰা নাই। চিকিৎসকে শিশুটোক অস্ত্ৰোপ্ৰচাৰৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰিবলৈ বিচাৰিছে যদিও দৰিদ্ৰ পৰিয়ালৰ পিতৃ-মাতৃ তথা পৰিয়ালে যাবলৈ ইচ্ছা কৰা নাই। আৰ্থিক অনাটনত জীৱন নিৰ্বাহ কৰি থকা অসহায় পিতৃ-মাতৃয়ে নিজৰ পুত্ৰ সন্তানক জীয়াই ৰাখিবলৈ সকলো ত্যাগ কৰিছে যদিও গুৱাহাটীলৈ গৈ সন্তানক চিকিৎসা কৰিবলৈ হাতত নাই ধন। কণমানি শিশুটোক জীয়াই ৰখাৰ স্বাৰ্থত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী ড° কেশৱ মহন্ত, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে সদাশয় ব্যক্তিৰ পৰা সহায় বিচাৰিছে। এই ক্ষেত্ৰত সবিশেষ জানিবৰ বাবে ৬০০০২১৭৭৯৬ আৰু ৯৮৬৪৫১৭৬১৬ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈও অসহায় পৰিয়ালটোৱে কাতৰ আহ্বান জনাইছে।

## টীয়কৰ ড° অকণচন্দ্ৰ শইকীয়ালৈ আনন্দ চন্দ্ৰ বৰুৱা স্মৃতি ৰ'দালি সভা বঁটা

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২১ ডিচেম্বৰ ঃ** ৰ'দালি সভাই প্ৰতিবছৰে আম্ৰকাননৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ স্মৃতিত প্ৰদান কৰি অহা ৰ'দালি সভা বঁটা এই বছৰ টীয়কৰ মিধাখাট নিবাসী, লেখক, অনুবাদক, গৱেষক, কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অকণ শইকীয়াক প্ৰদানৰ বাবে নিৰ্বাচিত কৰিছে। দুই জানুৱাৰীত দিনৰ এক বজাৰ পৰা যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাকক্ষত হ'বলগীয়া সভাত শইকীয়াক বঁটা প্ৰদান কৰিব। 'ইতিবাচক চিন্তাৰে নৱ প্ৰজন্ম সৃষ্টিৰ ক্ষেত্ৰত সামাজিক দায়িত্ব আৰু ভূমিকা' শীৰ্ষক বক্তৃতা প্ৰদান কৰিব ড° বলিন হাজৰিকাই। উক্ত সভাত বিশিষ্ট অতিথিৰূপে নৃপেন দেউৰী উপস্থিত থাকিব। ইবা বৰুৱাৰ গল্প শিখা, শিশু উপন্যাস বৈকুণ্ঠ যাত্ৰা উন্মোচন কৰিব ড° বসন্ত কুমাৰ গোস্বামীয়ে। ৰাইজৰ উপস্থিতি ৰ'দালি সভাৰ সভাপতি জগত বৰঠাকুৰ, কাৰ্যকৰী সভাপতি হেমচন্দ্ৰ শইকীয়া, প্ৰধান সম্পাদক প্ৰতাপ চন্দ্ৰ শৰ্মাই কামনা কৰিছে।



*পথ দুৰ্ঘটনা ৰোধৰ বাবে তেজপুৰত বাটৰ নাট প্ৰদৰ্শন দৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ, মঙলবাৰে।*

## খেতিয়ক, নাপিত, মেকানিককো সমাজে আগস্থান দিয়া উচিত

### ■ দৰঙৰ গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠানত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অধ্যাপকৰ বক্তৃতানুষ্ঠান

অগ্ৰদূত বাৰ্তা,

**মঙলদৈ, ২১ ডিচেম্বৰ ঃ** 'আমি জীৱনটোক এক উপহাৰ হিচাপে পাইছো। যিকোনো উৎসৱ-পাৰ্বণত আমি উপহাৰ পালে যিদৰে আনন্দিত হৈ পৰো, সেইদৰে জীৱনটোক লৈ আমি আনন্দিত হোৱাৰ লগতে উদ্‌যাপন কৰিব পাৰিলে জীৱন হৈ পৰে সুখময়'। এই ভাষ্য আমেৰিকা যুক্তৰাষ্ট্ৰৰ চেম হিউষ্টন ষ্টেট ইউনিভাৰচিটিৰ অধ্যাপক ড° হিৰণ্য কুমাৰ নাথৰ। 'মানুহে মানুহৰ বাবে........, দৰং, অসম'ৰ উদ্যোগত কালি দৰঙৰ গ্ৰামাঞ্চলৰ শিক্ষানুষ্ঠান বৰঙাবাৰী হাইস্কুলত হোৱা শৈক্ষিক বক্তৃতানুষ্ঠান তেওঁ এইদৰে কয়। বৰঙাবাৰী হাইস্কুলৰ প্ৰধান শিক্ষক আনোৱাৰ হুছেইনৰ সঞ্চালনাত দিনৰ ১-৩০ বজাত হোৱা এই বক্তৃতানুষ্ঠানত দৰঙী সু-সন্তান ড° নাথে ছাত্ৰ-ছাত্ৰীক উদ্দেশি কয়, 'তোমালোক ভৱিষ্যতে যি বৃত্তিতে নিয়োজিত নোহোৱা কিয়, মানৱীয় প্ৰমূল্যবোধ থকা সু-নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা উচিত।' খেতিয়ক, নাপিত, মেকানিক, ড্ৰাইভাৰ আদি বৃত্তিত জড়িত সকলকো সমাজে আগস্থান দিয়া, ৰাজহুৱাকৈ সন্মান প্ৰদান কৰা উচিত বুলি উল্লেখ কৰি তেওঁ কয় যে সকলো বৃত্তিৰে সমাজৰ আছে প্ৰয়োজন আৰু গুৰুত্ব। তেওঁ লগতে যিখন সমাজে ইজনে সিজনক সন্মান প্ৰদৰ্শন কৰিব, প্ৰেম-ভালপোৱাৰ চানেকি দাঙি ধৰিব সেইখন সমাজত বসবাস কৰাটো বিচাৰে বুলি ড° নাথে কয়। শিক্ষক মইনুল হক শইকীয়াই আঁত ধৰা এই শৈক্ষিক বক্তৃতানুষ্ঠানত শিল্পী খনিন্দ্ৰ বৰা আৰু কন্দৰ্প কুমাৰ ডেকাৰ সহযোগত ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয় সংগীত আৰু উপস্থিত সকলোৱে সমস্বৰে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে---' পৰিৱেশন কৰা এই অনুষ্ঠানত তনুশ্ৰী বৰাৰ গীত, নিলোৎপল নাথ আৰু কৃতিস্মিতা হাজৰিকাৰ চমু ভাষণে সকলোকে মোহিত কৰে। সভাত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ঘনকান্ত শৰ্মা, মানুহে মানুহৰ বাবে---, দৰং, অসমৰ উপদেষ্টা কিৰীতি বৰা, উপ-সভাপতি শেখৰ মজুমদাৰ, সম্পাদক গণেশ দত্ত, কোষাধ্যক্ষ ৰাতুল ডেকা, সদস্য নিৰ্মালি দেৱী শৰ্মা, জুতিকা নাথ, জিতুমণি হাজৰিকা, ধ্ৰুৱজ্যোতি বৰা, তৃষ্ণা হাজৰিকা, জিতুমণি চহৰীয়াসহ ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী উপস্থিত থাকে।

## কলিয়াবৰৰ মিছাত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২১ ডিচেম্বৰ ঃ** কালি কলিয়াবৰৰ মিছাত উদ্ধাৰ হয় এগৰাকী মহিলাৰ মৃতদেহ। মিছা নদীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয় মহিলাগৰাকীৰ মৃতদেহটো। মহিলাগৰাকী শোণিতপুৰ জিলাৰ বাদুলিপাৰাৰ বৃন্দা গোৱালা বুলি চিনাক্ত কৰা হৈছে। যোৱা ১৯ ডিচেম্বৰত মিছা ৰিজাৰ্ভৰ গণেশ গোৱালাৰ ঘৰলৈ ফুৰিবলৈ আহিছিল মহিলাগৰাকী। সন্ধিয়া শৌচ কৰিবলৈ নদীৰ কাষলৈ গৈছিল বুলি প্ৰকাশ কৰিছে স্থানীয় লোকে। মিছা আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। মহিলাগৰাকীৰ বয়স আনুমানিক ৪০ বছৰ বুলি স্থানীয় লোকে জানিবলৈ দিছে।



# মুখ্যমন্ত্ৰী মমতাৰ কামাখ্যা দৰ্শন ঃ দিদিক

*এক পৃষ্ঠাৰ পৰা* আহি পোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে আধা ঘণ্টা পূজা-পাতল কৰি ৩-৩০ বজাত পুনৰ বাহিৰলৈ ওলাই আহি নিজৰ গাড়ীৰ আসনত বহে। কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজেৰে মন্দিৰ প্ৰাংগণত প্ৰৱেশ-প্ৰস্থান কৰা 'দিদি'য়ে বাতৰি সংগ্ৰহৰ কাৰণে মূল মন্দিৰৰ বাহিৰত অপেক্ষাৰত সাংবাদিকক কাষ চাপিবলৈ সুযোগেই নিদিলে। একপ্ৰকাৰ ক'বলৈ গ'লে বাতৰি সংগ্ৰহৰ কাৰণে কামাখ্যা মন্দিৰত ৰৈ থকা একুৰিৰো অধিক সাংবাদিকলৈ মমতাই এবাৰলৈ ঘূৰিও নাচালে। কেৱল সাধাৰণ দৰ্শকেহে হাত জোকাৰি বিদায় দি গুচি যায়। মূল মন্দিৰৰ বাহিৰত সাংবাদিকৰ স'তে মত-বিনিময় কৰাৰ উদ্দেশ্যে প্ৰশাসনে স্থান নিৰ্ধাৰণ কৰি দিয়াৰ লগতে 'পডিয়াম' স্থাপন কৰি দিছিল যদিও কি কাৰণত পশ্চিমবংগৰ মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকলৈ ঘূৰি নাচালে বুজি পোৱা নগ'ল। নিৰ্ধাৰিত স্থানত ৰৈ থকা সাংবাদিকৰ মাজৰ পৰা বহু কেইগৰাকীয়ে 'দিদি', 'দিদি' 'প্লিজ কমেণ্ট' বুলি কে'বাবাৰো চিঞৰি চিঞৰি অনুৰোধ কৰে যদিও এবাৰলৈও ঘূৰি নাচালে কেমেৰাৰ ফালে। বৰঞ্চ খোজৰ ছন্দে ছন্দে হাত জোকাৰি সাধাৰণ জনতাৰ ফালে মুখ ঘূৰাই হাঁহি হাঁহি বিদায় লৈ সাংবাদিকৰ ফালে এবাৰলৈও ঘূৰি নাচালে। তৃণমূল কংগ্ৰেছৰ অসম ৰাজ্যিক কমিটীৰ এক সূত্ৰই কয় যে আজিৰ কামাখ্যা মন্দিৰ দৰ্শন আছিল মমতা বেনাৰ্জীৰ সম্পূৰ্ণ ব্যক্তিগত আৰু ঘৰুৱা কাৰ্যসূচী। সূত্ৰটোৱে কয় যে আজিৰ অসম ভ্ৰমণৰ লগত তৃণমূল কংগ্ৰেছৰ কোনো দলীয় কাৰ্যসূচী নাছিল।

উল্লেখ্য যে কামাখ্যা মন্দিৰ দৰ্শন কৰাৰ অন্তত মমতা বেনাৰ্জী চুবুৰীয়া ৰাজ্য মেঘালয়লৈ গৈ ন-তৃণমূল কংগ্ৰেছী নেতা মুকুল চাংমাৰ লগত এক বৈঠকত মিলিত হোৱাৰ কথা আছিল যদিও অজ্ঞাত কাৰণত সেই কাৰ্যসূচী বাতিল কৰি পুনৰ কামাখ্যাৰ পৰা কলকাতালৈ উৰা মাৰে। আজি মমতা বেনাৰ্জীৰ মন্দিৰ দৰ্শনৰ সময়ছোৱাত প্ৰদেশ তৃণমূল কংগ্ৰেছৰ নেতা-কৰ্মীৰ সেৰেঙা উপস্থিতিৰ বিপৰীতে হেজাৰ হেজাৰ সাধাৰণ বাঙালী ৰাইজ 'মৰমৰ দিদি'ক ওচৰৰ পৰা এবাৰ দেখা পোৱাৰ উদ্দেশ্যে কামাখ্যা ধামত দিনৰ ১২ বজাৰ পৰাই ভিৰ কৰা পৰিলক্ষিত হয়।

# পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ হ'লে

*এক পৃষ্ঠাৰ পৰা* দেশৰ নাগৰিকৰ সামগ্ৰিক স্বাৰ্থ আৰু উন্নয়নক একাষৰীয়া কৰি সম্প্ৰতি বিজেপিয়ে কেৱল মুষ্টিমেয় পুঁজিপতিৰ স্বাৰ্থত সাম্প্ৰদায়িক ৰাজনীতিৰে জনতাক উন্মাদ কৰিবলৈ উদ্যত হৈছে। বিজেপিৰ এই সাম্প্ৰদায়িক ৰাজনীতিৰ ধাৰা অব্যাহত থাকিলে দেশৰ জনতাই দুৰ্ভোগ ভুগিব লাগিব। এই মন্তব্য জ্যেষ্ঠ বাওঁপন্থী নেতা হেমেন দাসৰ।

মহানগৰীৰ হেদায়েৎপুৰস্থিত দলৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত অহা ২৬ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া নন্দেশ্বৰ তালুকদাৰৰ জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ কাৰ্যসূচী সন্দৰ্ভত সংবাদমেল সম্বোধন কৰি জ্যেষ্ঠ বাওঁপন্থী নেতা দাসে কয়, 'সাম্প্ৰদায়িক ৰাজনীতি আৰু নব্য উদাৰনৈতিক অৰ্থনীতিয়ে লগ লাগি দেশৰ ৰাজহুৱা সম্পদ পুঁজিপতিৰ হাতত গতাই দিয়া প্ৰক্ৰিয়া পূৰ্ণ গতিত চলি আছে। সাধাৰণ জনতাৰ অসচেতনতাৰ সুযোগ লৈ বিজেপিয়ে সাম্প্ৰদায়িক ৰাজনীতিৰে জনতাক উন্মাদ কৰি মাত্ৰ কেইজনমান পুঁজিপতিৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ উঠি পৰি লাগিছে। ইয়াৰ পৰিণাম ভয়ংকৰ হ'ব।'

দেশৰ ৰাজহুৱা সম্পদ পুঁজিপতিৰ হাতত গতাই দিবলৈ হ'লে বিজেপিৰ ওচৰত সাম্প্ৰদায়িক ৰাজনীতিৰ কোনো বিকল্প নাই বুলিও জ্যেষ্ঠ বাওঁপন্থী নেতাগৰাকীয়ে আজি উদ্বেগ প্ৰকাশ কৰে। সাম্প্ৰতিক সময়ৰ ভাৰতৰ বিধ্বস্ত অৰ্থনীতি, দুৰ্নীতি, নিবনুৱা সমস্যা আৰু কেৱল বিজ্ঞাপনৰ মাজত লুকাই থকা বিকাশৰ আচল স্বৰূপ ঢাকি ৰখাৰ স্বাৰ্থতেই সাম্প্ৰদায়িক ৰাজনীতি অবিহনে বিজেপিৰ জনতাৰ কাষ চপাৰ কোনো পথ নাই বুলিও দাসে কটাক্ষ কৰে।

শাসকীয় বিজেপিৰ আগ্ৰাসী আৰু দমনমূলক নীতিক সমালোচনা কৰি প্ৰাক্তন বিধায়ক দাসে কয়, 'ৰাইজে ভাবিছিল যে বিজেপিয়ে কেৱল বিৰোধী ৰাজনীতিক আৰু দলৰ ওপৰতহে আক্ৰমণ চলাইছে; কিন্তু প্ৰকৃত সত্যটো হ'ল, সংবাদ মাধ্যমৰ ওপৰত বিভিন্ন ধৰণে হেঁচা দি অথবা বল প্ৰয়োগ কৰি ৰাইজৰ মাজলৈ চৰকাৰখনৰ জনবিৰোধী কাম-কাজসমূহৰ প্ৰচাৰ কৰাৰ ক্ষেত্ৰতো যথেষ্ট বাধাৰ সৃষ্টি কৰিছে।'

ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী ঔপনিবেশিক ব্ৰিটিছ চৰকাৰৰ ওচৰত প্ৰথম চিপিআই (এম) দলেই উত্থাপন কৰিছিল বুলি সোঁৱৰাই দি দাসে কয় যে ভাৰতৰ স্বাধীনতা প্ৰাপ্তিত বাওঁপন্থী স্বাধীনতা সংগ্ৰামীসকলৰ অৱদান অতুলনীয় আৰু ই ইতিহাসৰ পাতত লিপিবদ্ধ হৈ আছে। তেওঁ কয়, 'জাতিৰ পিতা মহাত্মা গান্ধীকে ধৰি কংগ্ৰেছে ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ বিৰোধিতা কৰিছিল। চিপিআই (এম)ৰ ১৯২১ৰ আহমেদাবাদত অনুষ্ঠিত কংগ্ৰেছ অধিবেশনত ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী উত্থাপন কৰিছিল। শেষত উপায়ান্তৰ হৈ ১৯২৯ত পণ্ডিত জৱাহৰলাল নেহৰুৱে কংগ্ৰেছৰ লাহোৰ অধিবেশনত বাওঁ দলৰ 'ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতাৰ যি দাবী তাক প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল।'

ভাৰতৰ স্বাধীনতা আন্দোলন আৰু বিশেষকৈ অসমৰ কৃষক সমাজক সংগঠিত কৰাৰ ক্ষেত্ৰত নন্দেশ্বৰ তালুকদাৰৰ অৱদান চিৰস্মৰণীয় বুলি উল্লেখ কৰি দাসে কয় যে অবিভক্ত গোৱালপাৰা জিলাৰ কৃষকক সংগঠিত কৰি আন্দোলন কৰাৰ অপৰাধত তালুকদাৰক আঠ মাহ ধৰি তোৰা জেলত বন্দী কৰি ৰাখিছিল। স্বাধীনতা সংগ্ৰামৰ প্ৰতি নন্দেশ্বৰ তালুকদাৰৰ যি অৱদান, এই অৱদানক ইতিহাসে কেতিয়াও পাহৰি নাযায় বুলি উল্লেখ কৰি প্ৰাক্তন বিধায়ক দাসে লগতে কয় যে তালুকদাৰ কেৱল স্বাধীনতা সংগ্ৰামীয়েই আছিল তেনে নহয়, অসমৰ কৃষক শ্ৰেণীক সংগঠিত কৰাৰ ক্ষেত্ৰতো নন্দেশ্বৰ তালুকদাৰৰ বৰঙণি উল্লেখযোগ্য।

আজিৰ সংবাদমেলত প্ৰাক্তন বিধায়ক দাসে অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্য চৰকাৰক বিধানসভাৰ মজিয়াত সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন প্ৰত্যাহাৰৰ দাবীত প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

উল্লেখ্য যে বিশিষ্ট স্বাধীনতা সংগ্ৰামী, অসমৰ কমিউনিষ্ট আন্দোলনৰ অন্যতম মহীৰুহ তথা প্ৰতিষ্ঠাপক, চিপিআই (এম)ৰ অসম ৰাজ্যিক কমিটীৰ প্ৰাক্তন সম্পাদক নন্দেশ্বৰ তালুকদাৰৰ জন্মৰ এশটা বছৰ অহা ২৬ ডিচেম্বৰত সম্পূৰ্ণ হ'ব। ইতিপূৰ্বে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত তালুকদাৰৰ জন্ম-শতবাৰ্ষিকী বছৰজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছে।

জন্ম-শতবৰ্ষ উদ্‌যাপনৰ কাৰ্যসূচী সন্দৰ্ভত প্ৰকাশ কৰি নন্দেশ্বৰ তালুকদাৰৰ জন্ম-শতবৰ্ষ উদ্‌যাপন সমিতি, অসমৰ সাধাৰণ সম্পাদক ইচফাকুৰ ৰহমানে কয়, কাৰ্যসূচীসমূহৰ মাজেৰে নন্দেশ্বৰ তালুকদাৰক কেৱল শ্ৰদ্ধাৰে স্মৰণ কৰাই নহয়, ব্ৰিটিছ-বিৰোধী স্বাধীনতা আন্দোলনত অসমৰ কমিউনিষ্টসকল আৰু কৃষক আন্দোলন তথা প্ৰগতিশীল ছাত্ৰ-আন্দোলনৰ বীৰত্বপূৰ্ণ ভূমিকাকো স্মৰণ কৰা হয়। ৰহমানে লগতে কয় যে দেশে স্বাধীনতা অৰ্জনৰ পৰৱৰ্তী বছৰবোৰত ৰাজনৈতিক স্বাধীনতা অৰ্জনৰ উপৰি সামাজিক বৈষম্যৰ অৱসান আৰু অৰ্থনৈতিক সমতা স্থাপনৰ লক্ষ্যৰে সমাজতান্ত্ৰিক ৰাষ্ট্ৰ নিৰ্মাণৰ হেতু কমিউনিষ্ট আৰু বাওঁপন্থী তথা প্ৰগতিশীল আন্দোলনবোৰৰ গৌৰৱোজ্জ্বল ঐতিহ্যৰ আঁত ধৰি বৰ্তমানৰ আন্দোলন-সংগ্ৰামক আগুৱাই নিয়াৰো সংকল্প গ্ৰহণ কৰা হ'ব।

২৬ ডিচেম্বৰত মহানগৰীৰ মাছখোৱাস্থিত প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পৰ মূল প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া জন্ম-শতবৰ্ষ উদ্‌যাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব চিপিআই (এম)ৰ সাধাৰণ সম্পাদক সীতাৰাম য়েচুৰীয়ে। উক্ত অনুষ্ঠানতে 'ভাৰতৰ স্বাধীনতা সংগ্ৰামত কমিউনিষ্টসকলৰ ভূমিকা আৰু বৰ্তমান সময়' শীৰ্ষক বিষয়ৰ ওপৰত য়েচুৰীয়ে বক্তৃতা প্ৰদান কৰিব। অনুষ্ঠানত লগতে অংশগ্ৰহণ কৰিব বিশিষ্ট সমালোচক ড° হীৰেন গোহাঁই, সাহিত্যিক নিৰুপমা বৰগোহাঞি, শিল্পী সুদক্ষিণা শৰ্মা, প্ৰবীণ বাওঁপন্থী বুদ্ধিজীৱী, অৰনী বৰঠাকুৰকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে।

# যোৰহাটত আৰক্ষীৰ জিম্মাৰ পৰাই

*এক পৃষ্ঠাৰ পৰা* হাতে-লোটে ধৰি অনা এজন অভিযুক্ত এইদৰে নিৰুদ্দেশ হোৱা বিষয়টোৱে যথেষ্ট প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰে। আনকি আৰক্ষীয়েই পচাক পলুৱাই পঠিয়ালে বুলিও বহুতে সন্দেহ ব্যক্ত কৰিছিল। এই সমগ্ৰ বিষয়ত আৰক্ষীয়ে নীৰৱতা অৱলম্বন কৰিলেও আজি প্ৰকৃত তথ্য পোহৰলৈ আহে। আৰক্ষীৰ জিম্মাৰ পৰা কালিয়েই পলায়ন কৰিছিল পচাই।

উল্লেখ্য যে ড্ৰাগছৰ ব্যৱসায়ৰ লগতে পচাৰ নেতৃত্বত এদল লোকে দীঘদিনৰ পৰা নানা অসামাজিক কামত জড়িত হৈ আছিল। আনকি মাৰপিট, গুণ্ডাগিৰি আদিতো লিপ্ত আছিল। পচা বাহিনীৰ অত্যাচাৰত অতিষ্ঠ হৈয়ে কালি বিহুলি হৰিজন কলনীৰ শ শ চাফাই কৰ্মী ওলাই আহি পচাক গ্ৰেপ্তাৰৰ দাবী জনায়। ফলত উপায়হীন হৈ পচাক চাৰিজন সংগীসহ আটক কৰিছিল আৰক্ষীয়ে। সেই দৃশ্য বহু লোকে প্ৰত্যক্ষ কৰিছিল। তাৰ পাছতে বহুত প্ৰশ্ন হৈছিল প্ৰতিবাদকাৰীসকলৰ। অৱশ্যে সেয়া আৰক্ষীৰ এখন নাটকহে আছিল বুলি সম্প্ৰতি অভিযোগ উঠিছে। পচাৰে সু-সম্পৰ্ক থকা আৰক্ষীয়ে মাজবাটতে ড্ৰাগছ মাফিয়াজনক পলাবলৈ সুযোগ দিয়া বুলিও অভিযোগ উঠিছে। এনে সন্দৰ্ভত যোৰহাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃন্ময় গোস্বামীৰে যোগাযোগ কৰাত তেওঁ কালি পচাক আটক কৰা হোৱা নাছিল বুলিহে মন্তব্য কৰে। আৰক্ষী বিষয়াজনে আৰু কয় যে সম্প্ৰতি পচাক বিচাৰি থকা হৈছে। অৱশ্যে আৰক্ষী বিষয়াজনৰ এই ভাষ্য সহজভাৱে গ্ৰহণ কৰা নাই যোৰহাটৰ ৰাইজে। উল্লেখ্য যে নগৰৰ হৰিজন কলনীত দীঘদিন ধৰি চলা বহু ড্ৰাগছ, জুৱা আদিৰ বিৰুদ্ধে মাত মতা প্ৰায় আঠ জন লোকক মাফিয়া পচা বাহিনীয়ে ছমাহৰ পূৰ্বে ঘপিয়াই আহত কৰিছিল। সেই অভিযোগতো পাছত যে তিনি মাহৰ পূৰ্বে কাৰাগাৰৰ পৰা মুকলি হৈ আহিছিল পচা। কাৰাগাৰৰ পৰা ওলায়েই পচাবাহিনীয়ে পুনৰ ড্ৰাগছ আৰু জুৱা আদো চলোৱাত কালি স্থানীয় লোক ওলাই আহি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে। তেতিয়াই আৰক্ষীয়ে পচাসহ পাঁচজন ড্ৰাগছ মাফিয়াক আটক কৰি থানালৈ নিয়ে, কিন্তু থানা পোৱাৰ পূৰ্বে পচাই পলায়ন কৰে। আৰক্ষীয়ে ঘটনাটো গোপন কৰি ৰাখিছিল যদিও আজি বিশেষ শাখাৰ আৰক্ষী সঞ্চালক জি পি সিং যোৰহাটলৈ অহাৰ পাছত এই কথা পোহৰলৈ আহে। উল্লেখ্য যে ৰাজ্যত সম্প্ৰতি অপৰাধী গ্ৰেপ্তাৰ হোৱাৰ পাছত আৰক্ষী জিম্মাৰ পৰা পলায়ন কৰিলে গুলিয়াই দিয়া এক প্ৰক্ৰিয়া যেন এইবাৰ স্বাভাৱিক হৈ পৰিছে। তেনে অৱস্থাত পলায়ন কৰাৰ সময়ত পচাক আৰক্ষীয়ে কিয় গুলিবৰ্ষণ নকৰিলে বুলিও সম্প্ৰতি প্ৰশ্ন উত্থাপন হৈছে।

# যোৰহাট সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত

*এক পৃষ্ঠাৰ পৰা* হ'ব।' আজি যোৰহাটত এই মন্তব্য কৰে ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে। দিনদুপৰতে এজন তেজাল যুৱকক নগৰৰ মাজ-মজিয়াত একাংশ বৰ্বৰ লোকে হানি-খুচি হত্যা কৰা ঘটনাৰ তদন্তৰ অগ্ৰগতিৰ বুজ ল'বলৈ আজি যোৰহাটত উপস্থিত হয়হি ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালকজন। আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত আৰক্ষী উপ মহাপৰিদৰ্শক (উজনি অসম) মৃদুলানন্দ শৰ্মা, আৰক্ষী অধীক্ষক অংকুৰ জৈনকে ধৰি উচ্চপদস্থ বিষয়াৰ উপস্থিতিত তেওঁ গোচৰৰ অগ্ৰগতিৰ বুজ লয়।

বৈঠকৰ পাছতে সাংবাদিকৰ আগত শীৰ্ষ আৰক্ষী বিষয়াজনে কয়, 'তদন্ত প্ৰায় শেষ পৰ্যায়ত উপনীত হৈছেহি। আৰু ১০-১২ দিন লাগিব।' তাৰ পাছতে অভিযোগনামা দাখিল কৰা হ'ব বুলি উল্লেখ কৰি সিঙে কয় যে তদন্ত প্ৰক্ৰিয়া চলাই নিব পৰাকৈ সকলোবোৰ সাক্ষ্য-প্ৰমাণ পোৱা গৈছে। ঘটনাৰ সাক্ষী দিবলৈ নহা বুলি উত্থাপিত অভিযোগ খণ্ডন কৰি তেওঁ কয়, 'ঘটনাৰ সন্দৰ্ভত যথেষ্টসংখ্যক লোকে আদালতত সাক্ষ্য দিছে। তদুপৰি, ম'বাইলৰ ৰেকৰ্ডিং, চিচি টিভিৰ ৰেকৰ্ডিং পৰ্যাপ্ত পৰিমাণে মজুত আছে। সাধাৰণ নাগৰিকৰ উপৰি আমাৰ আৰক্ষীৰ লোকো প্ৰত্যক্ষদৰ্শী আছে। গতিকে এইবোৰক আধাৰৰূপে লৈ এখন শক্তিশালী অভিযোগনামা দাখিল কৰিব পৰা হ'ব।' এই সন্দৰ্ভত বিশেষ আৰক্ষী সঞ্চালক প্ৰধানজনে লগতে যে ঘটনাৰ লগত সম্পৰ্ক থকা বহুতো তথ্য-প্ৰমাণ গুৱাহাটীলৈ ফৰেন্সিক প্ৰমাণৰ বাবে প্ৰেৰণ কৰা হৈছে, সেই ফলাফল অহা ১০-১২ দিনৰ ভিতৰতে পোৱা যাব। ইপিনে, ভিডিঅ' ফুটেজসমূহত ঘটনাৰ প্ৰত্যক্ষদৰ্শী দেখা গৈছে আৰু তেওঁলোকৰ সাক্ষ্য গোচৰটোৰ শক্তিশালী সাক্ষ্যৰূপে আদালতত প্ৰদৰ্শন কৰিব পৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। সাংবাদিকৰ আন এক প্ৰশ্নৰ উত্তৰত আইন-শৃংখলাৰ বিশেষ দায়িত্বত থকা শীৰ্ষ বিষয়াজনে কয়, 'যোৰহাটৰ এই ঘটনাটোক যথেষ্ট গুৰুত্ব সহকাৰে লোৱা হৈছে। তদন্তও ক্ষিপ্ৰ গতিত চলি আছে। দোষী কোনো কাৰণতে সাৰি যাব নোৱাৰে।' উল্লেখ্য যে কিছুদিন পূৰ্বে অনিমেষ-হত্যাৰ হত্যাৰ গোচৰৰ সাক্ষ্য দিবলৈ কোনো লোক ওলাই অহা নাই বুলি আৰক্ষীয়ে সদৰী কৰিছিল। সেই কথাই যোৰহাটবাসীক পুনৰ লজ্জানত কৰাৰ শংকা কৰা হৈছিল। দিও আজি শীৰ্ষ আৰক্ষী বিষয়াজনৰ ভাষ্যই সেই শংকা দূৰ কৰিলে।

ইফালে, আৰক্ষী প্ৰশাসনৰ চৰম ব্যৰ্থতা আৰু অকৰ্মণ্যতাৰ বিৰুদ্ধে সৰ্বত্ৰে চৰ্চা চলি থকাৰ মাজতে আজি ৰাজ্যৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধান সিঙে জিলাখনৰ আইন-শৃংখলাজনিত পৰিস্থিতিৰ বুজ লোৱাৰ পাছতে যোৰহাট সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চিদানন্দ বৰাক তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ শাস্তিমূলক বদলিৰ নিৰ্দেশ দিয়ে। এই কথাই স্বাভাৱিকতে জিলাখনৰ আৰক্ষী প্ৰশাসনত জোকাৰণি তুলিছে। তৎকালীন বদলিৰ নিৰ্দেশ পোৱা ভাৰপ্ৰাপ্ত বিষয়াজন মাত্ৰ ছমাহৰ পূৰ্বেহে জিলাখনলৈ বদলি হৈ আহিছিল। সেয়ে বিষয়াজন সমগ্ৰ ঘটনাত বলিৰ পঠা হোৱা বুলিহে এটা মহলত চৰ্চা চলিছে। কিয়নো বৰাই যোগদান কৰাৰ আগৰে পৰাই যোৰহাটত আৰক্ষীৰ স্থিতি আছিল অতি দুৰ্বল। ড্ৰাগছ, জুৱাৰ অবাধ প্ৰচলন, অসামাজিক কাম-কাজৰ ঘাটি হৈ পৰা যোৰহাট এক প্ৰকাৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিছিল। গতিকে সেই পৰিস্থিতিৰ বাবে জগৰীয়া আগৰে পৰা কাৰ্যনিৰ্বাহ কৰি থকা শীৰ্ষ বিষয়াসকল ধোৱা তুলসীৰ পাত হৈ থাকিল বুলি যোৰহাটবাসীৰ মাজত চৰ্চা হৈছে।

### ড্ৰাগছৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ নিৰ্দেশ

যোৰহাটত ড্ৰাগছ মাফিয়া কুলা ল'ৰা, পচা আদিৰে মিতিৰালি কৰি থকা যোৰহাট আৰক্ষীক আজি ড্ৰাগছকে ধৰি সকলো অসামাজিক কাম-কাজৰ বিৰুদ্ধে কঠোৰ হ'বলৈ কঠোৰ নিৰ্দেশ দিয়ে বিশেষ আৰক্ষী সঞ্চালক প্ৰধান সিঙে। সন্দেহজনক স্থানসমূহত অভিযান চলাবলৈ নিৰ্দেশ দিয়াৰ উপৰি তেওঁ নগৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহতো তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আৰু মহাবিদ্যালয়-বিদ্যালয়সমূহৰ কাষৰ গুমটি, পাণ-দোকান আদিত তালাচী চলাবলৈ নিৰ্দেশ দিয়ে। উল্লেখ্য যে উজনিৰ জিলাকেইখনৰ আইন-শৃংখলা পৰিস্থিতিৰ বুজ ল'বলৈ অহা বিশেষ আৰক্ষী সঞ্চালক প্ৰধানজনে আজি যোৰহাটতে নিশা কটাব আৰু কাইলৈ শিৱসাগৰলৈ ৰাওনা হ'ব।

# নিৰ্বাচনৰ পূৰ্বে চৰকাৰে ঘোষণা

*এক পৃষ্ঠাৰ পৰা* চৰকাৰে ২৪ টা নতুন মহকুমা ৰাজ্যত ঘোষণা কৰিছিল। বৃহৎ ধুমধামেৰে মহকুমা গঠনৰ অনুষ্ঠানো আয়োজন কৰা হৈছিল; কিন্তু ছবছৰ পাছতো মহকুমাবোৰ কাৰ্যক্ষম নহ'ল। তাৰে অন্যতম এটা মহকুমা সৰভোগ বুলি আজি অসম বিধানসভাত উল্লেখ হয়। মহকুমাটোৰ সন্দৰ্ভত সৰভোগৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত প্ৰশ্ন কৰে যে আজিলৈকে মহকুমাটো কাৰ্যকৰী নোহোৱাৰ কাৰণ কি? অথচ বহু ধুমধামেৰে সৰভোগক মহকুমা ঘোষণাৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। তদুপৰি তালুকদাৰে কয়, 'আজিৰ মন্ত্ৰী আৰু তেতিয়াৰ সৰভোগৰ বিধায়কগৰাকীয়ে এই অনুষ্ঠানত সৰভোগ মহকুমা উদ্বোধন কৰি এয়া তেওঁৰ কৃতিত্ব বুলি দাবী কৰিছিল। বিধায়কৰ পৰা তেওঁ এতিয়া মন্ত্ৰী হ'ল। মন্ত্ৰী হৈ মহকুমাটো তেওঁ কাৰ্যকৰী কৰিব নোৱাৰে নেকি? মোক যিটো উত্তৰ সৰভোগসহ ২৪ টা ঘোষিত মহকুমাৰ ক্ষেত্ৰত দিয়া হৈছে তাক লৈ মই সন্তুষ্ট নহয়।' লক্ষ্যণীয়ভাৱে তালুকদাৰৰ প্ৰশ্নৰ উত্তৰ দিবলগীয়া হয় মন্ত্ৰী দাসে। তেওঁ কয়, 'এটা মহকুমা হ'ব লাগিলে দুটা চক্ৰ, দুখন আৰক্ষী থানা, দুটা উন্নয়ন খণ্ড আৰু চাৰি লাখতকৈ অধিক জনসংখ্যা থাকিব লাগে। ২০১৬ৰ নিৰ্বাচনৰ আগমুহূৰ্তত যি ২৪ টা মহকুমা ঘোষণা কৰা হৈছিল সেইবোৰ চৰ্তবোৰৰ ভিতৰত পৰে নে নপৰে তাক পৰ্যালোচনাৰ প্ৰয়োজন আছে। চৰ্তবোৰ বিতংকৈ আলোচনা কৰিহে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিব।' জনীয়াৰ বিধায়ক ৰফিকুল হুছেইনে কলগাছিয়াকো মহকুমা ঘোষণা কৰিব লাগে বুলি দাবী জনায়। অৱশ্যে মন্ত্ৰী দাসে সেই দাবী নাকচ কৰি কয় যে সৰভোগ আৰু কলগাছিয়া ওচৰা ওচৰি ঠাই। কলগাছিয়াৰ পৰা জিলা সদৰ বৰপেটা মাত্ৰ ১২ কিলোমিটাৰহে নিলগত। উল্লেখ্য যে বৰপেটা জিলাত সৰভোগ আৰু কলগাছিয়াক লৈ নতুন মহকুমা গঠনৰ দাবী দীৰ্ঘদিনৰে পৰা উত্থাপিত হৈ আহিছে। কিন্তু ওচৰা-ওচৰিকৈ থকা বাবে যিকোনো এটাহে মহকুমা হ'ব পাৰে বুলি কংগ্ৰেছ চৰকাৰৰ দিনত বাদানুবাদ চলে। শেষত সৰভোগক মহকুমা ঘোষণা কৰা হয়।

# ১০ মিনিট অভিভাৱকহীন সদন

*এক পৃষ্ঠাৰ পৰা* নিয়ন্ত্ৰণৰ চেষ্টা চলায়ো ব্যৰ্থ হয়। অৱশেষত অসহায়ভাৱে তেওঁ কয়, 'প্ৰশ্নোত্তৰত বিতৰ্ক নহয়; কিন্তু আপোনালোকে বাৰে বাৰে মই কোৱা সত্ত্বেও বিতৰ্ক কৰিছে। গতিকে মই ১০ মিনিট আপোনালোকক এৰি দিছো। কাজিয়া কৰে যদি কৰক। ইয়াত এতিয়া কোনো অভিভাৱক নাই। যিয়ে যি পাৰে কৰক।' অধ্যক্ষৰ নজিৰবিহীন এই ঘোষণাৰ পাছত বিধায়কসকলৰ মাজত বাকযুদ্ধ অব্যাহত থাকে। কিছু সময় পাছত শাসক পক্ষৰ একাংশ বিধায়কে ১০ মিনিট শেষ হোৱা বুলি অধ্যক্ষক জনায়। অধ্যক্ষই তেতিয়া দুই মিনিট বাকী থকা বুলি কয়। সেই দুই মিনিটতো যাৰ যি ইচ্ছা তাকে কৰিবলৈ কয়। অধ্যক্ষৰ এই স্থিতিক আক্ষেপ কৰি এআইইউডিএফৰ চুজামুদ্দিন লস্কৰে কয়, 'ছাৰ এনেকৈ ১০ মিনিট পাৰ হৈ গ'লে আমাৰ প্ৰশ্নবোৰৰ কি হ'ব? আপুনি ১০ মিনিট পাছত বঢ়াই দিব।' অধ্যক্ষই এই আহ্বানৰ উত্তৰ নিদি মনে মনে বহি থাকে। ১০ মিনিট পাছত অধ্যক্ষই পুনৰ তেওঁৰ দায়িত্বলৈ উভতি যায়।

ইয়াৰ পূৰ্বে উত্থাপিত প্ৰশ্নটোৰ প্ৰসংগত মন্ত্ৰী দাসে সদৰী কৰে যে অসমে ৮.৫৬ লাখ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নতুন ঘৰ লাভ কৰিছে। তাৰ বাবে অসম চৰকাৰক সকলোৱে ধন্যবাদহে দিব লাগে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই আঁচনিখনত যথেষ্ট অনিয়ম হোৱা বুলি অভিযোগ কৰি বিধানসভাৰ নীতি-নিয়মৰ মাজেৰে আলোচনাৰ প্ৰস্তাৱ আনিব বুলি জনায়। কংগ্ৰেছৰ ভৰত চন্দ্ৰ নৰহে কৰ্তন প্ৰস্তাৱৰ জৰিয়তে এই আলোচনা আনিব পাৰে বুলি কয়। অধ্যক্ষ দৈমাৰীয়ে তেতিয়া কয়, 'তেনে আলোচনাৰ কোনো প্ৰক্ৰিয়াই আপোনালোকে কৰা নাই।' কংগ্ৰেছৰ জাকিৰ হুছেইন লস্কৰে বহু হিতাধিকাৰীয়ে এটা কিস্তিৰহে ধন লাভ কৰা বুলি অভিযোগ কৰে। ইয়াৰ উত্তৰত মন্ত্ৰী দাসে কয় যে কিছুমান লোকে ধন লাভ কৰিও ঘৰ সজা নাই। এইসকলক পৰৱৰ্তী কিস্তিৰ ধন দিয়া হোৱা নাই। ভাৰত চৰকাৰে অসমৰ ক্ষেত্ৰত কেঁচা ঘৰৰ সংজ্ঞা সলনি কৰিব লাগে বুলি আশ্ৰাফুল হুছেইনে প্ৰস্তাৱ আগবঢ়ায়। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত অনিয়মৰো অভিযোগ তেওঁ কৰে; কিন্তু মন্ত্ৰী দাসে অভিযোগৰ বিষয়টো এৰাই চলাৰ চেষ্টা চলায়। তাকে লৈ বিতৰ্কৰ সূত্ৰপাত হয়। তাৰ পৰিণতিতে ১০ মিনিটৰ বাবে আজি বিধানসভা অভিভাৱকহীন হয়।

# অসমৰ বাসিন্দাক মেঘালয়ত

*এক পৃষ্ঠাৰ পৰা* বিৰোধী বিধায়কৰ লগতে সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী অতুল বৰায়ো উদ্বেগ প্ৰকাশ কৰে। বিধানসভাৰ শূন্য কালত কংগ্ৰেছৰ বিধায়িকা নন্দিতা দাসে তেওঁৰ বকো সমষ্টিৰ অন্তৰ্গত দক্ষিণ কামৰূপৰ কে'বাটাও অঞ্চলত মেঘালয়ৰ দুষ্কৃতিকাৰীয়ে বলপূৰ্বকভাৱে অসমৰ লোকক মেঘালয়ত চামিল কৰিব বিচৰা বুলি মন্তব্য কৰে। তেওঁ কয়, 'বিভিন্ন ধৰণে অত্যাচাৰ, ভাবুকি সীমান্তৰ অসমৰ লোকক দিয়া হৈছে। সীমা বিবাদৰ ওৰ পেলাবলৈ যুটীয়া নিৰীক্ষণ সমিতিৰ দল যোৱাৰ আগমুহূৰ্তত সভাৰ বেনাৰ পৰ্যন্ত ফালি পেলোৱা হৈছিল। মেঘালয়ত নাযাও বুলি যিসকল লোকে কৈছে তেওঁলোকক মেঘালয়ৰ দুষ্কৃতিকাৰীয়ে ধাৰাবাহিকভাৱে কৰা অত্যাচাৰক অসম চৰকাৰে গুৰুত্বসহকাৰে ল'ব লাগে।' বিধায়িকাগৰাকীয়ে সীমান্ত অঞ্চলত নিৰাপত্তা বৃদ্ধি কৰিবলৈ চৰকাৰক দাবী জনায়। তেওঁ লগতে পৰামৰ্শ দিয়ে যে অসম চৰকাৰে চূড়ান্ত সিদ্ধান্ত লোৱাৰ পূৰ্বে কোন কোন লোকে অসমত থাকিব বিচাৰে তাৰ এক গোপন জৰীপ হ'ব লাগে।

বিধায়িকাগৰাকীৰ এই বক্তব্যৰ পাছত মন্ত্ৰী অতুল বৰাই কয় যে সীমা সমস্যা সমাধানৰ বাবে বিবদমান অঞ্চলবোৰলৈ যাওঁতে আশা নকৰা বহু দৃশ্য নিজেই প্ৰত্যক্ষ কৰিছিল। বৰাই কয়, 'চুবুৰীয়া চাৰিখন ৰাজ্যৰ লগত থকা অসমৰ সীমা বিবাদ দীৰ্ঘদিনীয়া। সেই বিবাদৰ ওৰ পেলাবলৈ আমাৰ চৰকাৰে চেষ্টা কৰিছে। তাৰ বাবেই যৌথ নিৰীক্ষণ সমিতি কৰা হৈছে। এই নিৰীক্ষণ সমিতিয়ে বহু অপ্ৰীতিকৰ ঘটনা প্ৰত্যক্ষ কৰে। আমি যিকেইটা অঞ্চললৈ গৈছিলো তাত কেতবোৰ আশা নকৰা পৰিস্থিতি প্ৰত্যক্ষ কৰিছিলো। মেঘালয় সীমান্তত অসমৰ যথেষ্ট গাৰো লোক আছে। আমাক বহু গাৰো লোকে অভিযোগ কৰে যে মেঘালয়ৰ লগত থাকিবলৈ তেওঁলোকক ৰাজ্যখনৰ আৰক্ষী আৰু দুষ্ট চক্ৰ বিভিন্ন ধৰণে হেঁচা দিছে। অথচ সেই মানুহবোৰৰ ভোট অসমত আছে। অসম চৰকাৰে তেওঁলোকক ক'ভিডৰ প্ৰতিষেধকো দিছে। তাৰ পাছতো কাৰোবাৰ উচটনিতে হওক বা অন্য কাৰণত মানুহবোৰে মেঘালয়ত থাকিব বিচাৰে। অথচ মানুহবোৰে অসমৰ লগত থাকিব বিচাৰি বকো আৰক্ষী থানাত ধৰ্ণাও দিছিল।' নন্দিতা দাসে মন্ত্ৰীৰ বক্তব্যৰ পাছত কয় যে যুটীয়া নিৰীক্ষণ সমিতিৰ দল বিবদমান অঞ্চলত উপস্থিত হোৱাৰ দিনা মেঘালয়ৰ দুষ্কৃতিকাৰীয়ে অসমৰ লগত থাকিব বিচৰা লোকসকলক বলপূৰ্বকভাৱে ঘৰৰ ভিতৰত আবদ্ধ কৰি ৰাখিছিল। তাৰ পৰিৱৰ্তে মেঘালয়ৰ লগত থাকিব বিচৰাসকলক সভালৈ প্ৰেৰণ কৰিছিল। সীমান্ত অঞ্চলৰ অসমৰ লোকক নিৰাপত্তা প্ৰদানৰ ব্যৱস্থা অসম চৰকাৰে কৰা বুলি মন্ত্ৰী বৰাই জানিবলৈ দিয়ে।

# দিল্লীত গৃহমন্ত্ৰীৰ উপস্থিতিত

*এক পৃষ্ঠাৰ পৰা* আমাৰ প্ৰক্ৰিয়া চলি আছে। কাইলৈ মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড চাংমা গুৱাহাটীলৈ আহিব। প্ৰথম পৰ্যায়ত আমি যিকেইটা অঞ্চলৰ সমস্যা সমাধানৰ পদক্ষেপ লৈছো তাৰ চূড়ান্ত প্ৰতিবেদন দাখিলৰ সন্দৰ্ভতে আমাৰ আলোচনা হ'ব। অৰুণাচল আৰু মেঘালয়ক লৈ মই যথেষ্ট আশাবাদী। অকণমান বহল মন ল'লে সীমাক লৈ বহুত জটিলতা নহয়। অৰুণাচলত কালিলৈকে অসমীয়া ভাষা আছিল। অৱশ্যে মিজোৰাম আৰু নগালেণ্ডৰ লগত থকা সমস্যা অলপ সুকীয়া।'

গৃহমন্ত্ৰী শ্বাহৰ লগত অৰুণাচলৰ চাকমা সমস্যাক লৈয়ো আলোচনা হয় বুলি শৰ্মাই সদৰী কৰে। আজি গুৱাহাটীলৈ উভতি অহাৰ পূৰ্বেও পুনৰ গৃহমন্ত্ৰীজনক সাক্ষাৎ কৰে। এই সাক্ষাতত মণিপুৰৰ নিৰ্বাচনক লৈ আলোচনা কৰা হয়। উল্লেখ্য যে কালি মুখ্যমন্ত্ৰী শৰ্মা বিধানসভা চলি থকাৰ মাজতে দিল্লীলৈ গৈছিল। তেওঁ আজি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণকো সাক্ষাৎ কৰে। এই সাক্ষাৎ সম্পূৰ্ণৰূপে সৌজন্যতামূলক আছিল বুলি মুখ্যমন্ত্ৰীয়ে জনায়।

# ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা ৬০ জনৰ

*এক পৃষ্ঠাৰ পৰা* আহিব আৰু এইসকল ৰাজপত্ৰিত বিষয়াৰ বিৰুদ্ধে তদন্ত চলাবলৈ আজি বিশেষ আদালতত আবেদন কৰিছে তদন্তকাৰী বিষয়া সুৰজিৎ সিং পানেছৰে। এপিএছচি কেলেংকাৰিৰ ডিব্ৰুগড় থানাৰ গোচৰৰ আজি ১২ নম্বৰ পৰিপূৰক অভিযোগনামা দাখিল কৰি তদন্তকাৰী বিষয়াজনে এই কেলেংকাৰিত ইতিমধ্যে গ্ৰেপ্তাৰ হোৱা ৬০জনৰ তদন্ত প্ৰক্ৰিয়া সকলো কাম শেষ হোৱা বুলি মন্তব্য কৰি শীঘ্ৰে তদন্ত প্ৰক্ৰিয়া পুনৰ আৰম্ভ কৰিব বুলি কয়। তেওঁ কয়, 'ইতিমধ্যে গ্ৰেপ্তাৰ কৰা ৬০জনৰ ভিতৰত ২৩ জনৰ বিৰুদ্ধে আৰু কিছু তথ্য লাভ কৰা হৈছে। এই তথ্যসমূহ পৰীক্ষাৰ অন্তত আজি ১২ নম্বৰ অভিযোগনামা আদালতত দাখিল কৰা হৈছে আৰু তদন্ত প্ৰক্ৰিয়া পুনৰ আগবঢ়াই নিবলৈ আদালতৰ পৰা অনুমতি বিচাৰিছো।' উল্লেখ্য যে তদন্ত প্ৰক্ৰিয়াৰ পৰা কোনো বাদ পৰি নাযাব বুলি তদন্তকাৰী বিষয়াজনে স্পষ্ট কৰি জানুৱাৰীৰ প্ৰথম বা দ্বিতীয় সপ্তাহৰ পৰাই নতুনকৈ তদন্তৰ আওতালৈ আহিবলগীয়া প্ৰাৰ্থীসকলৰ হস্তাক্ষৰৰ নমুনা সংগ্ৰহ কৰা হ'ব বুলি কয়।

# কৃষকক সমাজৰ প্ৰথম শ্ৰেণীৰ নাগৰিক

*এক পৃষ্ঠাৰ পৰা* দলৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত ভ্ৰাতৃ সংগঠন অসম কৃষক পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বৰাই কয় যে এচাম আছে যি খেতিয়কৰ স্বাৰ্থত নহয়, বৰঞ্চ লুণ্ঠনৰ স্বাৰ্থত খেতিয়কলৈ আৰু ভুৱা খেতিয়ক হৈ ৰাজনীতি কৰি আহিছে। তেওঁ কয়, 'আমি প্ৰকৃত অৰ্থত খেতিয়কৰ স্বাৰ্থত ৰাজনীতি কৰিব লাগিব আৰু অসমৰ খেতিয়কসকলক সমাজৰ প্ৰথম শ্ৰেণীৰ নাগৰিক হিচাপে স্বীকৃতি দিব লাগিব যাতে কোনো অসমীয়া ল'ৰা-ছোৱালীয়ে মই খেতিয়কৰ সন্তান বুলি আক্ষেপ কৰিবলগীয়া নহয়।'

নিজৰ ভাষণ প্ৰসংগত ভিয়েটনামৰ খেতিয়কসকল খ্যাতিৰ কথা উল্লেখ কৰি মন্ত্ৰী বৰাই কয় যে ভিয়েটনাম যদিও কমিউনিষ্ট দেশ, সেইখন দেশৰ সমাজবাদী চৰকাৰে কোনো ধৰণৰ ৰাজসাহায্য নিদিয়ে যদিও তাৰ খেতিয়কে একমাত্ৰ ৰাজনীতিবিদসকলৰ সদিচ্ছা আৰু অনুপ্ৰেৰণা ভিয়েটনামৰ কৃষি গৱেষণা কেন্দ্ৰ, কৃষি বিশ্ববিদ্যালয়সমূহৰ লগত কৃষকসকলৰ মজবুত সম্পৰ্ক আদিৰ বাবে উৎপাদনত যথেষ্ট সফতা লাভ কৰিছে। ভিয়েটনাম তুলনামূলকভাৱে ক্ষুদ্ৰ দেশ যদিও আজি সেইখন দেশৰ কৃষি উৎপাদনৰ ওপৰত বিশ্বৰ বহুকেইখন দেশ নিৰ্ভৰশীল বুলিও মন্ত্ৰী বৰাই উল্লেখ কৰে।

অসমৰ ক্ষেত্ৰতো একেদিনাই সফলতা লাভ কৰিব নোৱাৰি যদিও পৰ্যায়ক্ৰমে চৰকাৰে সকলো যাৱতীয় ব্যৱস্থা হাতত লৈছে বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয় যে ৰাজ্যৰ খেতিয়কসকলক আধুনিক কৃষি পদ্ধতিত আগবঢ়াই নিয়াৰ স্বাৰ্থত ইতিমধ্যে ১৬,২০০ আত্মসহায়ক গোটক ট্ৰেক্টৰ বিতৰণ কৰাৰ লগতে ২০ হেজাৰ পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। তদুপৰি বছৰৰ বাৰ মাহে বিভিন্ন ধৰণৰ ব্যৱসায়িক খেতি কৰাত সুবিধা হোৱাকৈ আজি পৰ্যন্ত ৪৩ হেজাৰ সৌৰশক্তি চালিত জল পাম্প বিতৰণ কৰা হৈছে বুলিও তেওঁ কয়।

ৰাজ্যত প্ৰধানমন্ত্ৰী কিষাণ যোজনা, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু মুখ্যমন্ত্ৰী গ্ৰাম্য সমগ্ৰ যোজনা ৰূপায়ণৰ কাৰ্যসূচী ত্বৰান্বিত কৰাৰ লগতে ইতিমধ্যে ২২৫ টাৰো অধিক 'ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী' আৰু 'ফাৰ্মাৰ প্ৰডিউচাৰ অৰ্গেনাইজেছন' গঠন কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীজনে কয় যে অতি কম দিনৰ ভিতৰত অসমৰ খেতিয়কেও কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ প্ৰত্যক্ষ সহযোগত নিজ নিজ কৰ্মক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰি সামগ্ৰিকভাৱে কৃষি ক্ষেত্ৰৰ আমূল পৰিবৰ্তন কৰিবলৈ সক্ষম হ'ব।

মন্ত্ৰী বৰাই প্ৰকাশ কৰে যে যোৰহাট জিলাত প্ৰায় ৩০০ বিঘা মাটিত কুঁহিয়াৰ গৱেষণা কেন্দ্ৰই যুগান্তকাৰী গৱেষণা কাৰ্য চলাই গৈ আছে আৰু অসমৰ খেতিয়কে ইয়াৰ পৰা যথেষ্ট উপকৃত হয়।

অসমৰ জন বিস্ফোৰণে খেতিয়কসকলক নতুন নতুন খেতি কৰাৰ লগতে বিভিন্ন পদ্ধতিৰে আগবাঢ়িবলৈ বাধ্য কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰী বৰাই কয়, 'জলবায়ু পৰিৱৰ্তন কেৱল অসমত হোৱা নাই, ই সমগ্ৰ বিশ্বতে প্ৰতিগৰাকী সচেতন ব্যক্তিক, নতুন নতুন পথ বাচি ল'বলৈ বাধ্য কৰিছে। তেওঁ কয়, 'গতিকে কৃষি বিজ্ঞানী, কৃষি গৱেষণা কেন্দ্ৰ, কৃষি বিশ্ববিদ্যালয় আৰু অসমৰ খেতিয়কসকলে কথাবোৰ নতুনকৈ চিন্তা কৰিবলৈ হ'ল। পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল নহ'লে সফলতা লাভ কৰাটো সহজ নহ'ব। জলবায়ু পৰিৱৰ্তনৰ লগে লগে কৃষি পদ্ধতি, প্ৰণালী, বীজ সিঁচাৰ সময় সকলো পৰিৱৰ্তন হৈছে।'

অসমৰ খেতিয়কসকলৰ মাজত সচেতনতা আৰু দূৰদৰ্শিতাৰ অভাৱ বুলি ক্ষোভ প্ৰকাশ কৰি কৃষিমন্ত্ৰীজনে কয় যে পঞ্জাৱ আৰু হাৰিয়ানাত এতিয়া কৃষি ভূমিৰ উৰ্বৰতা যথেষ্ট কমি আহিছে। তেওঁ আশা প্ৰকাশ কৰে যে এটা সময় আহিব সমগ্ৰ ভাৰতবৰ্ষ উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমৰ খেতিয়কৰ উৎপাদিত সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব আৰু তাৰ বাবে আজিয়েই আমি সাজু হ'ব লাগিব।

অসমৰ বংগমূলীয় খেতিয়কসকল নিজৰ পৰিয়ালৰ কাৰণে জৈৱিক খেতি কৰাৰ বিপৰীতে বজাৰৰ গ্ৰাহকৰ বাবে অত্যধিক ৰাসায়নিক সাৰ প্ৰয়োগ কৰি কৃষি উৎপাদন কৰি আহিছে বুলি অভিযোগ কৰি মন্ত্ৰী বৰাই কয়, 'আমি কৃষি পদ্ধতিত আধুনিকতা আনিব লাগিব, উৎপাদন বঢ়াব লাগিব; কিন্তু বংগমূলীয় কৃষকসকলে যেনে ধৰণে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিছে এয়া উদ্বেগজনক। অচিৰেই আমি অত্যধিক পৰিমাণৰ ৰাসায়নিক সাৰ প্ৰয়োগৰ আইন-প্ৰণয়ন কৰিম।'

অসমৰ বহুকেইখন জিলাত দৰং জিলাৰ দলগাঁৱত উৎপাদিত শস্যৰ আমদানি আৰু বিক্ৰী নিষিদ্ধ কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজেই বিষয়টোত চিন্তিত হৈ বহু ৰাসায়নিক সাৰ প্ৰস্তুতকাৰী কোম্পানীৰ স্বত্বাধিকাৰীক মাতি আনি ধমক দিছে।

বৰ্তমানেও সমগ্ৰ ৰাজ্য অন্ধ্ৰপ্ৰদেশৰ পৰা আমদানি কৰা মাছ আৰু কণীৰ ওপৰত নিৰ্ভৰশীল বুলি উল্লেখ কৰি মন্ত্ৰীজনে লগতে কয় যে নাজিৰাত নিৰ্মাণকাৰ্য চলি থকা গাহৰি মাংস সংশোধন কেন্দ্ৰত একে দিনাই ৪০০ গাহৰিৰ সংশোধন কৰিব পৰা যাব। উক্ত কেন্দ্ৰৰ দ্বাৰাও অসমৰ গাহৰি পালকসকল যথেষ্ট উপকৃত হ'ব।

# 'কেৰে খাব কেৰে চাব' নীতি বন্ধৰ দাবী

*এক পৃষ্ঠাৰ পৰা* সমগ্ৰ পৰিৱেশ উত্তাল কৰি তোলে শতাধিক প্ৰতিবাদকাৰীয়ে। প্ৰতিবাদৰ নেতৃত্ব লোৱা কল্যাণ সমিতিৰ কামৰূপ জিলা সমিতিৰ সভানেত্ৰী ৰীতা কলিতা ডেকা আৰু সম্পাদক টিকেন কলিতাই এই সন্দৰ্ভত কয় যে ২০১৭ৰ শিক্ষা আইন অনুসৰি বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ ফলত বিশেষকৈ উচ্চ প্ৰাথমিক বিদ্যালয়ৰ দুজন শিক্ষকক চূড়ান্তভাৱে বঞ্চিত কৰা হ'ল। পূৰ্বতে পৰিচালনা সমিতিৰ দ্বাৰা নিযুক্ত তথা বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা অনুমোদিত আৰু স্বীকৃতিপ্ৰাপ্ত পাঁচ-ছয়জন শিক্ষকৰ পৰিৱৰ্তে মাত্ৰ তিনিজন শিক্ষকৰ পদহে নিয়মীয়াকৰণ হ'ল। ফলত এই শিক্ষানুষ্ঠানসমূহত ২৫-৩০ বছৰ ধৰি বিনা বেতনে শিক্ষকতা কৰা তথা নিয়মীয়াকৰণৰ পৰা বাদ পৰি ৰোৱা সহকাৰী শিক্ষকৰ পদসমূহ নিয়মীয়াকৰণৰ দাবীৰে আজি প্ৰতিবাদ সাব্যস্ত কৰা হৈছে বুলি সভানেত্ৰী ডেকাই সদৰী কৰি এই প্ৰতিবাদৰ মাজেৰে শিক্ষামন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰা বুলি কয়।

ইফালে, চৰকাৰীভাৱে অনুমতি বা স্বীকৃতিপ্ৰাপ্ত ৰাজ্যৰ ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানসমূহ প্ৰাদেশিকীকৰণৰ আইনৰ আওতালৈ অনাকে ধৰি ১৩টা দাবীৰে আজি দ্বিতীয় দিনাও প্ৰতিবাদ অব্যাহত ৰাখিছে সদৌ অসম অপ্ৰাদেশিকৃত শিক্ষক সংস্থাই। সংস্থাৰ অন্যান্য দাবীসমূহ সন্দৰ্ভত সভাপতি ৰাজু কুলিয়ে কয় যে বিদ্যালয় পৰিচালনা সমিতিয়ে দিয়া নিযুক্তি পত্ৰসমূহ বাহাল ৰাখিব লাগে আৰু ২০২০ৰ পৰ্যন্ত ইউ ডাইছত নাম থকা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ চৰকাৰে শীঘ্ৰে নিয়মীয়াকৰণ কৰিব লাগে। ইয়াৰ উপৰি শিক্ষা বিভাগৰ নিৰ্দেশনা মৰ্মে ২০১১ৰ পৰা উচ্চ মাধ্যমিক বিদ্যালয়সমূহত নৱম শ্ৰেণী প্ৰথম শ্ৰেণী হিচাপে ধৰি প্ৰাদেশিকীকৰণ কৰা, ২০০৬ৰ পহিলা জানুৱাৰীৰ আগত মেট্ৰিক পৰীক্ষা অনুষ্ঠিত কৰা বিদ্যালসমূহ প্ৰাদেশিকীকৰণ কৰা, প্ৰাদেশিকৃতৰ পৰা বাদ পৰি ৰোৱা মধ্য ইংৰাজী বিদ্যালয়-মাদ্ৰাছাসমূহৰ শিক্ষক-কৰ্মচাৰী পদসমূহ নিয়মীয়াকৰণ কৰা, ২০১৩ আৰু ২০২১ত পদ নিয়মীয়াকৰণৰ পৰা বাদ পৰা পদসমূহ শীঘ্ৰে প্ৰাদেশিকীকৰণ কৰিবলৈ চৰকাৰক দাবী জনোৱা হৈছে বুলি তেওঁ কয়।

### মধ্যাহ্ন ভোজন আঁচনিৰ পৰা এনজিঅ'ক প্ৰত্যাহাৰৰ দাবীত সৰৱ ৰান্ধনী-সহায়িকা

মধ্যাহ্ন ভোজন আঁচনিৰ পৰা এনজিঅ' ক প্ৰত্যাহাৰ কৰাৰ দাবীত আজি দ্বিতীয় দিনাও ৰান্ধনী-সহায়িকাৰ প্ৰতিবাদত উত্তাল হৈ পৰে ধৰ্ণাস্থলী। সদৌ অসম প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ৰান্ধনী-সহায়িকা সন্থাৰ আহ্বানত সাব্যস্ত এই প্ৰতিবাদত ৰাজ্যৰ ১,১৮,৯৯৮ গৰাকী ৰান্ধনী-সহায়িকাৰ মাননি ১৫শ টকাৰ পৰা ৯৬০০ টকালৈ বৃদ্ধিৰো দাবী তোলে প্ৰতিবাদকাৰীসকলে। সমান্তৰালভাৱে ৰান্ধনী-সহায়িকাসকলৰ তিনি মাহৰ বকেয়া ধন অতিশীঘ্ৰে মুকলি কৰি দিয়া, পেঞ্চন আৰু চিকিৎসা সুবিধা প্ৰদান কৰা আদি দাবীৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এক স্মাৰকপত্ৰ প্ৰদান কৰে ৰান্ধনী-সহায়িকাসকলে।

### উচ্ছেদ বন্ধৰ দাবী মুছলিম ছাত্ৰ সন্থাৰ

অবৈধ উচ্ছেদ বন্ধ কৰাকে ধৰি ১৫টা দাবীৰে আজি চচলত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে মুছলিম ছাত্ৰ সন্থা, অসমে। প্ৰতিবাদত অংশ লোৱা সন্থাৰ সভাপতি জালাল উদ্দিন আৰু সম্পাদক আশিক ৰাব্বানীয়ে এটা বিশেষ সম্প্ৰদায়ক লক্ষ্য কৰি চৰকাৰে অমানৱীয় উচ্ছেদত লিপ্ত হৈছে বুলি উল্লেখ কৰি উচ্ছেদিতক ক্ষতিপূৰণ আৰু শীঘ্ৰে পুনৰ সংস্থাপন দিবলৈ দাবী জনায়। সমান্তৰালভাৱে সংগঠনটোৱে সংশোধিত নাগৰিকত্ব আইন বাতিল কৰা, ভূমিহীনক ভূমি প্ৰদান, মূল্যবৃদ্ধি ৰোধ কৰা, চূড়ান্ত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰকাশ পোৱা লোকসকলক এনআইচি প্ৰদান কৰা, ভোটাৰ তালিকাৰ পৰা 'ডি' শব্দটো কৰ্তন কৰা আদি দাবীৰে বিধানসভাৰ অধ্যক্ষলৈ এক স্মাৰক পত্ৰ প্ৰেৰণ কৰিছে।

### শিক্ষকতাৰ পৰা অব্যাহতি দিয়া সংযোগী শিক্ষাকৰ্মীৰ বাবে 'বিশেষ টে'ট' অনুষ্ঠিতৰ দাবী

অসম সৰ্বশিক্ষাৰ অধীনত কৰ্মৰত হৈ থকা সংযোগী শিক্ষাকৰ্মী, ই.ভি, শিক্ষা সাৰথি আৰু কমিউনিটি ভলন্টিয়াৰসকলৰ অৰ্থাৎ শিক্ষকতাৰ পৰা ইতিমধ্যে অব্যাহতি দিয়া শিক্ষাকৰ্মীসকলৰ বাবে বিশেষ টে'ট অনুষ্ঠিত কৰাৰ দাবীত আজি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে সদৰী কৰা অনুসৰি বিভাগীয় কৰ্তৃপক্ষৰ লগত হোৱা আলোচনাৰ ভিত্তিত চলিত বৰ্ষৰ অক্টোবৰত অনুষ্ঠিত হৈছিল বিশেষ টেট' পৰীক্ষা। এই পৰীক্ষাত অৱতীৰ্ণ হোৱা ১৪,৫৭৩ জন পৰীক্ষাৰ্থীৰ ভিতৰত মাত্ৰ ৬৬৭ জন প্ৰাৰ্থী উত্তীৰ্ণ হয়। প্ৰশ্নকাকত জটিল, বিসংগতিপূৰ্ণ, পাঠ্যক্ৰমৰ বহিঃভূত প্ৰশ্ন হোৱাৰ কাৰণে আৰু অসম চৰকাৰে 'বিশেষ টে'ট' পৰীক্ষাত বিশেষ কোনো ধৰণৰ সুবিধা নিদিয়াত ১৩,৯৬০ জন প্ৰাৰ্থীয়েই অকৃতকাৰ্য হয় বুলি প্ৰতিবাদকাৰীসকলে উল্লেখ কৰি এই প্ৰতিবাদক চৰকাৰে সঁহাৰি নিদিলে অহা ৩০ ডিচেম্বৰত মুখ্যমন্ত্ৰীৰ বাসভৱন চলো কাৰ্যসূচী গ্ৰহণ কৰিব বুলি কয়।

# ছবছৰত ২২,২৭০ কোটি সুত দিলে

*এক পৃষ্ঠাৰ পৰা* কেন্দ্ৰীয় চৰকাৰে কৰ্তন কৰিলেও ৰাজ্যখনে দিল্লীৰ পৰা পূৰ্বতকৈ অধিক পৰিমাণৰ ধন লাভ কৰা বুলি আজি বিধানসভাত দাবী কৰে বিত্ত মন্ত্ৰী অজন্তা নেওগে। বিধায়ক অখিল গগৈয়ে অসমে বিশেষ ৰাজ্যৰ মৰ্যাদা পুনৰ ঘূৰাই অনাৰ ব্যৱস্থা ৰাজ্য চৰকাৰে কৰিব নে বুলি উত্থাপন কৰা এক প্ৰশ্নৰ উত্তৰত নেওগে কয়, 'তেনে প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন এতিয়া আৰু নাই। একাদশ বিত্ত আয়োগৰ পৰা অসমে ২২,৬৪৪.২৬ কোটি টকা লাভ কৰিছিল। চতুৰ্দশ বিত্ত আয়োগৰ পৰা লাভ কৰা সেই ধনৰ পৰিমাণ হ'ল এক লাখ ৮১ হেজাৰ কোটিতকৈও বেছি। গতিকে অধিক ধন অসমলৈ আহিছে।' উল্লেখ্য যে মন্ত্ৰীগৰাকীৰ এই বক্তব্যক কটাক্ষ কৰি গগৈয়ে কৰা এক মন্তব্যৰ পাছতে বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। বিধায়ক গগৈয়ে কয়, 'মই ভাবো যে ইমান ধন অহা বাবে অসমৰ ইমান অৰ্থনৈতিক সম্পদ আছে। কেন্দ্ৰীয় পৃষ্ঠপোষক আঁচনিবোৰৰ ধন বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তনৰ ফলতে কৰ্তন কৰা হৈছে।' এই মন্তব্যৰ লগে লগে বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। তাৰ মাজতে মন্ত্ৰী নেওগৰ মন্তব্য 'অখিল গগৈয়ে অপপ্ৰচাৰ চলাই আছে।' লগে লগে হুলস্থুলীয়া মাত্ৰা অধিক বৃদ্ধি হয়। নেওগে আকৌ কয় যে অসমে ব্লক গ্ৰেণ্টৰ ধনো সেই অনুপাতে লাভ কৰি আছে। তেতিয়া অখিল গগৈয়ে প্ৰশ্ন কৰে 'বাইদেউ, ব্লক গ্ৰেণ্ট এতিয়া আছে নে নাই?' এই প্ৰশ্নৰ উত্তৰ মন্ত্ৰী নেওগে দিব বিচাৰে যদিও হুলস্থুলৰ মাত্ৰা অত্যধিক হোৱাত তেওঁ দিব নোৱাৰে। শাসক পক্ষৰ হুলস্থুল কৰা সকলৰ ভিতৰত লক্ষ্যণীয়ভাৱে অধিক উগ্ৰ ৰূপ ধাৰণ কৰে ৰূপজ্যোতি কুৰ্মীয়ে। সেই হুলস্থুলৰ মাজতে অখিল গগৈয়ে প্ৰশ্ন কৰে যে তেওঁ কথা ক'লে কিয় হুলস্থুল কৰা হয়? ইমান সময়ে বিশেষ মাত নমতাকৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলাই ব্যৰ্থ হোৱা অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে অখিল গগৈক উদ্দেশ্যি কয় যে কিবা প্ৰশ্ন থাকিলে তেওঁ মন্ত্ৰীৰ লগত বহি আলোচনা কৰিব পাৰিব। আনহাতে, হুলস্থুলত লিপ্ত হোৱা শাসক-বিৰোধীৰ বিধায়কসকলক উদ্দেশ্যি কয়, 'পথাৰত যিবোৰ শব্দত আমি কথা পাতো সেইবোৰ বিধানসভাত নচলে।' ইয়াৰ পাছতো হুলস্থুল কিন্তু একে থাকে। এইবোৰৰ মাজতে মন্ত্ৰী বিমল বৰাই কিবা কয় যদিও কোনেও বুজি নাপালে। অৱশ্যে মন্ত্ৰীজনে বিৰোধীক ধমক দিয়াৰ সুৰত কথা কোৱাৰ অভিযোগ বিৰোধী পক্ষৰ একাংশ বিধায়কে উত্থাপন কৰে। অধ্যক্ষ দৈমাৰীয়ে থিয় হৈ তেওঁ কি ভাষাত কথা ক'লে হুলস্থুল কৰা সকল শান্ত হ'ব প্ৰশ্ন কৰে। তাৰপাছতে পৰিস্থিতি কিছু নিয়ন্ত্ৰণ হয়। অধ্যক্ষৰ নিৰ্দেশত অজন্তা নেওগ পুনৰ থিয় হয় আৰু কয়, 'আমি ৯০ ঃ ১০ হিচাপে ব্লক গ্ৰেণ্ট পাই আছো।' মন্ত্ৰীৰ বক্তব্যক প্ৰত্যাহ্বান জনাই অখিল গগৈয়ে কয়, 'আপুনি ভুলকৈ কৈছে। ব্লক গ্ৰেণ্ট বন্ধ।' আকৌ হুলস্থুল আৰম্ভ হয় যদিও এইবাৰ পূৰ্বতকৈ চোক কম হৈ থাকে। বিধানসভাৰ প্ৰশ্নোত্তৰ কাৰ্যসূচীত এই পৰিৱেশৰ সৃষ্টি হয় যদিও আন বিধায়কেও এই বিতৰ্কত ভাগ লয়। এআইইউডিএফৰ ৰফিকুল হুছেইনে কয়, 'বিত্ত মন্ত্ৰীয়ে পূৰ্বতকৈ অসমে অধিক টকা পাইছে বুলি কৈছে। আমি ভাল পাইছো। লগতে এইটোও সত্য যে বাজেটৰ আকাৰ পূৰ্বতকৈ বাঢ়িছে। বিশেষ ৰাজ্যৰ মৰ্যাদা বাহাল থাকিলে আমি হয়তো আৰু অধিক টকা পালোহেঁতেন। গতিকে অসমৰ পূৰ্বৰ স্বীকৃতি ঘূৰাই অনাৰ ক্ষেত্ৰত আপত্তি ক'ত?' এআইইউডিএফৰ আন এজন বিধায়ক আমিনুল ইছলাম (জ্যেষ্ঠ)-এ মন্তব্য কৰে যে অসমত বৰ্তমান ৩২ হেজাৰ টকাৰ ধাৰ মূৰৰ ওপৰত লৈ এটা শিশুৱে জন্মগ্ৰহণ কৰে। অসমৰ দৰে ৰাজ্যই ২২,২৬৯.৯৪ কোটি টকা সুত দিবলগীয়া হোৱাটো সৰু কথা নহয় বুলিও ইছলামে মন্তব্য কৰে। তাৰ উত্তৰত মন্ত্ৰী নেওগে দাবী কৰে যে অসমে নিয়ম অনুসৰি ঋণ গ্ৰহণ কৰিছে। তদুপৰি সক্ষমতা থকা বাবেহে অসমে ইমান পৰিমাণে ঋণ লোৱা বুলিও তেওঁ কয়।

### জড়িত নথকা মানুহে বুজি নাপাব ঃ মুখ্যমন্ত্ৰী

অসমে লোৱা ঋণৰ পৰিমাণক লৈ আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰে। মুখ্যমন্ত্ৰীয়েও দাবী কৰে যে নিয়মৰ ভিতৰত থাকিহে অসমে ঋণ গ্ৰহণ কৰিছে। দিল্লীত মুখ্যমন্ত্ৰীয়ে কয়, 'ৰাজ্যবোৰে মুঠ ঘৰুৱা উৎপাদন (জিডিপি)ৰ ৩.৫ শতাংশ ঋণ গ্ৰহণ কৰিব পাৰে। বিধানসভাই এই নিয়ম বান্ধি দিছে। ১০ বছৰৰ আগত যদি ১০ হেজাৰ মুঠ ঘৰুৱা উৎপাদন আছিল আজি সেয়া বাঢ়ি গৈ থাকিব। এইবাৰ অসমৰ জিডিপি চাৰি লাখ কোটি টকা। আমাৰ যদি আৰু এক লাখ কোটি জিডিপি বাঢ়ি যায় তেনেহ'লে চাৰে তিনি হেজাৰ কোটি ঋণ ল'ব পৰা যাব। আচলতে কথাবোৰ টকাত ক'লে বিভ্ৰান্তিৰ সৃষ্টি হৈ যায়। আমি নিয়মৰ বাহিৰলৈ গৈ ঋণ লোৱা নাই। তেনেদৰে কোনেও ঋণ ল'বই নোৱাৰে।' এই প্ৰসংগত অখিল গগৈক কটাক্ষ কৰি তেওঁ কয়, 'এইবোৰৰ লগত জড়িত নথকা মানুহে কথাবোৰ বুজি নাপাব।'

## ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্র সন্থা পশ্চিমৰ উদ্যোগত ৰজাগড়ত নাগৰিক সভা

অগ্রদূত বাৰ্তা

**টংলা, ২১ ডিচেম্বৰ ঃ** ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্র সন্থা (আক্ৰাছু) পশ্চিমৰ উদ্যোগত ৰজাগড় আঞ্চলিক চিলাৰায় ভৱনত দেওবাৰে এখন নাগৰিক সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত সভাপতিত্ব কৰে জিলা সভাপতি মিণ্টু বৰুৱাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলাৰ যুটীয়া সাধাৰণ সম্পাদক পংকজ ডেকাই। সভাত ভাষণৰ প্ৰসংগত আক্ৰাছুৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকাই কয় যে কোচ ৰাজবংশী ৰাইজ সাজু হওঁক আৰু সজাগ হওঁক কমতাপুৰ ৰাজ্য আৰু জনজাতিকৰণৰ দাবীৰ আন্দোলনৰ বাবে। বিজেপি চৰকাৰে বাৰে বাৰে জনজাতিকৰণৰ নামত অসমৰ কোচ ৰাজবংশী ৰাইজক ঠগি আছে। আক্ৰাছুৱে অতি শীঘ্ৰে ধাৰাবাহিক আন্দোলন ঘোষণা কৰা হ'ব বুলি ব্যক্ত কৰে। সভাত কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচে কয়, কোচ ৰাজবংশী ৰাইজে ঘৰ শত্ৰু বিভীষণক চিনাক্ত কৰাৰ সময় আহি পৰিছে। তেওঁলোকে অতি শীঘ্ৰে ভূমিপুত্ৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ ভূমিৰ অধিকাৰ প্ৰদান কৰিবলৈ চৰকাৰক দাবী জনায়। আনহাতে, উক্ত সভাত উপস্থিত থাকে ক্ৰমে কেন্দ্ৰীয় সমিতি আক্ৰাছুৰ সাধাৰণ সম্পাদক দিব্যজ্যোতি কুমাৰ ডেকা, মুখ্য প্ৰচাৰ সম্পাদক হেমন্ত বড়া কোচ, ৰজাগড় আঞ্চলিক কোচ ৰাজবংশী সন্মিলনীৰ সভাপতি হেমন্ত কুমাৰ ডেকা, প্ৰাক্তন সভাপতি মহেন্দ্ৰ ডেকাই।

## চিৰাঙৰ বিষ্ণুপুৰ বন বিভাগৰ বীট কাৰ্যালয় চৌহদত হাতী-মানুহৰ সংঘাত হ্ৰাস কৰিবলৈ সজাগতা সভা

অগ্ৰদূত ব্যুৰ'


**বঙাইগাঁও, ২১ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ বিষ্ণুপুৰত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত বিভিন্ন সময়ত হাতী-মানুহৰ সংঘাতত বহু লোক মৃত্যুৰ মুখত পৰাৰ লগতে বিভিন্ন কাৰণত কে'বাটাও বনৰীয়া হাতীৰ মৃত্যু হয়। অনাগত দিনত যাতে পুনৰ হাতী আৰু মানুহৰ সংঘাতৰ ফলত মৃত্যু হ'ব লগা নহয় তাৰ বাবে দেওবাৰে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰথম সংযোজনৰ কুকলুং বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বিষ্ণুপুৰ বীট কাৰ্যালয় চৌহদত বন বিভাগে এখন সজাগতা সভা অনুষ্ঠিত কৰে। ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ সহযোগত আয়োজিত সজাগতা অনুষ্ঠিত সভাত উপস্থিত থাকে বিটিচিৰ বন বিভাগৰ মুৰব্বী অনুৰাগ সিং, ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ যুটীয়া সঞ্চালক ড° ৰথিন বৰ্মন, বিভাগটোৰ ক্ষেত্ৰ বিষয়া সনাতন ডেকা, চিৰাং বন সংমণ্ডল বিষয়া ব্ৰহ্মানন্দ পাতিৰি, অসম চৰকাৰৰ গৌৰৱ বঁটা নিৰ্বাচিত, বিটিচিৰ বন বিভাগৰ বিশেষ কৰ্তব্যৰত বিষয়া ধৰণধৰ বড়ো আদি। উক্ত অনুষ্ঠানত বন সুৰক্ষাৰ লগত জড়িত বন বন্ধু সকলোলৈ জোতা, চোলা, টৰ্চ লাইট আদি প্ৰদান কৰা হয়। বিটিচিৰ বন বিভাগৰ মুৰব্বী সিঙে বিগত ২০০৬ৰ পৰা বিষ্ণুপুৰত বনৰীয়া হাতীৰ উপদ্ৰৱ কমিছে বুলি উল্লেখ কৰে। লগতে তেওঁ ৰাষ্ট্ৰীয় দাঁতি কাষৰীয়া গাঁও অঞ্চলৰ লোকসকলৰ বন সংৰক্ষণত আৰু জীৱ-জন্তুৰ সুৰক্ষাৰ ক্ষেত্ৰত সহযোগিতা কৰিবলৈ আহ্বান জনায়।

## ২৫ ডিচেম্বৰৰ পৰা ছাত্র মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলা সমিতিৰ অধিবেশন

অগ্রদূত বাৰ্তা

**শিমলুগুৰি, ২১ ডিচেম্বৰ ঃ** কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ছাত্র সংগঠন ছাত্র মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলাৰ সমিতিৰ তৃতীয় দ্বিবাৰ্ষিক অধিবেশনখন অহা ২৫ ডিচেম্বৰ পৰা দুদিনীয়াকৈ নাজিৰা মহকুমাৰ বাঁহগড় অঞ্চলৰ গণশিল্পী ভূপেন বড়া সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব। অধিবেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, ছহিদ তৰ্পণ, গছপুলি ৰোপণৰ পাছতে গ্ৰন্থমেলা আৰু প্ৰদৰ্শনী দ্বাৰ উদ্‌ঘাটন কৰা হ'ব। পুৱা ১০ বজাৰ পৰা ভেদ একাডেমীৰ উদ্যোগত শিক্ষাবিদ সীতাৰাম বৰগোহাঁই সোঁৱৰণী 'একবিংশ শতিকাত ছাত্র আন্দোলনৰ ভূমিকা' শীৰ্ষক বিষয়ত সদৌ অসম ভিত্তিত বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ দুই বজাৰ পৰা 'কা' আন্দোলনত অসমীয়া নাৰীৰ ভূমিকা' শীৰ্ষক বিষয়ত স্থানীয় মহিলা সমাজৰ এক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া অনুষ্ঠিত হ'ব লগা প্ৰতিনিধি আৰু বিষয় বাছনি সভাত ছাত্র মুক্তি সংগ্ৰাম সমিতিৰ কে'বাজনো কেন্দ্ৰীয় নেতাই অংশগ্ৰহণ কৰিব। দ্বিতীয় দিনা পুৱা ন বজাৰ পৰা স্বেচ্ছাসেৱী সংগঠন আৰোহণৰ উদ্যোগত স্কুলীয়া ছাত্র-ছাত্রীৰ মাজত নাজিৰা মহকুমা ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দুপৰীয়া 'সুস্থ সমাজ গঠনত নতুন প্ৰজন্মৰ ভূমিকা' শীৰ্ষক বিষয়ত অঞ্চলটোৰ জ্যেষ্ঠ নাগৰিকসকলৰ এক অন্তৰংগ আলাপ অনুষ্ঠান ৰূপায়ণ কৰিব। বিয়লি নতুন সমিতি আদৰণি অনুষ্ঠানত কে'বাজনো বিশিষ্ট ব্যক্তি, বুদ্ধিজীৱীয়ে অংশগ্ৰহণ কৰিব।

## ধনশিৰি নদীৰ কাষত আলু-বিলাহী-ফ্ৰেন্সবিন-বেঙেনা-মটৰৰ খেতি



**খুমটাই, ২১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত কমাৰগাঁৱৰ ধনশিৰি নদীৰ পাৰত কেইজনমান শিক্ষিত যুৱকে 'সপোন কৃষি আৰু পশুপালন আত্মসহায়ক গোট' খুলি জৈৱিক পদ্ধতিৰে কৰিছে বিভিন্ন শাক-পাচলিৰ খেতি। উল্লেখ্য যে যি সময়ত ৰাসায়নিক সাৰ প্ৰয়োগ কৰি একাংশ কৃষকে মানৱ শৰীৰলৈ ভাবুকি কঢ়িয়াই আনিছে, তেনে সময়ত কমাৰগাঁৱৰ ধনশিৰি নদীৰ কাষৰ প্ৰায় ১৫ বিঘা কৃষিভূমিত সপোন কৃষি আৰু পশুপালন গোটৰ সদস্য পুলিন বৰা, বিচিত্ৰ ফুকন, প্ৰণৱ চেতিয়া, লক্ষীনন্দন বৰুৱা, ৰাজীৱ শইকীয়া, দেবানন্দ চেতিয়া, ৰঞ্জিত দাস আৰু পৰাগ শইকীয়াই আলু, মটৰ, ফ্ৰেন্সবিন, বিলাহী, বেঙেনা, গাজৰ, ৰঙালাও, জাতিলাও আদি খেতি জৈৱিক পদ্ধতিৰে কৰি তোলাৰ লগতে আন ১০জনৰো আদৰ্শ হৈ পৰিছে। ইতিমধ্যে গোটটোৰ সদস্যসকলে জৈৱিক পদ্ধতিৰে কৰা ফচলসমূহে স্থানীয় বজাৰত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰতি বিঘাত প্ৰায় ১০-১২ হেজাৰ টকাকৈ খৰচ কৰি গোটটোৱে আৰম্ভণিতে বিলাহী, ফ্ৰেন্সবিন, গাজৰ আদি বিক্ৰী কৰি সপ্তাহত ১০ৰ পৰা ১৫ হেজাৰ টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কৃষিমন্ত্ৰী অতুল বৰাই ৰাজ্যৰ কৃষকসকলক জৈৱিক পদ্ধতিৰে খেতি কৰিবলৈ আহ্বান জনোৱাৰ সময়তেই মুখ্যমন্ত্ৰী আৰু কৃষিমন্ত্ৰীৰ আহ্বানক সঁহাৰি জনায় কমাৰগাঁৱত সপোন কৃষি আৰু পশুপালন আত্মসহায়ক গোটে জৈৱিক পদ্ধতিৰে ৰবি শস্যৰ খেতি কৰি উৎপাদিত ফচল উচিত মূল্যত বিক্ৰী কৰি ৰাইজৰ সমাদৰ লাভ কৰিছে।

### ■ কমাৰগাঁৱত জৈৱিক পদ্ধতিৰ ৰবি শস্যৰ খেতিৰে সেউজ বিপ্লৱৰ সূচনা

### ■ মুখ্য কাৰ্যবাহী সদস্যক অপসাৰণৰ বাবে একাংশ সদস্যৰ চেষ্টা ঃ ক্ষমতাকেন্দ্ৰীক ৰাজনীতি

# সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাম-কাজত স্থবিৰতা



বিভিন্ন দাবীৰ সমৰ্থনত মধ্যাহ্ন ভোজন-সহায়িকা সন্থাৰ ধৰ্ণা, মহানগৰীত মঙলবাৰে।

অগ্রদূত বাৰ্তা

**বৰহোলা, ২১ ডিচেম্বৰ ঃ** ২০০৫ তে গঠিত হোৱা সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ উন্নয়নমূলক কাম-কাজসমূহত ক্ষমতাকেন্দ্ৰিক সংঘাতৰ বাবে স্থবিৰতা আহিছে বুলি একাংশ সোণোৱাল কছাৰী লোকে অভিযোগ উত্থাপন কৰিছে। উত্থাপিত অভিযোগ মতে, বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্য দীপুৰঞ্জন মাক্ৰাৰীক একাংশ সদস্যই অপসাৰণ কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈ উন্নয়নমূলক কাম-কাজলৈ পিঠি দি আহিছে। যিটো সময়ত ভোটৰ তালিকা সংশোধন, সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ, সোণোৱাল কছাৰী ৰাইজৰ উন্নয়নকে মুখ্য কৰি গুৰুত্বপূৰ্ণ কামসমূহ আগন্তুক দিনসমূহত কৰিব লগা আছে সেই সময়ত মুখ্য কাৰ্যবাহী সদস্যৰ পদটোক লৈ ভিতৰি যি খোৱা-কামোৰা আৰম্ভ হৈছে সি সোণোৱাল কছাৰীসকলৰ বাবে বৰ দুৰ্ভাগ্যজনক কথা। অভিযোগ মতে, বৰ্তমানৰ মুখ্য কাৰ্যবাহী সদস্যজনে ২০১৬ত দায়িত্ব গ্ৰহণ কৰি কাৰ্যনিৰ্বাহ কৰি আছে। বিগত দিনত কে'বাখনো জিলাত পৰিষদৰ সমষ্টিসমূহৰ সদস্য, সদস্যসকলে সোণোৱাল কছাৰীসলকলৰ সামগ্ৰিক উন্নয়নৰ প্ৰতি পিঠি দি স্বজন-তোষণ তথা একপক্ষীয়ভাৱে কাম-কাজ কৰাত বহু সমষ্টিত আৰ্থ-সামাজিক আদি সকলো দিশতে পৰিৱৰ্তন দেখা পোৱা নগ'ল। এই ক্ষেত্ৰত মুখ্য কাৰ্যবাহী সদস্যজনক বিভিন্ন জিলাৰ পৰা অভিযোগ উত্থাপন কৰাৰ পাছত কিছুমান কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰাত ৰাইজে সদস্যসকলক খোৱা কামোৰাত ব্যস্ত নাথাকি উন্নয়নমূলক কাম-কাজত জড়িত হ'বলৈ আহ্বান জনাইছে।

## নলবাৰীত অজাপৰ নগৰ সমিতিৰ সভা

অগ্রদূত বাৰ্তা

**বৰভাগ, ২১ ডিচেম্বৰ ঃ** নলবাৰী চহৰৰ শংকৰদেৱ বিবাহ ভৱনত অসম জাতীয় পৰিষদ নলবাৰী নগৰ সমিতিৰ এখন গুৰুত্বপূৰ্ণ সভা কালি অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে নগৰ সমিতিৰ সভাপতি আবু চিদ্দিকে। সভাত সাংগঠনিক দিশৰ ওপৰত বিশদভাৱে আলোচনা কৰাৰ উপৰি আগন্তুক পৌৰসভা নিৰ্বাচন সম্পৰ্কে বিস্তৃত পৰ্যালোচনা কৰা হয়। কালিৰ এই সভাতে পৌৰসভা নিৰ্বাচনত নলবাৰী পৌৰ অঞ্চলৰ ১৭ টা ৱাৰ্ডৰ প্ৰতিটোতে অজাপৰ ফালৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত কেন্দ্ৰীয় সম্পাদক অমল ডেকাই বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰখনে অসম আৰু অসমবাসীৰ হিতৰ বিপৰীতে কৰা প্ৰতিটো কাৰ্যৰ যোগ্য প্ৰত্যুত্তৰ দিবলৈ সমগ্ৰ ৰাজ্যবাসী সাজু বুলি মন্তব্য কৰে। ৰাজ্যবাসী আৰু সমগ্ৰ জাতিটোক বিজেপিৰ কঠোৰ হাতোৰাৰ পৰা উদ্ধাৰ কৰাৰ প্ৰথমটো পদক্ষেপ হ'ব আহি থকা এই পৌৰসভাৰ নিৰ্বাচন। গতিকে বৃহত্তৰ নলবাৰী জিলাৰ সমূহ অজাপ নেতা-কৰ্মীক তেওঁ পৌৰসভা নিৰ্বাচনত উঠি-পৰি লাগিবলৈ পৰামৰ্শ আগবঢ়ায়। আজিৰ সভাত উপস্থিত থাকে দলটোৰ জিলা সভাপতি নগেন ডেকা প্ৰমুখ্যে সম্পাদক শৰৎ কলিতা, যুটীয়া সম্পাদক নেকিবুৰ জামান, জিলা কাৰ্যনিৰ্বাহক কৰুণা কান্ত শীল, নলবাৰী সমষ্টি সমিতিৰ সভাপতি দীপক ডেকা, জাতীয় যুৱ শক্তিৰ জিলা আহ্বায়ক ৰাজীৱ ভূএঞাৰ লগতে বিভিন্ন পৰ্যায়ৰ বিষয়াববীয়াসকল। সভাৰ শেষত আগন্তুক পৌৰসভা নিৰ্বাচন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে বিশিষ্ট অধিবক্তা আব্দুল মজিদৰৰ নেতৃত্বত এখন পাঁচজনীয়া শক্তিশালী সমিতি গঠন কৰা হয়।

## নুমলীগড়ত গোৰ্খা ছাত্র সন্থাৰ উদ্যোগত 'ক্ৰীড়া সমাৰোহ'

অগ্রদূত বাৰ্তা

**নুমলীগড়, ২১ ডিচেম্বৰ ঃ** মৰঙি আঞ্চলিক গোৰ্খা ছাত্র সন্থাৰ উদ্যোগত তথা নাহৰজান খেলপথাৰ পৰিচালনা সমিতিৰ সহযোগত কালি নুমলীগড়ৰ চাৰি নম্বৰ ৰংবং-নাহৰজান খেলপথাৰত ক্ৰীড়া সমাৰোহ সম্পন্ন কৰা হয়। পুৱাৰে পৰা আৰম্ভ হোৱা কাৰ্যসূচী অনুসৰি, পতাকা উত্তোলন কৰে মৰঙি আঞ্চলিক গোৰ্খা ছাত্র সন্থাৰ সভাপতি সুভাষ ছেত্ৰীয়ে। ইয়াৰ পাছত স্মৃতি তৰ্পণ কৰে সম্পাদক চুজিত ছেত্ৰীয়ে। ক্ৰীড়া সমাৰোহত শিশু আৰু যুৱক-যুৱতীসকলৰ মাজত এশ মিটাৰ, দুশ মিটাৰ আৰু চাৰিশ মিটাৰ দৌৰ প্ৰতিযোগিতা, লংজাঁপ, হাইজাঁপ, কাবাদী আদি প্ৰতিযোগিতাৰ লগতে স্থানীয় মহিলাসকলৰ মাজত পাৰ-পানী আৰু সংগীত চকী প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি পাঁচ শতাধিক প্ৰতিযোগী আৰু ৰাইজৰ উপস্থিতিত কেশৱ উপাধ্যায়ে আঁত ধৰা বঁটা বিতৰণী সভাত স্থানীয় শিক্ষক তথা ক্ৰীড়া সংগঠক নীলকান্ত বৰা, বিষ্ণুপ্ৰসাদ উপাধ্যায়, ৰংবং অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী মৃদুল ফুকন, সূৰ্য ছেত্ৰী, চূৰামণি কটুৱাল, বোবাই কুৰ্মী, টেকে ছেত্ৰী, নিৰ্মল ছেত্ৰীৰ লগতে নাহৰজান খেলপথাৰ পৰিচালনা সমিতিৰ সমূহ সদস্য, মৰঙি আঞ্চলিক গোৰ্খা ছাত্র সন্থাৰ সমূহ কাৰ্যকৰ্তাৰ উপস্থিতিত বিজয়ী প্ৰতিযোগীসকলৰ মাজত পুৰস্কাৰ বিতৰণ কৰা হয়।

## তামুলপুৰত বীৰ ছহিদ মনেশ্বৰ বসুমতাৰীৰ নামত পথ নামকৰণ

অগ্রদূত বাৰ্তা

**তামুলপুৰ, ২১ ডিচেম্বৰ ঃ** ২০১৯ৰ ১৪ ফেব্ৰুৱাৰীত পাকিস্তানী সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত বোমা বিস্ফোৰণত পুলুৱামৰ ছহিদ কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ ৯৮ নম্বৰ বেটেলিয়নত কৰ্মৰত তামুলপুৰ কলবাৰীৰ সু-সন্তান বীৰ জোৱান মনেশ্বৰ বসুমতাৰীৰ নামত কালি এটি পথৰ নামকৰণ কৰা হয়। তামুলপুৰ মহকুমা সদৰ গোৰেশ্বৰ চ'কত ১০ নম্বৰ বেটেলিয়ন চিআৰপিএফ দ্বাৰা আয়োজিত এক অনুষ্ঠানত তামুলপুৰ-গান্ধিবাৰী গোৰেশ্বৰ সংযোগী পথৰ বীৰ ছহিদ মনেশ্বৰ বসুমতাৰীৰ নামত মুকলি কৰে ছহিদজনৰ পত্নী চানমতি বসুমতাৰী আৰু চিআৰপিএফৰ ১০ নম্বৰ বেটেলিয়নৰ ডেপুটি কমাণ্ডাৰ চালিম কুমাৰ এছে। পথটো মুকলি কৰাৰ পূৰ্বে ছহিদজনৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকাৰ লগতে চিআৰপিএফৰ বিষয়া জোৱান আৰু ছহিদজনৰ পৰিয়ালৰ লোকে। ছহিদ বসুমতাৰীৰ নামত পথ নামকৰণ অনুষ্ঠানত উপস্থিত থাকি চিআৰপিএফৰ ১০ নম্বৰ বেটেলিয়নৰ ডেপুটি কমাণ্ডেণ্ট চালিম কুমাৰ এছে কয়, 'দেশ ৰক্ষাৰ নামত চিআৰপিএফৰ যিসকল বীৰ জোৱান ছহিদ হৈছিল তেওঁলোকৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে একোটি পথ নিৰ্মাণ কৰি ছহিদজনৰ নামত নামকৰণ কৰাৰ বাবে চিআৰপিএফৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাঙি ধৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰে ইয়াত সন্মতি প্ৰদান কৰিছিল আৰু দেশৰ বিভিন্ন প্ৰান্তত বীৰ ছহিদসকলৰ নামত পথ নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। তামুলপুৰৰ সু-সন্তান বীৰ ছহিদ মনেশ্বৰ বসুমতাৰীৰ নামতো তামলপুৰ-গোৰেশ্বৰ সংযোগী পথটো ছহিদজনৰ নামত নামকৰণৰ লগতে পথটোৰ পুনৰ নিৰ্মাণৰ কাম অচিৰেই কৰা হ'ব। ইফালে তামুলপুৰ-গান্ধীবাৰী-গোৰেশ্বৰ সংযোগী পথটোৰ নাম আনুষ্ঠানিকভাৱে ছহিদ মনেশ্বৰ বসুমতাৰীৰ নামেৰে নামকৰণ কৰাত ছহিদগৰাকীৰ পৰিয়ালে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে পৰিয়ালৰ তৰফৰ পৰা কেন্দ্ৰীয় চৰকাৰ তথা চিআৰপিএফক ধন্যবাদ জ্ঞাপন কৰে।

## ৰাজাপুখুৰীত ফুড প্ৰচেছিঙৰ পাঁচদিনীয়া কৰ্মশালা উদ্বোধন

**ছয়গাঁও, ২১ ডিচেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ৰাজাপুখুৰীত আজি খাদ্য সংসাধনৰ পাঁচদিনীয়া কৰ্মশালা এখন উদ্বোধন কৰা হয়। ৰাজাপুখুৰীত অৰ্চনা শৰ্মাৰ নেতৃত্বত আয়োজিত এই কৰ্মশালাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মহানগৰীৰ কাঁহিকুছিস্থিত অসম কৃষি বিশ্ববিদ্যালয়ৰ সামূহিক বিজ্ঞান বিভাগৰ বিশেষজ্ঞ মধুস্মিতা ডেকাই। দক্ষিণ কামৰূপৰ বিশিষ্ট সাংবাদিক বিমল শৰ্মাৰ সঞ্চালনাত আয়োজিত কৰ্মশালাখন উদ্বোধন কৰি মধুস্মিতা ডেকাই গ্ৰামাঞ্চলত উপলব্ধ ঔটেঙা, কৰ্দৈ, অমৰা, আমলখি আদিকে ধৰি বিভিন্ন ফলমূল আৰু শাক-পাচলিৰ পৰা কেনেকৈ বিধে বিধে অত্যন্ত প্ৰয়োজনীয় সামগ্ৰী তৈয়াৰ কৰিব পাৰি আৰু উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ জৰিয়তে স্বাৱলম্বী হ'ব পাৰি সেই সম্পৰ্কে ব্যাখ্যা কৰে। উদ্বোধনী অনুষ্ঠানত ৰাজাপুখুৰী গাঁৱৰ অগ্ৰণী সমাজসেৱী দেৱেশ্বৰ নাথে সময়ৰ সদ ব্যৱহাৰৰ জৰিয়তে সৰু সৰু উদ্যোগ স্থাপনৰ জৰিয়তে নিজকে স্বাৱলম্বী কৰিব পাৰি সেই সম্পৰ্কে ব্যাখ্যা কৰে। কৰ্মশালাৰ সঞ্চালক সাংবাদিক বিমল শৰ্মাই ৰাজাপুখুৰীত অসম কৃষি বিশ্ববিদ্যালয়ে এনেকুৱা ধৰণৰ কৰ্মশালাৰ বাবে আগবাঢ়ি অহা হেতুকে ধন্যবাদ জ্ঞাপন কৰে। সঞ্চালক শৰ্মাই কৰ্মশালাখনত অংশগ্ৰহণ কৰিবলৈ অহা প্ৰশিক্ষাৰ্থীসকলে যাতে ইয়াৰ পৰা উপকাৰ পাবলৈ সক্ষম হয় তাৰ বাবে কেতবোৰ গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায়। উক্ত কৰ্মশালাত গুইমাৰাৰ মুনীন্দ্ৰ দাসেও তেওঁৰ ভাষণত স্বাধীনভাৱে কম মূলধন হঁৰৰ মহিলাসকলে নিজৰ লগতে পৰিয়ালক আৰ্থিক সকাহ দিব পাৰে তাৰ বাবে পৰামৰ্শ আগবঢ়ায়।

## পৰিবহণ কৰ্মী মঞ্জু মহন্তৰ দেহাৱসান

অগ্রদূত বাৰ্তা

**নামতি, ২১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ নামতি বেলিমুখীয়া উজনীয়াল সত্ৰৰ বাসিন্দা, অন্তৰ্দেশীয় নৌ পৰিবহণ বিভাগৰ নিষ্ঠাবান কৰ্মচাৰী, অতিঅমায়িক স্বভাৱৰ ধৰ্মপ্ৰাণা মহিলা মঞ্জু মহন্তৰ যোৱা ১৯ ডিচেম্বৰত সন্ধিয়া অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত মৃত্যু। মহন্ত কিছুদিন ধৰি বৃক্ক ৰোগত ভুগি আছিল। তেওঁ শিৱসাগৰ জিলাৰ দিচাংমুখ স্থিত আই ডব্লিউ টিৰ কাৰ্যালয় সহায়ক হিচাপে কৰ্মৰত আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৫ বছৰ। মহন্তই স্বামীসহ অনেক আত্মীয়ক সংসাৰত এৰি যায়।

## কলিয়াবৰৰ মিছাত মহিলাৰ মৃতদেহ উদ্ধাৰ

অগ্রদূত বাৰ্তা

**কলিয়াবৰ, ২১ ডিচেম্বৰ ঃ** কালি কলিয়াবৰৰ মিছাত উদ্ধাৰ হয় এগৰাকী মহিলাৰ মৃতদেহ। মিছা নদীত ওপঙি থকা অৱস্থাত উদ্ধাৰ হয় মহিলাগৰাকীৰ মৃতদেহটো। মহিলাগৰাকী শোণিতপুৰ জিলাৰ বাদুলিপাৰাৰ বৃন্দা গোৱালা বুলি চিনাক্ত কৰা হৈছে। যোৱা ১৯ ডিচেম্বৰত মিছা ৰিজাৰ্ভৰ গণেশ গোৱালাৰ ঘৰলৈ ফুৰিবলৈ আহিছিল মহিলাগৰাকী। সন্ধিয়া শৌচ কৰিবলৈ নদীৰ কাষলৈ গৈছিল বুলি প্ৰকাশ কৰিছে স্থানীয় লোকে। মিছা আৰক্ষীয়ে ইতিমধ্যে মৃতদেহটো উদ্ধাৰ কৰি তদন্ত অব্যাহত ৰাখিছে। মহিলাগৰাকীৰ বয়স আনুমানিক ৪০ বছৰ বুলি স্থানীয় লোকে জানিবলৈ দিছে।

## মাজুলীত পঞ্চায়তৰ সদস্যসকলৰ গুৰুত্বপূৰ্ণ সভা

### ■ সমস্যা সমাধানৰ বাবে স্মাৰকপত্ৰ প্ৰদানৰ সিদ্ধান্ত

অগ্রদূত বাৰ্তা

**কমলাবাৰী, ২১ ডিচেম্বৰ ঃ** সদৌ অসম পঞ্চায়ত সদস্য সমন্বয়ৰক্ষী সমিতিয়ে পঞ্চায়ত সদস্যসকলৰ সমস্যাসমূহ চৰকাৰক উত্থাপন কৰি আহিছে যদিও চৰকাৰে সমস্যাটোৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা নাই। সদস্যসকলৰ সমস্যা সন্দৰ্ভত আলোচনা কৰিবৰ বাবে যোৱা ১৯ ডিচেম্বৰত সদৌ অসম পঞ্চায়ত সদস্য/সদস্যা সমন্বয়ৰক্ষী সমিতি, মাজুলী জিলা সমিতিৰ সভাপতি অতুল শইকীয়াৰ সভাপতিত্বত পকা জৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। কালি সভাৰ আঁত ধৰে সাধাৰণ সম্পাদক মনোজ বৰাই। উক্ত সভাত গাঁও পঞ্চায়তৰ সদস্যা/সদস্যাসকলৰ মাহেকীয়া পাৰিতোষিক আৰু বিভিন্ন সমস্যা সমাধানৰ বাবে মুখ্যমন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী আৰু পঞ্চায়ত বিভাগৰ কৰ আয়ুক্তক স্মাৰকপত্ৰ দিয়াৰ বিষয়ে আলোচনাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। উক্ত সভাত লখিমপুৰ জিলাৰ পৰা মাজুলী জিলাৰ লগত নতুনকৈ সংযোজিত লোহিত খাবলু গাঁও পঞ্চায়তৰ প্ৰতিনিধি (সদস্য/সদস্যা) সকলেও অংশগ্ৰহণ কৰে।

## তিৱা স্বায়ত্ত পৰিষদত চাৰিগৰাকী মনোনীত সদস্যৰ শপতগ্ৰহণ

অগ্রদূত বাৰ্তা

**মৰিগাঁও, ২১ ডিচেম্বৰ ঃ** অসম চৰকাৰে তিৱা স্বায়ত্ত পৰিষদৰ ভৈয়াম জনজাতি উন্নয়ন বিভাগে টিএডিবিচি ৯৪৮/২০২১/২ নৱেম্বৰৰ এক নিৰ্দেশনা অনুসৰি কালি চাৰিজনকৈ মনোনীত সদস্যই শপতগ্ৰহণ কৰে। তিৱা স্বায়ত্ত পৰিষদৰ অধ্যক্ষ মদন বৰদলৈৰ অধ্যক্ষতাত কালি মৰিগাঁওস্থিত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যালয় প্ৰাংগণত থকা সভাকক্ষত পৰিষদৰ চাৰিজন মনোনীত সদস্য ক্ৰমে অন্যান্য পিছপৰা শ্ৰেণীৰ অজিত ডেকা আৰু তপন গগৈ, চাহ জনগোষ্ঠীৰ জোনাচ ইন্দোৱা আৰু অনুসূচিত জাতিৰ খগেন দাসক মনোনীত সদস্য হিচাপে পৰিষদৰ প্ৰধান সচিব দেৱানন্দ দাসে শপত বাক্য পাঠ কৰোৱায়। কালি চাৰিজন মনোনীত সদস্যই শপত গ্ৰহণ কৰি সকলো জাতি-জনগোষ্ঠী অঞ্চলত থকা লোকসকলৰ উন্নয়নৰ বাবে কাম কৰি যাব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে। তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত তিৱা স্বাযত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰ উপস্থিত থাকি চাৰিজন মনোনীত সদস্যলৈ শুভেচ্ছামূলক ভাষণ আগবঢ়োৱাৰ লগতে আগন্তুক দিনত সকলোৱে একেলগে কাম কৰি উন্নয়নৰ নতুন দিগন্ত সূচনা কৰিব বুলি উল্লেখ কৰে। কালিৰ এই শপত গ্ৰহণ অনুষ্ঠানত তিৱা স্বায়ত্ত পৰিষদৰ বহু সদস্যই অংশগ্ৰহণ কৰে। শপত গ্ৰহণ কৰা কোঁচ ৰাজবংশী নেতা অজিত ডেকাক আজি ৰজাগাঁও উন্নয়ন সমিতিয়ে চহৰখনৰ আঁহততলি বাকৰিত বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।



ডিগবৈত অগ্নিকাণ্ডত ভস্মীভূত গৃহ, মঙলবাৰে।

### ■ মৰিয়নিত আটছাৰ পঞ্চ ছহিদৰ প্ৰতিমূৰ্তি আৰু স্মৃতি উদ্যানৰ আধাৰশিলা

## ছহিদৰ ত্যাগক নতুন প্ৰজন্মই জানিব লাগিব ঃ গোৱালা

অগ্রদূত বাৰ্তা

**মৰিয়নি, ২১ ডিচেম্বৰ ঃ** অসম চাহ জনজাতি ছাত্র সন্থা চমুকৈ আটছাৰ পঞ্চ ছহিদৰ স্মৃতিত মৰিয়নিৰ কাটনিবাৰী চাহ বাগিচাৰ ৰাজহুৱা প্ৰেক্ষাগৃহৰ সমীপত এক উদ্যান নিৰ্মাণ কৰাৰ লগতে পঞ্চ ছহিদৰ প্ৰতিমূৰ্তি স্থাপনৰ কালি আধাৰশিলা কৰা হয়। আজি পুৱা মৰিয়নিৰ অসম চাহ নিগম লিমিটেডৰ অন্তৰ্গত কাটনিবাৰী চাহ বাগিচাত এই উপলক্ষে এক চমু অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানটো মুকলি কৰে আটছাৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যসভাৰ কামাখ্যা প্ৰসাদ তাছা আৰু আটছাৰ বৰ্তমানৰ সভাপতি ধীৰাজ গোৱালাই। আনহাতে, বন্তি প্ৰজ্বলন কৰে আটছাৰ প্ৰাক্তন সম্পাদক অসম চাহ নিগম উপাধ্যক্ষ সীমাঞ্চল দীগাল, নিৰ্মাণ সমিতিৰ সভাপতি প্ৰবীণ কুৰ্মী আৰু আটছাৰ সভাপতি ধীৰাজ গোৱালাই। ইয়াৰ পাছতে নিৰ্মাণ কাৰ্য আৰম্ভ কৰে আটছাৰ সভাপতি ধীৰাজ গোৱালাৰ লগতে ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, অসম চাহ নিগম লিমিটেডৰ উপাধ্যক্ষ সীমাঞ্চল দীগাল, নিৰ্মাণ সমিতিৰ সভাপতি প্ৰবীণ কুৰ্মী, অসম চাহ মজদুৰ সংঘৰ যোৰহাট শাখাৰ সভাপতি বিলাতী তাঁতী আদিয়ে। আনহাতে, আটাছৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সন্তোষ চিকে আঁত ধৰা অনুষ্ঠানটোত আধাৰশিলা স্থাপন কৰি সাংসদ কামাখ্যা প্ৰসাদ তাছাই কয়, 'ৰাজনীতিৰ কথা বাদ দি এনে মহৎ কাম কৰাতো আদৰণিয় কাম।



যিসকলে জাতিটোৰ বাবে নিজৰ জীৱন উছৰ্গা কৰি গ'ল সেইসকলক লৈ কেতিয়াও ৰাজনীতি কৰিব নালাগে। আনহাতে, পঞ্চ ছহিদৰ স্মৃতিত উদ্যান নিৰ্মাণ আৰু তেওঁলোকৰ প্ৰতিমূৰ্তি স্থাপনৰ বাবে অসম চাহ নিগমৰ অধীনৰ কাটনিবাৰী চাহ বাগিচাই মাটি আগবঢ়াই দিয়াৰ বাবে তেওঁলোকৰো শলাগ লয় সাংসদ তাছাই। আটছাৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালাই কয় পঞ্চ ছহিদে গোটেই জনগোষ্ঠীটোৰ বাবে বহুত দি গ'ল. কিন্তু নতুন প্ৰজন্ম আৰু আহি থকা প্ৰজন্মই তেওঁলোকৰ মহান ত্যাগৰ বিষয়ে জানিব লাগিব। সেয়েহে তেওঁলোকক নতুন প্ৰজন্মই যাতে চিনি পায় আৰু তেওঁলোকৰ ত্যাগক যাতে বুজি পায় তাৰ বাবেই এই পঞ্চ ছহিদৰ প্ৰতিমূৰ্তি স্থাপনৰ প্ৰয়োজনীয়তা আছে। ছহিদৰ মহান ত্যাগক নতুন প্ৰজন্মই জানিব লাগিব বুলিও তেওঁ লগতে মন্তব্য কৰে। উক্ত অনুষ্ঠানতে ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাই ছহিদ স্মৃতি উদ্যান আৰু পঞ্চ ছহিদৰ প্ৰতমূৰ্তি স্থাপনৰ বাবে ১৫ লাখ টকাৰ অনুদান ঘোষণা কৰে। উল্লেখ্য যে এই স্থানত আটছাৰ ছহিদ বলো কুৰ্মী, কৃতিনাথ ছত্ৰী, গুলেশ্বৰ ছত্ৰী, ইন্দ্ৰ তাঁতী আৰু এডমাণ্ড বাৰ্লাৰ প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব। ১৯৮৮ৰ সাত জুনত আটছাৰ এক প্ৰতিবাদী কাৰ্যসূচীত অংশ লওঁতে এক দুৰ্ঘটনাত এই লোকৰ মৃত্যু হৈছিল। আহত হৈছিল আন বহুকেইজন। এই কাৰ্যসূচীত আটছাৰ কেন্দ্ৰীয় সাহিত্য সম্পাদক সঞ্জয় দীগাল, কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত্ৰয় সদস্য উমাংশকৰ কুৰ্মী, মংগল গৰাইট আৰু টংকেশ্বৰ ৰাজপুত, অসম চাহ নিগম লিমিটেডৰ যোৰহাট কাৰ্যালয় ৰজত দত্ত আৰু অনুপ চেতিয়া, চাহ নিগমৰ অন্তৰ্গত চৈকটা চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক অচ্যুত বৰণ চৌধুৰী, চিনামৰা চাহ বাগিচাৰ জ্যেষ্ঠ পৰিচালক অচ্যুৎ বৰণ চৌধুৰী, চিনামৰা চাহ বাগিচাৰ পৰিচালক চক্ৰধৰ বৰুৱা, কাটনিবাৰী চাহ বাগিচাৰ সহকাৰী পৰিচালক প্ৰশান্ত খনিকৰ, আটছাৰ যোৰহাট জিলা সমিতিৰ সভাপতি গকুল মাঝি, সাধাৰণ সম্পাদক ৰিংকু মিস্ত্ৰী, সহকাৰী সম্পাদক নৰেন তাঁতী, মিণ্টু কুৰ্মী, দীপক তাঁতী, মৰিয়নি শাখাৰ সভাপতি বন্ধন গোৱালা, সাধাৰণ সম্পাদক দীনেশ চাহু, প্ৰাক্তন আটছা নেতা দীনেশ গঞ্জু, বিজেপি চাহ মৰ্চাৰ যোৰহাট জিলাৰ সভাপতি সঞ্জয় কৃষ্ণ তাঁতী, দক্ষিণ কাটনি গাঁও পঞ্চায়তৰ সভাপতি অলেন পাটনায়ক, প্ৰশান্ত দাস (বাবা), আটছা নেতা জয় প্ৰকাশ ৰজক, ৰঞ্জিত চাহনী, অজয় তাঁতী আদি বহুসংখ্যক ব্যক্তি, ছাত্র নেতা উপস্থিত থাকে।

■ বগাহাতীত পৰিণত নগাঁও মহকুমা অনুসূচিত জাতি উন্নয়ন পৰিষদ


# অনুসূচিত জাতিৰ হিতাধিকাৰীক সামগ্ৰী বিতৰণত অনিয়ম

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ ডিচেম্বৰ ঃ** সমাজৰ দুৰ্বল অংশ হিচাপে চিহ্নিত অনুসূচিত জাতিৰ লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে গঠন কৰা অনুসূচিত জাতি কল্যাণ বগা হাতীতহে পৰিণত হোৱা পৰিলক্ষিত হৈছে। এই অকামিলা পৰিষদৰ বাবেই ৰাজ্যখনৰ লাখ লাখ দৰিদ্ৰ অনুসূচিত জাতিৰ লোক কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে তেওঁলোকৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ সা-সুবিধাৰ পৰা বঞ্চিত হৈ থাকিবলগীয়া হৈছে। নগাঁও জিলাটো বৃহৎ সংখ্যক অনুসূচিত জাতিৰ লোক আছে। জিলাখনৰ ৰহা, বটদ্ৰৱা, ধিং, বঢ়মপুৰ, নগাঁও সদৰ, চামগুৰি আৰু কলিয়াবৰ সমষ্টিত বহু সংখ্যক অনুসূচিত জাতিৰ লোক আছে। এই লোকসকলৰ অধিকাংশই আৰ্থিক দিশত অতি জুৰুলা। তেওঁলোকৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত প্ৰতি বছৰে কোটে কোটি টকা আবণ্টন দি আহিছে যদিও ইয়াৰ জৰিয়তে ১০ শতাংশও অনুসূচিত জাতিৰ দৰিদ্ৰ লোক উপকৃত হ'ব পৰা নাই। ইয়াৰ অন্যতম কাৰণ অনুসূচিত জাতিৰ আঁচনিসমূহৰ ৰূপায়ণৰ নামত সংঘটিত ব্যাপক দুৰ্নীতি অনিয়ম। অনুসূচিত জাতিৰ দৰিদ্ৰ ৰাইজে গম নোপোৱাকৈয়ে তেওঁলোকৰ উন্নয়নৰ ধন, হজম কৰি আহিছে একাংশ চৰকাৰী বিষয়া, অনুসূচিত জাতি কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰী, নগাঁও মহকুমা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ বিষয়ববীয়া আৰু একাংশ ৰাজনৈতিক নেতা-পালিনেতাই। সম্প্ৰদায়টোৰ আৰ্থিকভাৱে জুৰুলা লোকসকলক আৰ্থিক স্বচ্ছলতাৰ বাবে বিভিন্ন যান বাহন যেনে ট্ৰেক্টৰ, পাৱাৰ টিলাৰ, টেম্প', অট'ভান, টেবলেট, কম্পিউটাৰ, খেলৰ সামগ্ৰী, ৰাসায়নিক সাৰ টিনপাত, চিলাই মেচিন, স্প্ৰে মেচিন, জাল, চাইকেল, ড্ৰাম, সূতা, পানীৰ ফিল্টাৰ আদিও যোগান ধৰা হয় যদিও সেইবোৰ লাভ প্ৰকৃত হিতাধিকাৰীয়ে লাভ নকৰে। অনুসূচিত জাতি উন্নয়ন পৰিষদৰ সভাপতিজনক মেনেজ কৰি সেই সামগ্ৰী এচাম মধ্যভোগীয়েহে লাভ কৰিবলৈ সক্ষম হৈছে বুলি জিলাখনৰ অনুসূচিত জাতিৰ একাংশ লোকে অভিযোগ উত্থাপন কৰিছে। তদুপৰি অনুসূচিত জাতিৰ দৰিদ্ৰ মহিলাক আৰ্থিক অনুদান আগবঢ়োৱাৰ ১৩ পৃষ্ঠাত চাওক



*ছয় জনগোষ্ঠীৰ জাতিকৰণৰ দাবীত আটাছুৰ দুই ঘন্টীয়া অৱস্থান ধৰ্মঘট, সোণাৰীত মঙলবাৰে।*

## কুৰুৱাত অবৈধ বালিমাটি খননৰ বিৰুদ্ধে সৰৱ বন বিভাগ



**অগ্ৰদূত বাৰ্তা**
**দুমুনিচকী, ২১ ডিচেম্বৰ ঃ** দৰং জিলাৰ কুৰুৱাত অবৈধভাৱে বালিমাটি খননৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে কুৰুৱা আঞ্চলিক বন বিষয়া দীপাংকৰ দেৱ। প্ৰাপ্ত বাতৰি অনুসৰি কুৰুৱা ৰেঞ্জৰ অধীনস্থ কুৰুৱাত বৰনৈৰ বালিমাটি অবৈধভাৱে খনন কৰি কামৰূপ জিলাৰ উত্তৰ গুৱাহাটী অঞ্চললৈ সৰবৰাহ কৰি আছিল এক অসাধু চক্ৰই। বৰনদী হ'ল কামৰূপ-দৰঙৰ লগতে বন বিভাগৰ কুৰুৱা আৰু চিলা ৰেঞ্জৰো সীমা। বালিমাটি খনন কৰা ঠাইখিনি কুৰুৱা ৰেঞ্জৰ অন্তৰ্গত হ'লেও এই খনন কৰা বালিমাটি চিলা ৰেঞ্জৰ অন্তৰ্গত অঞ্চললৈ দৈনিক সৰবৰাহ কৰি আহিছিল অসাধু ১৩ পৃষ্ঠাত চাওক

## নলবাৰী জিলাৰ ১২টা গ্ৰাম্য পুথিভঁৰালত শিশু শিক্ষাৰ্থীৰ মাজত চিত্ৰাংকন প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**চামতা, ২১ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ অধীনৰ নলবাৰী জিলা পুথিভঁৰালৰ অন্তৰ্গত নলবাৰী জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সৌজন্যত দেওবাৰে জিলাখনৰ মুঠ ১২টা গ্ৰাম্য পুথিভঁৰালত পুৱা ১০ বজাৰ পৰা শিশু, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। 'পুথি পঢ়াৰ আনন্দ' শীৰ্ষক পঢুৱৈৰ সজাগতা সৃষ্টিৰ মহান উদ্দেশ্যৰে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কবিতা আবৃত্তি, সাধু কোৱা, বুদ্ধি পৰীক্ষা, কুইজ আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। নলবাৰী জিলা পুথিভঁৰালৰ অধীনস্থ গ্ৰাম্য পুথিভঁৰাল বেলশৰ, কৈঠালকুছি, বালি, কুকুৰমাৰা, নাথকুছি, নানকাৰ ভয়ৰা, চতমা, সোণকুৰিহা, মাধাপুৰ, ঘোগা, ৰিহামপুৰসহ প্ৰায় ১০টা পুথিভঁৰালত সুন্দৰভাৱে প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। নলবাৰী জিলা গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক জ্যোতিৰ্ময় বৈশ্যই কয় যে আজিৰ নৱ প্ৰজন্মৰ মাজত পুথি পঢ়াৰ আগ্ৰহ বৃদ্ধি কৰি এখন সুস্থ, আদৰ্শবান আৰু বিবেকবান হৃদয়ৰ গৰাকী কৰি গঢ়ি তুলিবলৈ কিতাপ অধ্যয়নেই হৈছে মূল সম্পদ। সেয়েহে জ্যোতিৰ্ময় বৈশ্যই সকলো শ্ৰেণীৰ লোক তথা অভিভাৱক সকলক নিজ নিজ সন্তানক পুথি পঢ়াৰ প্ৰতি সজাগতা গঢ়ি তুলিবলৈ আহ্বান জনোৱাৰ লগতে চৰকাৰক এই গ্ৰাম্য পুথিভঁৰালসমূহক উপযুক্তভাৱে পঢুৱৈৰ মনোগ্ৰাহী কৰি তুলিবলৈ অনুৰোধ জনায়।

## উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীৰ মৃত্যু ঃ শোকৰ ছাঁ

**অগ্ৰদূত বাৰ্তা**
**কাজলগাঁও, ২১ ডিচেম্বৰ ঃ** চিৰাং জিলাৰ কাজলগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ত কৰ্মৰত কনিষ্ঠ বৰ্গৰ সহায়ক লব কুমাৰ ব্ৰহ্মৰ কালি দুৰ্ভাগ্যজনকভাৱে মাত্ৰ ৪২ বছৰ বয়সত হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। কালি পুৱা ন বজাত চিৰাং জিলাৰ ৰুণীখাতাৰ পূৰ্ব বাশবাৰী নিজ বাসগৃহৰ পৰা কৰ্মস্থলী কাজলগাঁৱৰ উপায়ুক্ত কাৰ্যালয়লৈ যোৱাৰ প্ৰস্তুতি চলোৱাৰ সময়তে লব কুমাৰ ব্ৰহ্ম হৃদৰোগত আক্ৰান্ত হয়। পৰিয়ালৰ লোকে তাৎক্ষণিকভাৱে বঙাইগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ যায় যদিও দুৰ্ভাগ্যজনকভাৱে কৰ্তব্যৰত চিকিৎসকে ব্ৰহ্মক মৃত বুলি ঘোষণা কৰে। সম্পূৰ্ণ সুস্থ সবল ৪২ বছৰীয়া ব্ৰহ্মৰ আকস্মিক মৃত্যুৰ খবৰ পোৱাৰ পাছত কৰ্মস্থলী কাজলগাঁৱৰ উপায়ুক্ত কাৰ্যালয়ত এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। দুপৰীয়া কাজলগাঁৱৰ জেএছবি অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহ উপায়ুক্ত কাৰ্যালয় চৌহদলৈ অনা হয়। উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, অতিৰিক্ত উপায়ুক্ত খনীন্দ্ৰ দাসসহ বিষয়া কৰ্মচাৰীসকলে অশ্ৰুসিক্ত নয়নেৰে মাল্য অৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট মৌনতা পালন কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত লব কুমাৰ ব্ৰহ্মই মাতৃ, সহধৰ্মিণী লগতে এজনী ন বছৰীয়া কন্যা আৰু তিনিমহীয়া পুত্ৰ সন্তানক ইহ সংসাৰত এৰি যায়।

## নানকাৰভয়ৰাত মৎস্যপালকৰ আলোচনামূলক কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২১ ডিচেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ অনুমোদিত ওড়িছাৰ ভুৱনেশ্বৰস্থিত চেন্ট্ৰেল ইন্সষ্টিটিউট অৱ ফিছ্‌ৱাটাৰ একুৱা কালচাৰৰ উদ্যোগত যোৱা ১৬ ডিচেম্বৰত নলবাৰী জিলাৰ নানকাৰ ভয়ৰাত মৎস্যপালকসকলৰ মাজত এখন আলোচনামূলক কৰ্মশালা অনুষ্ঠিত হয়। অসমৰ প্ৰখ্যাত মৎস্য ব্যৱসায়ী দেৱজিৎ বৰ্মনৰ নানকাৰ ভয়ৰাস্থিত দেৱজিৎ ফিছ হেডচাৰীত অনুষ্ঠিত কৰ্মশালাখনত অসমৰ ভিন্ন জিলাৰ প্ৰায় ২৫০ পুৰুষ-মহিলা মৎস্য পালকে অংশগ্ৰহণ কৰে। উক্ত কৰ্মশালাত অতি লাভৱান জয়ন্তী ৰৌ আৰু মিছা মাছৰ উৎপাদনৰ ওপৰত মৎস্য পালকসকলক প্ৰশিক্ষণ দিয়া হয়। কৰ্মশালাখনত সংশ্লিষ্ট প্ৰতিষ্ঠানটোৰ মুৰব্বী বৈজ্ঞানিক ড° কান্তা দাস মহাপাত্ৰই ভুৱনেশ্বৰৰ পৰা অনা জয়ন্তী ৰৌ প্ৰজাতিৰ প্ৰতিপালন কৰি কেনেদৰে অধিক লাভৱান হ'ব পাৰি তাৰ ওপৰত মৎস্য পালকসকলক পৰামৰ্শ আগবঢ়ায়। কৰ্মশালাখনত প্ৰতিষ্ঠানটোৰ অন্য এজন বিজ্ঞানী ড° বি আৰ পিল্লাইয়ে অংশগ্ৰহণ কৰি জয়ন্তী ৰৌৰ উৎপাদন বৃদ্ধিৰ ওপৰত বক্তব্য আগবঢ়ায়। ড° পি পি চক্ৰৱৰ্তীয়ে মাছৰ পোনা পোহা ক্ষেত্ৰৰ পানীৰ গুণগত মান সম্পৰ্কে ভাষণ প্ৰদান কৰে। আন এজন বিজ্ঞানী ড° অবিনাশ ৰাসইয়ে মাছ প্ৰতিপালনৰ ওপৰত বক্তব্য আগবঢ়ায়। নিজ ভাষণত তেওঁ অসমত পৰিত্যক্ত জলাশয়সমূহত মিছা মাছ উৎপাদন কৰি ১৩ পৃষ্ঠাত চাওক

## মেৰাপানীত লালীগুড়-চুলাইৰ ৰমৰমীয়া বেহা ঃ নিৰ্বিকাৰ প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২১ ডিচেম্বৰ ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ বৃহত্তৰ দৈয়াং অঞ্চলত চুলাই ভাটিসমূহক কেন্দ্ৰ কৰি লালীগুড়ৰ বৃহৎ ব্যৱসায় গঢ়ি তুলিছে মেৰাপানীৰ এক একাংশ অসাধু ব্যৱসায়ীয়ে। বিশেষকৈ মেৰাপানীৰ প্ৰদীপ গুপ্তা আৰু অনিল গুপ্তা নামৰ অনা অসমীয়া দুই ভ্ৰাতৃয়ে লালীগুড়ৰ বৃহৎ ভাণ্ডাৰ স্থাপন কৰি গাঁওসমূহৰ চুলাই ভাটীসমূহত এই লালীগুড় যোগান ধৰি আহিছে। সমগ্ৰ মেৰাপানী তথা দৈয়াং অঞ্চলৰ মুঠ ১৫৫ খন গাঁৱৰ ভিতৰত ১৫০ খন গাঁৱতেই চুলাই প্ৰস্তুত কৰাৰ বাবে লালীগুড় যোগান ধৰি আহিছে মেৰাপানীৰ অসাধু চক্ৰটোৱে। ফলস্বৰূপে গাঁওসমূহত চুলাই মদৰ অবাধ প্ৰচলনৰ লগতে তিনিআলি, চাৰিআলিৰ দোকান-বজাৰ সকলোতে সহজলভ্য হৈ পৰিছে চুলাই আৰু দেশীয় সুৰাৰ। মেৰাপানীৰ বিভিন্ন অঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠা অবৈধ সুৰাৰ দোকান আৰু গাঁওসমূহত গঢ়ি উঠা ক্ষুদ্ৰ ক্ষুদ্ৰ চুলাই উদ্যোগসমূহে মেৰাপানীৰ সমগ্ৰ সামাজিক পৰিৱেশ কলুষিত কৰাৰ লগতে নৱ-প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি নিছে। বিশেষকৈ মেৰাপানীৰ ট্ৰেক্টৰ আলি, নাৰায়ণপুৰ, গমাৰি বজাৰ তিনিআলি, পুলিবাগান, কাছমাৰী, কলাজান, ইন্দ্ৰপুৰ, চাউদাং পথাৰ, গুবিনপুৰ, বেটনিপট্টি, তৰাণি, পুষ্পবন, ৰতনপুৰ, শোৱনগাঁও, নৱগ্ৰাম, বিজয়পুৰ, সৰুপানী, বাৰিছোৱা পট্টি আদি বিভিন্ন গাঁৱত ছানি ধৰিছে চুলাইৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহে। এই চুলাই মদ উচ্ছেদৰ বাবে জিলা আবকাৰী বিভাগ গাঁৱত ছানি ধৰিছে চুলাই মদৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহে। এই চুলাই মদ উচ্ছেদৰ বাবে যেনে ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেয়া নকৰা বুলি ৰাইজে অভিযোগ কৰিছে। আনহাতে, পশু খাদ্যৰ গো ফাৰ্মৰ নামত বিক্ৰী কৰি অহা এই লালীগুড় বিক্ৰীৰ ক্ষেত্ৰত প্ৰশাসনে কোনো নীতি-নিৰ্দেশনা নিদিয়া বাবে ব্যৱসায়ী গুপ্তাই নিজ খেয়ালখুচি মতে গাড়ীয়ে গাড়ীয়ে লালীগুড় বিক্ৰী কৰি সম্পত্তিৰ পাহাৰ গঢ়ি আহিছে। ১৩ পৃষ্ঠাত চাওক

## চৰাইদেউ জিলাত জল-জীৱন মিছনৰ আঁচনি ৰূপায়ণৰ বৈঠক

**অগ্ৰদূত বাৰ্তা**
**মৰাণ ২১ ডিচেম্বৰ ঃ** চৰাইদেউ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত পল বৰুৱাৰ পৌৰোহিত্যত আজি জিলাখনত ৰূপায়ণ কৰি থকা জল-জীৱন মিছনৰ আঁচনিৰ সন্দৰ্ভত এখন বৈঠক অনুস্থিত হয়। জিলাখনৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, বিডিঅ', জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা, গাঁও পঞ্চায়তৰ প্ৰতিনিধিবৰ্গৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত উপায়ুক্তই 'জল জীৱন মিছন'ৰ আঁচনিৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰি কয় যে জিলাখনৰ পঞ্চায়তসমূহে পানী যোগানৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিব লাগিব। তেওঁ কয় যে পানী যোগান আঁচনিসমূহ নিজৰ সম্পত্তি বুলি ভাবি তদাৰক কৰিব লাগিব। গাঁও-পঞ্চায়তসমূহৰ সভাপতিৰ নেতৃত্বত গঠন হ'বলগীয়া পৰিচালনা সমিতিসমূহত সকলো নিৰ্বাচিত প্ৰতিনিধি বৰ্গ, উপভোক্তাসকলৰ প্ৰতিনিধিবৰ্গ, বিভাগীয় প্ৰতিনিধিবৰ্গ, আশা কৰ্মী, অংগনৱাদী কৰ্মীসকলো অন্তৰ্ভুক্ত হৈ থাকিব। উপায়ুক্তজনে জল-জীৱন মিছন আঁচনিসমূহ কাৰ্যক্ষম কৰি ৰাখিবলৈ এটা পৰিকল্পনা যুগুত কৰিবলৈ সংশ্লিষ্ট সকলো পক্ষকে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তাক বৈঠকত নিৰ্দেশ দিয়ে। উক্ত বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিদিত দাস, মহকুমাধিপতি (সদৰ) প্ৰাঞ্জল প্ৰতিম কোঁৱৰ, বিডিঅ', জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা আৰু গাঁও-পঞ্চায়তৰ প্ৰতিনিধিবৰ্গ উপস্থিত থাকে।

## মানাহৰ ৰেঞ্জত চিকিৎসালয় স্থাপনৰ বাবে চৰকাৰক দাবী জনোৱাৰ সিদ্ধান্ত

■ শালবাৰীৰ ঘোঁৰামাৰা ভিচিডিচিত গাঁওসভা

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২১ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ নিকটৱৰ্তী মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা ৰেঞ্জ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলক পৰ্যটকৰ অধিক আকৰ্ষণস্থলীলৈ ৰূপান্তৰ কৰাৰ লগতে অঞ্চলটোৰ ভিন্ন সমস্যাৰ সমাধানৰ ক্ষেত্ৰত বিভিন্ন আলোচনাৰ্থে যোৱা ২০ ডিচেম্বৰত শালবাৰীৰ ঘোঁৰামাৰা ভিচিডিচিৰ এখন গাঁও সভা অনুষ্ঠিত হয়। ঘোঁৰামাৰা ভিচিডিচি কাৰ্যালয়ত ভিচিডিচিৰ অধ্যক্ষ ৰাজেশ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত গাঁওসভাত শালবাৰী সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ বিনোদ মুছাহাৰীয়ে ভাষণত ভূএঞাপাৰা ৰেঞ্জৰ নিকটৱৰ্তী অঞ্চলৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি সমস্যাবোৰ সমাধানৰ বাবে ৰাজ্য চৰকাৰৰ লগতে বিটিআৰ প্ৰশাসনক আবেদন জনোৱা হ'ব বুলি ঘোষণা কৰে। উল্লেখ্য যে ঘোঁৰামাৰা ভিচিডিচিৰ ১০খন ৰাজহ গাঁও তথা ৪২খন চুবা গাঁৱৰ এক বৃহৎ অঞ্চলৰ উপৰি ভিচিডিচি অঞ্চলত থকা বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা ৰেঞ্জ অঞ্চলত এখন উচ্চমানৰ চিকিৎসালয় স্থাপনৰ অতি আৱশ্যক বুলি কয় অধ্যক্ষ মুছাহৰীয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা ৰেঞ্জৰ অঞ্চলক দেশী-বিদেশী পৰ্যটকৰ অধিক আকৰ্ষণস্থলী ৰূপে গঢ়ি তুলিবলৈ চৰকাৰে ৰেঞ্জৰ অন্তৰ্গাঁথনিৰ আৰু অধিক উন্নয়নৰ প্ৰয়োজন বুলি কয় টিচিএলচিচিৰ অধ্যক্ষ মুছাহাৰীয়ে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূএঞাপাৰা ৰেঞ্জক পৰ্যটকৰ অধিক আকৰ্ষণস্থলীলৈ ৰূপান্তৰ কৰাৰ বাবে আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে ৰেঞ্জৰ নিকটৱৰ্তী তথা ঘোঁৰামাৰা ভিচিডিচি অঞ্চলত এখন উচ্চমানৰ চিকিৎসালয় স্থাপন আৰু অঞ্চলটোৰ বিভিন্ন উন্নয়নৰ বাবে গাঁওসভাত প্ৰস্তাৱ গৃহীত হয়।

## মানৱ সেৱা সংঘৰ উদ্যোগত কম্বল বিতৰণ ৰমনী আশ্ৰমত

**অগ্ৰদূত বাৰ্তা**
**ফকিৰাগ্ৰাম, ২১ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ৰমনী আশ্ৰমত মানৱ সেৱা সংঘ স্বেচ্ছাসেৱী সংগঠনে আজি দুখীয়া লোকৰ মাজত কম্বল বিতৰণ কৰে। অনুষ্ঠানত স্বেচ্ছাৰেসী সংগঠনৰ সভাপতি বিৰ্খাং বড়োৰ লগতে সাধাৰণ সম্পাদক নৰোত্তম ৰায়ৰ উপৰি ললিত ৰায়ৰ লগতে স্থানীয় সমাজ সেৱক সকলো উপস্থিত থাকে। অনুষ্ঠানতে ৩৬ খন গাঁৱৰ দুখীয়া লোকৰ মাজত কম্বল বিতৰণ কৰে বুলি সম্পাদক নৰোত্তম ৰায়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। ৰমনী আশ্ৰম অঞ্চলত অনাগত দিনত এম্বুলেন্স সেৱাও স্বেচ্ছাসেৱী সংগঠনটোৱে ব্যৱস্থা কৰিব বুলি প্ৰকাশ কৰে।

## সদৌ অসম সূৰ্য্য বৰা সোঁৱৰণী ৬০ সংখ্যক একাংক নাট প্ৰতিযোগিতাৰ সামৰণি

■ প্ৰতিযোগিতাত 'বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটক'ৰ নগাঁৱৰে নাট্য দল শ্ৰেষ্ঠ

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২১ ডিচেম্বৰ ঃ** সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযোগিতা সমিতিয়ে বিশ্বনাথ চাৰিআলিৰ কমলাকান্ত প্ৰেক্ষাগৃহত দুদিনীয়াভাৱে অনুষ্ঠিত কৰা সদৌ অসম সূৰ্য বৰা সোঁৱৰণী একাংক নাট প্ৰতিযেগিতা যোৱা ১৯ ডিচেম্বৰত সামৰণি পৰে। প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা অহা কে'বাটাও নাট্য দলে অংশগ্ৰহণ কৰি উচ্চ মানৰ নাট্যভিনয় কৰি নাট্যপ্ৰেমী ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হয়। প্ৰতিযাগিতাত বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটকৰে নগাঁৱৰ দলে শ্ৰেষ্ঠদল, বনচাই নাটকৰ নব্য নাট্যকৰ্মী বোকাখাতে দ্বিতীয় শ্ৰেষ্ঠ দল আৰু দ্য চুইং নাটকৰ সাৰথি নাট্য গোষ্ঠী বোকাখাতে তৃতীয় শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰে। আনহাতে, প্ৰতিযোগিতাত বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটকৰ জ্যোতিপ্ৰসাদ ভূএঞাই শ্ৰেষ্ঠ পৰিচালক, বনচাই নাটকৰ ৰাতুল ফুকনে দ্বিতীয় শ্ৰেষ্ঠ পৰিচালক আৰু দ্য চুইং নাটকৰ ৰণাল্ড হুছেইনে তৃতীয় শ্ৰেষ্ঠ পৰিচালকৰ সন্মান লাভ কৰে। ইফালে, প্ৰতিযোগিতাত বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটকৰ নিজৰা ৰাজকুমাৰীয়ে শ্ৰেষ্ঠ নাট্যকাৰ, বনচাই নাটকৰ অমৰ শৰ্মাই দ্বিতীয় শ্ৰেষ্ঠ নাট্যকাৰ আৰু শূন্যতা পূৰ্ণতা নাটকৰ নিৰ্মল দাসে তৃতীয় শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান অৰ্জন কৰে। প্ৰতিযোগিতাত বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটকৰ বিঘুত কুমাৰ নাথে শ্ৰেষ্ঠ অভিনেতা, চোৰ নাটকৰ শংকৰ ভূএঞাই দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা, বনচাই নাটকৰ প্ৰিয়াংশু প্ৰাঞ্জলে তৃতীয় শ্ৰেষ্ঠ অভিনেতা, বনচাই নাটকৰ ১৩ পৃষ্ঠাত চাওক

## জামুগুৰিহাটত বন্যহস্তীৰ উপদ্ৰৱ

■ বনৰীয়া হাতীৰ ভয়ত উজাগৰী কটাইছো বহু গঞাঁই

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ২১ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সামন্তৰালকৈ জামুগুৰিহাটতো বনৰীয়া হাতীৰ সন্ত্ৰাস অব্যাহত আছে। নিশা বনাঞ্চলৰ পৰা ওলাই অহা জাক জাক বন্যহস্তীয়ে ত্ৰাহি মধুসূদন সোঁৱৰাইছে অঞ্চলবাসীক। এফালে, নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু আনফালে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই অহা বন্য হস্তীৰ উপদ্ৰৱত দিশহাৰা হৈছে ৰাইজ। জামুগুৰিহাটৰ উত্তৰাঞ্চলত নিশা হোৱাৰ লগে লগেই বৰদিকৰাই নদী পাৰৈহে নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা হাতীয়ে অঞ্চলটোৰ বৰদিকৰাই, মৰিসুতি, আজাৰগুৰি, বালিজুৰিকে আদি কৰি বিভিন্ন স্থানত উপদ্ৰৱ চলাই কৃষকৰ খেতিপথাৰৰ লগতে বাৰীৰ তামোল পানৰ আৰু কলগছকে ধৰি বিভিন্ন গছ-গছনি ভাঙি-ছিঙি তহিলং কৰিছে। পাঁচদিন পূৰ্বে অঞ্চলটোৰ বালিজুৰিত নিশাৰ বন্য হস্তীৰ আক্ৰমণত দুটিকৈ শিশুৰে মৃত্যুক আকোৱালী ল'বলগা হৈছে। সেইদৰে জামুগুৰিহাটৰ দক্ষিণ-পশ্চিম প্ৰান্তত আকৌ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই অহা বন্য হস্তীয়ে অঞ্চলটোৰ ৰাইজৰ নিদ্ৰা হৰিছে। নিশা ১০/১২টা হাতীৰ এটা বন্যহস্তীৰ জাকে কে'বাটাও ভাগত বিভক্ত হৈ খাদ্যৰ সন্ধানত ওলাই অহা বন্যহস্তীয়ে অঞ্চলটোৰ পানপুৰ, পাচিগাওঁ, আমদৰা, লালেটাপু, দীঘলীচাপৰি, মকুৱাচাপৰি, চকীঘাটকে আদি কৰি বিভিন্ন স্থানত ৰাইজৰ খেতি নষ্ট কৰি উপদ্ৰৱ অব্যাহত ৰাখিছে। অঞ্চলটোত বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত আছে যদিও বনৰীয়া হাতী উপদ্ৰৱ ৰোধৰ বাবে বন বিভাগে চকুত লগা ধৰণে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। বন্যহস্তীৰ উপদ্ৰৱ ৰোধৰ বাবে জামুগুৰিহাটৰ দক্ষিণাঞ্চলত সৌৰশক্তি চালিত ফেংচিংকৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও সেয়া এতিয়া প্ৰহাসনতহে পৰিণত হৈছে। কোনো কোনো স্থানত এইসমূহ সৌৰশক্তি চালিত ফেঞ্চিং চিঙিভাঙি পৰি থকাৰ বিপৰীতে কোনো কোনো স্থানত ইয়াৰ অস্তিত্বই নাই।



## গোসাঁইগাঁৱৰ ভাইৰিগুৰিত প্ৰাক্ বৰদিন উৎসৱ পালন

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ২১ ডিচেম্বৰ ঃ** খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলৰ প্ৰধান উৎসৱ পবিত্ৰ বৰদিন পালনৰ মাজত মাত্ৰ কেইটামান দিন থকা সময়তে আজি গোসাঁইগাঁও মহকুমাৰ তেলিপাৰা-ভাইৰিগুৰিত প্ৰাক্-বৰদিন উৎসৱ পালন কৰা হয়। সজল ফাউণ্ডেছনৰ উদ্যোগত আয়োজিত অনুষ্ঠানত খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকসকলে নৃত্য-গীত পৰিবেশন কৰি উলহ-মালহৰে প্ৰাক্-বৰদিন উৎসৱ পালন কৰে। সহস্ৰাধিক পুৰুষ-মহিলাৰ উপস্থিতিত আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত সজল ফাউণ্ডেছনৰ মুখ্য সঞ্চালক তথা বিটিচিৰ পৰিষদীয় সদস্য সজল কুমাৰ সিংহই সকলোকে পবিত্ৰ বৰদিন আৰু সমাগত ইংৰাজী নৱ বৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে সজল ফাউণ্ডেছনে জাতি-ধৰ্ম-বৰ্ণ, ভাষা নিৰ্বিশেষে সহায় কৰাৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ ভালৰ বাবে কাম কৰি আহিছে। একমাত্ৰ ৰাইজৰ স্বাৰ্থত গঠন হোৱা সজল ফাউণ্ডেছনে প্ৰতি বছৰৰ দৰে এইবাৰো পবিত্ৰ বৰদিন উপলক্ষে খ্ৰীষ্টান ধৰ্মাৱলম্বী দৰিদ্ৰ ৰাইজক সহায় কৰাৰ উদ্দেশ্যৰে আগবাঢ়ি আহিছে। কালি সজল ফাউণ্ডেছনৰ উদ্যোগত ১০০০ শাৰী আৰু পাঁচ শতাধিক কম্বল বিতৰণ কৰাৰ উপৰি বৰদিন উপলক্ষে শ্ৰীৰামপুৰ সমষ্টিৰ খ্ৰীষ্টান ধৰ্মাৱলম্বী দৰিদ্ৰ লোকৰ বাবে নতুন বস্ত্ৰ-বিতৰণৰ সিদ্ধান্ত লোৱা হৈছে আৰু ইতিমধ্যে তিনি সহস্ৰাধিক শাৰী-কম্বল বিতৰণ কৰা হৈছে বুলি ফাউণ্ডেছনৰ সভাপতি সুধা ৰায় আৰু সম্পাদক প্ৰদীপ ৰায়ে জানিবলৈ দিয়ে। উল্লেখ্য যে সজল ফাউণ্ডেছনৰ মুখ্য সঞ্চালক সজল কুমাৰ সিংহই সম্পূৰ্ণ ব্যক্তিগত উদ্যোগত এনে কাৰ্যসূচী হাতত লৈ ঈদ, দুৰ্গা পূজা আৰু বৰদিন উপলক্ষে নতুন বস্ত্ৰ দান কৰে।

## গোলাঘাট জিলা সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ প্ৰতিনিধিমূলক সভা

**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২১ ডিচেম্বৰ ঃ** সদৌ অসম সুলভ মূল্যৰ ব্যৱসায়ী সন্থাৰ অধীনৰ গোলাঘাট জিলা সমিতিৰ এখন প্ৰতিনিধিমূলক সভা যোৱা ২০ ডিচেম্বৰত গোলাঘাট জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। জিলাখনৰ সকলো সুলভ মূল্যৰ ব্যৱসায়ীসকলৰ উপস্থিতিত অনুষ্ঠিত সভাত সভাপতিত্ব কৰে জিলা সভাপতি ভৰত বৰাই। গুৰুত্বপূৰ্ণ সভাখনত অংশগ্ৰহণ কৰে ৰাজ্যিক সভাপতি ধৰণীধৰ বৰাই। সভাত বিভিন্নজনে বহু পৰামৰ্শ আগবঢ়ায়। সভাত পুৰণা সমিতিখন ভংগ কৰি নতুন সমিতিৰ বাবে এখন আহ্বায়ক সমিতিও গঠন কৰে। সমবায়ৰ ব্যৱসায়ীসকলৰ দীৰ্ঘদিনীয়া দাবী পূৰণৰ পোষকতা কৰি ৰাজ্যিক সভাপতি বৰাই অসমৰ মুখ্যমন্ত্ৰীক পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## ভাওৰাগুৰিত বিজেপিৰ কচুগাঁও মণ্ডলৰ প্ৰশিক্ষণ পৰিচয়বৰ্গ অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ২১ ডিচেম্বৰ ঃ** গোসাঁইগাঁও ভাওৰাগুৰিস্থিত কমিউনিটি হলত আজি বিজেপিৰ কচুগাঁও মণ্ডলৰ প্ৰশিক্ষণ আৰু পৰিচয় বৰ্গ অনুষ্ঠান অনুষ্ঠিত কৰে। কাৰ্যসূচী মতে, পুৱা পতাকা উত্তোলন কৰে বিজপিৰ কচুগাঁও মণ্ডলৰ সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰীয়ে। তাৰ পাছত বন্তি প্ৰজ্বলন, ভাৰতমাতাৰ পূজাৰে আজিৰ এই মণ্ডল প্ৰশিক্ষাৰ্থ বৰ্গ অনুষ্ঠিত কৰে। প্ৰশিক্ষণ বৰ্গত কোকৰাঝাৰ জিলা বিজেপিৰ সভাপতি ৰাজকুমাৰ ব্ৰহ্ম, সাধাৰণ সম্পাদক মানৱ প্ৰতিম ৰয়, বৰ্গধিকাৰী শান্তিৰাম বৰ্মন, জিলা বৰ্গ প্ৰমুখ্যে অমিতাভ সাহা, মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰী প্ৰমুখ্যে আন আন বিষয়ববীয়া কৰ্মকৰ্তাসকল উপস্থিত থাকে।

## বনৰীয়া হাতীৰ আক্ৰমণত বনৰক্ষী আহত



**অগ্ৰদূত বাৰ্তা**
**লংকা, ২১ ডিচেম্বৰ ঃ** হোজাই জিলাৰ লংকাৰ কাৰীখানাত বনৰীয়া হাতীৰ আক্ৰমণত গুৰুতৰভাৱে আহত হয় এজন বনকৰ্মী। আহত বনকৰ্মীজন শিৱজিত শৰ্মা। যোৱা নিশা লংকাৰ কাৰীখানাত ২০/২৫ টা হাতীৰ জাকে গাঁও অঞ্চলত প্ৰৱেশ কৰি ৰাইজৰ ধান, কুঁহিয়াৰ আদি অনিষ্ট কৰাৰ খবৰ পাই বন বিভাগৰ এটা দলে হাতী খেদিবলৈ যাওঁতে হাতীয়ে চোঁচা লৈ বনৰক্ষী দলটোলৈ খেদি অহাত শৰ্মা পৰি যোৱাত তেওঁক হাতীয়ে গচকি দিয়াত গুৰুতৰভাৱে আহত হয়। আহত শৰ্মাৰ অৱস্থা সংকটজনক হোৱাত হোজাই হাম হাস্পতাললৈ প্ৰেৰণ কৰে। বৰ্তমান তেওঁৰ অৱস্থা সংকটজনক।

## অভয়াপুৰীৰ অঞ্চলে অঞ্চলে অবৈধ কাঠফলা মিল

গোলাপাৰাত অবৈধ কলসহ ফলা কাঠ জব্দ

**অগ্ৰদূত বাৰ্তা**
**অভয়াপুৰী, ২১ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলা বন সুৰক্ষা বাহিনীয়ে যোৱা ২০ ডিচেম্বৰত অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত গোলাপাৰাত অভিযান চলাই বৃহৎ পৰিমাণৰ কাঠৰ কুণ্ডাৰ লগতে অবৈধ কাঠফলা কল এটা জব্দ কৰে। উল্লেখ্য যে বিগত সময়ছোৱাত অভয়াপুৰী আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত অঞ্চলত এটাৰ পাছত এটাকৈ অবৈধ কাঠফলা কল উচ্ছেদ হোৱাত থৰকাছুটি হেৰুৱাইছে চোৰাং কাঠ ব্যৱসায়ীয়ে। কিন্তু কিছুদিন ধৰি অঞ্চলে অঞ্চলে পুনৰাই কাঠফুলাৰ দৰে অবৈধ কাঠফলা কল বহুৱাই চোৰাং কাঠ ব্যৱসায়ীয়ে চোৰাং কাঠ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি সততে অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত নৈপৰীয়া অঞ্চলসমূহতে অবৈধ কাঠফলা কল চলি থকা বুলি চৰ্চিত হৈছে। এনে কাঠফলা কলতে চোৰাং কাঠ ব্যৱসায়ীয়ে কাঠ ফালি নদীপথ ব্যৱহাৰ কৰি বিভিন্ন অঞ্চলত সৰবৰাহ কৰি ১৩ পৃষ্ঠাত চাওক

## কাইলৈ মুক্তিযোদ্ধা ভুৱন চন্দ্ৰ ৰাজখোৱাৰ জন্ম শতবৰ্ষ

**তিতাবৰ, ২১ ডিচেম্বৰ ঃ** মুক্তিযোদ্ধা প্ৰয়াত ভুৱন চন্দ্ৰ ৰাজখোৱাৰ জন্ম শতবৰ্ষ উদ্‌যাপনৰ বাবে তিতাবৰত প্ৰস্তুতি আৰম্ভ কৰা হৈছে। তিতাবৰৰ বিৰিণাশায়েক অঞ্চলৰ প্ৰয়াত মুক্তিযোদ্ধাজনৰ জন্মশতবৰ্ষ উদ্‌যাপনৰ বিষয়ে অৱগত কৰি পৰিয়ালৰ লগতে উদ্‌যাপন সমিতিয়ে তেওঁলোকৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বিষয়ে সংবাদ মাধ্যমৰ আগত অৱগত কৰিছে। পৰিয়ালৰ হৈ প্ৰাক্তন অধ্যাপক সুৰেশ ৰাজখোৱা আৰু উদ্‌যাপন সমিতিৰ হৈ সভাপতি ড° ওমৰ আহমেদ আৰু সম্পাদক ৰোযেশ্বৰ পাঠকে জানিবলৈ দিয়া মতে, অহা ২৩ ডিচেম্বৰত তিতাবৰৰ বিৰিণাশায়েকৰ এফ এম মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৱা কাৰ্যসূচীৰে প্ৰয়াত মুক্তিযোদ্ধাজনৰ জন্মশতবৰ্ষ উদ্‌যাপন কৰা হ'ব। জন্মশতবৰ্ষ উদ্‌যাপনৰ মুকলি সভাত মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতিকে ধৰি কে'বাগৰাকীও বিশিষ্ট শিক্ষাবিদে অংশগ্ৰহণ কৰিব। সভাত তিতাবৰৰ সকলো মুক্তিযোদ্ধাৰ পৰিয়ালক উপস্থিত থাকিবলৈ উদ্‌যাপন সমিতিয়ে অনুৰোধ জনাইছে।

### ■ ঐতিহাসিক পুখুৰীৰ পানী হৈছে দূষিত ঃ সৌন্দৰ্যবৰ্ধনৰ দাবী ৰাইজৰ

# পিটনিলৈ পৰ্যবসিত তলাতল-কাৰেংঘৰৰ মিঠাপুখুৰী




**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ ডিচেম্বৰ ঃ** শিৱসাগৰ জিলাৰ জয়সাগৰত অৱস্থিত আহোম ৰজাৰ ৰাজকাৰেং তলাতল, কাৰেংঘৰৰ কাষতে থকা, কাৰেঙৰ সৌন্দৰ্যৰ মূল আধাৰ মিঠাপুখুৰীটো সম্প্ৰতি পিটনিত পৰিণত হৈছে। উল্লেখ্য যে দুবছৰীয়া তলাবন্ধৰ বাবে তলাতল কাৰেংঘৰৰ সমগ্ৰ চৌহদো কিছুদিনৰ আগলৈকে ঘাঁহ-বনে আগুৰি ধৰি এক কদৰ্যময় পৰিৱেশৰ সৃষ্টি কৰিছিল। সেই সন্দৰ্ভত বাতৰি পৰিৱেশন কৰাৰ পাছতে কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগে কাৰেংঘৰৰ চৌহদ পৰিষ্কাৰ কৰাৰ লগতে সৌন্দৰ্যবৰ্ধনৰ বাবে ফুলনি বাগিচা পাতিবলৈ আৰম্ভ কৰে। কিন্তু কাৰেংঘৰটোৰ মূল সৌন্দৰ্য ফুটাই তোলা মিঠাপুখুৰীটো চাৰিওফালৰ পৰা ঘাঁহ-বনে আগুৰি ধৰি পিটনিত পৰিণত কৰাৰ পিছতো পুখুৰীটো চাফ-চিকুণ কৰি তুলিবলৈ কোনো উদ্যোগ গ্ৰহণ কৰা নাই কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগে। স্মৰ্তব্য যে, পূৰ্বে তলাতল কাৰেংঘৰ সংলগ্ন মিঠাপুখুৰীটোৰ নিৰ্মল পানীত কাৰেংঘৰৰ প্ৰতিবিম্ব পৰি থকাৰ বাবে সকলো পৰ্যটক বিমুগ্ধ হৈ পৰিছিল। পুখুৰীৰ পানীত পৰি ৰোৱা কাৰেঙৰ প্ৰতিবিম্ব চাই পৰ্যটকে সময় কটোৱাৰ লগতে পুখুৰীৰ পাৰত এখন ফটো উঠিবলৈ আগ্ৰহ প্ৰকাশ কৰা দেখা গৈছিল। কিন্তু বৰ্তমান পুখুৰীটো পিটনিলৈ পৰ্যবসিত হোৱাত সেই আনন্দৰ পৰা পৰ্যটকসকল বঞ্চিত হৈ আহিছে। পুখুৰীৰ পূৰ্বৰ নিৰ্মল পানীও দূষিত হৈ বৰণ সলাইছে। উল্লেখ্য যে তলাতল কাৰেংঘৰ সংলগ্ন এই মিঠাপুখুৰীটো প্ৰকৃততে জয়সাগৰ বৰপুখুৰীৰ পৰা পকী নলাৰে পানী আনি ভৰাই ৰখা এটা পকী পানীঘৰাহে। মানৱ বৰ্বৰ অত্যাচাৰৰ সময়ত বহুতো ৰজাঘৰীয়া মূল্যৱান সম্পত্তি এই পুখুৰীটোত পেলোৱা হৈছিল। পাছত পুখুৰীটো পোত যাবলৈ ধৰা অৱস্থাত মানুহে জাকৈ মাৰি সোণ বুটলিছিল। সেয়ে ইয়াক 'সোণতোলা পুখুৰী' বুলিও কোৱা হৈছিল। এই ঐতিহাসিক সোণতোলা পুখুৰী বা মিঠাপুখুৰীটো পিটনিত পৰিণত হোৱাৰ পৰা উদ্ধাৰ কৰি সৌন্দৰ্যবৰ্ধনৰ ব্যৱস্থা নকৰিলে কাৰেংঘৰৰ মূল সৌন্দৰ্য কেতিয়াও ফুটি নুঠে বুলি সচেতন ৰাইজে জানিবলৈ দিছে। উল্লেখ্য যে সোণতোলা পুখুৰীৰ উপৰি তলাতল কাৰেংঘৰৰ সন্মুখভাগত থকা খটখটি পুখুৰী নামৰ ডাঙৰ পুখুৰীটোও অৱহেলিত হৈ আছে। খটখটি পুখুৰীটোৰ সৌন্দৰ্যবৰ্ধনে তলাতল কাৰেংঘৰৰ সৌন্দৰ্য দুগুণে বঢ়াই তুলিব যদিও সেই পুখুৰীটোৰ সৌন্দৰ্যবৰ্ধনৰ বাবেও কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই কেন্দ্ৰীয় পুৰাতত্ত্ব বিভাগে। এই পুখুৰী দুটাৰ লগতে সমগ্ৰ তলাতল কাৰেংঘৰটোৰ সৌন্দৰ্যবৰ্ধন কৰি পৰ্যটকৰ বাবে আকৰ্ষণীয় ৰূপত সজাই তুলিবলৈ দাবী জনাইছে।

# বৰহোলাৰ বালিজানত অ'এনজিচিৰ বিৰুদ্ধে অৱহেলাৰ অভিযোগ

### ■ তৈল খাদৰ পৰা নিৰ্গত জলীয় অৱশিষ্টই ক্ষতি কৰিছে কৃষিভূমিৰ



**বিশেষ সংবাদদাতা**

**নগাবাট, ২১ ডিচেম্বৰ ঃ** তিতাবৰ মহকুমাৰ বৰহোলা বালিজান, শিলডুবি অঞ্চলত কে'বা দশক ধৰি ভূ-গৰ্ভৰ পৰা অ'এনজিচিয়ে খাৰুৱা তেল আহৰণ কৰি আহিছে যদিও অঞ্চলটোৰ ৰাইজৰ সমস্যা দীৰ্ঘদিনে অৱহেলা কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। একাংশ তৈল খাদৰ বাবে ৰাইজৰ উদ্ভৱ হোৱা সমস্যা আৰু অঞ্চলটোৰ বিভিন্ন অভাৱ-অভিযোগবোৰ অ'এনজিচিৰ কৰ্তৃপক্ষক বিভিন্ন মাধ্যমৰ জৰিয়তে ৰাইজে অৱগত কৰি আহিছে যদিও এইসমূহ সমাধানত অ'এনজিচিৰ কৰ্তৃপক্ষই অৱহেলাৰ প্ৰদৰ্শন কৰি আহিছে। শেহতীয়াকৈ বৰহোলা বালিজানস্থিত অ'এনজিচিৰ তৈল খাদৰ পৰা ওলোৱা জলীয় অৱশিষ্টই ৰাইজৰ কৃষিভূমিৰ ব্যাপক অনিষ্ট সাধন কৰাৰ অভিযোগ তুলিছে ৰাইজে। উল্লেখ্য যে বালিজান ১৭ নম্বৰ ব্লকৰ তৈল খাদটোৰ পাছফালে নিগৰি অহা তেল মিহলি জলীয় দ্ৰব্যৰ বাবে একাংশ ৰাইজৰ খেতি পথাৰৰ অনিষ্ট কৰাৰ লগতে খোৱা পানীৰ ক্ষেত্ৰতো এক হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। কিয়নো খাদৰ পৰা নিৰ্গত তেল মিহলি আৰু অতি দুৰ্গন্ধময় জলীয় দ্ৰব্যৰ বাবে দৈনিক ব্যৱহৃত কুঁৱা, পুখুৰী আদিৰ পানী প্ৰদূষিত হৈ পৰিছে। এনে প্ৰদূষিত পানীৰ বাবে বিভিন্ন ৰোগত আক্ৰান্ত হোৱাৰ আশংকাত ভুগিছে খাদটোৰ কাষতে বসবাস কৰা বালিজান অঞ্চলটোৰ একাংশ লোক। এই তেলজাতীয় দ্ৰব্যই ভাবুকি কঢ়িয়াইছে পশুধনলৈয়ো। অৱশিষ্ট জলীয় দ্ৰব্যসমূহ খেতি পথাৰলৈ বৈ গৈ পানীৰ স'তে মিহলি হৈ পৰিছে। আৰু সেই পানী গৰু-ছাগলীকে ধৰি পশুধনে খোৱাৰ ফলত বিভিন্ন বেমাৰত পৰা অভিযোগ কৰিছে ৰাইজে। এমাহতকৈয়ো অধিক সময় এই সমস্যাত ভোগা ৰাইজে পৰিত্ৰাণ বিচাৰি অ'এনজিচিৰ কৰ্তৃপক্ষক কে'বাবাৰো অৱগত কৰিছে যদিও অ'এনজিচিৰ কৰ্তৃপক্ষই আজিকোপতি সঠিকভাৱে কোনো ধৰণৰ ব্যৱস্থা নকৰাৰ অভিযোগ উঠিছে। তৈল খাদৰ পৰা নিৰ্গত এই জলীয় অৱশিষ্ট শীঘ্ৰে বন্ধ কৰি স্থানীয় ৰাইজক ক্ষতিপূৰণ দিবলৈ সজোৰে দাবী জনাইছে বালিজানৰ ৰাইজে।

# শিক্ষা বিভাগৰ অবহেলাই অন্ধকাৰলৈ ঠেলি দিছে ২৯৮ নম্বৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক

**কলগাছিয়া, ২১ ডিচেম্বৰ ঃ** বৰপেটা জিলাৰ শিক্ষা বিভাগৰ অৱহেলা আৰু মন্দিয়া শিক্ষাখণ্ডৰ শিক্ষা বিষয়া মতিয়াৰ ৰহমানৰ অদক্ষতাৰ সুযোগ লৈ ২৯৮ নম্বৰ কাদং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলে নিজৰ খেয়াল খুচিত চলাই গৈছে বিদ্যালয়। ক'ভিডৰ কাৰণে দীৰ্ঘকালীন বিদ্যালয় বন্ধ হৈ থকাৰ পাছতো সময়ত উপস্থিত নহয় শিক্ষকসকল। ক'ভিডৰ কাৰণে দীৰ্ঘকাল স্কুল বন্ধ থকাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলৰ অপূৰণীয় ক্ষতি হৈছে যদিও আজিও একাংশ শিক্ষকে কৰ্তব্যক গাফিলতি কৰা ঘটনাই বৰপেটা শিক্ষা বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা অৱহেলাক উদঙাই দিছে। ২৯৮ নম্বৰ কাদং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ছফিউৰ ৰহমানে। কেতিয়াবা বিদ্যালয়লৈ আহি ছাত্ৰ-ছাত্ৰীক বঞ্চিত কৰিছে মধ্যাহ্ন ভোজনৰ পৰাও। বিদ্যালয় খোলাৰ পৰা আজিকোপতি মধ্যাহ্ন ভোজনৰ বাবে ৰান্ধনীয়ে জ্বলোৱা নাই চৌকা। বাকী শিক্ষকসকলে পুৱা ৯.৫০ বজাত বিদ্যালয়ত উপস্থিত হোৱা দেখা যায়। সময়ৰ অভাৱত বিদ্যালয়খনত প্ৰাতঃসভা বন্ধ ৰখা দেখা গ'ল। কেৱল মাত্ৰ দৰমহাৰ কাৰণেহে নামমাত্ৰ বিদ্যালয়ত অহা-যোৱা কৰিছে ২৯৮ নম্বৰ কাদং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকল। বৰপেটা জিলাৰ শিক্ষা বিভাগৰ সোপটিলা নীতিয়ে অবুজ ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংস কৰিব বুলি সচেতন মহলত চৰ্চা চলি থকা পৰিলক্ষিত হৈছে। আন একাংশ অভিভাৱক ৰাইজে কৰ্মত গাফিলতি কৰা কাদং প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে সচেতন মহলে।

# মুখ্যমন্ত্ৰীক সাক্ষাৎ নাগাৰা নামৰ বিশিষ্ট পাঠক কৈলাশ তালুকদাৰসহ পাঠক-পাঠিকাৰ

**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২১ ডিচেম্বৰ ঃ** শিল্পী পেঞ্চনপ্ৰাপক, অসমৰ আগশাৰীৰ বিশিষ্ট নাগাৰা নামৰ পাঠক (শিল্পী) কৈলাশ তালুকদাৰসহ নাগাৰা নাম কে'বাগৰাকী পাঠক-পাঠিকাৰ এটি সঁজাতী দলে যোৱা ১৯ ডিচেম্বৰৰ নিশা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব তথা নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাক অসম সচিবালয়ত সাক্ষাৎকাৰ কৰে। দলটোৱে মুখ্যমন্ত্ৰী আৰু নলবাৰী বিধায়কক পিতলৰ নাগাৰা, কুৰকুৰি আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। লগতে দলটোৱে। শিল্পীসকলে বিগত দিন ভুগি অহা তেওঁলোকৰ বিভিন্ন সমস্যা সম্পৰ্কে মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু নলবাৰীৰ



বিধায়ক বৰুৱাক অৱগত কৰে। মুখ্যমন্ত্ৰীজনে নাগাৰা নামৰ পাঠক-পাঠিকাসকলৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰা উপৰি অসমৰ ধৰ্মীয় সংস্কৃতিৰ লাইখুঁটা সদৃশ গুৰুজনাৰ অমৰ সৃষ্টিৰ নাগাৰা নামক বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰি যাম বুলি আশ্বাস প্ৰদান কৰে। লগতে নলবাৰীৰ চৰকাৰী ভূমিত নলবাৰী জিলা নাগাৰা নাম সংঘৰ কাৰ্যালয় এটি স্থাপন কৰাৰ সুবিধা প্ৰদান কৰিব বুলি দলটোক আশ্বাস প্ৰদান কৰে।

# নানকাৰভয়ৰাত মৎস্যপালকৰ

১২ পৃষ্ঠাৰ পৰা অধিক লাভৱান হব পাৰি বুলি মৎস্য পালকসকলক পৰামৰ্শ আগবঢ়ায়। উক্ত কৰ্মশালাত নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই অংশগ্ৰহণ কৰি মৎস্য পালকসকলৰ স'তে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ অভিযোগসমূহৰ বুজ লোৱাৰ লগতে পাৰ্যমানে তেওঁলোকক চৰকাৰীভাৱে সহায়ৰ হাত আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। কৰ্মশালাখনৰ আৰম্ভণিতে বক্তব্য প্ৰদান কৰে প্ৰখ্যাত মীন পালক দেৱজিৎ বৰ্মনে। উক্ত কৰ্মশালাত নলবাৰী, বাগ্‌সা, ওদালগুৰি, বৰপেটা, কামৰূপ গ্ৰাম্য, কোকৰাঝাৰ, গোলাঘাট, যোৰহাট, লখিমপুৰ, শোণিতপুৰ আদি জিলাৰ প্ৰায় আঢ়ৈশ মৎস্য পালকে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত নলবাৰী জিলা মীন বিষয়াৰ লগতে একাংশ কৰ্মচাৰী উপস্থিত থাকে।

# অনুসূচিত জাতিৰ হিতাধিকাৰীক সামগ্ৰী

১২ পৃষ্ঠাৰ পৰা নামতো নগাঁও মহকুমা অনুসূচিত জাতি উন্নয়ন পৰিষদত ২৫ বছৰ ধৰি বিয়াগোম কেলেংকাৰি সংঘটিত হৈ আহিছে। যাৰ ফলত জিলাখনত অনুসূচিত জাতি উন্নয়নৰ সকলো আঁচনিয়েই প্ৰহসনত পৰিণত হৈছে। নগাঁৱত অনুসূচিত জাতিৰ এই আঁচনিৰ নামত বিগত কে'বাটাও দশক ধৰি লুটপাট অব্যাহত আছে। নগাঁও মহকুমা অনুসূচিত জাতি অনুসূচিত জাতি উন্নয়ন পৰিষদত দুৰ্নীতি আৰু অনিয়মে সকলো অভিলেখ ভংগ কৰিছে যোৱা দুটা দশকত। ইপিনে, পৰিষদৰ বিষয়ববীয়াৰ অদক্ষতা, ৰাজনৈতিক মেৰপেচৰ বাবেই বিগত দিনবোৰত নগাঁৱত অনুসূচিত জাতি উন্নয়ন পৰিষদৰ গুদামতে অনুদানৰ বিভিন্ন সামগ্ৰী পচি নষ্ট হোৱা, গুদামৰ পৰাই বিভিন্ন সামগ্ৰী চুৰি হোৱাৰ দৰেও ঘটনা সংঘটিত হৈ গৈছে। এই সামগ্ৰীসমূহ হিতাধিকাৰীৰ মাজত বিতৰণ কৰিব নোৱাৰাৰ ফলত সুদীৰ্ঘ দিন ধৰি গুদামতে পেলাই থোৱা হৈছিল। যাৰ ফলত আহাদালহীন এই সামগ্ৰীসমূহ এপদ এপদকৈ নষ্ট হোৱা আৰু চুৰি হোৱাৰ দৰে ঘটনাও সংঘটিত হৈছিল। অনুসূচিত জাতিৰ হিতাধিকাৰীক বিতৰণ নকৰি সুদীৰ্ঘ দিন অসংৰক্ষিত অৱস্থাত পেলাই থোৱা হেতুকে বিগত ২০১৯-২০২০ নষ্ট হোৱা সামগ্ৰীসমূহৰ ভিতৰত আছে এহেজাৰো অধিক বেগ ৰাসায়নিক সাৰ, ১৫২টা টেবলেট কম্পিউটাৰ, ১১৯০টা ফিল্টাৰ, ৫০০ হিতাধিকাৰীৰ বাবে ট্ৰেকছুট, জোতা, ৫৯৫ গৰাকী দৰিদ্ৰ হিতাধিকাৰীৰ বাবে বহু বান্দিল টিনপাত আৰু চকী-টেবুলকে ধৰি বিভিন্ন সামগ্ৰী। ইপিনে, অনুসূচিত জাতিৰ দৰিদ্ৰ কৃষকৰ বাবে আবণ্টিত দুই ট্ৰাক ৰাসায়নিক সাৰৰ ম্যাদ উকলি যোৱাত সেইবোৰো নষ্ট হৈ পৰিছিল।

# সদৌ অসম সূৰ্য্য বৰা সোঁৱৰণী একাংক

১২ পৃষ্ঠাৰ পৰা অনিন্দিতা ভৰদ্বাজে শ্ৰেষ্ঠ শিশু শিল্পী, বনচাই নাটকৰ লক্ষ্য প্ৰাণ বৰাই শ্ৰেষ্ঠ কৌতুক শিল্পী, 'এই সময়' নাটকৰ জ্ঞানবী বৰাই শ্ৰেষ্ঠা অভিনেত্ৰী, দ্য চুইং নাটকৰ জ্যোতিশ্ৰী আৰ ইউ বৈশ্যই দ্বিতীয় শ্ৰেষ্ঠা অভিনেত্ৰী, অনামিকা বৰকটকীয়ে তৃতীয় শ্ৰেষ্ঠা অভিনেত্ৰীৰ সন্মান লাভ কৰে। আনহাতে, প্ৰতিম হাজৰিকাই শ্ৰেষ্ঠ সহযোগী অভিনেতা, ৰুণজুন শইকীয়াই শ্ৰেষ্ঠ সহযোগী অভিনেত্ৰী, বাখৰুৱা নৈ ৰ'দৰ ঘাট নাটকে শ্ৰেষ্ঠ মঞ্চসজ্জা, মুক্তি নাটকে শ্ৰেষ্ঠ ৰূপসজ্জাৰ গৌৰৱ অৰ্জন কৰে। আনহাতে, সমিতিয়ে মহাত্মা মোহন শইকীয়া, জিংকু বৰুৱা আৰু দীপশিখা দাসক উদ্‌গনিমূলক বঁটা প্ৰদান কৰে। প্ৰতিযেগিতা সমিতিৰ সভাপতি অৰুণা বৰাৰ সভাপতিত্বত বঁটা বিতৰণী সভাখন অনুষ্ঠিত হয় আৰু সম্পাদক গৌতম বৰা, প্ৰাক্তন সম্পাদক ভবেন বৰুৱাই সভাখনৰ আঁত ধৰে।

# কুৰুৱাত অবৈধ বালিমাটি খননৰ বিৰুদ্ধে

১২ পৃষ্ঠাৰ পৰা ব্যৱসায়ীসকলে। কুৰুৱা বনাঞ্চলিক বিষয়া দীপাংকৰ দেৱৰ নেতৃত্বত দিনৰ ভাগত বন কৰ্মচাৰীসকলে দৈনিক টহল দি থকাৰ বাবে অবৈধ খননকাৰীসকলে দিনৰ ভাগত কুৰুৱাত এই খনন কাৰ্য বন্ধ ৰাখে। তাৰ পৰিৱৰ্তে নিশাৰ আন্ধাৰ নামি অহাৰ লগে লগে কুৰুৱাত নদীৰ বালিমাটি কাটিবলৈ নামি পৰে এই অবৈধ বালিমাটি সৰবৰাহকাৰীসকল। যোৱা ১৯ ডিচেম্বৰত সংবাদ মাধ্যমৰ জৰিয়তে এই কথা অৱগত হোৱাৰ পাছতে কুৰুৱা বনাঞ্চলিক বিষয়া দীপাংকৰ দেৱৰ নিৰ্দেশত তৎকালীনভাৱে বনকৰ্মীৰ দলে উক্ত ঠাই পৰিদৰ্শন কৰি ভৱিষ্যতে যাতে তাত আৰু খনন কাৰ্য চলাব নোৱাৰে তাৰ বাবে তাৎক্ষণিকভাৱে ট্ৰেক্টৰ আৰু ডাম্পাৰ চলাচল কৰিব নোৱাৰাকৈ নদীৰ ভিতৰৰ পথসমূহ প্ৰকাণ্ড গাঁত খান্দি বন্ধ কৰি দিয়ে। ইফালে, দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰাও ছিপাঝাৰ ৰাজহ চক্ৰ বিষয়াৰ নেতৃত্বত এক তদন্তকাৰী দলে কালি বালিমাটি খনন কৰা কুৰুৱাৰ উক্ত ঠাই পৰিদৰ্শন কৰে।

# মেৰাপানীত লালীগুড়-চুলাইৰ

১২ পৃষ্ঠাৰ পৰা এই লালীগুড় বিক্ৰী বন্ধ কৰিবলৈ স্থানীয় ছাত্ৰ সন্থাকে ধৰি বিভিন্ন সংগঠনসমূহে চৰকাৰ তথা প্ৰশাসনক দীৰ্ঘদিন দাবী জনাই আহিছে যদিও প্ৰশাসনে ইয়াৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। দৈয়াং আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিত্যা হাজৰিকা আৰু সাধাৰণ সম্পাদক অৰুণ বৰাই মেৰাপানীৰ লালীগুড় ভাণ্ডাৰৰ এই অবৈধ ব্যৱসায় বন্ধ কৰিবলৈ প্ৰশাসনক দাবী জনাইছে। লগতে অভিযোগ কৰি কয় যে আবকাৰী বিভাগে অবৈধ চুলাই মদ উচ্ছেদ আৰু লালীগুড় বন্ধৰ বাবে কোনো যথোচিত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। আবকাৰী বিভাগৰ অধীক্ষকক আন্ধাৰত ৰাখি তলৰ বিষয়া-কৰ্মচাৰীসকলে মদৰ বিৰুদ্ধে অভিযান চলায় যদিও উচ্ছেদৰ নামত কমিছনৰ অংক মিলাই নাটক কৰিহে আহিছে। ফলত উচ্ছেদৰ পাছতেই লালীগুড় ব্যৱসায়ী আৰু চুলাই মদৰ ব্যৱসায়ীয়ে দুগুণ উৎসাহেৰে পুনৰ নিজৰ ব্যৱসায় চলাবলৈ সাহস গোটাবলৈ সক্ষম হৈ আহিছে। আবকাৰীৰ পৃষ্ঠপোষকতাতেই চুলাইৰ ব্যৱসায় চলি থকা বুলি ছাত্ৰ সন্থাৰ নেতাদ্বয়ে অভিযোগ তুলিছে। ইপিনে, মেৰাপানী আৰক্ষী থানা আৰু মেৰাপানীস্থিত চিআৰপিএফ শিবিৰৰ মাজতেই থকা মেৰাপানী বজাৰৰ ট্ৰেক্টৰ আলিত দৈনিক চুলাইৰ আড্ডা বৃদ্ধি হ'বলৈ ধৰিছে। এই ট্ৰেক্টৰ আলিৰ পাণ দোকান, হোটেল সকলোতে উপলব্ধ চুলাই মদ। পুৱাৰ পৰা নিশা ১০ বজালৈকে চুলাই সেৱনকাৰীয়ে চুলাই খাই হাই-কাজিয়া কৰি বজাৰৰ পৰিৱেশ বিনষ্ট কৰি আহিছে। সেয়েহে আবকাৰী, আৰক্ষী, চিআৰপিএফ বাহিনীয়ে চুলাই মদ উচ্ছেদ কৰি শান্তি পৰিৱেশ গঢ়ি তুলিব বুলি ৰাইজৰ লগতে ছাত্ৰ সন্থাই দাবী জনাইছে।

# অভয়াপুৰীৰ অঞ্চলে অঞ্চলে অবৈধ

১২ পৃষ্ঠাৰ পৰা আহিছে। চোৰাং কাঠ ব্যৱসায়ীয়ে বনাঞ্চলত পোৱা শাল, চেগুন আদি মূল্যবান গছসমূহ আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত কুশবাৰী, লালমাটি, টিলাপাৰা, বৰজানা, দলনি বিল, আমবাৰী, ডুমেৰগুৰী, মধুফল আদিত থকা অবৈধ কাঠফলা কলত কাঠফালি বিভিন্ন অঞ্চলৰ লগতে বহিঃৰাজ্যলৈও সৰবৰাহ কৰা বুলি সৰ্বত্ৰতে চৰ্চিত যদিও এইক্ষেত্ৰত নিৰ্বিকাৰ হৈ আছে অভয়াপুৰী আঞ্চলিক বন বিষয়াৰ কাৰ্যালয়। অভয়াপুৰীৰ বন বিষয়াৰ নিৰ্লিপ্ততাৰ মাজতে বঙাইগাঁৱৰ বন সুৰক্ষা বাহিনীয়ে গোলাপাৰাত কাঠফলা কল উচ্ছেদ কৰা কাৰ্যই অভয়াপুৰী বন বিষয়াৰ অবৈধ কল চলি থকাৰ সেউজ সংকেত আছে বুলিও অভিযোগ উত্থাপিত হৈছে। সেইদৰে ৰাষ্ট্ৰীয় ঘাইপথ, ৰেলপথ আদি নিৰ্মাণৰ বাবে ঠিকাদাৰী সন্থাবোৰে ঐতিহ্যমণ্ডিত পাহাৰসমূহ দিনে-নিশাই এক্সকেভেটৰ ডাম্পাৰ ব্যৱহাৰ কৰি তহিলং কৰিছে যদিও এইক্ষেত্ৰতো নিৰ্বিকাৰ অভয়াপুৰী আঞ্চলিক বন বিভাগৰ কাৰ্যালয়। বন বিভাগৰ কুম্ভকৰ্ণ নিদ্ৰাৰ বাবেই বহুসময়ত ৰাইজে মাটি কঢ়িওৱা ডাম্পাৰ আদি জব্দ কৰি বন বিভাগক গতাই দি আহিছে।

# ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন সুন্দৰ কৰাত দীক্ষা সহায়ক হ'ব পাৰে ঃ ভাগৱতী

### ■ নগাঁৱৰ এডিপি কলেজৰ উদ্যোগত দীক্ষা প্ৰদান
### ■ তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২১ ডিচেম্বৰ ঃ** নগাঁৱৰ আনন্দ ৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত (এডিপি) আজি দীক্ষা শীৰ্ষক এক মননশীল অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দেখা দিয়া বিভিন্ন সমস্যাৰ লগতে বিশ্ববিদ্যালয়ৰ পৰীক্ষা সন্দৰ্ভত ল'বলগা সজাগতা সম্পৰ্কত দীক্ষা প্ৰদান কৰা হয়। তদুপৰি ছাইবাৰ ক্ৰাইম, ড্ৰাগছ আদিৰ পৰা নৱ প্ৰজন্মক কেনেকৈ আঁতৰাই ৰাখিব পাৰি, সেই সন্দৰ্ভতো দীক্ষা প্ৰদান কৰা হয়। অবিভক্ত নগাঁও জিলাৰ ১০খন মহাবিদ্যালয়ৰ তিনি সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° সুৰজিৎ কুমাৰ ভাগৱতীয়ে কয়, 'শিক্ষাগুৰুসকলে ছাত্ৰ-ছাত্ৰীক দিয়া পৰামৰ্শই হৈছে দীক্ষা। এই দীক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন সুন্দৰ কৰাৰ ক্ষেত্ৰত সহায়ক হ'ব।' পৰীক্ষা সম্পৰ্কীয় বিভিন্ন দিশ ব্যাখ্যা কৰি ড° ভাগৱতীয়ে কয়, 'ছাত্ৰ-ছাত্ৰীসকলে নিজৰ প্ৰয়োজনীয় কামখিনি নিয়াৰিকৈ কৰা উচিত। আমাৰ বহু ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোনৰ সকলো কৌশল ভালদৰে বুজি পায়। কিন্তু নিজৰ পৰীক্ষাৰ উত্তৰ বহীখন আপলোড কৰিব নাজানে।' তেওঁ লগতে কয় যে অহা বছৰৰ পৰা নতুন শিক্ষানীতি হ'ব। সেয়ে ছাত্ৰ-ছাত্ৰীসকল এতিয়াৰ পৰা সচেষ্ট হৈ থাকিব লাগিব বুলি ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায় অধ্যক্ষজনে। 'শৃংখলিত জীৱন' শীৰ্ষক বক্তৃতা প্ৰদান কৰি নগাঁৱৰ আৰক্ষী অধীক্ষক আনন্দ মিশ্ৰই সাম্প্ৰতিক সময়ত যুৱ প্ৰজন্মৰ সন্মুখত দেখা দিয়া বিভিন্ন সমস্যাৰ বিষয়ে উল্লেখ কৰি কয়, 'বিভিন্ন কাৰণত একাংশ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, সামাজিক দায়বদ্ধতাৰ প্ৰতি আগ্ৰহী নহয়। যাৰ বাবে একাংশ ছাত্ৰ-ছাত্ৰী আৰু যুৱক-যুৱতীয়ে উশৃংখল পৰিৱেশৰ মাজত সোমাই পৰে।' তেওঁ লগতে ড্ৰাগছ, ছাইবাৰ ক্ৰাইম সন্দৰ্ভত ব্যাখা দাঙি ধৰি কয় যে ইয়াৰ কুফলৰ বিষয়ে নৱ প্ৰজন্মৰ মাজত ব্যাপক হাৰত সজাগতা সৃষ্টি কৰিব লাগিব। আৰক্ষীয়ে এই সন্দৰ্ভত কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে যদিও অকল আৰক্ষীয়ে এই সমস্যা দূৰ কৰিব নোৱাৰে। ইয়াৰ বাবে সকলোৱে সৰ্বাত্মক সহযোগিতা লাগিব। আৰক্ষী অধীক্ষকজনে সৰ্বভাৰতীয় প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ অংশগ্ৰহণ কৰিব লাগিব, সেই সম্পৰ্কেও দীক্ষা প্ৰদান কৰে। মহাবিদ্যালয়খনৰ অধ্যাপিকা ড° মৌচুমী শইকীয়াই আঁতধৰা অনুষ্ঠানত নগাঁৱৰ খাগৰিজান, নৰ্নৈ, নগাঁও, ৰূপহী, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ লগতে নগাঁও ছোৱালী কলেজ, নগাঁও গোপীনাথ দেৱগোস্বামী বাণিজ্য মহাবিদ্যালয়, পায়নিয়াৰ কলেজ আৰু লংকাৰ সোণাই বিবি কলেজকে ধৰি কে'বাখনো কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ এনএছএছ আৰু এনচিচিৰ শিক্ষাৰ্থীসকলে সহযোগিতা আগবঢ়ায়।

# শুৱালকুছি সেউজী চ'ৰাৰ অধিবেশন

**অগ্ৰদুত বাৰ্তা**

**শুৱালকুছি, ২১ ডিচেম্বৰ ঃ** শুৱালকুছিৰ সাহিত্যানুষ্ঠান শুৱালকুছি সেউজী চ'ৰাৰ ৩২ সংখ্যক বাৰ্ষিক অধিবেশন অহা ২৫ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। স্থানীয় গান্ধী আশ্ৰমত অনুষ্ঠিত হ'বলগীয়া অধিবেশনৰ কাৰ্যসূচী অনুযায়ী পুৱা পতাকা উত্তোলন কৰিব চ'ৰাৰ সভাপতি ত্ৰৈলোক্য বৈশ্যই। আনহাতে, বন্তি প্ৰজ্বলন কৰিব সমাজ সেৱিকা লীলাৱতী দাসে। তদুপৰি স্মৃতি তৰ্পণ কৰিব মহাত্মা গান্ধী ৩০খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ চিকিৎসক শ্যামন্ত কলিতাই। উক্ত মুকলি সভা, কবি সন্মিলন, স্মৃতি গ্ৰন্থ উন্মোচন, সম্বৰ্ধনা অনুষ্ঠান আৰু কবি হৰগোবিন্দ বৈশ্য সোঁৱৰণী সেউজ বঁটা প্ৰদান অনুষ্ঠিত হ'ব। মুকলি সভাৰ দ্বাৰ মুকলি কৰিব শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড° চিত্তৰঞ্জন দাসে। চ'ৰাৰ সভাপতি ত্ৰৈলোক্য বৈশ্যৰ পৌৰোহিত্যতত অনুষ্ঠিত মুকলি সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব সাহিত্যিক-ঔপন্যাসিক ড° ৰীতা চৌধুৰীয়ে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মনে। চ'ৰাৰ বাৰ্ষিক মুখপত্ৰ 'সেউজ কণ্ঠ' উন্মোচন কৰিব এমট্ৰণৰ উপ-মহাপ্ৰৱন্ধক দীনমণি ভান্দাৰ কায়স্থই। আবেলি শুৱালকুছি সংগীত মহাবিদ্যালয়ত বিষয়-বাছনি সভা উন্মোচন কৰিব চ'ৰাৰ উপ-সভাপতি হেমেন পাঠকে। পতাকা অৱতৰণৰে বাৰ্ষিক অধিবেশনৰ কাৰ্যসূচী সামৰণি পৰিব।

# খৰ্গেশ্বৰ হালৈৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**বৰমা, ২১ ডিচেম্বৰ ঃ** সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰধান সম্পাদক খৰ্গেশ্বৰ হালৈৰ আকস্মিক মৃত্যুত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে জীৱন কালত একান্ত নিষ্ঠাৰে হালৈয়ে ৰাজ্যখনৰ সমাজ জীৱনলৈ যি অৰিহণা আগবঢ়াই গ'ল সেয়া জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। সদৌ অসম কেওট জাতীয় পৰিষদৰ সম্পাদকৰ দৰে গধুৰ দায়িত্ব বহন কৰি তেওঁ সংগঠনটোক অৰিহণা আগবঢ়াই গৈছে। বিভিন্ন সামাজিক অনুষ্ঠানৰ স'তে জড়িত এইজন সমাজকৰ্মীৰ বিয়োগ আমাৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি। বাৰ্তাটোত শোকসন্তপ্ত পৰিয়ালবৰ্গলৈয়ো মুখ্যমন্ত্ৰীয়ে সমবেদনা জনায়। উল্লেখ্য যে যোৱা ২৭ নৱেম্বৰত সদৌ অসম কেওট জাতীয় পৰিষদৰ প্ৰধান সম্পাদক বাগ্‌সা জিলাৰ খাগ্ৰাবাৰী নিবাসী হালৈৰ মৃত্যু হৈছিল।

# ক'ভিডত পুনৰ আক্ৰান্ত এজন হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২১ ডিচেম্বৰ ঃ** ক'ভিডৰ দ্বিতীয় লহৰত হোজাইত কালি পুনৰ এজন আক্ৰান্ত হয়। কালি মুঠ ১১৮ জনক ৰেট আৰু ১২ জনক আৰটিপিচিআৰ পৰীক্ষা কৰা হয় আৰু এজনৰ শৰীৰত ক'ভিডৰ পৰিস্থিতি ধৰা পৰে। কালিৰ আক্ৰান্ত লোকজনক লৈ জিলাখনত ছয়জন ক'ভিড ৰোগী সক্ৰিয় হৈ আছে। ক'ভিডৰ দ্বিতীয় লহৰত হোজাইত আজিলৈকে মুঠ ৬৪৬০জন লোক আক্ৰান্ত হয়।

# বৰপথাৰৰ মুছৰভঙা ঘাটত দৈয়াং নদীৰ ওপৰত নহ'ল পকী দলং

### ■ বাৰিষা বিপদসংকুল নৌকা যাত্ৰা ■ খৰালি বাঁহৰ দলঙেই ভৰসা ৰাইজৰ

**বৰপথাৰ, ২১ ডিচেম্বৰ ঃ** এখন পকী দলঙৰ অভাৱত দুৰ্ভোগ ভুগিছে গোলাঘাট জিলাৰ বৰপথাৰৰ চকলি মুছৰভঙা ঘাটৰ দুয়োপাৰৰ ৰাইজে। বাৰিষা হ'লে ৰাইজে এখন তুলুঙা নাও আৰু খৰালি বাঁহৰ দলঙেৰে আজিও অব্যাহত ৰাখিছে যাতায়ত। উল্লেখ্য যে মুছৰভঙা ঘাটেৰে গোলাঘাট জিলাৰ দুটাকৈ মহকুমা ক্ৰমে ধনশিৰি আৰু গোলাঘাট মহকুমাৰ বৃহত্তৰ অঞ্চলৰ ৰাইজে অব্যাহত ৰাখিছে যাতায়ত। প্ৰণিধানযোগ্য স্বাস্থ্য, শিক্ষা, কৃষি, ব্যৱসায়-বাণিজ্যৰ বাবে সুদীৰ্ঘ পঞ্চাশ বছৰ ধৰি দুয়োটা মহকুমাৰ বৃহত্তৰ অঞ্চলৰ ৰাইজে ব্যৱহাৰ কৰি আহিছে মুছৰভঙা ঘাট। ৫০ বছৰত বহু চৰকাৰৰ পৰিৱৰ্তন হ'ল যদিও পৰিৱৰ্তন নহ'ল মুছৰভঙা ঘাটৰ। ফলত বাৰিষা আহিলেই মৰণত শৰণ দি তুলুঙা নাৱেৰে দৈয়াং নদী পাৰ হয় ৰাইজে। তদুপৰি বাৰিষা জৰুৰীকালীন সেৱাৰ পৰাও বঞ্চিত হয় বৃহত্তৰ অঞ্চলৰ ৰাইজ। ইয়াৰ বিপৰীতে খৰালি বাঁহৰ দলঙেই একমাত্ৰ সম্বল মুছৰভঙা ঘাটৰ দুয়োপাৰৰ ৰাইজৰ। এনেদৰে বিপদসংকুল যাত্ৰা কৰি বহু সময়ত যাত্ৰীয়ে বিপদত পৰিছে যদিও আজিলৈকে কোনো এখন চৰকাৰে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বহুবাৰ আবেদন-নিবেদন কৰিও সুফল নাপালে ৰাইজে। চৰকাৰক মুছৰভঙা ঘাটত দৈয়াং নদীৰ ওপৰত এখনি পকী দলং নিৰ্মাণ কৰি দীৰ্ঘদিনীয়া যাতায়তৰ সমস্যাৰ সমাধান কৰিবলৈ আহ্বান জনাইছে ৰাইজে। এইক্ষেত্ৰত স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ৰাইজে।






# পানীৰ তলৰ দুচকুৱা গুহা

পৰ্বতৰ গুহাৰ কথা হয়তো সকলোৱে শুনিছা! কিন্তু সাগৰতলিৰ পানীৰ মাজৰ গুহা? আচলতে তোমালোকে হয়তো জানা যে সাগৰৰ তলিতো বহু ঠাইত পৰ্বত আছে। তেনে পৰ্বতৰ পৰাই বহু দ্বীপৰ সৃষ্টি হয়। সেয়া বেলেগ কথা। আচল কথা হ'ল, সাগৰৰ তলিত থকা তেনে পৰ্বতৰ গাতো গুহা আছে। তেনে গুহাৰ ভিতৰত উল্লেখনীয় হ'ল মে'ক্সিকোৰ প্লায়া ডেল কাৰ্মেন। ইউকাটান অঞ্চলৰ এই গুহাৰাজ্য চূণশিলেৰে নিৰ্মিত। অৱশ্যে আজিও এই গুহাৰাজ্য সম্পূৰ্ণৰূপে আৱিষ্কৃত হোৱা নাই। তথাপি প্লায়া ডেল কাৰ্মেনক আজি পৰ্যন্ত পানীৰ তলত মানুহে আৱিষ্কাৰ কৰা সবাতোকৈ দীঘলীয়া গুহা বুলি নিশ্চিতভাৱে ধৰি ল'ব পাৰি। এই গুহাৰ প্ৰকৃত নাম হ'ল ছিছটেমা ড'ছ ওজোছ। কানাডাৰ স্থানীয় ভাষাত 'ড'ছ ওজোছ' শব্দৰ অৰ্থ হ'ল 'দুটি চকু'। এই গুহাবোৰৰ মাজভাগত ওচৰা-ওচৰিকৈ দুটা বিশাল গাঁত আছে। সেই গাঁত দুটাকে দুচকুৰ দৰে লাগে। সেই বাবেই গুহাবোৰৰ নাম হৈছে 'ড'ছ এজোছ'। এই পৰ্যন্ত গুহাৰ মাত্ৰ ৫০ মাইল দূৰত্বৰ ভিতৰভাগলৈকে মানুহ যাব পাৰিছে। কিমান দূৰলৈ গুহাটো বিস্তাৰিত হৈ আছে, সেয়া এতিয়াও কল্পনাৰ অধীন। মানুহে যিমান দূৰলৈকে যাবলৈ সক্ষম হৈছে, সিমানলৈকে গুহাৰ প্ৰতিটো সুৰংগক ভিন্ন নাম দিয়া হৈছে। সেই নামবোৰো অদ্ভুত। যেনে ওয়াকুল্লা ৰূম, জিল'ছ ৰূম, দ্য নে'ট জেনেৰেছন্‌ছ পেচেজ আদি। গুহাৰ বিভিন্ন সুৰংগত ডুবাৰুসকলে প্ৰায়েই পথ হেৰুৱাই পেলায়। সেয়ে অত্যুৎসাহী পৰ্যটকে ডাইভিঙৰ মাধ্যমেৰে সাগৰতলিৰ সেই অতি অকল্পনীয় দৃশ্যাৱলী প্ৰত্যক্ষ কৰিবলৈ হ'লেও এজন পেছাদাৰী ডুবাৰুক পথ প্ৰদৰ্শক হিচাপে লোৱাটো অতি বাঞ্ছনীয়। দুটা চকুৰ দৰে এই গুহাবোৰত কেৱল চাবলগীয়া কৃত্ৰিম চকু এহাল আৰু চূণশিলৰ সৌন্দৰ্যৰ বাবেই কেৱল বিখ্যাত আৰু আকৰ্ষণৰ মূল নহয়। সেই গুহাৰ সুৰংগবোৰত আছে সৰু সৰু হেজাৰ প্ৰজাতিৰ মাছ আৰু ক্ষুদ্ৰকায় জলজ প্ৰাণীৰ বাসস্থান।

# বিষণ্ণ ফুল শেৱালি

শৰৎ কালৰ প্ৰসংগ উত্থাপন হোৱাৰ লগে লগে অৱধাৰিতভাৱে উচ্চাৰিত হয় শেৱালি ফুলৰ নাম। যি ঠাইত শেৱালি ফুলৰ গছ থাকে, সেই ঠাইখিনি সন্ধিয়াৰ পৰা পুৱালৈকে সুগন্ধিৰে মলমলাই থাকে। পুৱা গছৰ তলত শেৱালি ফুলৰ বগা দলিচা দেখিলে বৰ ভাল লাগে নহয়নে? তলশৰা শেৱালি বুটলিবলৈ বহুতে ভাল পায়। অনাবিল সুবাস আৰু সৌন্দৰ্য বিলোৱাৰ উপৰি এইবিধ ফুলে ঔষধি হিচাপেও মানুহৰ উপকাৰ কৰে। তথাপি শেৱালিক কোৱা হয় বিষণ্ণ বা দুখৰ ফুল।



দক্ষিণ এছিয়াৰ দক্ষিণ-পূব থাইলেণ্ডৰ পৰা আৰম্ভ কৰি পশ্চিম ভাৰত, বাংলাদেশ, পাকিস্তান, উত্তৰে নেপাল পৰ্যন্ত শেৱালি ফুল দেখিবলৈ পোৱা যায়। কোনো কোনো অঞ্চলত শেৱালি নামেৰেও পৰিচিত। শেৱালিৰ আদি নিবাস হ'ল ভাৰতীয় উপমহাদেশ। শেৱালিৰ ইংৰাজী নাম 'নাইট-ফ্লাৱাৰিং (Night-Flowering jasmine) জেছমিন' বৈজ্ঞানিক নাম 'Nyctavthes arbor-tristis' লেটিন শব্দৰ Nyctauthes ৰ অৰ্থ হ'ল 'সন্ধিয়া পাহ মেলা' আৰু 'arbor-trinstis' শব্দৰ অৰ্থ হ'ল 'বিষণ্ণ গছ'। সন্ধিয়া পাহ মেলি পুৱা সৰি পৰাৰ মাজৰ সময়ছোৱাত গছজোপাই বিষণ্ণভাৱে থিয় হৈ থাকে বাবেই এই ধৰণৰ নাম দিয়া হৈছে। সেইদৰে দিনৰ পোহৰত শেৱালি ফুল আৰু গছজোপাই উজ্জ্বলতা হেৰুৱাই বাবে এইবিধ ফুলগছক 'দুখৰ বৃক্ষ' (tree of Sorrow) বুলিও কোৱা হয়।

হিন্দু পৌৰাণিক গ্ৰন্থত শেৱালি ফুলৰ বৰ্ণনা পোৱা যায়। সেইবাবে পূজা-পাৰ্বণত এইবিধ ফুলৰ বিশেষ আদৰ আছে। সনাতন ধৰ্মী অধিকাংশ লোকৰ ঘৰতে শেৱালি ফুল দেখা যায়। শেৱালি সৰু আকাৰৰ বৃক্ষজাতীয় ফুল গছ। গছৰ শাখা-প্ৰশাখা আৰু কাণ্ড মজলীয়া শক্তিৰ। ওখৰ পৰা মজলীয়া ওখ ভূমি, প্ৰায় সকলো ধৰণৰ মাটি আৰু ৰৌদ্ৰোজ্জ্বল স্থানত এইবিধ ফুলৰ গছ বেছিকৈ গজে। শাখা-প্ৰশাখাৰ অগ্ৰভাগত ফুল ফুলে। শেৱালি প্ৰধানকৈ শৰৎ ঋতুৰ ফুল। কিন্তু আন ঋতুতো কিছুমান ঠাইত ফুল ফুলে।



ছান্তা ক্ল'জে বৰদিনৰ আগদিনা সন্ধিয়াৰ পৰাই সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত 'গড' বা ভগৱানৰ ঘৰৰ পৰা কঢ়িয়াই অনা বিভিন্ন প্ৰকাৰৰ উপহাৰ বিলাই ফুৰে। বিশ্বৰ সমগ্ৰ খ্ৰীষ্টান লোকে আজিৰ দিনটোক খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰক তথা ভগৱান যীশু খ্ৰীষ্টৰ জন্মদিন হিচাপে পালন কৰে। বৰদিনত খ্ৰীষ্টান ধৰ্মী লোকসকলে গীৰ্জাঘৰলৈ গৈ প্ৰাৰ্থনা কৰে।

# বৰদিন

অহা শনিবাৰে বৰদিন। তোমালোকে বাৰু ছান্তা ক্ল'জৰ পৰা কিবা উপহাৰ পাম বুলি ভাবিছানে? তোমালোকে হয়তো জানা যে ছান্তা ক্ল'জে বৰদিনৰ আগদিনা সন্ধিয়াৰ পৰাই সৰু সৰু ল'ৰা-ছোৱালীৰ মাজত 'গড' বা ভগৱানৰ ঘৰৰ পৰা কঢ়িয়াই অনা বিভিন্ন প্ৰকাৰৰ উপহাৰ বিলাই ফুৰে। বিশ্বৰ সমগ্ৰ খ্ৰীষ্টান লোকে আজিৰ দিনটোক খ্ৰীষ্ট ধৰ্মৰ প্ৰচাৰক তথা ভগৱান যীশু খ্ৰীষ্টৰ জন্মদিন হিচাপে পালন কৰে। বৰদিনত খ্ৰীষ্টান ধৰ্মী লোকসকলে গীৰ্জাঘৰলৈ গৈ প্ৰাৰ্থনা কৰে। বিভিন্ন ধৰণে ৰং-ৰহইচ কৰে।

আচলতে ২৯ নৱেম্বৰৰ পৰাই বৰদিনৰ প্ৰস্তুতি আৰম্ভ হয়। এই সময়ছোৱাত খ্ৰীষ্টান লোকসকলে বৰদিন সম্পৰ্কীয় বিভিন্ন ধৰণৰ বিধি-বিধান পালন কৰে। গীৰ্জালৈ গৈ সকলোৱে প্ৰাৰ্থনা জনাই নিজে কৰা বেয়া কামবোৰৰ বাবে ফাদাৰৰ জৰিয়তে যীশুৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। সপ্তাহত এদিন উপবাসে থাকি দীন-দৰিদ্ৰ লোকক অন্ন-বস্ত্ৰ আদি দান কৰে। মদ্যপান, ধূম্ৰপান আদিৰ পৰাও আঁতৰি থকাৰ চেষ্টা কৰে। বহু লোকে ঘৰে ঘৰে গৈ খ্ৰীষ্টানৰ প্ৰাৰ্থনা গীত 'কেৰল' গায়।

এতিয়া আহো ছান্তা ক্ল'জৰ কথালৈ। বিশ্বাস কৰা হয় যে বিচিত্ৰ বেশ-ভূষাৰে ছান্তা ক্ল'জে আঠ-নটা জটীয়া শিং থকা পহুৱে টনা গাড়ীত উঠি ভগৱানৰ ঘৰৰ পৰা পুতলা, মিঠাই আদি উপহাৰৰ টোপোলা কঢ়িয়াই আনে। সেইবোৰ ছান্তা ক্ল'জে বৰদিনাৰ আগনিশাৰ পৰা শান্ত-শিষ্ট শিশুসকলক বিলাই দিয়ে। কেতিয়াবা স্বভাৱ ভাল হোৱাৰ কামনা কৰি দুষ্ট শিশুকো তেনে উপহাৰ দিয়ে। ধাৰণা অনুযায়ী ছান্তা ক্ল'জে উত্তৰ মেৰুত বাস কৰিছিল। ১৬০০ চন মানৰ পৰা ছান্তা ক্ল'জৰ ধাৰণাটো জন্ম হয়। বহুতে ছান্তা ক্ল'জক কাল্পনিক চৰিত্ৰ বুলি দাবী কৰিলেও কিছু লোকে ধাৰণা কৰে যে একালৰ ফাদাৰ ছেইণ্ট নিকোলাছৰ পৰা ছান্তা ক্ল'জৰ সৃষ্টি হৈছে। জীৱিত কালত ছেইণ্ট নিকোলাছে নিশা ঘৰে ঘৰে গৈ শিশুসকলৰ মাজত মিঠাই, পুতলা আদি বিলাইছিল। শিশুক উপহাৰ দিবলৈ তেওঁ বৰ ভাল পাইছিল যদিও সেই কাৰ্য আনে দেখাটো নিবিচাৰিছিল বাবেই ছেইণ্ট নিকোলাছে নিশাহে উপহাৰ বিলাইছিল। ছেইণ্ট নিকোলাছক নেদাৰলেণ্ডৰ ডাচ্চ ভাষাত ছিণ্টাৰ ক্লাছ বুলি কোৱা হৈছিল। সেই ছিণ্টাৰ ক্লাছেই পাছলৈ ছান্টা ক্ল'জ হ'লগৈ। সৎ ধৰ্মপ্ৰচাৰকজনৰ এই কাৰ্যৰ পৰাই পৰৱৰ্তী কালত ছান্তা ক্ল'জৰ ধাৰণাটোৰ জন্ম হোৱা বুলি ভবা হয়।

# গৰখীয়া আৰু কল্পধেনুৰ সাধু

দিগন্ত বৈশ্য

**আজিৰ** পৰা বহু বছৰ আগতে ভকতগাঁও নামৰ এখন গাঁৱত হেবাং নামৰ এজন গৰখীয়া আছিল। ঘাট-মাউৰা হোৱাৰ আগলৈকে সি মাক-দেউতাকৰ লগত আৰামেৰে দিন কটাইছিল। মাক-দেউতাক মৰাৰ পাছত হেবাঙে মাটি-বাৰী সোপাকে বেছি কিছুকাল আৰামত কটাইছিল যদিও টকা-পইচা শেষ হোৱাত সি ৰুদ্ৰ সদাগৰৰ ঘৰত গৰখীয়াৰ কাম কৰিবলৈ ধৰিলে। সদাগৰ আছিল অতি সৎ আৰু মহান। তেওঁৰ আছিল দুটাকৈ ল'ৰা। বহুবছৰ কাম কৰাৰ পাছত সদাগৰে হেবাঙক মাটি কিনি ঘৰ সাজি এহাল গৰু দি বিদায় দিলে।

হেবাং আছিল অতি দায়িত্বশীল আৰু কৰ্মঠ। পুৱা শুই উঠাৰে পৰা গধূলিলৈ হেবাঙে গৰুকেইটাৰ ইমান মৰম-আদাৰ, যা-যত্ন লয় যে গৰুকেইটাৰো তাৰ প্ৰতি মৰম ওপজে। কিছুদিন যোৱাৰ পাছত গৰু এটাৰ এটা পোৱালি জগিল। তাকে দেখি হেবাঙৰ মনটো আনন্দত নাচি উঠিল। বগা ৰঙৰ মূৰত ক'লা দীঘল ফোঁট থকা গৰুৰ পোৱালিটো আছিল অতি মৰম লগা।

এমাহ যোৱাৰ পাছত এদিন ৰাতি সপোনত এগৰাকী বুঢ়ীয়ে আহি হেবাঙক ক'লে— হেবাং, নতুনকৈ জন্ম পোৱা গৰুৰ পোৱালিটো সাধাৰণ গৰু পোৱালি নহয়। এবছৰ যোৱাৰ পাছত গৰু পোৱালিটোক আৰু বাহিৰত চৰিবলৈ নিদিবা। ঘৰৰ ভিতৰতে ৰাখিবা। তাৰ নাম ৰাখিবা কল্পধেনু। কিয়নো, তাৰ পৰা তুমি যি বিচৰা; তাকেই পাবা। মাথোঁ বিচৰা বস্তুটো মনেৰে তিনিবাৰ ক'লেই হ'ল।

হেবাঙে সপোনৰ ফল ক'তনো মিলিব, বিশ্বাস নকৰিলে। এবছৰ হোৱাৰ দুদিন আগতে পুনৰ বুঢ়ীগৰাকীয়ে সপোনত আহি হেবাঙক কথাবোৰ দোহৰাই দিলে।

এইবাৰ হেবাঙে বিশ্বাস কৰিলে। সি প্ৰমাণ চাবৰ বাবে কল্পধেনুৰ সন্মুখলৈ গৈ মনেৰে তিনিবাৰ কিছু খোৱা বস্তু বিচাৰিলে। লগে লগে তাৰ সন্মুখত অনেক খোৱা বস্তু আহি উপস্থিত হ'ল। হেবাঙে এইবোৰ দেখি আচৰিত হ'ল। সেইদিনাৰ পৰা সি কল্পধেনুক বিশেষ সুৰক্ষা দি ৰাখিলে।

কল্পধেনুৰ সহায়ৰ বলত হেবাঙে তাৰ ঘৰটো প্ৰকৃতিৰ মাজত আটকধুনীয়াকৈ সজাই ল'লে। মনেৰে বিচৰা সকলো বস্তু থাউকতে পালেও হেবাং কিন্তু আগৰদৰেই থাকিল। মনলৈ তাৰ কোনো অহংকাৰ ভাব নাহিল।

এদিন সেই পথেৰে সেই দেশৰ ৰজা দুৰ্লভ নাৰায়ণ ফুৰিবলৈ আহিল। বনৰ মাজত বাঁহেৰে নিৰ্মিত সুন্দৰ ঘৰটো দেখি ৰজা দুৰ্লভ নাৰায়ণ ভিতৰলৈ সোমাই গ'ল। লগত অলেখ সৈন্য-সামন্ত। হেবাঙে আদৰ-সাদৰকৈ ৰজাক মাতি নি বহিবলৈ দিলে। হেবাঙে ৰজা দুৰ্লভ নাৰায়ণক ক্ষন্তেক সময় বহিবলৈ কৈ সুস্বাদু আহাৰ যোগান ধৰিলে। এনে সুস্বাদু ব্যঞ্জনেৰে এসাঁজ খাবলৈ পাই এয়া কোনে ৰান্ধিছে ৰজাই সুধিলে। আপোনভোলা হোজা হেবাঙে সকলো কথা ৰজাৰ আগত খুলি ক'লে।

ৰজাই কল্পধেনুৰ এই মহাত্মা শুনি তাক কিনিব খুজিলে। হেবাঙে ক'লে— প্ৰভু ঈশ্বৰ, সেই পোৱালিটোৰে মই চলি আছো, তাকনো মই কেনেকৈ বেচিম? ৰজাই হেবাঙক তাৰ উচিত দাম দিম বুলি ক'লে, কিন্তু হেবাঙে নামানিলে। উপায়হীন হৈ ৰজাই হেবাঙক মাৰিবলৈ উদ্যত হ'ল। তেতিয়া হেবাঙে কল্পধেনুৰ ঠেঙত পৰি ক'লে— প্ৰভু ঈশ্বৰ, তুমি নিজকে বচোৱা। মোৰ তোমাক বচাবৰ শক্তি নাই। ক্ষন্তেক পাছতে ৰজাই মোক মাৰি তোমাক লৈ যাব।



হেবাঙে এই বুলি কৈ পদূলি ওলোৱাৰ লগে লগে ৰজাই তাক বধ কৰিলে। আনপিনে কল্পধেনুৱে যাদুৰ বলত এশ সৈন্যৰ জন্ম দিলে আৰু তেওঁলোকৰ লগত যুদ্ধ কৰি সৈন্য-সামন্ত আৰু ৰজা দুৰ্লভ নাৰায়ণ মৃত্যুমুখত পৰিল।

এই ঘটনাৰ পাছত কল্পধেনুৱে হেবাঙক পুনৰ জীয়াই দি বনৰ মাজত তাক এখন ৰাজ্য সাজিবলৈ নিৰ্দেশ দিয়াৰ লগতে হেবাঙক অৰন্তীবনৰ ৰজা পাতিলে। পাছলৈ তাৰ ৰাজ্যত বাঘ, ঘোঁৰা, সিংহ, ভালুক, হৰিণ ইত্যাদি আটাইবোৰ প্ৰাণীকে সংৰক্ষণ কৰিলে। দিনে দিনে হেবাং দেশৰ ভিতৰতে সৎ নিষ্ঠাবান ৰজা বুলি পৰিচিত হ'ল।

*নীতিজ্ঞান ঃ ঈৰ্ষাৰ সমান পাপ নাই এই সংসাৰত ভাল কৰ্মৰ আছে খ্যাতি মানৱ জীৱনত।*



# মহৎলোকৰ বাণী

⇨ জয় তেওঁলোকৰে হয়, যি নিজৰ সংকটলৈ কেৰেপ নকৰি কাৰ্য সম্পাদন কৰে। ভয়াতুৰসকল কেতিয়াও জয়ী হ'ব নোৱাৰে।

— পণ্ডিত জৱাহৰলাল নেহৰু।

⇨ স্বাধীনতা হ'ল আমাৰ জন্মগত অধিকাৰ। — লোকমান্য বাল গংগাধৰ তিলক।

⇨ কষ্ট হ'ল তেনে প্ৰেৰণামূলক শক্তি, যি মানৱক তুলাচনীত জোখে আৰু আগবঢ়াই নিয়ে। — স্বাধীনতা সংগ্ৰামী বীৰ ছাভাৰকাৰ।

⇨ যৌৱন, ৰূপ বা ধনৰ পৰা অনুৰাগ সৃষ্টি নহয়। অনুৰাগ সৃষ্টি হয় অনুৰাগৰ পৰাই। — হিন্দী সাহিত্যিক মুন্সী প্ৰেমচান্দ।

⇨ অকাৰণত কন্দল কৰাটো হ'ল মুৰ্খতাৰ লক্ষণ। সেয়ে বুদ্ধিমানৰ কাম হ'ল নিজৰ ক্ষতিক সহ্য কৰা; কিন্তু কন্দল নকৰা। — হিতোপদেশ।



# কিউব ছেটেলাইট


ড° ইন্দিৰা বৰদলৈ


**ছেটেলাইট** হৈছে ইংৰাজী শব্দ, যাক অসমীয়াত উপগ্ৰহ বোলা হয়। উপগ্ৰহ বুলিলে আমি মহাকাশত এটা গ্ৰহক প্ৰদক্ষিণ কৰি থকা বস্তুক বুজো। আমাৰ পৃথিৱী গ্ৰহৰ চাৰিওফালে প্ৰদক্ষিণ কৰা চন্দ্ৰটো পৃথিৱীৰ উপগ্ৰহ। চন্দ্ৰটো প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা উপগ্ৰহ। কিন্তু আধুনিক যুগৰ বিজ্ঞানীসকলে অত্যাধুনিক কাৰিকৰী কৌশলেৰে কৃত্ৰিম উপ গ্ৰহ নিৰ্মাণ কৰি বিভিন্ন গৱেষণাৰ বাবে কোনো গ্ৰহৰ চাৰিওফালৰ এক কক্ষপথলৈ উৰুৱাই পঠিয়ায়। সাধাৰণতে ছেটেলাইট বুলিলে আমি কৃত্ৰিম উপগ্ৰহক বুজো। যিহেতু ছেটেলাইটবোৰ উচ্চ উচ্চতাত ডাৱৰ, বায়ুমণ্ডলৰ অণু-পৰমাণু, ধূলিকণাবোৰৰ পৰা বহু ওপৰত উৰে, সেয়ে ছেটেলাইটৰ সহায়ত মহাকাশৰ তথ্য অধিক সঠিকভাৱে সংগ্ৰহ কৰিব পৰা যায়। তাৰ উপৰি ছেটেলাইটৰ সহায়ত বেছি উচ্চতাৰ পৰা ছবি ল'লে। পৃথিৱীৰ এক বৃহৎ কালিৰ ছবি তুলিব পৰা যায়। ছেটেলাইটবিলাকত কিছুমান পেল'ড থাকে। পেল'ডত থকা যন্ত্ৰ-পাতিৰ সহায়েৰে গ্ৰহ-নক্ষত্ৰ, তাৰকাৰাজ্যৰ বিষয়ে ৰেডিঅ'- টেলিফোন-টেলিভিছনৰ সংকেতৰ যোগাযোগ, আগজাননী, জল-স্থল- আকাশমাৰ্গত সঠিক অৱস্থান নিৰূপণ আদি নানান গৱেষণা চলায়।

ছেটেলাইট নিৰ্মাণ কৰিবলৈ প্ৰায় ৫০০-৫০০০ কোটি টকা পৰ্যন্ত খৰচ হয়। সেয়ে ধনী দেশবিলাকেহে ইয়াৰ আঁচনি কৰিবলৈ সাহস কৰে। সৌভাগ্যবশতঃ ১৯৯৯ত কেলিফৰ্ণিয়া পলিটেকনিক ষ্টেট ইউনিভাৰচিটি আৰু ষ্টেনফৰ্ড ইউনিভাৰচিটিয়ে নিচেই সৰু আকৃতিৰ বিশেষ ধৰণৰ 'কিউব ছেটেলাইট'ৰ পৰিকল্পনা কৰিলে; যিটো বহুকেইটা স্বয়ংসম্পূৰ্ণ কণমানি কিউবিক মডিউলৰ সমষ্টি। মডিউলৰ প্ৰতি বাহুৰ দীঘ মাথোঁ ১০ চেণ্টিমিটাৰ আৰু ভৰ ১.৩৩ কিলোগ্ৰাম। কিউবৰ অৰ্থ ঘনক। কিউব ছেটেলাইটবিলাক ইণ্টাৰনেচনেল স্পেইচ ষ্টেছনৰ পৰা অথবা মহাকাশযান এখনত গৌণ পেল'ড হিচাপে উৎক্ষেপণ কৰা হয়। এনে কণমানি ছেটেলাইটৰ দ্বাৰাও মহাকাশৰ নানা গৱেষণা সক্ষম হৈছিল। খৰচো পৰে মাথোঁ এক কোটি টকা। গতিকে আগতকৈ খৰচ কে'বাশ হেজাৰ গুণে কম। আমেৰিকাৰ মহাকাশ প্ৰতিষ্ঠান 'নেচনেল এৰ'নটিকছ এণ্ড স্পেইচ এডমিনিষ্ট্ৰেছন' সংক্ষেপে নাছাই এডুকেছনেল লঞ্চ অৱ নেন' ছেটেলাইট' সংক্ষেপে ইলানাৰ যোগেদি কিছুমান শৈক্ষিক কাৰ্যসূচীৰে বিভিন্ন শিক্ষানুষ্ঠানৰ সহযোগী হৈ কাম কৰিবলৈ ধৰিলে। ইলানাৰ উদ্দেশ্য আছিল পেল'ডবিলাকৰ অন্ততঃ এটা বিদ্যালয়-মহাবিদ্যালয় অথবা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে তৈয়াৰ কৰিব। অভিজ্ঞ বিজ্ঞানীসকলৰ তত্ত্বাৱধানত কিউবছেটৰ পৰিকল্পনা কৰি তৈয়াৰ কৰাত হাতে কামে সক্ৰিয়ভাৱে লাগি যোৱাৰ ফলত বিদ্যাৰ্থীসকলে যথেষ্ট অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম হ'ল। ফলত যুৱ প্ৰজন্মৰ মনত বিজ্ঞানৰ প্ৰতি ধাউতি, আত্মবিশ্বাস বঢ়াই তুলিলে আৰু জীৱন বৃত্তিত কাৰ্যকৰি, গণিত, বিশেষকৈ জ্যোতিৰ্বিজ্ঞান বাছি ল'বলৈ উৎসাহিত হোৱা পৰিলক্ষিত হ'ল। ছাত্ৰ-ছাত্ৰীসকলে গৱেষণাগাৰত কিউবছেটৰ কাৰ্যক্ষমতা পৰীক্ষা কৰি পেল'ডটো, সহায়কাৰী পেল'ড হিচাপে সন্নিবিষ্ট কৰি নিক্ষেপ কৰা হয়। তাৰ তিনি ঘণ্টা মানৰ পাছত ছেটেলাইটটোৱে ৰক্ষাকবচ সদৃশ আৱৰণবোৰৰ পৰা ওলাই আহি, এণ্টেনাবিলাক মেল খুৱাই পৃথিৱীৰ লগত যোগাযোগ স্থাপন কৰে। ছেটেলাইটৰ দ্বাৰা যিবিলাক তথ্য সংগৃহীত হয় সেইবিলাক নাছাই সহযোগী শিক্ষানুষ্ঠানক প্ৰদান কৰে, যাতে শিক্ষানুষ্ঠানখনে নিজে প্ৰচাৰ বা বিশ্লেষণ কৰিব পাৰে। ছাত্ৰ অৱস্থাতে ছেটেলাইটৰ ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰা দেখি আন্তঃৰাষ্ট্ৰীয় বহুতো শিক্ষানুষ্ঠানে কিউবছেট তৈয়াৰ কৰিবলৈ আগবাঢ়ি আহিল। কেইবছৰমানৰ পৰা নাছাই বিভিন্ন দেশৰ বিদ্যাৰ্থীসকলৰ মাজত কিউবছেটৰ মডেল প্ৰস্তুত কৰাৰ প্ৰতিযোগিতা পাতিছে। গৌৰৱৰ কথা যে এনে এখন প্ৰতিযোগিতাত ভাৰতবৰ্ষৰ তামিলনাডুৰ দ্বাদশ শ্ৰেণীৰ ৰিফাথ চাৰুকে আন ছজন ছাত্ৰ বন্ধুৰ লগ হৈ মাথোঁ ৬৪গ্ৰাম ওজনৰ পৃথিৱীৰ ভিতৰতে আটাইতকৈ সৰু মডেল তৈয়াৰ কৰি শ্ৰেষ্ঠ প্ৰতিযোগী হিচাপে নিৰ্বাচিত হৈছে। চাৰুকৰ কিউব ছেটেলাইট 'কালামছেট' নামকৰণেৰে ২০১৭ৰ ২২ জুনত ফ্ল'ৰিডাৰ কেনেডী স্পেইচ ছেণ্টাৰৰ পৰা সফলতাৰে আকাশমাৰ্গলৈ উৰুৱাই পঠোৱা হৈছে। নাচাই আনকি চন্দ্ৰ আৰু মংগল গ্ৰহৰ অভিযানৰ লগতো কিউবছেট নিক্ষেপৰ পৰিকল্পনা কৰিছে। ইতিমধ্যে ২০১৮ত মাৰ্ক' কিউবছেটেলাইটে মংগল গ্ৰহ অভিমুখে ৰাওনা হয়।

ভাৰতবৰ্ষৰ প্ৰতিষ্ঠান 'ইণ্ডিয়ান স্পেইচ ৰিচাৰ্চ অৰগেনাইজেছন', সংক্ষেপে ইছৰ' (ISRO)ৰ তত্বাৱধানত ২০১০ৰ ১২ জুলাইত ড° ঝৰণা মজুমদাৰৰ নেতৃত্বত ১০খন কলেজ লগ হৈ সফলতাৰে 'ষ্টাডছেট' নামৰ কিউৰছেট উৰুৱাবলৈ সক্ষম হয়। ষ্টাউছেট বিদ্যাৰ্থীসকলে নিজেই ডিজাইন, ফেব্ৰিকেছন কৰি গ্ৰাউণ্ড ষ্টেছনো স্থাপন কৰিছিল। ষ্টাডছেটৰ সফলতাৰ পাছত দুটা ছেটেলাইটৰ মাজত কেনেদৰে সংযোগ স্থাপন কৰা যায়, তাৰ পৰীক্ষাৰ বাবে কৰ্ণাটকৰ ভি টি ইউ বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে ষ্টাডছেট-এ, ষ্টাডছেট-বি দুটা যুটীয়া ছেটেলাইট উৎক্ষেপণ কৰে ২০১৭ৰ ১৫ ফেব্ৰুৱাৰীত। কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ, পুনেৰ বহুকেইখন ইঞ্জিনীয়াৰিং কলেজ, কানপুৰ, মুম্বাইৰ আই আই টি, চেন্নাইৰ সত্যবাসা বিশ্ববিদ্যালয়, বাংগালুৰুৰ পি ই এক বিশ্ববিদ্যালয়, তামিলনাডুৰ ইছলাম বিশ্ববিদ্যালয়, 'স্পেইচ কিডচ্ ইণ্ডিয়া'ই কিউবছেট উৎক্ষেপণত সহযোগ কৰিছে। ইছৰ'ৰ তত্ত্বাৱধানত নিৰ্মাণ কৰি উলিওৱা কেইটামান কিউবছেট হৈছে— 'প্ৰথম', 'স্বয়ম', সথ্যবামাচেট, অনুচেট, ষ্টাডছেট, নিউচেট, ইউথচেট, এচ আৰ এম চেট, জুগনু। এনেবোৰ ছেটেলাইটৰ পৰা সংগৃহীত তথ্যৰ সহায়ত পৃথিৱীৰ ঘূৰ্ণন, মেগনেট'স্ফিয়েৰ, বায়ুমণ্ডলৰ অধিক উচ্চতাত থকা ইলেকট্ৰন, বাষ্পৰ কণিকা, জলবায়ুৰ পৰিৱৰ্তন, প্ৰদূষণ, কাৰ্বন মন'ক্সাইড, কাৰ্বন-ডাই-অক্সাইড, মিথেইনৰ পৰিমাণৰ বিষয়ে উচ্চ খাপৰ গৱেষণা কৰিছে।

বিশ্বত বৰ্তমানলৈকে প্ৰায় ১৬০০ কিউব ছেটেলাইট উৎক্ষেপণ হৈছে, বিজ্ঞানীসকলৰ তত্ত্বাৱধানত মহাকাশৰ গৱেষণাত ভাগ ল'বলৈ পোৱাটো ছাত্ৰসকলৰ বাবে এক ফলপ্ৰসূ সুযোগ বুলিব লাগিব। নাছাই প্ৰতি বছৰৰ আগষ্টত তেওঁলোকৰ এনে সুবিধাৰ বিষয়ে ঘোষণা কৰে। ইছৰ'ই ২০১৯ৰ পহিলা জানুৱাৰীৰ পৰা সমবাদ উইথ ষ্টুডেণ্ট নামেৰে এক কাৰ্যসূচী আৰম্ভ কৰিছে, যাতে দেশৰ শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলে অনুপ্ৰাণিত হৈ তেওঁলোকৰ মনত বৈজ্ঞানিক মানসিকতা গঢ় লৈ উঠে। আমাৰ অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষক তথা শিক্ষাৰ্থীসকলে যোগাযোগ কৰি দেশ-বিদেশৰ প্ৰতিষ্ঠানসমূহে আগবঢ়োৱা এনে সোণালী সুযোগ ল'বলৈ আগবাঢ়ি আহিবলৈ এই পত্ৰৰ দ্বাৰাই আহ্বান জনালো।





# আপোন নদী-দ্বীপৰ কথাৰে...

ৰুণীমা বৰা, সহঃ শিক্ষয়িত্ৰী

*যোৱা সংখ্যাৰ পাছৰ পৰা* সময় গতিশীল। অবিৰামভাৱে ই প্ৰতিক্ষণ মাথোঁ গতি কৰিয়েই থাকে। সময়ৰ অভাৱৰ বাবেই নদীদ্বীপটোত স্থিতি গোটেই কেইখন সত্ৰ দৰ্শন সম্ভৱ নহ'ল। মনটো কিছু সেমেকি উঠিল।

এইখিনিতে এটা সুকীয়া বিষয় দৃষ্টি গোচৰ হ'ল 'বঙেনাআটি সত্ৰ'খনিত। স্বামীৰ মাহীদেউৰ গৃহ। অতিকৈ আকৰ্ষণীয় প্ৰতিটো গৃহ। পাছে আউনীআটি সত্ৰৰ দৰে বেঙেনাআটি সত্ৰৰ ভকতবৃন্দ 'কেৱলীয়া ভকত' নহয়। তেখেতসকল সংসাৰৰ মায়া জালৰ পৰা মুক্ত নহয়। কেৱলীয়া ভকত সম্পৰ্কে কিছু জ্ঞাত আছিলো। সংসাৰৰ মায়া মোহৰ পৰা স্ব ইচ্ছাই সম্পূৰ্ণকৈ নিজকে আঁতৰাই একমাত্ৰ ভক্তি সাগৰত নিজকে বিলীন কৰাতোয়ে এইসকল ভকতৰ কৰ্ম তথা কৰ্তব্য।

যি ঠাইৰ মাহাত্মাই পৱিত্ৰ তাৰে পৰিপূৰ্ণ যাৰ চৌপাশে থকা প্ৰাকৃতিক সৌন্দৰ্যই ত্ৰিতাপক্লিষ্ট প্ৰাণতো শান্তিৰ বাৰি বৰিষণ কৰে, যাৰ গহণ বনৰ নিৰ্জনতাই ঋষি মুনিৰ আশ্ৰমলৈ মনত পেলাই দিয়ে, য'ত শৌচ-সংযম, নীতি-নিষ্ঠা-দয়া-দাক্ষিণ্য বিধিবৎ পালন কৰা হয়, য'ত ব্ৰাহ্মচৰ্য ব্ৰত ধৰি নিয়মানুবৰ্তিতাৰ শাসন অনুশাসন কঠোৰভাৱে উদ্‌যাপন কৰা হয়, য'ত মৈত্ৰী মিলনৰ সদ্ভাৱেই সততে বিদ্যমান আৰু সকলো লোকৰ মংগলাৰ্থে বেদপাঠ, ভাগৱত পাঠ, শাস্ত্ৰ চৰ্চা আৰু নৱবিধ ভক্তি সম্বলিত হৰিনাম কীৰ্তনৰ দ্বাৰা ই অন্তৰ্যামী পৰমেশ্বৰৰ অন্তৰীক্ষকো আলোঞ্জন কৰি থকা হয়, সেই ঠাইত যি অনুষ্ঠানেই নেথাকক সেয়ে সত্ৰ। গ্ৰন্থত উল্লেখিত এই অমোঘ বাক্যৰাজিৰ দ্বাৰাই মুগ্ধ হৈছিলো সত্ৰৰ সাত্বিকতাৰ প্ৰতি। সত্ৰসমূহ মাত্ৰ ভক্তিৰেই প্ৰাণকেন্দ্ৰ তেনে নহয়, সমসাময়িকভাৱে ইতিহাসৰ আকৰ্ষণীয় সম্পদৰাজিক সংৰক্ষণৰ গুৰু দায়িত্বও বহন কৰি আহিছে। মাজুলী নামেই যাৰ পৰিচয়। সৰুতেই বাক্য এযাৰি পাইছিলো- মাজুলী পৃথিৱীৰ বৃহত্তম 'মাজুলী'। সেইসময়ত মাজুলী শব্দৰ অৰ্থ সম্পৰ্কে জ্ঞাত নাছিলো। পাছলৈ জানিব পাৰিলো মাজুলী শব্দই ব্ৰহ্মপুত্ৰৰ যিকোনো চাপৰিকে বুজায়। অৱশ্যে উল্লেখনীয় যে মাজুলীক নিৰ্দিষ্টকৈ বুজোৱা শব্দ হিচাপে 'মাজালি'হে ব্যৱহৃত হৈছিল।

যিয়েই নহওঁক কিয় মোৰ বাবে অধিক গুৰুত্বপূৰ্ণ এই বৃহৎ অঞ্চলটিৰ ঐতিহ্যতা। এইখিনিতে সত্ৰসমূহৰ আন এক অন্যতম অৱদান 'মুখা শিল্পৰ' গৰিমা সম্বন্ধে উল্লেখ কৰিবই লাগিব। সাংস্কৃতিক কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত সত্ৰ নগৰীৰ মুখাশিল্পৰ কলাই বিশ্বৰ দৰবাৰত এক সুকীয়া স্থান গ্ৰহণ কৰিছে। বহুকেইজন চিনাকি মানুহৰ মুখেৰে মাত্ৰ এশাৰী বাক্যই শুনিবলৈ পালো। বোলে মাজুলীত ৰাসৰ সময়তহে আহিব লাগে। ইয়াত ৰাসোৎসৱৰ মাদকতা ই সুকীয়া। ৰাস উৎসৱ। সমগ্ৰ মাজুলীবাসীৰ বাবেই এক আড়ম্বৰপূৰ্ণ ধৰ্মীয় অনুষ্ঠান।

দেউতাহঁতৰ ঘৰ তেজপুৰত। মামাহঁতৰ লখিমপুৰত। সেই হিচাপে ৰাসোৎসৱ উপভোগৰ সৌভাগ্য ঘটিছে। পিছে বিশ্ব বিখ্যাত মাজুলীৰ ৰাসোৎসৱ প্ৰত্যক্ষ কৰাৰ হাবিয়াস এটাহে মনতে পুহি ৰাখিছো। শৰত কালৰ ৰাতি অতি বিতোপন, ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন-শ্ৰীকৃষ্ণৰ সুমধুৰ বংশীধ্বনিত উদ্বুদ্ধ গোপগণে বৃন্দাবন ত একত্ৰিত হৈ কৃষ্ণ সহিতে কৰা ৰাসলীলা প্ৰদৰ্শনৰ ক্ষেত্ৰত মাজুলীৰ সত্ৰসমূহ সৰ্বদায় আগৰণুৱা।

# শান্ত পক্ষী লাভ বাৰ্ড



চৰাইবিধৰ নাম লাভ বাৰ্ড। নামটোৰ পৰাই অনুমান কৰিব পাৰি যে এইবিধ পক্ষী বৰ মৰমলগা হ'ব। লাভ বাৰ্ড প্ৰকৃততে ভাটৌৰ জাতৰ অতি ক্ষুদ্ৰ প্ৰজাতি। স্পেইন, আফ্ৰিকা আৰু মাদাগাস্কাৰৰ পক্ষী হিচাপে চিহ্নিত যদিও আমাৰ দেশকে ধৰি বিভিন্ন স্থানত দেখা পোৱা যায়। সৰু আকৃতিৰ ধুনীয়া পক্ষীবিধ অতি শান্ত আৰু ভদ্ৰ। কোনো ধৰণৰ অশান্তিৰ সৃষ্টি নকৰে বাবে মানুহেও এইবিধ চৰাই পোহনীয়া কৰি ৰাখে। বহুতে সজাত ভৰাই বিক্ৰী কৰাও দেখা যায়। কিয়নো লাভ বাৰ্ডে মনত আনন্দহে দিয়ে। লাভ বাৰ্ড মাত্ৰ পাঁচৰ পৰা সাত ইঞ্চি দীঘল হয়। পৃথিৱীত মাত্ৰ নটা প্ৰজাতিৰ লাভ বাৰ্ড আছে। ভাৰত, বাংলাদেশ, নেপাল, পাকিস্তান আদিত লাভ বাৰ্ডৰ লুটিনো, ফিছাৰ, ৰোজী ফেচড্‌, পীচ ফেচড্‌, চিফ মাস্ক আদি প্ৰজাতি দেখিবলৈ পোৱা যায়। এইবিধ পক্ষীয়ে নিজৰ মাজতে খেলা-ধূলা কৰি ভাল পায়। ওলোটা খৰ মৰা দৃশ্য বৰ উপভোগ্য। লাভ বাৰ্ডে সাধাৰণতে চাৰিৰ পৰা ছটা কণী পাৰে। মতা-মাইকী উভয়ে পোৱালিৰ মুখত খাদ্য ভৰাই দিয়ে। পোৱালিবোৰে ওপৰলৈ মুখ মেলি ৰৈ থাকে। যিটো পোৱালিয়ে বেছি ওপৰলৈ মূৰ দাঙি মুখ মেলিব পাৰে, সি আগতে খাদ্য পায়। পোৱালিক আহাৰ খুওৱা সেই দৃশ্যও বৰ উপভোগ্য।



***শ্ৰুতিধাৰা শিৱাংগী,*** *নৱম শ্ৰেণী, কেন্দ্ৰীয় বিদ্যালয় নগাঁও।*



***মুগ্ধাজিত ভৰদ্বাজ,*** *মডাৰ্ণ ইংলিচ স্কুল, চতুৰ্থ শ্ৰেণী।*






# ধেমাজিক পৰাস্ত কৰি চেম্পিয়ন বৰপেটা

## আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট

**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** বৰপেটা জিলা দলে এইবৰ্ষৰ আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে। উল্লেখ্য যে ৰাজ্যিক ক্ৰিকেট প্ৰতিযোগিতাখনৰ আজি বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেলত বৰপেটা দল মুখামুখি হয় ধেমাজিৰ। মেচখনত বৰপেটাই সহজে 70 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে ধেমাজিক। পোনতে বেটিং কৰি বৰপেটাই 35 অভাৰত ছয় উইকেটত 212 ৰাণ কৰে। প্ৰত্যুত্তৰত, ধেমাজিয়ে 31.3 অভাৰত 142 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰতিযোগিতাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা ছেমিফাইনেলত বৰপেটা জিলা দলে 121 ৰাণত গুৱাহাটী জিলা দলক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। পোনতে বেটিং কৰি বৰপেটা জিলা দলে 193–8 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, গুৱাহাটী জিলা দলে মাত্ৰ 72–10 ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। আনহাতে, নেহৰু ষ্টেডিয়ামত হোৱা আন এখন ছমিফাইনেলত ধেমাজি জিলা দলে 22 ৰাণত ডিব্ৰুগড় জিলা দলক পৰাস্ত কৰি খিতাপৰ যুঁজলৈ অগ্ৰসৰ হৈছিল। পোনতে বেটিং কৰি ধেমাজি জিলা দলে 151–10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, ডিব্ৰুগড় জিলা দলে 129–10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে।






## কলম্বোৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত দুটা স্বৰ্ণ লাভ কোকৰাঝাৰৰ এথলীট মালা কৰ্মকাৰৰ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২১ ডিচেম্বৰ ঃ** শ্ৰীলংকাত অনুষ্ঠিত হোৱা সংযুক্ত ভাৰতীয় খেল ফেডাৰেশ্বনৰ আন্তৰ্জাতিক প্ৰতিযোগিতাত অসমৰ এথলীট মালা কৰ্মকাৰে দুটা সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে শ্ৰীলংকান ক্ৰীড়া ফাউণ্ডেছনে আয়োজন কৰা উক্ত সংযুক্ত ভাৰতীয় খেল ফেডাৰেশ্বনৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখন কলম্বোত অনুষ্ঠিত হৈছিল। 10–15 ডিচেম্বৰলৈ অনুষ্ঠিত হোৱা আন্তৰ্জাতিক প্ৰতিযোগিতাখনত কোকৰাঝাৰৰ মালা কৰ্মকাৰে 60 বছৰ শাখাত পাঁচ হেজাৰ মিটাৰ খোজকঢ়াৰ লগতে দুহেজাৰ মিটাৰ ষ্টেপচ চেজত সোণ অৰ্জন কৰে। উল্লেখ্য যে ইয়াৰপূৰ্বে বিভিন্ন আন্তৰ্জাতিক প্ৰতিযোগিতাত অংশ লৈ সফলতা লাভ কৰিছিল কোকৰাঝাৰৰ মালা কৰ্মকাৰে।

## এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতা
## ছেমিত জাপানৰ বিৰুদ্ধে পৰাস্ত ভাৰত

**নতুন দিল্লী, ২১ ডিচেম্বৰ ঃ** চলিত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত দ্বিতীয়খন ছেমিফাইনেলত জাপানে 5–3 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতক। ফলত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ডিফেণ্ডিং চেম্পিয়ন ভাৰত এইবাৰ ফাইনেল খেলাৰ পৰা বঞ্চিত হ'ল। ভাৰতীয় হকী দলে এতিয়া ব্ৰঞ্জ পদকৰ বাবে খেলিব পাকিস্তানৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতীয় হকী দলে নিজৰ অন্তিম লীগ মেচত 6–0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল জাপানক। কিন্তু আজি ভাৰতক চাপত ৰাখি সফল হয় জাপান। উল্লেখ্য যে ঢাকাত চলি থকা এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাত ইতিমধ্যে ভাৰতে পাকিস্তানক পৰাস্ত কৰিছিল। লীগত পাকিস্তানক হৰুৱাইয়ে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছিল ভাৰতে। 10 পইণ্টৰে গ্ৰুপৰ শীৰ্ষত থকা ভাৰতীয় হকী দলে কিন্তু আজি ধাৰাবাহিকতা ৰক্ষা কৰাত ব্যৰ্থ হয়। উল্লেখ্য যে ভাৰতীয় হকী দল এছিয়ান চেম্পিয়নছ ট্ৰফী হকীৰ ডিফেণ্ডিং চেম্পিয়ন।




## ছেমিফাইনেলত কঠালগুৰি দল

অগ্ৰদূত বাৰ্তা

**মৰিয়নি, ২১ ডিচেম্বৰ ঃ ঃ** চলিত নন্দ বৰা আৰু ৰুবুল হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে কঠালগুৰি চাহ বাগিচা দল। উল্লেখ্য যে মৰিয়নি ক্ৰীড়া সন্থাই আয়োজন কৰা নন্দ বৰা আৰু ৰুবুল হাজৰিকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাখন চলি আছে বাপুজী ষ্টেডিয়ামত। আজিৰ কোৱাৰ্টাৰ ফাইনেলত মৰিয়নি লীগৰ চেম্পিয়ন কঠালগুৰি চাহ বাগিচা দলে টাইব্ৰেকাৰত 4–3 গ'লত পৰাস্ত কৰে তিতাবৰ ফুটবল ক্লাবক।

## অন্তিম উইকেটত ১৩৯ ৰাণৰ যুটি নীল-ফাৰুকৰ
## প্ৰিমিয়াৰ ক্ৰিকেটত উদয় সংঘৰ বিৰুদ্ধে ৰেডিয়েণ্ট ক্লাবৰ জয়

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ২১ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নগাঁৱৰ নৰুল আমিন ষ্টেডিয়ামত হোৱা মেচত ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে 126 ৰাণত পৰাস্ত কৰে উদয় সংঘক। পোনতে বেটিং কৰি ৰেডিয়েণ্ট স্পৰ্টছ ক্লাবে 216–10 ৰাণ কৰে। দলে 77 ৰাণত নটা উইকেট হেৰুওৱাৰ পাছত নিল কুমাৰ দাস আৰু ফাৰুক শ্বেইখে অন্তিম উইকেটত 139 ৰাণৰ যুটি বান্ধে। প্ৰত্যুত্তৰত, উদয় সংঘই 90–10 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাৰ স্বীকৃত মুঠ জিলা গোট হ'ল 41 টা। সেয়ে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ পাৰম্ভিক ৰাউণ্ডৰ মেচ ৰাজ্যৰ 41 টা স্থানত অনুষ্ঠিত



হ'ব। প্ৰতিটো স্থানতে জিলাৰ পঞ্জিয়ন থকা গড় 10 টা ক্লাবে প্ৰথম ৰাউণ্ডৰ মেচ খেলিব। আনহাতে, এই চাৰিশ ক্লাবৰ হৈ প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ খেলিছে এ চি এৰ পঞ্জিয়ন থকা প্ৰায় ছয় হেজাৰ ক্ৰিকেটাৰে।



## শ্ৰেষ্ঠ বেটছমেনৰ ট্ৰফী ভিক্টৰলৈ ঃ বিজয় সিং শ্ৰেষ্ঠ বলাৰ নিৰ্বাচিত
## প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ ক্ৰিকেটাৰ হৃষিকেশ

**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ** বৰপেটা জিলা দলৰ হৃষিকেশ দাসে এইবৰ্ষৰ আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰিছে। উল্লেখ্য যে ৰাজ্যিক ক্ৰিকেট প্ৰতিযোগিতাখনত বৰপেটা জিলা দলৰ হৃষিকেশ দাসে মুঠ 226 ৰাণ কৰিছে। ইফালে, ধেমাজিৰ বিজয় সিঙে মুঠ 14 টা উইকেট দখল কৰি আৰ জি বৰুৱা আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বলাৰ হোৱাৰ বিপৰীতে গুৱাহাটীৰ ভিক্টৰ কাশ্যপ 16 বছৰ অনূৰ্ধ ৰাজ্যিক ক্ৰিকেট প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ বেটছমেন হয়। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই



আয়োজন কৰা আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ এইবৰ্ষৰ চেম্পিয়ন ট্ৰফী লাভ কৰিছে বৰপেটা জিলা দলে। আজি বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ফাইনেলত বৰপেটা দল মুখামুখি হয় ধেমাজিৰ। মেচখনত বৰপেটাই সহজে 70 ৰাণৰ ব্যৱধানত পৰাস্ত কৰে ধেমাজিক। পোনতে বেটিং কৰি বৰপেটাই 35 অভাৰত ছয় উইকেটত 212 ৰাণ কৰে। প্ৰত্যুত্তৰত,



ধেমাজিয়ে 31.3 অভাৰত 142 ৰাণ কৰি ইনিংছ সামৰে আৰু পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এইবৰ্ষৰ আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাখন এলিট আৰু প্লেট দুটা ভাগত অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাত অংশ লয় মুঠ 41 টা দলে।

## নিউ ষ্টাৰৰ বিৰুদ্ধে এ এছ ই বিৰ জয়

**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি গুৱাহাটীৰ মেচত এ এছ ই বি স্পৰ্টছ ক্লাব দলে দুই উইকেটত পৰাস্ত কৰে নিউষ্টাৰ ক্লাবক। পোনতে বেটিং কৰি নিউষ্টাৰ ক্লাবে 180–10 ৰাণ কৰে। প্ৰত্যুত্তৰত, এ এছ ই বি স্পৰ্টছ ক্লাব দলে 181–8 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ। উল্লেখ্য যে প্ৰথম ৰাউণ্ডৰ পাছত দ্বিতীয় স্তৰত হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এইবাৰ দুটা স্থানত কৰা হ'ব মাণ্ডলিক ৰাউণ্ডৰ মেচ। এ চি এৰ মুঠ মণ্ডলৰ সংখ্যা কিন্তু ছটা। উল্লেখ্য যে প্ৰথম স্তৰত যিসলক চেণ্টাৰত চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ খেল হ'ব প্ৰতিটো কেন্দ্ৰৰ পৰা এটাকৈ দল যোগ্যতা অৰ্জন কৰিব মাণ্ডলিক ৰাউণ্ডৰ মেচলৈ। অহাবৰ্ষৰ 28 জানুৱাৰীৰ পৰা 15 ফেব্ৰুৱাৰীলৈ হ'ব ছটা মণ্ডলৰ খেলসমূহ। আনহাতে, এই ছটা মণ্ডলৰ পৰা শীৰ্ষ দুটাকৈ দল অৰ্থাৎ 12 দলে খেলিব ফাইনেল ৰাউণ্ডৰ মেচ। ফাইনেল ৰাউণ্ড আৰম্ভ হ'ব 10 মাৰ্চৰ পৰা 10 এপ্ৰিললৈ।

## ৰাজ্যিক মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতা পূৰ্ণগতিত

**গুৱাহাটী, ২১ ডিচেম্বৰ ঃ ঃ** চলিত মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ 11 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় অক্ষিতা ৰয়। আনহাতে, ল'ৰাৰ 11 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় অভিক্ষিত চাংমাই। ছোৱালীৰ 13 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় ধনিস্থা শইকীয়া। আনহাতে, ল'ৰাৰ 13 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় স্পপ্নীল দত্ত। ইফালে, ছোৱালীৰ 15 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় ভূমিকা কৌশিক। আনহাতে, ল'ৰাৰ 15 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় সমৰ্থ মোডী। ছোৱালীৰ 17 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় হৰ্ষিতা দাস। আনহাতে, ল'ৰাৰ 17 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় হৃদয় জে শৰ্মা। ছোৱালীৰ 19 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় তৃষা গগৈ। আনহাতে, ল'ৰাৰ 19 বছৰ অনূৰ্ধ শাখাত চেম্পিয়ন হয় অগ্নিৱ গোহাঁই। তৃষা গগৈয়ে ফাইনেলত পৰাস্ত কৰে কৃতীকা উপধ্যায়ক। আনহাতে, অগ্নিৱ গোহাঁয়ে খিতাপৰ যুঁজত অনল কাশ্যপক হৰুৱায়। উল্লেখ্য যে অসম টেবুল টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীত চলি আছে ৰাজ্যিক প্ৰতিযোগিতাখন। কৰ'নাৰ বাবে অসম টেবুল টেনিছ সন্থাই বিগত বৰ্ষত আয়োজন কৰা নাছিল অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখন। কিন্তু এইবাৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত প্ৰতিযোগিতাখন আয়োজন কৰা হৈছে। উল্লেখ্য যে অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতাখনত ৰাজ্যৰ 15 খন জিলাৰ প্ৰায় চাৰিশ খেলুৱৈয়ে অংশ লৈছে।



গৃহভূমিত বিশ্ব বেডমিন্টনত ইতিহাস গঢ়ি ৰূপ দখল কৰা শ্ৰীকান্ত, লগত প্ৰশিক্ষক গোপীচাঁদ।

## ২৩ ডিচেম্বৰৰ পৰা বেংমৰা কাপ ফুটবল প্ৰতিযোগিতা



অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২১ ডিচেম্বৰ ঃ ঃ** বেংমৰা ক্ৰীড়া সন্থাৰ উদ্যোগত অহা 23 ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব পঞ্চম বেংমৰা কাপ ফুটবল প্ৰতিযোগিতা। আজি ৰাজ্যিক ফুটবল প্ৰতিযোগিতাখনৰ বিষয়ে অৱগত কৰি আয়োজক বেংমৰা ক্ৰীড়া সন্থাই জনাই যে এইবাৰ মুঠ 12 টা দলে খেলিব বেংমৰা কাপ ফুটবল প্ৰতিযোগিতা। অহা ন জানুৱাৰীত অনুষ্ঠিত হ'ব ৰাজ্যিক ফুটবল প্ৰতিযোগিতাখনৰ ফাইনেল মেচখন।

## দুলীয়াজান য়ুথ ক্লাবৰ অগ্ৰগতি

**অগ্ৰদূত বাৰ্তা, নাহৰকটীয়া ২১ ডিচেম্বৰ ঃ ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা চলিত অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ আজি নাহৰকটীয়াত হোৱা মেচত দুলীয়াজান ইয়ুথ ক্লাবে 104 ৰাণত পৰাস্ত কৰে নাহৰকটীয়া ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰক। পোনতে বেটিং কৰি দুলীয়াজান ইয়ুথ ক্লাবে 305–7 ৰাণ কৰে। প্ৰত্যুত্তৰত, নাহৰকটীয়া ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 201–6 ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এ চি এৰ উক্ত প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপ ক্ৰিকেট প্ৰতিযোগিতাখন তিনিটা স্তৰত অনুষ্ঠিত কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচ অনুষ্ঠিত হ'ব জিলা, ছাব ডিভিজন, বিশ্ব বিদ্যালয় পৰ্যায়ত। এই স্তৰত স্থানীয় ক্লাবে নিজৰ নিজৰ এলেকাত হোৱা মেচত অংশ ল'ব। 31 ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব প্ৰাৰম্ভিক ৰাউণ্ডৰ মেচ। উল্লেখ্য যে চতুৰ্থ অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বিপৰ চেম্পিয়ন দলে লাভ কৰিব 10 লাখ টকা। ৰানাৰ্ছআপ দলে পাঁচ লাখ টকা। ছেমিফাইনেলত পৰাস্ত হোৱা দল দুটাই দুই লাখকৈ। মাণ্ডলিক স্তৰৰ চেম্পিয়ন দলে ডেৰ লাখ তথা ৰানাৰ্ছআপ দলে এক লাখ টকা পাব। আনহাতে, জিলাৰ চেম্পিয়ন দলে লাভ কৰিব এক লাখ।



অনুশীলনত ডি'কক।

## বৈঠালাংছ'ত ক্ৰীড়া সমাৰোহৰ সফল সামৰণি

**বৈঠালাংছ',২১ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰনালয়ৰ অধীনৰ নেহৰু যুৱ কেন্দ্ৰ, নগাঁও জিলাৰ নেতৃত্বত আৰু বে-চৰকাৰী সন্থা ঋষভৰ তত্বাৱধানত বৈঠালাংছ'ত দুদিনীয়া কাৰ্যসূচীৰে ব্লক পৰ্যায়ৰ ক্ৰীড়া সমাৰোহখনি শনিবাৰ আৰু দেওবাৰে অনুষ্ঠিত কৰা হয়। পশ্চিম কাৰ্বি আংলং আৰু নগাওঁ জিলাৰ সীমান্তৱৰ্তী বৈঠালাংছ' চৰাইহাগী খেলপথাৰ আৰু বৈঠালাংছ' উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰ প্ৰাঙ্গণত অনুষ্ঠিত কৰা ক্ৰীড়া সমাৰোহখনিত ফুটবল, বেডমিন্টন, চকী খেল, চকুবন্ধা, কুকুৰা যুঁজ, টেকেলি ভঙা খেল, পুখুৰী-পাৰ আদি ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অঞ্চলটোৰ ডেৰ শতাধিক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰা এই ক্ৰীড়া সমাৰোহখনিত ছেমছন ছিং ইংতি মহাবিদ্যালয়, বৈঠালাংছ' উচ্চতৰ মাধ্যমিক বিদ্যালয়, ঋষভ একাডেমী, ভানু সাংস্কৃতিক সংঘ, বৈঠালাংছ' যুৱক সংঘ, ঝংকাৰ সাংস্কৃতিক গোষ্ঠীৰ ক্ৰীড়াদ্যোমীসকলে অংশগ্ৰহণ কৰে। ক্ৰীড়া সমাৰোহখনিৰ প্ৰথম দিনটোত ফুটবল আৰু বেডমিন্টন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে দ্বিতীয় দিনটোত চকী খেল, চকুবন্ধা, কুকুৰা যুঁজ, টেকেলি ভঙা খেল, পুখুৰী-পাৰ আদি ক্ৰীড়া




প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। দেওবাৰে বিয়লি ক্ৰীড়া সমাৰোহখনিৰ অন্তিম কাৰ্যসূচী হিচাপে বঁটা বিতৰণী অনুষ্ঠানত বিজয়ীসকলক বঁটা হিচাপে ট্ৰফী আৰু মেডেল প্ৰদান কৰে উপস্থিত অতিথিসকলে। বৈঠালাংছ'ৰ অগ্ৰণী শিক্ষা প্ৰতিষ্ঠান ঋষভ একাডেমীৰ অধ্যক্ষ টুটু নিগমে আঁত ধৰা বঁটা-বিতৰণী অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট কবি-সাহিত্যিক টংক কোঁৱৰ, বৈঠালাংছ' ক্ৰীড়া সন্থাৰ সচিব বিদ্যাছিং ডেৰা, শৰীৰচৰ্চাৰ প্ৰশিক্ষক স্বপ্না ৰয়, নেহৰু যুৱকেন্দ্ৰৰ যুৱ স্বেচ্ছাসেৱক-সেৱিকা ক্ৰমে প্ৰণৱ চৰকাৰ আৰু ৰেজিনা বেগম, ফুটবল খেল পৰিচালক গৌৰৱ কাকতি, কমল মল্লিক, মহেন তিছ' আৰু ৰূপেশ টেৰনে। উল্লেখযোগ্য যে উক্ত ত্ৰীড়া সমাৰোহখনিয়ে অঞ্চটোলৈ এক ক্ৰীড়াৰ পৰিৱেশ কঢ়িয়াই অনাত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলি প্ৰকাশ স্থানীয় ক্ৰীড়াপ্ৰেমী ৰাইজৰ।

আমাৰ কৃষি, আমাৰ কৃষক, আমাৰ অসম.....



ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

সত্যমেব জয়তে
GOVERNMENT OF ASSAM



## ৰাজ্যৰ কৃষি যান্ত্ৰিকীকৰণৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা

মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত কৃষক গোটলৈ
কম্বাইন হাৰ্ভেষ্টাৰ, ক্ষুদ্ৰ ধান বনা কল আৰু মিনি ট্ৰাক বিতৰণৰ অভিলাষী আঁচনি

### কম্বাইন হাৰ্ভেষ্টাৰ :

- প্ৰতিটো বিধান সভা সমষ্টিৰ একোটা নিৰ্বাচিত গোটলৈ আনুষংগিক সঁজুলিৰ সৈতে একোখনকৈ কম্বাইন হাৰ্ভেষ্টাৰ প্ৰদানৰ আঁচনি।
- মুঠ কম্বাইন হাৰ্ভেষ্টাৰৰ সংখ্যা : ১২৬ খন
- ৰাজসাহায্যৰ পৰিমাণ ৮০ শতাংশ বা প্ৰতিখনত সৰ্বোচ্চ ১০.৭৬ লাখ টকাত সীমাবদ্ধ।

### ক্ষুদ্ৰ ধান বনা কল :

- বিদ্যুৎ/ডিজেল চালিত মুঠ ক্ষুদ্ৰ ধান বনা কলৰ সংখ্যা : ২৬৭১ টা
- ক্ষমতা : প্ৰতি ঘণ্টাত ৮০০-১০০০ কিলোগ্ৰাম
- হিতাধিকাৰী :
  - অসমৰ ২৬খন জিলাৰ ২২০১ খন গাঁও পঞ্চায়তৰ প্ৰতিখনৰে পৰা এজনকৈ হিতাধিকাৰী,
  - বড়োলেণ্ড আঞ্চলিক পৰিষদৰ অন্তৰ্গত ৪ খন জিলাৰ ৪১৪ খন গাঁও পৰিষদ উন্নয়ন সমিতি (VCDC)ৰ প্ৰতিখনৰে পৰা এজনকৈ হিতাধিকাৰী,
  - কাৰ্বি আংলং স্বায়ত্ত পৰিষদৰ অন্তৰ্গত দুখন জিলাৰ ২৬খন গাঁও উন্নয়ন সমিতি (VDC)ৰ প্ৰতিখনৰে পৰা এজনকৈ হিতাধিকাৰী আৰু
  - ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত জিলাখনৰ স্বায়ত্ব পৰিষদীয় সদস্য (MAC)ৰ সমষ্টিৰ মুঠ ৩০ জন হিতাধিকাৰী।
- ৰাজসাহায্যৰ পৰিমাণ : প্ৰতিটো ক্ষুদ্ৰ ধান বনা কলত চৰকাৰী ৰাজসাহায্যৰ পৰিমাণ ৩০ শতাংশ নাইবা ১.১৭ লাখ টকা (যিটোৱেই কম), হিতাধিকাৰীৰ অংশ ২০ শতাংশ, বেংকৰ ঋণ ৫০ শতাংশ।

### মিনি ট্ৰাক

- হিতাধিকাৰী : নিৰ্বাচিত গাঁও পঞ্চায়তৰ সম্ভাৱনাপূৰ্ণ হিতাধিকাৰী/কৃষক গোট
- মুঠ মিনি ট্ৰাকৰ সংখ্যা : ১০০০ খন
- ৰাজসাহায্যৰ পৰিমাণ : প্ৰতিখনত ৩০ শতাংশ নাইবা ১.৫০ লাখ টকা (যিটোৱেই কম)।

সবিশেষ জানিবলৈ জিলা কৃষি বিষয়া/ মহকুমা কৃষি বিষয়া/ কাৰ্যবাহী অভিযন্তা (কৃষি)/ সহকাৰী কাৰ্যবাহী অভিযন্তা (কৃষি)ৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰক।





কৃষি বিভাগ, অসম চৰকাৰ

জনসংযোগ/ডিএফ/২১০৪/২১